কামৰূপ-ৰত্নমালা

প্ৰথম খণ্ড

সংকলন আৰু সম্পাদনা

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা।

কামৰূপ সাহিত্য পৰিষদ
গুৱাহাটী

Kamrup Ratnamala (Part I) : A biographical anthology of twenty one Assamese writers contributed by several persons and compiled and edited by Prof. Atul Chandra Hazarika and Prof. Hemanta Kumar Sarma and published by Radha Prakashan, Rehabari, Gauhati-8, on behalf of Kamrup Sahitya Parishad, Gauhati.

প্ৰকাশক :

কামৰূপ সাহিত্য পৰিষদৰ হৈ

ৰাধা প্ৰকাশন

'দশম ভবন'

ৰিহাবাৰী,

গুৱাহাটী-৮

প্ৰথম প্ৰকাশ

২১ জানুৱাৰী ১৯৭৩

মূল্য : ৫·০০

মুদ্ৰণ :

শ্ৰীপ্ৰশান্তকুমাৰ শৰ্মা, বি, এছ, ছি

পূৰ্বদেশ মুদ্ৰণ

ৰিহাবাৰী

গুৱাহাটী-৮

A Gift from the Librarian
State Central Library
Assam

কামৰূপ-প্ৰশস্তি

নেপালস্য কাঞ্চনাদ্রিং ব্রহ্মপুত্রস্য সঙ্গমম্ ।
কৰতোয়াং সমাশ্রিত্য যাৱদ্দিক্কৰবাসিনীম্ ॥
উত্তৰস্যাং কুঞ্জগিৰি ঃ কৰতোয়াতু পশ্চিমে ।
তীর্থশ্রেষ্ঠা দিক্ষুনদী পূৰ্ব্বস্যাং গিৰিকন্যকে ॥
দক্ষিণে ব্রহ্মপুত্রস্য লাক্ষায়াঃ সঙ্গমাৱধি ।
কামৰূপ ইতি খ্যাতঃ সৰ্ব্বশাস্ত্রেষু নিশ্চিতঃ ॥

—যোগিনী তন্ত্র । ১।১১।১৬-১৮

যত্রাস্তে নীলশৈলে হৰিহৰৱিধিভিঃ সেৱ্যমানা সুৰেশৈঃ ।
কামাখ্যা যত্র সাক্ষাৎ মণিগিৰিশিখৰে মাধৱো বাজিবক্ত্ৰঃ ॥
কেদাৰো যত্র লিঙ্গং মদনগিৰিবৰে নিত্যম্ আৱৰ্দ্ধমানঃ ।
লৌহিত্যৈঃ পুণ্যতোয়ৈঃ ৱহতি ৱিধিসুতো দৰ্পিতঃ সানুজেন ॥
বিপ্রাঃ ৱেদান্ত-ৱেদাগম-নিপুণতমাঃ ধাৰ্ম্মিকাঃ যত্র সন্তি ।
ভূপালাঃ ধৰ্ম্মপালাঃ ত্রিভুৱনজয়িনো যত্র প্রাগ্‌জ্যোতিষাখ্যে ॥
সাস্মাকং জন্মভূমিঃ সকল-বসুমতীমণ্ডলি-সাৰভূতা ।
কস্তুৰিস্বৰ্ণকালাগৰু-গৰতুৰগাঢ্যাকৰঃ কামৰূপঃ ॥

—মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্য ।

আগ কথা

কামৰূপ সাহিত্য পৰিষদৰ 'গুৱালকুছি অধিবেশন'ত মোৰ চেনেহৰ কেইজনমান ছাত্ৰ আৰু শ্ৰদ্ধেয় বন্ধুৱে পৰিষদৰ সভাপতিৰ দায়িত্ব লবলৈ মোক অনুৰোধ কৰে। সেইসকলৰ পৰা কিছুমান প্ৰকৃত কাম কৰাৰ প্ৰতিশ্ৰুতি পাইহে মই এই দায়িত্ব লবলৈ সন্মত হৈছিলোঁ। সেই অনুক্ৰমে পৰিষদৰ মুখপত্ৰ 'কামৰূপা'ই অশেষ চেষ্টাৰ ফলত প্ৰথমে প্ৰকাশ পালে। আমি মনত আনন্দ লভিলো আমাৰ চেষ্টাৰ সফলতাৰ কাৰণে। 'কামৰূপ ৰত্নমালা' প্ৰকাশৰ পৰিকল্পনা কাৰ্য্যত পৰিণত কৰিব নোৱাৰা বাবে আমি মনত অস্বস্তি-বোধ কৰি আছিলোঁ। এদিন হঠাৎ অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা প্ৰভৃতি কেইগৰাকীমান সদস্যক আহ্বান কৰি আনি আমাৰ অন্তৰৰ দুৰন্ত হেঁপাহৰ কথা কলোঁ। সকলোৱে আমাৰ কথাত সন্মতি দিলে, আনকি সম্পাদনাৰ দায়িত্বও অধ্যাপক হাজৰিকাদেৱ আৰু হেমন্ত কুমাৰ শৰ্মাই গ্ৰহণ কৰিলে।

সংকলনৰ কাম আৰম্ভ কৰাৰ দুসপ্তাহমানৰ ভিতৰতে এবৈশটি জীৱনবৃত্ত সংগৃহীত হ'ল। পৰিষদৰ ৪ৰ্থ বাৰ্ষিক বকো অধিবেশনতে ইয়াৰ উন্মোচনৰ আশা কৰি অতি খৰতকীয়াকৈ হলেও ছপা কাম কোনোমতে শেষ কৰা হ'ল। ইয়াৰ কাৰণে ধন্যবাদৰ পাত্ৰ বিশেষকৈ অধ্যাপক হাজৰিকাদেৱ আৰু হেমন্ত কুমাৰ শৰ্মা। সংকলনৰ ক্ষেত্ৰত পৰিষদৰ প্ৰধান সম্পাদক অধ্যাপক প্ৰসন্ন ৰাম দাসেও যথেষ্ট পৰি-শ্ৰম কৰিছে। এই 'ছেগতে এখেতসকল তিনিওজনলৈ পৰিষদৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ। যিসকল লিখকে এই কম সময়ৰ ভিতৰতে জীৱনীখিনি লিখি দিলে সেই সকললৈকেও আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি ভবিষ্যতলৈকেও এইদৰে ভাষা জ্ঞাননীৰ সেৱা কৰিব বুলি আশা কৰিলোঁ।

ৰাইজৰ কৃপা আৰু সহায়-সহানুভূতি পালে ভৱিষ্যতে ইয়াৰ বাকী খণ্ডকেইটাও আমাৰ পৰিকল্পনা অনুসৰি যুগুত কৰি প্ৰকাশ কৰিবলৈ যত্ন কৰা হব। যিসকলে আমাৰ দেশৰ, আমাৰ ভাষাৰ তথা আমাৰ সমাজৰ বিভিন্ন প্ৰকাৰে সেৱা কৰি গৈছে, সেইসকলৰ প্ৰতি শ্ৰদ্ধা দেখুৱাই সমাজত তেওঁলোকৰ স্মৃতি জাগৰূক কৰি ৰাখিলে পৰবৰ্তী কালতো তেনেকুৱা সেৱক আৰু সাধকৰ সৃষ্টি হোৱাৰ আশা কৰিব পাৰি। ইয়ে মানুহক নিস্বাৰ্থ কাম কৰাৰ প্ৰেৰণা দিয়ে আৰু জাতিৰ পক্ষে ই অতি মঙ্গলদায়ক।

আমি আশা ৰাখিছোঁ—'কামৰূপ ৰত্নমালা'ৰ বাকী খণ্ড কেইটাত অকল কবি সাহিত্যিকৰ জীৱনীয়েই নহয়, নানা শিল্পী, শিক্ষাবিদ, পণ্ডিত আৰু সমাজ সেৱীৰ জীৱন চৰিতো সন্নিবেশিত কৰা হব। আমি জনাত একো একোটা যুগ সৃষ্টি কৰি যোৱা এনে অনেক লোকৰ স্মৃতিও কালৰ গৰ্ভত লীন যাবলৈ ধৰিছে। জীৱন্ত জাতি এটাৰ পক্ষে ই অতিশয় দুখ লগা কথা। যদি প্ৰতিখন জিলা পৰিষদক এনেবোৰ কাম কৰিবলৈ উৎসাহিত কৰি তুলিব পৰা হয়, তেনেহলে এই কামে অদূৰ ভৱিষ্যতত অসম সাহিত্য সভাক এখন সম্পূৰ্ণাঙ্গ জাতীয় বুৰঞ্জী ৰচনা কৰাত সহায় কৰিব।

এনেবোৰ কামত কামৰূপ সাহিত্য পৰিষদে ৰাইজৰ আশীৰ্ব্বাদ আৰু উৎসাহ উদ্দীপনা পাব বুলি আশা কৰিলোঁ। আৰু এই সকলো কাম যাতে নিৰ্ব্বিঘ্নে সম্পন্ন হয়, তাৰ কাৰণে ভগবানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। সহযোগী সকলোৱে নিস্বাৰ্থ উদাৰ ভাৱেৰে কামত আগ বাঢ়ি যাওঁক—এয়ে আমাৰ একান্ত কামনা।

বিনয়াবনত

শ্ৰীগিৰিধৰ শৰ্ম্মা

সভাপতি

কামৰূপ সাহিত্য পৰিষদ

দশম ভবন, গুৱাহাটী-৮

মাঘবিহু ১৮৯৪ শকাব্দ

প্ৰধান সম্পাদকৰ নিবেদন

কামৰূপৰ বিভিন্ন অঞ্চলত বহুতো সাহিত্যিক, শিল্পী আৰু স্বনামধন্য পণ্ডিতে জন্ম গ্ৰহণ কৰি অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে অৰিহণা আগ বঢ়াই গৈছে। বৰ্ত্তমান আমাৰ মাজত সেইসকলৰ বহুতৰে জীৱনী পাবলৈ নাই। সময়ত সেই পুণ্যাত্মাসকলৰ জীৱন-বৃত্তান্ত কালৰ বুকুত জহি যোৱাৰ আশঙ্কাও নোহোৱা নহয়। গতিকে ইবোৰৰ সংগ্ৰহৰ ব্যৱস্থা কৰিবলৈ কামৰূপ সাহিত্য পৰিষদৰ নিচিনা কিছুমান অনুষ্ঠানে দায়িত্ব লোৱাতো একান্ত কৰ্ত্তব্য। এই কথা উপলব্ধি কৰিয়েই প্ৰথমে কামৰূপৰ কেইগৰাকীমান বিশিষ্ট কৱি সাহিত্যিকৰ জীৱন-কথা যুগুত কৰি উলিয়াবলৈ ১৯ মাৰ্চ ১৯৭২ তাৰিখে অনুষ্ঠিত কামৰূপ সাহিত্য পৰিষদৰ কাৰ্য্যনিৰ্বাহক সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে। এই মৰ্মে আৰু পৰিষদৰ প্ৰকাশ কৰিব লগীয়া গ্ৰন্থ প্ৰকাশ, সংকলন আদিৰ আঁচনি তৈয়াৰ কৰি কাৰ্য্যকৰী ৰূপদানৰ ব্যৱস্থা ল'বৰ কাৰণে প্ৰধান সম্পাদকক আহ্বায়ক হিচাবে লৈ এখনি 'প্ৰকাশন উপ-সমিতি' গঠন কৰা হয়। ইয়াৰ পিছতে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পৰম শ্ৰদ্ধেয় অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাদেৱৰ পৰামৰ্শ অনুসৰি কামৰূপৰ কেইগৰাকীমান কৃতী কৱি-সাহিত্যিকৰ জীৱন-কথা সংগ্ৰহৰ প্ৰাথমিক কাম আৰম্ভ কৰা হয়; আৰু ইয়াৰ নাম 'কামৰূপ-ৰত্নমালা' ৰাখিবলৈ স্থিৰ কৰা হয়।

৭ ডিচেম্বৰ ১৯৭২ তাৰিখে অনুষ্ঠিত পৰিষদৰ 'প্ৰকাশন উপ-সমিতি'ৰ বৈঠকত 'কামৰূপ ৰত্নমালা'ৰ সম্পাদনাৰ দায়িত্ব সুসাহিত্যিক অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা আৰু অধ্যাপক শ্ৰীহেমন্ত কুমাৰ

শৰ্মাৰ হাতত অৰ্পণ কৰা হয়। ইমান কম সময়ৰ ভিতৰতে পৰিষদৰ চতুৰ্থ বাৰ্ষিক বকো অধিবেশনৰ সময়ত 'কামৰূপ ৰত্নমালা'ৰ প্ৰথম খণ্ড ৰাইজৰ আগত উলিয়াই দিব পাৰিম বুলি আমি কেতিয়াও ভবা নাছিলোঁ। পৰম শ্ৰদ্ধেয় হাজৰিকা দেৱ আৰু অধ্যাপক শ্ৰীশৰ্মাৰ অশেষ তৎপৰতাৰ হেতু, নভবা কথাটিয়ে বাস্তৱত ৰূপ পোৱাত, নিশ্চয় তেখেতসকলৰ ওচৰত আমি ঋণী। এই সুযোগতে তেখেত সকললৈ পৰিষদৰ হৈ আমি আন্তৰিক কৃতজ্ঞতা জনালোঁ।

পুথিখনি প্ৰকাশ সম্পৰ্কত ৰাধা প্ৰকাশন আৰু পূৰ্ব্বদেশ মুদ্ৰণৰ তত্ত্বাবধান আন এটা উল্লেখযোগ্য দিশ। উক্ত প্ৰতিষ্ঠানটোৱে খৰতকীয়াকৈ ছপা কৰি প্ৰকাশ নকৰিলে 'কামৰূপ ৰত্নমালা'ই ইমান শীঘ্ৰে ৰাইজৰ আগত দেখা দিব নোৱাৰিলেহেঁতেন। প্ৰতিষ্ঠানটোৰ কৰ্মকৰ্ত্তাসকলৰ ঐকান্তিক নিষ্ঠাৰ কথা দোহাৰিবলৈ গলে প্ৰশংসাৰ নামত আতিশয্য হব নিশ্চয়। মাত্ৰ ইয়াকে ক'ব পাৰি যে 'কামৰূপ-ৰত্নমালা'ৰ প্ৰকাশৰ দায়িত্ব লৈ 'ৰাধা-প্ৰকাশনে' জাতীয় সেৱাত এটি বৰঙণি যোগালে।

এই পুথিখনি যুগুত কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা লিখক-লিখিকাসকলৰ প্ৰতিও আমাৰ গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ।

'কামৰূপ ৰত্নমালা'ত সন্নিৱিষ্ট জীৱনী সমূহে আমাৰ নতুন যুগৰ নতুন পুৰুষ সকলৰ চিন্তাধাৰাত যথাৰ্থভাৱে অনুপ্ৰাণিত কৰিব পাৰিলে আমাৰ উদ্দেশ্য সাৰ্থক হ'ব।

গুৱাহাটী
১৪ জানুৱাৰী ১৯৭৩

শ্ৰীপ্ৰসন্নৰাম দাস
প্ৰধান সম্পাদক
কামৰূপ সাহিত্য পৰিষদ

আমাৰ কথা

মোৰ 'মৰহা ফুলৰ কৰণি' আৰু এই 'কামৰূপ ৰত্নমালা' প্ৰায় একে। এইখন গ্ৰন্থৰ পৰিকল্পনা মনত বহুদিনৰ পৰাই পুহি ৰখা হৈছিল যদিও সুযোগ আৰু সময়ৰ অভাৱত তাক কাৰ্য্যত পৰিণত কৰিব পৰা নাছিল আৰু সঁচা কথা কবলৈ হলে আজিকালি এনে-বোৰ গধুৰ দায়িত্ব লোৱাত মোক বয়স আৰু স্বাস্থ্যয়ো বিধিপথালি দিছে। সি যি নহওক কিছু দিন পূৰ্ব্বে মোৰ ইচ্ছা প্ৰস্তাব আকাৰে কামৰূপ সাহিত্য পৰিষদৰ সভা এখনত ব্যক্ত কৰা হৈছিল। সুখৰ বিষয় সদস্য সকলে আগ্ৰহ সহকাৰে সেই প্ৰস্তাবত হয় ভৰ দিলে আৰু পৰিষদৰ পক্ষৰ পৰা কেইবাখণ্ডতো 'কামৰূপ ৰত্নমালা' গ্ৰন্থ প্ৰকাশ কৰিবলৈ স্থিৰ কৰা হ'ল।

পিছে প্ৰস্তাব এটা গ্ৰহণ কৰা যিমান উজু, তাক কাৰ্য্যকৰী কৰাটো সিমান টান। পৰিষদৰ বকো অধিবেশনৰ এমাহমান আগতে সভাপতি শ্ৰীগিৰিধৰ শৰ্মাই মোক মাতি নি জনচেৰেক সদস্যৰ লগত কথাটো আলোচনা কৰি গ্ৰন্থখনি অধিবেশনৰ লগে লগে উলিয়াবলৈ ইচ্ছা প্ৰকাশ কৰে। ডেকা-বন্ধু অধ্যাপক শ্ৰীহেমন্ত কুমাৰ শৰ্মাৰ সহযোগত মই সংকলন আৰু সম্পাদনৰ দায়িত্ব গ্ৰহণ কৰো। কিন্তু তেতিয়াও নাকৰ ওপৰত নহাত পানী, পৰিষদৰ প্ৰধান সম্পাদক শ্ৰীপ্ৰসন্ন ৰাম দাসে ইতিপূৰ্ব্বে লিখালিখি চলাইছিল যদিও তেতিয়া-লৈকে তেওঁৰ হাতত দুটা প্ৰবন্ধহে পৰিছিল। তথাপি শুৰ-মুৰ যাত্ৰা যি কৰে বিধাতা বুলি কামত হাত দিলো। খৰখেদাকৈ হাকুটি জোৰাই যি কেইটা প্ৰবন্ধ পোৱা যায় তাৰেই গ্ৰন্থৰ প্ৰথম খণ্ড উলিয়াই দিবলৈ চেষ্টা চলালো আৰু তাৰ ফলত মুৰামুৰিকৈ হলেও জোখাৰে প্ৰবন্ধ যোগাৰ হ'ল, দুই-চাৰিটা দ্বিতীয় খণ্ডলৈ ৰাহিও থাকিল। এই খণ্ডত প্ৰকাশিত জীৱন বৃত্তসমূহ সময়ানুক্ৰমিক

হিচাবে সংযোজন কৰা হ'ল। মোৰ বৰীয়া কাম মই কৰিলো কিন্তু প্ৰেছৰ বৰীয়া কাম যে ইমান কম সময়ত (অৰ্থাৎ ১২।১৪ দিনত) সম্পন্ন হৈ উঠিব সেই কথা আজি এসপ্তাহ আগলৈকে বিশ্বাস কৰিবলৈকে টান পাইছিলো। কিন্তু সুখৰ বিষয় ভীমকৰ্মা শ্ৰীগিৰিধৰ শৰ্মাদেৱৰ কৰ্মতৎপৰতাত সিও সম্ভৱ হৈ উঠিল। এতিয়া শ্ৰীশৰ্মাকে প্ৰমুখ্য কৰি পৰিষদৰ সকলো সদস্যই প্ৰাপ্য ধন্যবাদ গ্ৰহণ কৰক। ঘাই শলাগৰ শৰাইখন তেওঁলোকৰেই প্ৰাপ্য। মোৰ এই সম্পাদনা কামত সোঁহাত আৰু বাওঁহাত হৈ দুজনে বিশেষভাবে সহায় কৰিছে। তেওঁলোক হৈছে—গ্ৰন্থৰ যুটীয়া সম্পাদক অধ্যাপক শ্ৰীহেমন্ত কুমাৰ শৰ্মা আৰু পৰিষদৰ প্ৰধান সম্পাদক অধ্যাপক শ্ৰীপ্ৰসন্নৰাম দাস। দুয়োৰো ভবিষ্যৎ জীৱন উজ্জ্বল হওক এয়ে কামনা।

এই পুথিত যিসকলৰ জীৱন-চৰিত সামৰি লোৱা হৈছে সেই সকলৰ জীৱনৰ অন্যান্য দিশ থাকিলেও আমি কেৱল সাহিত্যিক আৰু সাংস্কৃতিক দিশটোতহে অধিক গুৰুত্ব আৰোপ কৰিছো। তাৰপৰা এইটো নুবুজায় যে, সেইসকলৰ জীৱনত অন্যান্য ভাল দিশ নাই। উদাৰণ স্বৰূপে, গৌৰীকান্ত তালুকদাৰ বা মৌলানা তৈয়বুল্লা চাহাবৰ জীৱনত ৰাজনৈতিক ফালটো যদিও অধিক সমুজ্জ্বল তথাপি ইয়াত সেই বিষয়ে বেছি কথা কোৱা হোৱা নাই।

যিসকল লেখকে কম সময়ৰ ভিতৰতে জীৱনীকেইটা লিখি দি আমাক সহায় কৰিলে সিসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

বঢ়া-টুটা দোষৰ ৱাবে ক্ষমা প্ৰাৰ্থনাৰে।

তপোবন
গুৱাহাটী-১
মাঘ বিহু ১৪।১।৭৩

বিনীত
শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

সূচীপত্ৰ

বিষয়	লিখক	পৃষ্ঠা
ৰমাকান্ত চৌধাৰী (১৮৪৬—১৮৮৭)	অধ্যাপক শ্ৰীপ্ৰসন্নৰাম দাস	১
হৰিৰাম মহন্ত ঠাকুৰ (১৮৪৬—১৯৫০)	শ্ৰীনন্দ তালুকদাৰ	১০
পদ্মাৱতী দেৱী ফুকননী (১৮৫৩—১৯১৪)	শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱা	১৭
ৰাধিকাৰাম ঢেকিয়াল ফুকন (১৮৫৪—১৮৯৬)	জ্ঞানদাভিৰাম বৰুৱা	২৫
ভোলানাথ দাস (১৮৫৮—১৯২৯)	শ্ৰীঅতুলচন্দ্ৰ বৰুৱা	৩৩
সোণাৰাম চৌধুৰী (১৮৭০—১৯৪২)	শ্ৰীৰমেশচন্দ্ৰ বৰকাকতী	৪২
বিষয় চন্দ্ৰ বিশ্বাসী (১৮৮২—১৯৪১)	অধ্যাপক শ্ৰীপ্ৰসন্নৰাম দাস	৫১
গৌৰীকান্ত তালুকদাৰ (১৮৮৫—১৯৬৬)	অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্মা	৫৮
হৰিনাৰায়ণ দত্তবৰুৱা (১৮৮৫—১৯৫৮	শ্ৰীকমলেশ্বৰ চলিহা	৬৬
শৰৎ চন্দ্ৰ গোস্বামী (১৮৮৭—১৯৪৪)	ডক্টৰ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য	৭৬
হৰিনাথ পাঠক চৌধুৰী (১৮৮৮—১৯৭১)	শ্ৰীমুকলী চৌধুৰী	৮৮

বিষয়	লিখক	পৃষ্ঠা
সিংহদত্ত দেৱ অধিকাৰী (১৮৯০—১৯২৫)	ডক্টৰ প্ৰফুল্লদত্ত গোস্বামী	৯৬
হৰমোহন দাস (১৮৯০—১৯১৭)	অধ্যাপিকা শ্ৰীমতীমঞ্জুমালা দাস	১০৭
অম্বিকানাথ বৰা (১৮৯১—১৯৬৮)	অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা	১১৪
সৰ্বেশ্বৰ শৰ্ম্মাকটকী (১৮৯২—১৯৪৬)	অধ্যাপক শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা	১২২
মৌলানা তৈয়বউল্লা (১৮৯৪—১৯৬৬)	শ্ৰীমতীমীৰা জেলিল	১২৮
ধনেশ্বৰ শৰ্ম্মা (১৮৯৫—১৯৫১)	শ্ৰীসুবোধ চন্দ্ৰ শৰ্ম্মা	১৩৭
কাশীনাথ বৰ্মণ (১৮৯৫—১৯৬৩)	অধ্যাপক শ্ৰীশিৱনাথ বৰ্মণ	১৪৭
উমেশ চন্দ্ৰ চৌধাৰী (১৮৯৮—১৯৫৩)	শ্ৰীহৰিনাথ শৰ্মা	১৫৫
দৈবচন্দ্ৰ তালুকদাৰ (১৯০০—১৯৬৭)	অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা	১৬৬
হলীৰাম ডেকা (১৯০১—১৯৬২)	অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মা	১৮০

গোপীকান্ত তালুকদাৰ (১৮৮৫—১৯৬৬)



হৰিনাৰায়ণ দত্তবৰুৱা (১৮৮৫ – ১৯৫৮)

হৰিনাথ পাঠক চৌধুৰী (১৮৮৮—১৯৭১)



মৌলানা তৈয়ব উল্লা (১৮৯৪—১৯৬৬)



সিংহদত্ত দেৱ অধিকাৰী (১৮৯০-১৯২,৫)



ধনেশ্বৰ শৰ্ম্মা (১৮৯৫-১৯৫১)



প্ৰত্নতাত্তিক—সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী
(১৮৯২-১৯৪৬)



হৰমোহন দাস
জন্ম—
২০ জুন, ১৮৯০
মৃত্যু—
২০ ফেব্ৰুৱাৰী,
১৯৫৭

উমেশ চৌধুৰী

অম্বিকানাথ বৰা
(১৮৯১—১৯৬৮)

কাশীনাথ বৰ্ম্মণ (১৮৯৫—১৯৬৩

অভিমন্যু-বধ প্ৰণেতা

ৰমাকান্ত চৌধাৰী

প্ৰাচীন ঐতিহ্য সম্পদৰ লগত সমন্বয়ৰ সৃষ্টি কৰি আধুনিক ছন্দ প্ৰয়োগৰ দ্বাৰা যিসকল কবি-শিল্পীয়ে অসমীয়া কাব্যসাহিত্যৰ নতুন দিগন্ত উন্মোচন কৰিবলৈ আত্মনিয়োগ কৰিছিল তেওঁলোকৰ ভিতৰত ৰমাকান্ত চৌধাৰী অবিসম্বাদীভাৱে অগ্ৰণী আৰু অনন্য সাধাৰণ। দৰাচলতে এওঁৱেই আধুনিক কাব্য আৰু নাটত এটি নতুন উন্মেষ আনি দিয়ে আৰু অমিত্ৰাক্ষৰ ছন্দ পোনপ্ৰথমে প্ৰয়োগ কৰি আধুনিক অসমীয়া কাব্য-সাহিত্য নিৰ্ম্মাণৰ শুভাৰম্ভ কৰে।

প্ৰতিষ্ঠা কালৰে পৰা সংস্কৃত চৰ্চ্চাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ নলবাৰী অঞ্চলে সাহিত্য সৃষ্টিত এক গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে। অসমৰ ভৌগোলিক চিত্ৰত উত্তৰ কামৰূপৰ এটি সুবিস্তৃত অঞ্চলকেই নলবাৰী অঞ্চল বোলা হয়। অতি সুপ্ৰাচীন কালৰে পৰা এই অঞ্চলটোত সংস্কৃত ভাষা-সাহিত্যৰ অধ্যয়ন আৰু অধ্যাপনাৰ এক নিৰৱচ্ছিন্ন প্ৰবাহ আজিলৈকে চলি আহিছে। কাব্য, ছন্দ, অলঙ্কাৰ, ব্যাকৰণ, দৰ্শন, জ্যোতিষ, ধৰ্ম্মশাস্ত্ৰ—এই আটাইবোৰ বিভাগতে কামৰূপৰ নলবৰীয়া পণ্ডিতসকলৰ জ্ঞান আছিল অপৰিসীম; আৰু অতীতৰে পৰা এই অঞ্চলতেই জ্ঞান গৰিমাৰ বিকাশ লাভ কৰিছিল। অসমীয়া সাহিত্যত নতুন দিগন্তৰ উন্মেষকাৰী কবি-নাট্যকাৰ আৰু অভিনয়-শিল্পী ৰমাকান্তৰ জন্ম হৈছিল ১৮৪৬ চনত নলবাৰী অঞ্চলৰ বতাহগিলা নামে এখন প্ৰাচীন সৰু গাঁওত।

ৰমাকান্তৰ পূৰ্ব্বপুৰুষসকল আহিছিল সুদূৰ পঞ্জাৱৰ পৰা। স্বৰ্গদেউ গৌৰীনাথসিংহই মোৱামৰীয়াসকলৰ বিদ্ৰোহৰ পৰা ৰক্ষাৰ উপায় চিন্তা কৰি বিপাণ্ডত পৰিছিল। সেইহে মোৱামৰীয়াক দমন কৰিবলৈ ইংৰাজ সৈন্যৰ গুচৰলৈ কটকী পঠিয়ালে। তাৰ ফলতেই খৃষ্টীয় ১৭৯২ চনত কাপ্তেন ৱালেছৰ অধীনত বৃটিছ ফৌজৰ এটি দল আহি মোৱামৰীয়াৰ বিদ্ৰোহ দমন কৰি অসমৰ পৰা উলটি গল। কিন্তু ফৌজটোৰ লগতে অহা পাঞ্জাবী ডেকা কানুসিং চুবাদাৰ উলটি যোৱা নাছিল। অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু অসমীয়া লোকৰ মৰমৰ এনাজৰীৰ বান্ধোনত কানুসিং বান্ধ খাই অসমতে ৰৈ গল। অসমৰ বায়ু-পানী সেৱন কৰি এইদৰে পুৰণি কালৰে পৰা কিমান অনা-অসমীয়া লোক অসমীয়া জীৱন আৰু সংস্কৃতিৰ প্ৰাণবস্তু সংহতিৰ বুকুত জাহ গৈছে তাৰ হিচাপ নাই।

কানুসিং পঞ্জাৱৰ এক সম্ভ্ৰান্ত হিন্দু পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। সৰুৰে পৰা খেল-ধেমালিত ৰাপ থকা কানুসিঙে অপৰিসীম সাহসৰ পৰিচয় দি সমনীয়াসকলক স্তম্ভিত কৰি তুলিছিল। খেল-ধেমালিত যিদৰে কানুসিং আগৰণুৱা আছিল ধৰ্ম্মৰ প্ৰতিও তেওঁৰ সৰু কালৰে পৰা আছিল প্ৰবল অনুৰাগ। গুৰু গোবিন্দসিংহৰ তেজস্বী বাণীৰ যাদুপৰশত কানুসিঙে মনত দুৰ্ব্বাৰ সাহস লাভ কৰিছিল আৰু ভীৰুতাক পাপৰ নিম্নতম স্তৰ বুলি জ্ঞান কৰিবলৈ শিকিছিল। শস্যশ্যামলা চিৰসেউজীয়া অসমৰ প্ৰকৃতি আৰু বৈষ্ণৱ পৰিবেশত গঢ় লৈ উঠা অসমীয়া সমাজৰ মাজত অসমীয়া গাভৰু বিয়া কৰাই কানুসিঙে তেওঁৰ অন্তৰৰ বস্তুকে বিচাৰি পাইছিল; আৰু সেয়ে তেওঁ অসমৰ পৰা উলটি যাবলৈ টান পাইছিল। এই কানুসিঙে আছিল কামৰূপৰ নলবাৰী অঞ্চলৰ বিখ্যাত চৌধাৰী বংশৰ প্ৰতিষ্ঠাতা।

কানুসিং চুবাদাৰ আছিল ৰমাকান্ত চৌধাৰীৰ ককাদেউতাক।

তেওঁৰ পুত্ৰ দুটি—কমলচন্দ্ৰ আৰু লক্ষ্মীকান্ত। কানুসিঙৰ গাত থকা নৈতিক আৰু শাৰীৰিক গুণসমূহ কমলচন্দ্ৰ আৰু লক্ষ্মীকান্তৰ চৰিত্ৰতো প্ৰকাশ পাবলৈ ধৰিলে। তেতিয়াৰ কামৰূপ জিলাৰ বৰ চাহাবে কমলচন্দ্ৰক গুৰিগছ থকা ঘৰৰ লৰা বুলি জানি চৈধ্য-খন গাঁৱৰ সমষ্টি খাতা, ধমধমা, নতুন দেহৰ মৌজাৰ চৌধাৰীৰ বিষয়-বাব দি দিলে। কেই মাহমান মাত্ৰ মৌজাদাৰি বিষয় পাওঁ-তেই কমলচন্দ্ৰৰ মৃত্যু হ'ল। মৃত্যুৰ সময়ত তেওঁৰ একমাত্ৰ লৰা দুলালচন্দ্ৰ নাবালক আছিল। গতিকে লক্ষ্মীকান্তই ভতিজাক দুলালচন্দ্ৰৰ তত্বাৱধান লবলগীয়াত পৰিল, আৰু তেওঁৰ হৈ মৌজা চলোৱা কামতো মনোনিবেশ কৰিবলগীয়া হ'ল।

এবাৰ ভোটান যুদ্ধত ইংৰাজ সৈনাক দৃঢ়তাৰে সহায় কৰা বাবে লক্ষ্মীকান্ত বৃটিছ চৰকাৰৰ বিশেষ প্ৰশংসাৰ পাত্ৰ হৈছিল; আৰু তেওঁক এটা ক্ষমতাপন্ন বিষয়-বাব দিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। লক্ষ্মীকান্তৰ উচ্চাকাঙ্খা থাকিলেও ক্ষমতালিপ্সা নাছিল। তদুপৰি তেওঁ আছিল স্বাধীনচিতীয়া মনৰ লোক। সেই বাবে বৃটিছ চৰকাৰে যাচি দিয়া বাব তেওঁ গ্ৰহণ নকৰিলে। স্বাৰ্থত্যাগ আৰু দুখীয়াক সহায় কৰা লক্ষ্মীকান্তৰ জীৱনৰ ব্ৰত আছিল। সেই কাৰণে দুখীয়া ৰায়তৰ পৰা খাজানা সংগ্ৰহ কৰোঁতে তেওঁ কাকো জোৰ-জুলুম নকৰি-ছিল। ঐশ্বৰ্য্য-বিভূতিৰ প্ৰতিও স্পৃহা তেওঁৰ মুঠেই নাছিল। সম্ভ্ৰান্ত চৌধাৰী খিতাপ লৈয়ো নিৰহঙ্কাৰ আৰু ন্যায়-নীতিৰ প্ৰতি নিষ্ঠাবান লক্ষ্মীকান্তই অনাড়ম্বৰ জীৱন যাপন কৰিহে ভাল পাই-ছিল। মাত্ৰ তেওঁৰ ধ্যান আছিল ভতিজাক দুলালচন্দ্ৰক কেনেকৈ এজন উপযুক্ত মানুহ কৰি তুলিব পাৰে। এইজন পৰোপকাৰী আৰু নৈষ্ঠিক লক্ষ্মীকান্তই আছিল ৰমাকান্ত চৌধাৰীৰ পিতৃ।

ল'ৰাকালত ৰমাকান্তৰ গাত সৈনিক ককাক কানুসিঙৰ তেজৰ গুণ প্ৰকাশ পায়। পছুচিকাৰ, চৰাই চিকাৰ আদি সাহসিক

কামত ৰমাকান্তই ব্যস্ত থাকি আনন্দ পাইছিল। বনৰীয়া জীৱ-জন্তু আৰু নানা ধৰণৰ চৰাই-চিৰকতিৰে ভৰপূৰ অসমৰ হাবি বননিয়ে ৰমাকান্তৰ মৃগয়ালুব্ধ মনত যোগাইছিল অফুৰন্ত উদ্দীপনা। ইফালে নৈষ্ঠিক জীৱন যাপন কৰি পিতৃ লক্ষ্মীকান্তই পুতেকে এইদৰে চৰাই-চিৰকতি মাৰি ফুৰা মুঠেই ভাল পোৱা নাছিল। সেয়ে এদিন যেতিয়া ৰমাকান্তই সৰু চৰাই এটা চিকাৰ কৰি অনা দেখিলে, লক্ষ্মীকান্তই দুখমনে কলে—"চোৱাচোন বোপা! চৰাইটোৱে মৃত্যু যন্ত্ৰণাত কেনেকৈ চট্‌ফটাব ধৰিছে। তাৰ যন্ত্ৰনা-কাতৰ অৱস্থা দেখিও তোমাৰ অন্তৰত পুতৌ জন্মা নাই নে?" পিতৃৰ কথা কেইটাই ৰমাকান্তৰ অন্তৰত গভীৰভাৱে ৰেখাপাত কৰিলে। যুদ্ধত শত্ৰু পক্ষৰ সৈন্যৰ তেজৰ সোঁত বোৱা দৃশ্যই মহাৰাজ অশোকৰ মন সলনি কৰাৰ দৰে পিতৃৰ কথায়ো ৰমা-কান্তৰ মনৰ গতি সলনি কৰিলে। সেই দিনাৰ পৰাই তেওঁ চৰাই-পহু চিকাৰ কৰিবলৈ এৰি দিলে।

বিদ্যোৎসাহী লক্ষ্মীকান্ত চৌধাৰীয়ে ভতিজাক দুলালচন্দ্ৰ আৰু পুতেক ৰমাকান্তক সুশিক্ষা দিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিল। সৰু কালৰে পৰা ৰমাকান্ত অতি চোকাবুদ্ধিৰ ছাত্ৰ হিচাপে পৰিগণিত হৈছিল। একাগ্ৰতা আৰু অধ্যবসায়ৰ কাৰণে শিক্ষক আৰু সহপাঠী-সকলৰ তেওঁ সততে মৰম স্নেহ লাভ কৰিছিল। এইদৰে ৰমাকান্তই সুখ্যাতিৰে এণ্ট্ৰেঞ্চ পৰীক্ষাত উত্তীৰ্ণ হয়। সেই সময়ত গুৱাহাটীত তেওঁ পঢ়া কলেজিয়েট স্কুলৰ লগতে এফ-এ মহলাৰ শ্ৰেণীও খোলা হৈছিল। ৰমাকান্তয়ো গুৱাহাটীত এফ-এ মহলাত ভৰ্ত্তি হ'ল। চৌধাৰী বংশৰ এৱেঁই প্ৰথম উচ্চ ইংৰাজী শিক্ষিত এফ-এ মহলাত উত্তীৰ্ণ হয়। তাৰ পিছত তেওঁ উচ্চ শিক্ষাৰ কাৰণে কলিকতালৈ যাবলৈ মন মেলিছিল যদিও ঘৰৰ পৰা বাধা পোৱাত তেওঁ উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যাব নোৱাৰিলে আৰু সিমানতে তেওঁৰ

শিক্ষা জীৱনৰ অন্ত পৰিল।

সিমানতে শিক্ষা সমাপ্ত হোৱাৰ লগে লগে ৰমাকান্ত চৌধাৰীৰ জীৱনৰো গতি সলনি হৈ পৰিল। এফালে ভৱিষ্যতে নিজকে প্ৰতিষ্ঠা কৰা আৰু আনফালে পিতৃৰ আদেশ ৰক্ষা কৰিবলৈ সাংসাৰিক জীৱনলৈ পদক্ষেপ কৰি অদম্য কৰ্ম্মশক্তিৰে ৰমাকান্তই এই নতুন কৰ্ম্মজীৱন আৰম্ভ কৰিলে। তেওঁ প্ৰথমে গুৱাহাটীৰ জিলা অফিচৰ আমোলাত চৰকাৰী কামত নিযুক্ত হয়। ইংৰাজ বিষয়াৰ তলত বিষয়-বাব গ্ৰহণ কৰিলেও ধীশক্তি সম্পন্ন ৰমাকান্ত চৌধাৰীয়ে পূৰ্ব্বৰ বংশ-মৰ্য্যদা অটুট ৰাখিব পাৰিছিল। নিয়মানুবৰ্ত্তিতা আৰু শৃংখলাবদ্ধভাবে অফিচৰ কামত মনোনিবেশ কৰি ৰমাকান্তই নিজৰ পাৰদৰ্শিতাৰ পৰিচয় দিব পাৰিছিল। তেওঁ অলপ দিনৰ ভিতৰতে গোৱালপাৰা মহকুমাৰ অফিচলৈ হেডক্লাৰ্কৰ পদত বদলি হৈ যায়। তাৰ পিছত ধুবুৰীৰ জিলা অফিচলৈ যায়। চাকৰি জীৱনৰ বেছি ভাগেই তেওঁ গোৱালপাৰা জিলাতে কটায়, কিন্তু শেষৰ ফালে স্বইচ্ছাৰে গুৱাহাটীৰ জিলা অফিচলৈ চিৰস্তাদাৰ হৈ আহে। সেই সময়ত ককাইদেৰেক দুলালচন্দ্ৰ চৌধাৰী জজ অফিচৰ চিৰস্তাদাৰ আছিল। এখন ঘৰতে দুই ককাই-ভাই জজ অফিচ আৰু জিলা অফিচৰ চিৰস্তাদাৰ হৈ থকাত তেওঁলোকৰ প্ৰভুত্ব আৰু ক্ষমতা দুগুণে বৃদ্ধি পালে। সেই বুলি উদাৰ আৰু প্ৰশান্তমনা চৌধাৰী-ঘৰৰ লৰা দুলাল আৰু ৰমাকান্তই ক্ষমতাৰ অপ-ব্যৱহাৰ কৰা নাছিল। ১৮৬৫ চনত দুলাল চন্দ্ৰ চৌধাৰীয়ে গুৱাহাটীৰ উজান বজাৰত স্থায়ীভাৱে ঘৰবাৰী স্থাপন কৰে আৰু তেতিয়াৰ পৰাই ৰমাকান্ত চৌধাৰীও ককাইদেৰেক দুলালচন্দ্ৰ চৌধাৰীৰ লগতে থাকিবলৈ লয়। "ওলাই দেখিবা যাক, শত্ৰু নাভাবিবা তাক" অসমীয়া সমাজত প্ৰচলিত এইষাৰ কথা চৌধাৰী ঘৰে-আখৰে আখৰে

পালন কৰিছিল। ওচৰ-চুবুৰীয়াৰ লগত মিলাপ্ৰীতিৰে থাকি ৰমাকান্ত চৌধাৰী সকলোৰে সন্মানৰ পাত্ৰ হব পাৰিছিল।

ৰমাকান্ত চৌধাৰীয়ে উত্তৰ গুৱাহাটীৰ প্ৰসিদ্ধ মজিন্দাৰ বৰুৱাৰ ঘৰৰ দয়াৰাম বৰুৱা ডাঙৰীয়াৰ জীয়াৰী নন্দীপ্ৰিয়াক বিয়া কৰাইছিল। এওঁলোকৰ তিনিজন পুত্ৰ আৰু দুজনী কন্যা জন্ম হয়। দুৰ্ভাগ্যবশতঃ সেই কালত দুৰাৰোগ্য ব্যাধি কলাজ্বৰত ৰমাকান্ত আক্ৰান্ত হোৱাত অসমত সেই ৰোগৰ চিকিৎসাৰ কোনো সুবিধা নথকাত তেওঁক কলিকতালৈ নিয়া হয় আৰু ১৮৮৯ চনৰ মাঘ মাহৰ শুক্লা পঞ্চমীৰ দিনা তাতে তেওঁ ইহলীলা সম্বৰণ কৰে। ৰমাকান্ত চৌধাৰীৰ পৰলোক প্ৰাপ্তিৰ পিছতে তেওঁৰ বৰপুত্ৰ আৰু এজনী জীয়েকৰ অকাল মৃত্যু হয়। ৰমাকান্ত চৌধাৰীৰ বিধবা পত্নী, দুটি নাবালক পুত্ৰ শ্ৰীকান্ত, হৰকান্ত আৰু কন্যা শ্ৰদ্ধেয় শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱৰ মাতৃ দেৱী নিৰুপমা হাজৰিকানী। এই নিঠৰুৱা প্ৰাণীকেইটিৰ দায়িত্ব গ্ৰহণ কৰি দুলালচন্দ্ৰ চৌধাৰীয়ে নিজৰ আশ্ৰয়ত ৰাখি খুটি খাব পৰা কৰিছিল।

কৰ্ম্মশক্তিৰ উপৰিও ৰমাকান্ত চৌধাৰীৰ জন্ম-লগ্নতে লাগি আছিছিল সাহিত্যৰ প্ৰতি অচলা ভক্তি আৰু ঐকান্তিক আসক্তি। তেওঁৰ কৱি-সুলভ চিন্তা-চৰ্চ্চাই অসমীয়া কাব্য-সাহিত্যত নতুনৰ উন্মেষ বোৱাই আনিব পাৰিলে।

ৰমাকান্ত চৌধাৰী যি যুগত জন্ম গ্ৰহণ কৰিছিল সেই যুগটো আছিল প্ৰকৃততে আধুনিক অসমীয়া ভাষা-সাহিত্যৰ নামে-কামে অৰুণোদয়ৰ যুগ। খৃষ্টিয়ান মিছনেৰীসকলৰ পৃষ্ঠপোষকতাত 'অৰুণোদয়' কাকতে আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰৱৰ্ত্তন কৰিলেও অসমীয়া জীৱন যাপনৰ লগত খাপ খোৱাকৈ তেতিয়াও প্ৰকৃত সৃষ্টিধৰ্ম্মী সাহিত্যৰ জন্ম আমাৰ ভাষাত সৃষ্টি হোৱা নাছিল। মিছনেৰীসকলৰ ৰচনাত নাইবা 'অৰুণোদয়'ত প্ৰতিফলিত হোৱা

ৰচনাসমূহ খৃষ্টধৰ্ম্মক আশ্ৰয় কৰিয়েই প্ৰণয়ন কৰা হৈছিল। সেইবোৰ সম্পূৰ্ণ বস্তুধৰ্ম্মী সাহিত্য আছিল। কিন্তু সেই সময়ৰ ইংৰাজী শিক্ষাৰ পোহৰ পোৱা অসমীয়া শিক্ষিত ডেকাসকলে অসমীয়া সাহিত্যৰ বিকাশ আৰু অসমীয়া ভাষাত সৃষ্টিধৰ্ম্মী সাহিত্যৰ প্ৰতিষ্ঠা মনেপ্ৰাণে কামনা কৰিছিল। হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ প্ৰবন্ধ-সাহিত্য, আধুনিক নাটক, জীৱনী, আধুনিক পদ্ধতিৰ বুৰঞ্জী, ভ্ৰমণ-বৃত্তান্ত প্ৰভৃতি একশ্ৰেণীৰ সৃষ্টিধৰ্ম্মী সাহিত্যৰ দ্বাৰা অসমীয়া সাহিত্য প্ৰতিষ্ঠিত কৰে। এই সময়তে অসমীয়া কাব্য সাহিত্যত নতুন ছন্দৰো পাতনি মেলা হৈছিল। পোনপ্ৰথমে ৰমাকান্ত চৌধাৰীয়ে মাইকেল মধুসূদন দত্তই মিল্টনৰ 'ব্লেঙ্ক ভাৰ্ছ'ৰ আৰ্হিত প্ৰৱৰ্ত্তন কৰা অমিত্ৰাক্ষৰ ছন্দ অসমীয়া কাব্য-সাহিত্যত প্ৰয়োগ কৰি সাহসৰ পৰিচয় দিয়ে।

অমিত্ৰাক্ষৰ ছন্দ প্ৰয়োগ কৰি ৰচনা কৰা ৰমাকান্ত চৌধাৰীৰ 'অভিমন্যু বধ' কাব্য ১৮৭৫ চনত প্ৰকাশ হয়। এইখনেই আধুনিক যুগৰ প্ৰথম অসমীয়া কাব্য। ইয়াৰ আগতে আধুনিক কাব্য-সাহিত্যৰ কোনো আৰ্হি আমাৰ ভাষাত পোৱা নাযায়। গতিকে ৰমাকান্ত চৌধাৰীক এই ক্ষেত্ৰত বাটকটীয়া বুলিব লাগিব। ইয়াৰ প্ৰায় পঁচিশ বছৰ পিছত ১৯০৩ চনত ভোলানাথ দাসৰ 'সীতাহৰণ' কাব্য প্ৰকাশ পায়।

কৱি ৰমাকান্ত চৌধাৰীৰ ৰচনা পদ্ধতি মাইকেল মধুসূদন দত্তই মিল্টনৰ ব্লেঙ্ক ভাৰ্ছৰ আৰ্হিত প্ৰৱৰ্ত্তন কৰা অমিত্ৰাক্ষৰ ছন্দৰ আদৰ্শত গঢ় লৈ উঠিলেও অসমীয়া ঘৰুৱা শব্দ আৰু কথ্যভাষাৰ প্ৰয়োগে 'অভিমন্যু বধ' কাব্যই স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰিছে।

* * পদ্মৰ শুকালে
মুখ, গুচিলেক হাঁহি আহিছে হেৰিয়া
কালৰ সমান কাল বিৰহৰ দশা

ওচৰলৈ, ভয়ভীতা মই ফুলেশ্বৰী
মুদ্রিলাহা চকুলাহি। অবাক হইয়া
গছ খোৰঙলৈ গলা শোকে চক্রবাকী
ভাহি নয়নৰ লোৰে, অভাগী অকলে
বিধবা জীয়াৰী যেন বাপেক ঘৰলৈ
মুখত কান্দনি লই। * *

উক্ত বৰ্ণনাখিনিত সহজ সৰল আৰু ঘৰুৱা পৰিৱেশৰ এটা স্বকীয়া মাধুৰ্য্য প্ৰকাশ পাইছে। পৰবৰ্ত্তী কবি হিতেশ্বৰ বৰ-বৰুৱাৰ 'যুদ্ধক্ষেত্ৰত আহোম ৰমণী' কাব্যত 'অভিমন্যু বধ'ৰ এনে প্ৰভাৱ মন কৰিবলগীয়া। অৱশ্যে ছন্দৰ সাৱলীল গতি আৰু অলংকাৰৰ সুপ্ৰয়োগৰ ক্ষেত্ৰত ভোলানাথ দাসৰ 'সীতাহৰণ' কাব্য 'অভিমন্যু-বধ'তকৈ কিছু উন্নত। কাব্যখনত করুণ, বীৰ আৰু শৃঙ্গাৰ ৰসৰ সু-সমাৱেশ ঘটিছে, আৰু সেয়ে কাব্যমোদীসকলৰ ৰুচি সুখকৰ ৰূপত কাহিনী প্ৰকাশ কৰাত ৰমাকান্ত চৌধাৰী কৃত-কাৰ্য্যতা লাভ কৰিব পাৰিছে। সম্প্ৰতি এই দুৰ্ল্লভ কাব্যখনে প্ৰায় এশ বছৰৰ পিছত তেওঁৰ আত্মীয় শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ প্ৰচে-ষ্টাত দ্বিতীয়বাৰ পোহৰৰ মুখ দেখিছে। ৰমাকান্তৰ 'সীতাহৰণ' নাট ছপা হৈ ওলাইছিল যদিও এতিয়া তাক ক'তো পাবলৈ নাই। ডঃ সত্যেন শৰ্ম্মা আৰু নাট্যকাৰ হাজৰিকাই দুৰ্গানাথ খাউণ্ডে সংকলন কৰি প্ৰকাশ কৰা 'সীতাহৰণ' নাটৰ ৰচয়িতা ৰমাকান্তই বুলি অনুমান কৰে। সীতাহৰণ এই যুগৰ প্ৰথম অসমীয়া পৌৰাণিক নাট। তেওঁৰ দ্বিতীয়খন নাট আছিল 'ৰাৱণ-বধ'। নাটখন সম্পূৰ্ণ ৰচনা শেষ হোৱাৰ পিছত মঞ্চাভিনয়ো কৰা হৈছিল। কিন্তু দুখৰ বিষয় এইখন নাট ছপা নো হওঁতেই বিলুপ্ত হ'ল।

বৰ্ত্তমান সাহিত্য সমালোচনাৰ তুলাচনীত কৰি, নাট্যকাৰ ৰমাকান্ত চৌধাৰীৰ ৰচনাসমূহ জুখিলে সাহিত্যৰ স্থায়ী মূল্য থাকক

বা নাথাকক; কিন্তু অসমীয়া সাহিত্যৰ বুৰঞ্জীত প্ৰথম আধুনিক কাব্য আৰু নাট ৰচক হিচাবে তেওঁ এটি উজ্বল ভোটা তৰা হৈ জিলিকি থাকিব। 'অভিমন্যু বধ' আৰু 'সীতাহৰণ'ৰ মাজেৰে লিখকৰ পৰিকল্পিত সাহিত্য সৃষ্টিৰ সাৰ্থক পৰিচয় প্ৰকাশ পাইছে। ৪৩ বছৰ বয়সত অকালতে মৃত্যুৰ গ্ৰাসত নপৰা হলে আৰু অন্ততঃ ১০।১৫ বছৰমান জীয়াই থকা হলে 'জোনাকী যুগৰ' পোহৰত হয়তো ৰমাকান্তই আৰু বহু মূল্যবান অলঙ্কাৰেৰে ভাষা-জননীক সজাইপৰাই যাব পাৰিলেহেতেন। কিন্তু নিয়তিৰ পৰিহাসত সেয়ে হবলৈ নেপালে। অৰ্দ্ধবিকশিত অৱস্থাতে কৱি ৰমাকান্ত মৰহি গ'ল।.

সদৌ শেষত কৱি, নাট্যকাৰ সুসাহিত্যিক শ্ৰদ্ধেয় শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে কোৱাৰ দৰে আমিও কওঁ "অসমীয়া সাহিত্য বুৰঞ্জীত প্ৰাক্‌শঙ্কৰী যুগৰ হেমসৰস্বতীৰ যি স্থান প্ৰাক্‌জোনাকী যুগৰ ৰমাকান্তৰো সেই একেই স্থান। তেওঁক লৈ সদৌ অসমীয়া সাহিত্যিক শিল্পীয়ে গৌৰৱ কৰিব পাৰে।

—শ্ৰীপ্ৰসন্নৰাম দাস

'শঙ্কৰ-চৰিত' সঙ্কলয়িতা

হলিৰাম মহন্ত ঠাকুৰ

বৈষ্ণৱ সাহিত্যৰাজিয়ে অসমীয়া সাহিত্যৰ বহল ঠাই আগুৰি আছে। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱ প্ৰমুখ্যে বৈষ্ণৱ ধৰ্ম্ম-গুৰুসকলে অসমৰ সাহিত্য-সংস্কৃতিত প্ৰচুৰ অৰিহণা যোগাইছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ আৰু তেৰাৰ অনুগামী সকলে ৰচনা কৰি যোৱা সাহিত্যৰাজি কালৰ বুকুত জাহ যাবৰ উপক্ৰম হৈছিল। পিছৰ কালত কেইজনমান মনীষীৰ জীৱন-জোৰা পৰিশ্ৰম আৰু ঐকান্তিকতাৰ ফলত সেই সাহিত্যৰাজি পোহৰলৈ আহে। হলিৰাম মহন্ত ঠাকুৰ এই পুণ্যাত্মা মনীষীসকলৰ ভিতৰত অগ্ৰগণী।

হলিৰাম মহন্ত ঠাকুৰ উপজিছিল উনৈশ শতিকাৰ মাজছোৱাত এটি পূত সন্ধিক্ষণত অৰ্থাৎ ১৮৪৬ খৃঃত। ১৮৪৬ খৃঃতে খৃষ্টান মিছনাৰীসকলৰ সৌজন্যত 'অৰুণোদই' সংবাদপত্ৰৰ জন্ম হৈছিল।

হলিৰাম মহন্তদেৱ শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰম ভকত নাৰায়ণদাস ঠাকুৰ আতাৰ তৃতীয় পুত্ৰ শিৱানন্দ ঠাকুৰৰ বংশধৰ। হলিৰাম মহন্ত নাৰায়ণদাস ঠাকুৰ আতাৰ পৰা অষ্টম পুৰুষ। হলিৰাম মহন্তৰ পিতৃ কমলনাৰায়ণ। কমলনাৰায়ণৰ দুই পুত্ৰ বলিৰাম আৰু হলিৰাম। বলিৰাম মহন্তই ঠাকুৰ আতাৰ পৰিচয় দি লিখিছে "৺নাৰায়ণ দাস ঠাকুৰ আতা ১৪১৭ শকত কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰ নৈৰ উত্তৰ পাৰে "মালভূই" গাঁওত কায়স্থ কুলত জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃৰ নাম ধৰ্ম্ম আৰু মাতৃৰ নাম হৰিপ্ৰিয়া আছিল। পিতৃদত্ত নাম ভবানন্দ। সেয়েহে তেৰাক ভবানন্দ ঠাকুৰ আতা বুলিও জনা যায়।

হৰিৰাম মহন্তৰ যেতিয়া জন্ম হয় তেতিয়া ইংৰাজী শিক্ষা তথা উচ্চ শিক্ষাই আমাৰ দেশত গা কৰি উঠিব পৰা নাছিল। গুৰু ট্ৰেইনিং আৰু মজলীয়া অৰ্থাৎ এম ভি স্কুলৰ শিক্ষাই আছিল তেওঁৰ পঢ়াশালীয়া বিদ্যাৰ শেষ সীমা। তেৰাসকলৰ সেই শিক্ষাও লাভ কৰিছিল বঙলা ভাষাৰ মাধ্যমেৰে। হৰিৰাম মহন্তই পঢ়াশলীয়া শিক্ষা শেষ কৰি শিক্ষকতাৰে কৰ্ম্মময় জীৱনৰ পাতনি মেলিছিল। বজালী অঞ্চলত যেতিয়া তেওঁ শিক্ষকতা কৰিছিল তেতিয়া দূৰৰ গাঁৱৰ পৰা তেওঁৰ ওচৰলৈ মানুহ আহিছিল ছপাপুথি আৰু হাতৰ আখৰ চাবৰ বাবে।

মহন্তদেৱে শিক্ষকতাৰে কৰ্ম্মময় জীৱনৰ পাতনি মেলিছিল যদিও তেও অকল পঢ়াশালিৰ চাৰিবেৰৰ মাজতে আবদ্ধ নাথাকিল। উপৰিপুৰুষ নাৰায়ণ দাস ঠাকুৰ আতাৰ পৱিত্ৰ স্মৃতিয়ে মহন্তদেৱক বৈষ্ণৱ সাহিত্য-ৰাজিৰ প্ৰতি আকৃষ্ট কৰিলে। শিক্ষকতা আৰু দুৰ্দ্দম সাংসাৰিক জীৱনৰ মাজতো তেওঁ উঠিপৰি লাগিছিল অসমৰ চুকে-কোণে পৰি থকা পদ পুথিৰাজি উদ্ধাৰৰ বাবে।

তেতিয়াৰ দিনত কামৰূপ অনুসন্ধান সমিতি, বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ, নাইবা বিশ্ববিদ্যালয় আদিৰ নিচিনা পুৰণি পুথি সংৰক্ষণ আৰু গৱেষণাৰ অনুষ্ঠানৰ জন্ম হোৱা নাছিল। তেতিয়াৰ দিনত প্ৰাচীন পুথি সংৰক্ষণ আৰু সংগ্ৰহৰ কোনো ব্যৱস্থাও নাছিল। তেতিয়া আছিল ধোঁৱাচাং আৰু থাপনাই পুথি-পত্ৰ ৰক্ষণৰ একমাত্ৰ স্থান।

সেই কালছোৱাতে তেওঁ ৰামচৰণ ঠাকুৰ আতা বিৰচিত **'শঙ্কৰ চৰিত'**খন সংগ্ৰহ আৰু সম্পাদনা কৰি প্ৰকাশ কৰিছিল। পুথিখনিৰ পাঠ সংগ্ৰহৰ বাবে তেওঁ সত্ৰই সত্ৰই ঘূৰি ফুৰি অক্লান্ত পৰিশ্ৰম কৰিব লগা হয়। তেতিয়াৰ দিনত আজিকালিৰ দৰে

যাতায়াতৰ বাবে যান-বাহনৰ সুবিধা নাছিল। ইফালে আকৌ থাপনাৰ পৰা পুথি-পত্ৰ আঁতৰাবলৈকো উজু কাম নাছিল। মহন্ত দেৱে তিনিবছৰ অশেষ পৰিশ্ৰম কৰি পুথিখন সংগ্ৰহ কৰি প্ৰকাশ কৰিছিল। তেওঁ পুথিখনি সাতটি খণ্ডত ভাগ কৰিছে। 'শঙ্কৰ চৰিতৰ' লগতে 'মাধৱদেৱৰ চৰিতো' কিছুপৰিমাণে সন্নিবিষ্ট কৰা হৈছিল। মহাপুৰুষ মাধৱদেৱৰ পূৰ্ণ দীৰ্ঘজীৱন চৰিত এখনো বেলেগে সঙ্কলন কৰিবলৈ তেওঁ ব্যৱস্থা কৰিছিল। 'শঙ্কৰ-মাধৱ' নামৰ আন এখন বৃহৎ জীৱন-চৰিতো মহন্তদেৱে সঙ্কলন কৰি থৈ গৈছে। পুথিখনি তেওঁ তেওঁৰ জীৱদ্দশাতে বুৰঞ্জী আৰু পুৰাতত্ব বিভাগক দি গৈছিল।

মূল সংস্কৃত টীকা আৰু তাৰ সহজ সৰল অসমীয়া ব্যাখ্যাসহ মাধৱদেৱৰ 'নাম-ঘোষা'খন মহন্তদেৱে সম্পাদনা কৰি উলিয়ায়। সৰ্ব্বসাধাৰণ পাঠকে যাতে নাম-ঘোষাৰ গূঢ়তত্ব ভালদৰে উপলব্ধি কৰিব পাৰে সেই কথাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ এই পুথি সম্পাদনা কৰিছিল। পোনতে তেওঁ পুথিখন মূল সংস্কৃত টীকা, দ্বিতীয়তে মাধৱদেৱৰ স্বৰচিত পদ আৰু শেষত সহজ সৰল অসমীয়া ভাঙনি দিছিল। হিন্দু ধৰ্ম্মৰ মূল শাস্ত্ৰ '**শ্ৰীমদ্ভাগৱত গীতা**' গ্ৰন্থখনো তেওঁ একে উদ্দেশ্যেৰে সম্পাদনা কৰিছিল। মূল গীতাৰ টীকা আৰু সহজ সৰল অসমীয়া ভাঙনি পুথিখনিৰ অন্যতম বৈশিষ্ট্য। পুথিখনিৰ সূচীখন ওঠৰ অধ্যায়ত ভাগ কৰা হৈছে। ইয়ে পাঠকক মূল বিষয়-বস্তু আয়ত্ত কৰাত সহজ কৰি তোলে।

মাধৱদেৱৰ পিছতে ঠাকুৰ আতা আছিল শ্ৰীমন্ত শঙ্কৰদেৱৰ এগৰাকী পৰম ভকত। শ্ৰীমন্ত শঙ্কৰে ঠাকুৰ আতাক মাধৱদেৱৰ লগত সখি কৰি দিয়ে। ডাকৰ বচনৰ লেখীয়াকৈ ঠাকুৰ আতাই কিছুমান ফকৰা ৰচনা কৰিছিল। নগাওঁৰ কলানীৰ ভিঠি নামৰ

ঠাইৰ বহুলা পদ্ম আতাই তীৰ্থ-ভ্ৰমণৰ উদ্দেশ্যে আহি কোচ-বিহাৰৰ 'ভেলা ডঙা' নামৰ সত্ৰত মহাপুৰুষ মাধৱদেৱক লগ ধৰি মহাপুৰুষীয়া ধৰ্ম্ম গ্ৰহণ কৰে। পিছত তেওঁ গুৰুজনাৰ উপদেশ-মতে বৰনগৰলৈ আহি ঠাকুৰ আতাৰ লগত এবছৰ থাকি ধৰ্ম্মা-লোচনা কৰে। আলোচনাৰ অন্তত ঠাকুৰ আতাই বহুলা আতাক নিতৌ এটা ফকৰা মাতি ব্যাখ্যা কৰি শুনাইছিল। তেনেদৰে তেওঁ ৩৬০টা ফকৰা ৰচনা কৰিছিল। মহন্তদেৱে নানান আহুকালৰ মাজেৰে ৩৫১টা ফকৰা সংগ্ৰহ কৰি **'ফকৰা পুথি বা পৰমাৰ্থ তত্ত্ব'** নামদি পুথিখন প্ৰকাশ কৰিছিল, লগতে ফকৰাবোৰৰ এটি সহজ সৰল ব্যাখ্যাও দিছিল।

নামপ্ৰসঙ্গ কৰোঁতাসকলৰ সুবিধাৰ্থে নামঘোষাৰ ওপৰঞ্চি অংশৰ পৰা বাছি বাছি **'নামছন্দ আৰু শৰণছন্দৰ যুগল পুথি'** নামৰ এখনি পুথিও তেওঁ সম্পাদনা কৰে। তদুপৰি হিন্দু-ধৰ্ম্মৰ মূল ক্ৰিয়া-কৰ্ম্ম নীতি-নিয়ম আদিৰ কথা সহজ সৰল অসমীয়া ভাষাত **'হিন্দু ধৰ্ম্ম সাৰ'** নাম দি তেওঁ ৰচনা কৰে। পুথিখনিত সাংসাৰিক ভেটিবন্দন আৰু দৈনন্দিন কৰ্ম্মপদ্ধতিৰ নিখুত আলোচনা কৰা হৈছে। **'আত্ম-পৰিচয়'** নামৰ গ্ৰন্থত ঈশ্বৰ আৰু মানুহৰ লগত আত্মা-পৰমাত্মাৰ সম্বন্ধ আৰু আত্মাৰ লগত দেহতত্ত্ব, স্বৰ্গ-নৰক, পুনৰ্জ্জন্ম, জীৱ-জগতৰ কথা তেওঁ বিশেষ ভাবে আলোচনা কৰিছে। **'প্ৰসঙ্গ-প্ৰণালী'ত** চৈধ্য প্ৰসঙ্গৰ কথা নিয়াৰিকৈ বৰ্ণনা কৰাৰ উপৰিও তেওঁ সৰু সৰু খুতিনাতি কথা কিছুমানো আঙুলিয়াই দেখুৱাইছে। নাম-প্ৰসঙ্গৰ অন্তত কেনেকৈ জয় দিব লাগে, দোমাহী মহাপুৰুষৰ কীৰ্ত্তন আদি কেনেদৰে পালন কৰিব লাগে তাৰো বৰ্ণনা কৰিছে।

মহাপুৰুষীয়া ধৰ্ম্মৰ শ্ৰেষ্ঠত্ব আৰু সাৰ মৰ্ম্ম সম্বন্ধেও মহন্তদেৱে আলোচনা কৰিছে **শঙ্কৰদেৱৰ শুদ্ধ ধৰ্ম্ম'** নামৰ পুথিখনিত।

উক্ত পুথিৰ শেষ অধ্যায়ত শ্ৰীশঙ্কৰদেৱ আৰু চৈতন্যদেৱ নামৰ প্ৰবন্ধত শঙ্কৰদেৱক চৈতন্যদেৱৰ শিষ্য বুলি কোৱা কথা যে নিৰৰ্থক তাক যুক্তিসহকাৰে প্ৰমাণ কৰি দেখুৱাইছে। **'বিশ্বদৰ্পণ' 'নীতি সোপান', 'ভক্তি ৰত্নাকৰ', 'মাধৱদেৱ'** আদি মহন্তদেৱৰ প্ৰকাশিত পুথি। তেওঁ শ্ৰীমদ্ভাগৱতৰ চমু কৰি **'অসমীয়া ভাষাৰ সংক্ষেপ শ্ৰীমদ্ভাগৱত'** নাম দি প্ৰকাশ কৰিছিল।

'সাম্প্ৰদায়িক পৰিচয়', 'জ্ঞানসিন্ধু', 'নীতি-সোপান', 'প্ৰবন্ধ মালা' আদি তেওঁৰ উল্লেখযোগ্য অপ্ৰকাশিত পুথি। অপ্ৰকাশিত পুথি **উপদেশাৱলী'ত** পাৰ্ব্বতী-শিৱৰ কথোপকথনৰ আলমত নীতিজ্ঞান প্ৰচাৰ কৰিবলৈ বিচৰা হৈছে।

১৯৭৭ খৃঃৰ স্বাধীনতা লাভৰ পিছত মহন্তদেৱে ৰচনা কৰা 'স্বাধীনতাৰ পিছত আমাৰ সমাজ' এটি সময়োপযোগী মূল্যবান প্ৰবন্ধ। তেওঁ অকল যে বৈষ্ণৱ সাহিত্যৰ মাজতে আবদ্ধ আছিল এনে নহয়; আধুনিক সাহিত্য, বিশেষকৈ ইংৰাজী সাহিত্যৰ লগতো সম্বন্ধ নথকা নহয়। তেওঁ দুই এটা ইংৰাজী কবিতাৰো ভাঙনি কৰিছিল।

হলিৰাম মহন্তই বৰগীতৰ আৰ্হিত কিছুমান গীতো ৰচনা কৰিছিল। কিন্তু সেইবোৰ পাণ্ডুলিপিতে লয় পালে। সৰু সৰু লৰা-ছোৱালীৰ বাবে ৰচনা কৰা **'বৰ্ণমালা ক খ'ৰ** মাজতো মহন্তদেৱে বিচাৰিছিল সৰুৰে পৰা লৰাছোৱালীৰ মনত ধৰ্ম্মভাব জগাবলৈ।

সুদীৰ্ঘকাল শিক্ষকতা কৰি মহন্তদেৱে অৱসৰ লয় আৰু জীৱনৰ বাকী ছোৱা কাল অতিবাহিত কৰে তেওঁৰ কৰ্ম্মভূমি বৰনগৰৰ চকাবাউসী সত্ৰত।

মহন্তদেৱ যে কেৱল এজন বৈষ্ণৱ ধৰ্ম্মাৱলম্বী আৰু সাহিত্য সেৱীয়ে আছিল এনে নহয়, তেওঁ আছিল এগৰাকী স্বাধীনতা

যুঁজৰো আগশাৰীৰ যুঁজাৰু। এইগৰাকী নিৰ্ভীক যুঁজাৰুৱে স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰি ১৯২১ খৃঃৰ অসহযোগ আন্দোলনত কাৰাবৰণ কৰিছিল। তেতিয়া তেওঁৰ বয়স আছিল তিনিকুৰি পোন্ধৰ বছৰ। কাৰাবৰণৰ ভিতৰতো নিত্যপ্ৰসঙ্গ আদি নীতি নিয়ম তেওঁ পুৰা মাত্ৰাই পালন কৰিছিল। জেলৰ ভিতৰত তেওঁ চৌ-খুটী মাৰি নিজে ৰান্ধিহে খাইছিল। বিহগী কবি ৰঘুনাথ চৌধাৰী প্ৰমুখ্যে ভালেমান স্বনামধন্য ব্যক্তি সেই সময়ত তেওঁৰ কাৰাগাৰৰ সঙ্গী আছিল।

১৯২২ খৃঃত দেশবন্ধু চিত্তৰঞ্জন দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা গয়া কংগ্ৰেছতো তেওঁ অসমৰ প্ৰতিনিধি স্বৰূপে যোগদান কৰিছিল। মহন্তদেৱে জেললৈ যোৱা সময়তে ভালেকেইখন অমূল্য পুথি পুলিচে জব্দ কৰি লৈ যায়। সেই পুথিবোৰৰ ভালে-কেইখন উদ্ধাৰ কৰিব পৰা নহল।

মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্মৰ উন্নতি কল্পে আৰু প্ৰসাৰতাৰ উদ্দেশ্যে ১৯২৫ খৃঃত মহন্তদেৱে সদৌ অসম মহাপুৰুষীয়া ধৰ্ম্মোন্নতি সভা স্থাপন কৰি নিজেই সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিছিল।

১৯১৭ খৃঃত অসম সাহিত্য সভা স্থাপন কৰাৰ প্ৰধান পৃষ্ঠ-পোষকসকলৰ ভিতৰত মহন্তদেৱো আছিল অন্যতম। তেৰাৰ কৰ্ম্মভূমি বৰনগৰত নিজেই সাহিত্য সভাৰ শাখা স্থাপন কৰিছিল।

মহন্ত দেৱ হাড়ে হিমজুৱে এগৰাকী সাহিত্যসেৱী আছিল। তেওঁ কেৱল নিজেই যে সাহিত্য চৰ্চ্চা কৰিছিল এনে নহয়, সৰ্ব্ব-সাধাৰণ পাঠকক ইয়াৰ সোৱাদ দিব বিচৰাটোৱেই আছিল তেওঁৰ অন্যতম বৈশিষ্ট্য। তেতিয়াৰ যুগ আজিৰ দৰে যান্ত্ৰিক অগ্ৰগিতৰ যুগ নাছিল। মহন্তদেৱ উপজিছিল এটি অন্ধকাৰ যুগত। তেতিয়া অসমীয়া ভাষা সাহিত্যৰ ওপৰতো আছিল বঙলা ভাষাৰ অবাধ ৰাজত্ব। সকলো বাধ্য-বিঘিনি নেওচি মহন্তদেৱে একাগ্ৰচিত্তে

লাগিছিল সাহিত্য সাধনাৰ বাবে ।

১৯৫০ খৃঃৰ ১৫ ফেব্ৰুৱাৰীৰ দিনা এই গৰাকী কৰ্ম্মযোগী পুৰুষৰ লোকান্তৰ ঘটিছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল এশ চাৰি বছৰ। মৃত্যুৰ আগমুহূৰ্ত্তলৈকে তেওঁ নিত্য প্ৰসঙ্গ, সাহিত্য-চৰ্চ্চা আদি নিয়মীয়াকৈ কৰিছিল। আনকি মৃত্যুৰ আগদিনাও নিত্য প্ৰসঙ্গ পুথি অধ্যয়ন আদি ঠিকমতে কৰিছিল। চকাবাউসী সত্ৰই আজিও হলিৰাম মহন্তৰ বিজয় কীৰ্ত্তি ঘোষণা কৰি আছে।

—শ্ৰীনন্দ তালুকদাৰ

'সুধৰ্ম্মাৰ উপাখ্যান' লেখিকা

পদ্মাৱতী দেৱী ফুকননী

বৰপেটাত ইং ১৮৫৩ চনৰ ৯ জানুৱাৰী দেওবাৰ ১৭৭৪ শকৰ ২৭ পুহ অমাৱস্যা তিথিত পদ্মাৱতী দেৱীৰ জন্ম হয়। অসমীয়া ভাষাৰ ত্ৰাণকৰ্ত্তা, স্বনামধন্য আনন্দৰাম ঢেকিয়াল ফুকন তেওঁৰ পিতৃ-দেৱতা। তেওঁৰ মাতৃ উজনিৰ বিখ্যাত ৰাজগুৰু ফুকনৰ ঘৰৰ পশুপতি ফুকনৰ দুহিতা স্বৰ্গীয়া মাহিন্দ্ৰী দেৱী। পদ্মাৱতীৰ বিশেষত্ব আছিল যে তেওঁৰ গাত পিতৃ-মাতৃৰ সজ গুণবোৰ ফুটি ওলাইছিল। মাক দেউতাকৰ গঢ় গতিতে পদ্মাৱতী দেৱীও আদৰ্শ নাৰী হৈ উঠিছিল।

ইংৰাজী ১৮৬২ চনৰ ডিচেম্বৰ মাহত যোৰহাটৰ নন্দীশ্বৰ ফুকনদেৱৰ লগত পদ্মাৱতী দেৱীৰ বিবাহ হয়। তেওঁৰ স্বামী সুশিক্ষিত আৰু ওখ মনৰ লোক আছিল। দুটি পৱিত্ৰ আত্মাৰ মিলন হ'ল। তেজপুৰ, ছিলং, শ্ৰীহট্ট আদি ঠাইত চৰকাৰী চাকৰি কৰি শেষত এওঁলোক নগাৱঁত বসবাস কৰিছিল। ফুকনদেৱ ৰেভিনিউ ছিৰস্তাদাৰ আছিল। এওঁৰ ৫২ বছৰ বয়সত নগাৱতে মৃত্যু হয়। ফুকননীৰ বয়স তেতিয়া ৪২ বছৰ। পদ্মাৱতী দেৱীৰ ১৮টি সন্তানৰ ভিতৰত ৩টিহে জীৱিত আছিল। স্বামীৰ মৃত্যুৰ পিছতে ফুকননী নগাৱঁৰ পৰা আহি গুৱাহাটীৰ ভৰলুমুখ ৰপিতৃ-হাউলিত ঘৰ কৰি সুখ-দুখ, শান্তি-অশান্তিৰ মাজেদি জীৱনৰ বাকী ছোৱা কাল নিয়াইছিল। ইংৰাজী ১৯২৭ চনৰ ডিচেম্বৰ মাহত ৭৪ বছৰ বয়সত ইয়াতেই তেওঁ অনিত্য সংসাৰ ত্যাগ কৰি পৰলোকলৈ গমন কৰে।

পদ্মাৱতী দেৱী ফুকননী এগৰাকী বৰ অমায়িক আৰু সাদৰী তিৰোতা আছিল। তেওঁৰ ঘৰত সততে অনেক মানুহৰ সমাগম হয়। তেওঁলোকৰ লগত তেওঁ নানা ধৰণৰ কথা পাতে; সুখ-দুখৰ কথাৰ লগে লগে যে কত উপদেশ! সদায় তেওঁ পৰৰ ভাল গুণবোৰৰহে কথা উলিয়াইছিল। পৰৰ নিন্দা তেওঁ অকণো ভাল নেপাইছিল। আনে পৰৰ বেয়া কথা কলেই তেওঁ এই দোষটো বেয়া বুলি শুধৰাই দিছিল। ল'ৰা-ছোৱালীক বৰ মৰম কৰিছিল আৰু তেওঁৰ এই মৰমত সৰু-বৰ সকলো মুগ্ধ হৈছিল। ফুকননীৰ দৰে অতিথিপৰায়ণা তিৰোতা সঁচাকৈয়ে বিৰল। ঘৰলৈ অহা সকলোকে কিবা এটা নহয় কিবা এটা তেওঁ খাবলৈ দিবই। খোৱা-বস্তুৰ গুণাগুণ তেওঁ ভালদৰে জানিছিল। তেওঁৰ লগত এগৰাকী নিজৰ বিধবা জীয়াৰী আছিল। তেওঁ তেওঁক বুঢ়ীমাই বুলি মাতিছিল। ফুকননী দেৱীয়ে ঘৰটোত বস্তু-বাহানিবোৰ কি যে সু-শৃঙ্খল আৰু পৰিপাটিকৈ থৈছিল, তাক দেখা মোৰ এতিয়াও সুন্দৰকৈ মনত আছে। তেওঁৰ থকা ঠাইডোখৰ আছিল এনেকুৱা —সৰু সৰু খেৰৰ ঘৰ দুটা নে তিনিটা। ওচৰতে পাটনাদ এটি। বাৰীত ফলমূলৰ গছ। ভিতৰ আৰু বাহিৰৰ চোতালৰ কাষে কাষে সুগন্ধি ফুলৰ গছ। তাঁতশালত লগাই থোৱা এখন কাপোৰ। তাৰ কাষত ফুলৰ চানেকীবোৰ। ঘৰৰ ভিতৰৰ বেৰত অনেক দেৱ-দেৱীৰ ছবি। তেওঁৰ বিছনাৰ ওচৰতে মেজখন। মেজৰ ওপৰত দোৱাত, কলম, কাগজ-পত্ৰ, আৰু নানা আলোচনী কাকত। ওচৰতে থাক্ থাক্‌কৈ সজাই থোৱা নানা কিতাপ। ওচৰতে ঢেঁকিশালৰ ঘৰ এটি। ঘৰৰ শৃঙ্খলতা জানিছিল ফুকননী দেৱীয়ে। ঘৰখন আছিল শান্তিময়। বাস্তবিকতে ই আছিল গৃহাশ্ৰম।

ফুকননী দেৱীৰ জোঁৱাই স্বৰ্গীয় ৰায়চাহাব দুৰ্গাধৰ বৰকটকীয়ে 'নীতিপাঠ' পঞ্চম ভাগত প্ৰকাশ কৰা শাহুৱেকৰ চমু জীৱনীত

এইদৰে লিখিছে,—“তেওঁৰ গাত পুৰণি কালৰ তিকতা আৰু বৰ্ত্তমান যুগৰ তিকতাৰ আটাইবোৰ সদ্গুণ একেলগে বিৰাজ কৰিছিল। বহুত মানুহেই ভালবেয়া বিশেষ বিবেচনা নকৰি নতুন কিম্বা পুৰণি একোটাকে সাবটি ধৰে; নতুন পুৰণি দুয়োটাৰে ভালখিনি লবলৈ যত্ন নকৰে। ফুকননী দেৱী এনে ধৰণৰ নাছিল। তেওঁ মুকলি মনেৰে ভাবি চাই নতুন পুৰণি দুয়োৰে সাৰ ভাগ বাছি লবলৈ বিচাৰিছিল; পুৰণি ৰীতি এটি সঁকৈয়ে ভাল হলে তাক বেয়া নতুন এটিৰ লগত নসলাইছিল। সেইদৰে ভাল হ'লে পুৰণিৰ সলনি নতুনো লৈছিল।” এই কথাখিনি স্কুলত আৰু কলেজত পঢ়া আমাৰ অসমীয়া ছোৱালীবিলাকে বিশেষকৈ মন কৰা উচিত। কেৱল মন কৰাই নহয়, তেওঁৰ এই গুণবোৰ আমাৰ ভনীসকলে কৰ্ষণ আৰু অনুকৰণ কৰি আমাৰ অসমীয়া মাতৃজাতিক সকলোৰে চকুত আদৰ্শ কৰি তুলিব লাগিব।

স্বৰ্গীয় তৰুণৰাম ফুকনে পদ্মাৱতী দেৱী ফুকননীৰ বিষয়ে এবাৰ এইদৰে কৈছিল,—“She was an educated, a well informed and a managing lady of household duties.” গৃহকাৰ্য্যত কি যে নিপূণা আছিল তেওঁ। কিমান যে জানিছিল তেওঁ। আৰু এটা কথা তেওঁ কৈছিল যিটো স্বৰ্গীয় গুণাভিৰাম বৰুৱা ডাঙৰীয়াই “ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ”ত উল্লেখ কৰা নাই। তেওঁ ক'লে,—“ফুকননীৰ স্বামীৰ উপাধি আছিল বৰুৱাহে। শূলপাণি ভৰালী বৰুৱাৰ ঘৰৰহে আছিল নন্দীশ্বৰ বৰুৱা। তেওঁ ফুকন লিখা হ'ল পদ্মাৱতীক বিয়া কৰোৱাৰ পিছত। গুৱাহাটীৰ ফুকনৰ ঘৰৰ ছোৱালী নিয়া আৰু সেই ঘৰত ছোৱালী দিয়া বুলিলেই লেঠা। ফুকনৰ ঘৰ বুলিলেই জাত যায় তেতিয়া।” ফুকনে আৰু কৈছিল—“আমাৰ ঘৰখনত ইংৰাজী শিক্ষা সোমাল। ইংলণ্ডলৈ যোৱাও এটা কাৰণ। ফুকনৰ ঘৰখনত জাত

নাই এই হ'ল তেওঁলোকৰ ভাব। নন্দীশ্বৰে ফুকননীক বিয়া কৰালে। গতিকে তেওঁৰ জাত গ'ল। তেওঁৰ ঘৰৰ সকলোৱে তেওঁক আলগ কৰি থ'লে। তেওঁ 'বৰুৱা' এৰি 'ফুকন' লিখা হ'ল তেতিয়াৰ পৰা।"

ইং ১৯২১ চনত মহাত্মা গান্ধী গুৱাহাটীলৈ আহোঁতে দেশভক্ত ফুকনৰ ঘৰতে আছিল। অসহযোগ আন্দোলনৰ আৰম্ভণ তেতিয়া। পদ্মাৱতী ফুকননী আৰু গিৰিজা দেৱীয়ে (ফুকনৰ বায়েক) মহাত্মা গান্ধীক সুন্দৰ হিন্দী ভাষাত অসমীয়া তিৰোতা সমাজৰ কথা বুজাই দিছিল। গান্ধীও এওঁলোকৰ আলাপত বৰ সন্তুষ্ট হৈছিল।

ফুকননীৰ সাহিত্য সাধনা

অসমীয়া সাহিত্যলৈ অতি কম বয়সৰ পৰা তেওঁৰ প্ৰবল ধাউতি আছিল। তেওঁ কৱিতাও লিখিছিল। কৱিয়ে কৱিক চিনি পায়। বিহগী কবি ৰঘুনাথ চৌধাৰী দেৱে ফুকননী দেৱীৰ বিষয়ে এই দৰে কৈছিল, "ফুকননী সাহিত্য ক্ষেত্ৰত প্ৰথম লিখিকা। জোনাকীত কৱিতা আৰু সুচিন্তিত প্ৰবন্ধাদি দিছিল।" 'ৰ'হী' কাক ৩খনত পদ্মাৱতী দেৱীয়ে প্ৰায় কবিতা আৰু প্ৰবন্ধ লিখি দি আছিল। ১৮৩৩ শ'কত দ্বিতীয় বছৰৰ আহাৰ মাহৰ ৮ম সংখ্যাত প্ৰকাশ হোৱা 'প্ৰাৰ্থনা' নামৰ কৱিতাটিৰ পৰা বুজিব পাৰি তেওঁ ঈশ্বৰ চিন্তাতে মগ্ন আছিল। ১৮৩৫ শ'কৰ চতুৰ্থ বছৰ শাওন মাহৰ ৯ সংখ্যাত প্ৰকাশ হৈছিল তেওঁৰ 'বিধবা' প্ৰবন্ধটি। 'বিধবা' প্ৰবন্ধটিৰ প্ৰত্যেকটো কথাই হৈছে—"The lamps of her soul"—তেওঁৰ চিত্তৰ দাপোণ। তাৰে দুষাৰিমান তুলি দিয়া হ'ল—"বিধবা এই তিনটি আখৰ বৰ ভয়ঙ্কৰ। এই শব্দটি বৰ কৰ্কশ। কতজন্মৰ তপস্যাৰ ফলেৰেহে ভাগ্যৱতীসকলে স্বামীত চিৰ-বিদায় লৈ এই সংসাৰৰ মোহমায়া বিসৰ্জ্জন দি স্বামীৰ অপূৰ্ব্ব প্ৰীতি বুকুত বান্ধি লৈ প্ৰভুৰ চৰণত

স্বামীৰ মঙ্গল প্ৰাৰ্থনা কৰিবলৈ স্বৰ্গধামলৈ যাব পাৰে। সধৱা থাকি মৰা কি ধন্য।"

"স্বামী সুখৰ সুখীয়া, দুখৰ সাৰথি, ধেমালিত লগৰীয়া, উপদেশত গুৰু, পোষণত পিতৃ, স্নেহত মাতৃ, শুশ্ৰূষাত দাস, শিক্ষাত অধ্যাপক, ৰহস্যত মিত্ৰজন, মিঠা কথাত শিশু সন্তান, স্বামীৰে কাৰ তুলনা হ'ব পাৰে? এই পৃথিৱীত তেওঁতকৈ বন্ধু দ্বিতীয় নাই। গৃহিণীয়েই গৃহ-লক্ষ্মী, তেওঁৰ পটুতাৰ দ্বাৰাই গৃহৰ উন্নতি আৰু গৃহিণী এলেহুৱা বা অসাথনীয়া হ'লে গৃহৰ শ্ৰী হত হয়। মোৰ বিশ্বাস যে তিৰুতাৰ পৰা স্বামীৰ সৰ্ব্বসুখ হয়, সন্তানৰ উন্নতি হয়, গৃহস্থজনৰ উপকাৰ হয়, গৃহস্থৰ মঙ্গল হয়। তেনে হলে স্ত্ৰী ৰত্ন।"

প্ৰবন্ধটো পঢ়ি এটালেই মনটোৱে কৈ দিয়ে—নিধি লুকাই আছে তেওঁৰ লিখনীত। পদ্মাৱতী ফুকননীয়ে "অসম সাহিত্য সভা পত্ৰি-কা'তো প্ৰবন্ধাদি দিছিল। ১৮৪৯-৫০ শকৰ দ্বিতীয় বছৰৰ চ'ত-জেঠৰ তৃতীয় সংখ্যাৰ পত্ৰিকাখনৰ সম্পাদক আছিল সাহিত্যৰত্ন ৺চন্দ্ৰ-ধৰ বৰুৱা ডাঙৰীয়া। তেওঁ "পদ্মাৱতী দেৱী ফুকননী আৰু তেওঁৰ এটি প্ৰবন্ধ" নামৰ প্ৰবন্ধত লিখিছে,—"সিবাৰ নগাঁৱত বহা সাহিত্য সন্মিলনলৈ তেখেতে তেখেতৰ স্বৰ্গীয় পিতৃদেৱৰ উদ্দেশ্যে এখনি ভক্তি আৰু ভাৱপূৰ্ণ ৰচনা লিখি পঠাইছিল। আৰু তাক সূৰ্য্যকুমাৰ ভূঞাঁদেৱে সন্মিলনৰ আগত পাঠ কৰিছিল।" ফুক-ননী দেৱীয়ে "সমাজত তিৰোতাৰ স্থান" বুলি এটি প্ৰবন্ধ সেই সাহিত্য সন্মিলনলৈ পঠাইছিল বুলিও তাত উল্লেখ আছে।

পদ্মাৱতী দেৱীৰ দুখন মাথোন কিতাপ প্ৰকাশ হৈ ওলাইছিল। এখনৰ নাম **হিত-সাধিকা**, আনখনৰ নাম **সুধৰ্ম্মাৰ উপাখ্যান**। দুয়োখন বিয়াৰ পিছত নগাঁৱতে লিখা। হিত-সাধিকাখনত এই কেইটা বিষয় লৈ সৰু সৰু ল'ৰাছোৱালীৰ হিতাৰ্থে অতি সহজে বুজিব পৰাকৈ লেখিছে: জ্ঞান আৰু অনুষ্ঠান, অহঙ্কাৰ,

বিস্তাৰন, হিংসা, দয়া আৰু নম্রতা, কৃতজ্ঞতা, পিতৃমাতৃৰ প্ৰতি ভক্তি, দেশীয় লোকৰ প্ৰতি ব্যৱহাৰ, আৰু বায়। কিতাপখনৰ আৰম্ভনত ফুকননী দেৱীয়ে এই দৰে লেখিছে,—“হে প্ৰিয় লৰা-ছোৱালী বিলাক! তোমালোকৰ এফেৰিমান উপকাৰ হ'ব বুলি আশা কৰি মই এই সৰু পুথি খনি প্ৰকাশিবলৈ আগ বাঢ়িছো। তোমালোকে এই পৃথিৱীত জন্ম লভিছা কিন্তু কি নিয়মেৰে সংসাৰ যাত্ৰা নিৰ্ব্বাহ কৰিব লাগে তাক নেজানা। এতেকে এতিয়া সকতেই তাক শিকিবলৈ পুৰুষাৰ্থ কৰিব লাগে। সৰুৰে পৰা মানুহে যি কথা মনত সুমাই লয় তাক কেতিয়াও এৰিব নোৱাৰে।” ইত্যাদি। সামৰণিত লেখিছে,—“তোমালোকে যদি সঁচাকৈ মনুষ্য নাম ল'ব খোজা তেনেহলে ধৰ্ম্ম আৰু সত্যক কেতিয়াও নেৰিবা। তোমালোকে সেই বিষয়ত অল্প মন দি যত্ন কৰা তেনেহলে অনায়াসে কৃতকাৰ্য্য হ'ব পাৰিবা।” ‘জ্ঞান আৰু অনুষ্ঠান'ত লেখিছে—“এই যে ‘জ্ঞান আৰু অনুষ্ঠান' ই সকলো মানুহৰে বৰ উপকাৰী। এই দুটী নেথাকিলে কোনো মানুহকে যথাৰ্থ মানুহ বোলা নেযায়।” ‘অহঙ্কাৰ' প্ৰবন্ধটোত লেখিছে,—“ল'ৰাছোৱালী বিলাক! অহঙ্কাৰ মানুহৰ এক প্ৰধান ৰিপু; এই সংসাৰত অহঙ্কাৰ গুণে কত ঠাইত অনাদৰণীয় হ'ব লাগে তাৰ সীমা নাই। ময় ডাঙৰ মানুহ, ময় জ্ঞানী, ময় ধনী, ময় ৰূপবান, ময় বিদ্যাবান, এই বিলাক মৎগৰ্ব্বী কথাই যাকে বশ কৰে সি মানুহ যথাৰ্থ ভদ্ৰলোক নহয়। শৰীৰ ও মনৰ ভূষণ এই কেইটি গুণ যদি শৰীৰত নেথাকে তেন্তে মনুষ্যৰ অঙ্গভূষণো নাই।”

হিত-সাধিকাৰ প্ৰত্যেক কথাই যেন Pearls of wisdom,—জ্ঞানৰ মুকুতামণি। সুগন্ধি মনমোহা ফুলনি বাৰীত সোমালে কেৱল ফুলবোৰ চায়েই তৃপ্তি পোৱা নেযায়। দুই এটা ফুল ছিঙ্গি ল'বলৈ মন যায়। তেতিয়াহে মনৰ তৃপ্তি পলায়। কিতাপ খনিৰ “পৰিশেষত” ফুকননী দেৱীয়ে যি দৰে লেখিছে তাক তুলি নিদিয়াকৈ

থাকিব নোৱাৰিলোঁ,—"মই ইয়াত ল'ৰাবিলাকৰ প্ৰতিহে সৰহকৈ লেখিছোঁ কিন্তু এই বিলাক উপদেশ ছোৱালীবিলাকতো খাটিব। এই পুথিখনিৰ মুঠ অৰ্থ, ঈশ্বৰৰ নিয়ম, সমাজৰ নিয়ম আৰু শৰীৰৰ নিয়ম পালন কৰাৰ কথা পাৰিছোঁ মানে কৈছো। এই বিলাক নিয়ম পালন কৰিলেই ধৰ্ম্ম ৰক্ষা হয়, ধৰ্ম্ম হ'লেই পাপলৈ মতি নিনিয়ায়। পাপ নকৰিলে মনুষ্য মহাসুখে দেহ-যাত্ৰা নিৰ্ব্বাহ কৰিব পাৰে। জ্ঞান হ'লেই ধৰ্ম্মজ্ঞান হ'ব। এতেকে সাধাৰণ প্ৰাণ গ'লেও পাপ নকৰিবা আৰু ধৰ্ম্ম নেৰিবা। ধৰ্ম্ম তোমালোকৰ এই সংসাৰৰ আৰু অনন্ত কালৰ বন্ধু, এই কথাটি তোমালোকে সদাই মনত ৰাখি সংসাৰৰ কাৰ্য্য কৰিবা।" প্ৰত্যেক অসমীয়া লৰাছোৱালীয়ে এই কিতাপখনি পঢ়া নিতান্ত উচিত। পদ্মাৱতী ফুকননীয়ে যি লেখে, যি কয় সি হৃদয় স্পৰ্শ কৰি যায়। ইয়াকেই কয় Gem of thoughts. সুধৰ্ম্মাৰ উপাখ্যান প্ৰকাশ হৈছিল ইং ১৮৮৪ চনত (১৮০৬ শকাব্দ)। এইখন পুথিয়ে দেৱী ফুকননীক অসমীয়া সাহিত্যৰ বুৰঞ্জীত এখন সন্মানৰ স্থান দিছে। "সজ আৰু অসজ মানুহৰ ফল দেখুৱাই" লিখা পুথিখন দৰাচলতে উপাখ্যানেই নাইবা নীতিমূলক কাহিনীয়েই। বিশেষজ্ঞসকলৰ মতে ইয়াত অসমীয়া উপন্যাসৰ আদি স্তৰৰ উপাদানো নথকা নহয়।

তেওঁ ধৰ্ম্মজ্ঞানতো শিক্ষিতা আছিল। পদ্মাৱতীৰ কিতাপকেইখনি, প্ৰৱন্ধ আৰু কবিতাসমূহ পঢ়াৰ লগে লগে মনলৈ প্ৰশ্ন আহে, সেই সময়ত এই তিৰুতাগৰাকী ইমান শিক্ষিতা হ'বলৈ পালে কেনেকৈ ? সেই সময়তনো অসমীয়া তিৰুতা সমাজ আছিল কেনেকুৱা ? এইবোৰ প্ৰশ্নৰ উত্তৰো পদ্মাৱতী দেৱীৰ নিজৰ লিখা 'বিধবা' নামৰ প্ৰৱন্ধটিতে পোৱা যায়। তেওঁ লিখিছে—"আমাৰ দেশৰ তিৰুতাৰ নিয়মানুসাৰে বিদ্যা শিক্ষা এতিয়ালৈকে হোৱা নাই। আমাৰ বুঢ়ালোকে কয় তিৰুতাৰ অল্প বিদ্যা ভয়ঙ্কৰী। এই কথা সঁচা বুলি মানিব লাগে ; কিয়নো জ্ঞান উৎপত্তি হোৱাকৈ শিক্ষা পালেহে বিশেষ

উপকাৰ হয়, আধা খৰচীয়াকৈ উপন্যাস, নাটক, পদ্য পুথি পঢ়াত তিমান জ্ঞানো নঘটে, বিবেচনাৰো ত্রুটী হয়, গতিকে স্বাধীনতা পালে স্বচ্ছন্দে চলাটো টান হয়।" দেখা গ'ল, লিখাপঢ়া জনা তিৰুতা নাছিলেই সেই সময়ত। জীৱনৰ আদিতে শিক্ষা পোৱা যায় মাকৰ পৰা, তাৰ পাচত পিতাকৰ পৰা, তাৰ পিছতে অৱস্থানুসৰি অইন অইন উপায়ৰ পৰা। আমাৰ কথাতে কয়—যেনে মাক বাপেক তেনে লৰাছোৱালী। এই কথাষাৰিৰো অৱশ্যে কিছু তাৰতম্য হয়। পদ্মাৱতীৰ মাতৃ মাহিন্দ্ৰী দেৱী এগৰাকী শিক্ষিতা মহিলা আছিল। মাহিন্দ্ৰী দেৱীৰ বিষয়ে এই দৰে লিখা আছে—"ফুকনৰ ভাৰ্য্যা মাহিন্দ্ৰী ফুকননী ঘৰৰ প্ৰধান গৃহিণী হ'ল। তেওঁ সুন্দৰকৈ লিখিব আৰু পঢ়িব জানিছিল; বঙলা আৰু অসমীয়া পুস্তক সুন্দৰকৈ বুজিছিল; সামান্য অঙ্ক কৰিব পাৰিছিল।"

তেওঁৰ পিতৃদেৱতা আনন্দৰাম ঢেকিয়াল ফুকন সেই সময়ত এজন উচ্চ বিদ্যাৱন্ত পুৰুষ আছিল। ঢেকিয়াল ফুকনে শিক্ষা বিস্তাৰৰ বাবে কি দৰে যত্ন কৰিছিল তাক গুণাভিৰাম বৰুৱাই এই দৰে লিখিছে,—"বিদ্যাশিক্ষাৰ প্ৰতি ফুকনে বৰ উৎসাহ দিছিল। তেতিয়া নগাঁৱত ইংৰাজী স্কুল নাছিল। সেই কাৰণে তেওঁৰ নিজৰ ঘৰতে এটি ইংৰাজী স্কুল পতাইছিল। স্ত্রী-শিক্ষাৰ প্ৰতি তেওঁৰ বৰ শ্ৰদ্ধা আছিল, নিজৰ পত্নীক নিজেই শিক্ষা দিছিল। আৰু নিজৰ কন্যা পদ্মাৱতীক পঞ্চম বৰ্ষত বিদ্যাৰম্ভ কৰিছিল।" এনেকুৱা পিতৃ-মাতৃৰ জীয়াৰী পদ্মাৱতী বিদ্যাৱতী নোহোৱাকৈ থাকিব পাৰেনে? প্ৰথম লিখিকা হিচাপে তেওঁ অসমীয়া সাহিত্যৰ জেউতি চৰাই গ'ল।

—শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱা।

প্ৰথম অসমীয়া ডক্টৰ

ৰাধিকাৰাম ঢেকিয়াল ফুকন

মনত পৰাৰ পৰা মই দেউতা আৰু আইৰ মুখৰ পৰা আৰু আন নিজা মানুহৰ মুখৰ পৰা 'ৰাধিকা'ৰ কথা,' ৰাধিকা দাদা'ৰ কথা শুনিছিলো। "তেওঁ বিলাতত আছে", মেম বিয়া কৰাইছে", দেশলৈ উভতি নাহে", "তেওঁৰ ঘৈণীয়েকৰ নাম মেইডা ফুকননী" ইত্যাদি এনেবোৰ কথা সৰুৰে পৰা শুনি আহিছিলো। এই ৰাধিকাৰাম ঢেকিয়াল ফুকন কোন? তেওঁ স্বদেশহিতৈষী আনন্দৰাম ঢেকিয়াল ফুকনৰ * প্ৰথম পুত্ৰ।

ৰাধিকাৰামৰ বায়েক পদ্মাৱতী দেৱী ফুকননী। ফুকননী আয়ে সাহিত্য-ক্ষেত্ৰত নমৰা নাম থৈ ১৯২৭ খৃষ্টাব্দত স্বৰ্গী হয়। অন্নদা-ৰাম ঢেকিয়ালফুকন আনন্দৰামৰ তৃতীয় সন্তান। আনন্দৰাম ফুকনৰ বিষয় নজনা আশাকৰোঁ কোনো শিক্ষিত অসমীয়াই নাই। কিন্তু ৰাধিকাৰামৰ নাম বোধকৰো সকলোৱে নেজানে।

আনন্দৰামে লৰা-ছোৱালীক ভাল শিক্ষা দিছিল। আনন্দৰাম ঢেকিয়ালফুকন স্বৰ্গী হোৱাত তেওঁৰ লৰা-ছোৱালীৰ শিক্ষাৰ ভাৰ গুণাভিৰাম বৰুৱাৰ গাত পৰিল। গুণাভিৰাম বৰুৱাই ঢেকিয়াল-

---

* এই বংশ প্ৰতিষ্ঠা কৰিছিল লক্ষ্মীনাথ ব্ৰহ্মচাৰীয়ে। হলিৰাম ঢেকিয়াল ফুকন, তৰুণৰাম ফুকন, জ্ঞানদাভিৰাম বৰুৱা,আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, কামাখ্যাৰাম বৰুৱা প্ৰভৃতি এই ব্ৰহ্মচাৰী পৰিয়ালৰ উজ্জ্বল ৰত্ন। এই- সকলৰ পুৰনি ঘৰ-ভেটি আছিল ভৰলুমুখৰ সুবিস্তৃত ফুকন-হাউলিত। অ-হা

ফুকনৰ লৰা-ছোৱালীক নিজৰ লৰা-ছোৱালীৰ দৰে অথবা তাতকৈও অধিক স্নেহ কৰিছিল। এওঁলোকক সুন্দৰৰূপে শিক্ষা দিয়াইছিল। আৰু বহুত বছৰলৈকে তেওঁৰ দৰমহাৰ আধাখিনি আনন্দৰাম ফুকনৰ পত্নীলৈ পঠাইছিল।

গুণাভিৰাম বৰুৱাই লেখা ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰৰ ১৯১৫ খৃষ্টাব্দৰ সংস্কৰণৰ ১৭৭ পৃষ্ঠাত এইবুলি লেখা আছে:— "১৮৫৪ চনৰ ৯ ডিচেম্বৰ (১৭৭৬ শকৰ ২৫ অগ্ৰহায়ণ) শনিবাৰৰ দিনা ফুকনৰ পত্নীৰ এটি পুত্ৰ সন্তান জন্মে। প্ৰসৱ বেদনাত ফুকননীয়ে বৰ কষ্ট পাইছিল। ফুকনে লৰালৰিকৈ ডাক্তৰ মৰে ছাহাবক লৈ আহিল। কিন্তু ঈশ্বৰৰ অনুগ্ৰহত ৰাতি ৭ বজাত সেই পুত্ৰ সন্তান জন্ম হল। ফুকনে ঈশ্বৰক ধন্যবাদ কৰিলে। উৰুলি জোকাৰ পৰিল, সকলোৰে আনন্দৰ সীমা নোহোৱা হ'ল। ইয়াৰ পাছত ফুকননীৰ সেই কষ্টৰ কাৰণে বৰ নৰিয়া হৈছিল। প্ৰায় সম্পূৰ্ণ ডিচেম্বৰ মাহ ফুকননী পীড়িতা আছিল। শেষলৈহে ভাল হ'বলৈ ধৰিলে। এইটি ফুকনৰ প্ৰথম পুত্ৰ। তেওঁৰ প্ৰকাশ্য নাম ৰাধিকাৰাম আৰু গুপ্ত নাম ডিম্বকণ্ঠী। পৰমেশ্বৰে এই বালকক দীৰ্ঘজীৱী আৰু সৌভাগ্যৱন্ত কৰোক।"

ৰাধিকাৰামে এণ্ট্ৰেন্স্ পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাত দুবছৰ পঢ়ি ১৮৭৩ খৃষ্টাব্দত বিলাতলৈ গ'ল। তেতিয়া বিলাতলৈ যোৱা অসমীয়া কেইজন? নগাঁৱৰ ধনীৰাম, শিৱৰাম। তাৰ পাছতে বোধকৰোঁ গুৱাহাটী স্কুলৰ শিক্ষক মিঃ নিধিৰাম। এই বিষয়ে মই নিজে থিৰাংকৈ কব নোৱাৰোঁ। আনন্দৰাম বৰুৱা ১৮৬৯ খৃষ্টাব্দত বি-এ, পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ তাৰ অলপ পিছতে বিলাতলৈ যায়। তেনেহলে ৰাধিকাৰাম আনন্দৰাম বৰুৱাৰ কেবছৰমান পিছত বিলাতলৈ যায়, কিন্তু তেওঁ সেইখিনি সময়ৰ বিলাতলৈ যোৱা আসাম-ৰতনৰ এজন আছিল।

বাইদেউ স্বৰ্ণলতাই মোক লেখি জনাইছিল যে ৰাধিকাৰাম উভতি অহাত এবাৰ তেওঁক আমাৰ ঘৰলৈ খাবলৈ মাতিছিল। বাইছ বছৰ পিছত ধুতি পিন্ধি আমাৰ দেশী ধৰণেৰে আমাৰ ঘৰত ভাত খালে। ইমান দিনৰ পিছত ধুতি পিন্ধি তেওঁ কেবাবাৰো হাঁচিয়ালে। মই এই বেলি বিদেশত থকাৰ কেদিন প্ৰতি চিঠিতে তেওঁ কেনে আছে, কি কৰিছে সুধি পঠিয়াইছিলো। যেতিয়া কলিকতা পালোঁহি মোৰ তেওঁক এবাৰ দেখা পাবৰ নিমিত্তে মনটো হেন্দোল-দোপ কৰিবলৈ ধৰিলে। ৰাতিপুৱা কলিকতা পাই আবেলি তেওঁৰ ওচৰলৈ এখন কেৰেয়াৰ গাড়ীৰে গলোঁ। তেওঁ আছিল ১৪ নং বালিগঞ্জ ছাৰ্কুলাৰ ৰোডত। তেওঁৰ বন্ধু "লজিকৰ" গ্ৰন্থকৰ্ত্তা লৰ্ড হল্ডেনৰ সতীৰ্থ কলিকতাৰ বিখ্যাত প্ৰফেছৰ ডাক্তৰ পি, কে, ৰায় মহো-দয়ৰ লগত। এই ডাক্তৰ পি, কে, ৰায়েই আমাৰ বিশ্ববিদ্যালয়ৰ প্ৰথম কলেজ সমূহৰ পৰিদৰ্শক। লগত বোধকৰোঁ ৺বলৰাম ফুকন ডাঙৰীয়াৰ জ্যেষ্ঠ পুত্ৰ বিজনীৰ দেৱান ৺জীৱনৰাম ফুকনো আছিল। ১৪ নম্বৰত গাড়ীখন গৈ পোৱাত নামি দ্বাৰোৱানক আমাৰ দৰ্শন-পত্ৰিকা দিয়াত আমাক ওপৰলৈ লৈ গল। মলেন ষ্ট্ৰীট (Mullen Street) যত শেহ হয় বালিগঞ্জ পথাৰৰ সমুখত সেই ঘৰ এতিয়াও বৰ্ত্তমান। ওপৰলৈ গলো। বাঁওফালে এটি সুন্দৰৰূপে সজোৱা দেৱালৰ চাৰিউফালে কিতাপৰ আলমাৰীৰে এখন 'ছেক্ৰেটেৰিয়েট' মেজৰ ওচৰত কিতাপ পঢ়ি থকা, মাজত সেঁওতা ফলা কপালৰ কাষে কাষে অলপ কেকোৰা চুলি থকা, বগা মুখৰ, ইংৰাজী কাপোৰ পিন্ধা, ওখও নহয় চাপৰো নহয়, এনে এজন মানুহে মাচিয়াৰ পৰা উঠি মিঠা হাঁহিৰে মোক হাত মেলি দি মোৰ কৰমৰ্দ্দন কৰিলে। মই লাহে লাহে তেওঁৰ সৈতে হাত জোকাবিলো যদিও সমনীয়া ল'ৰাৰ লগত "চটপটীয়া" ইংৰাজী কওঁ, যদিও, অচিনাকী মানুহৰ আগত (সেইখিনি সময়ত) ইংৰাজী

কও, এওঁক দেখি ইংৰাজী মুখৰ পৰা তেনে সৰসৰাই নোলাল, কিন্তু তেওঁ যেনে ভাল ব্যৱহাৰ কৰিলে মোৰ ইংৰাজী লাহে লাহে ওলাল দেই। এতিয়া জানো, তেতিয়া নেজানিছিলো যে, বিলাতত বহুত দিন থকা মানুহে এইফেৰি কথা জানে যে ইংৰাজী এটি ভাষা মাত্র—ইংৰাজী কব নোৱাৰিলেই সেই মানুহটি মুৰ্খ নহয়। মোৰে সৈতে ৰাধিকা দাদাই তেতিয়াই "ফ্রেণ্ড্" হৈ গল। ইংৰাজী কোৱাত আৰু মোৰ বাধা অকণো নেথাকিল। জীৱন দাদাৰ সৈতে সমভাবে ব্যৱহাৰ কৰিলে।

ৰাধিকা দাদাক সেই দিনা দেখি মনত যে কি ভাব হৈছিল লেখি কব নোৱাৰোঁ। তেওঁৰ সকলো অঙ্গি-ভঙ্গি, তেওঁ কি কয়, কেনেকৈ কয়, কেনেকৈ হাঁহে, কেনে ব্যৱহাৰ কৰে সকলো শেনৰ চকুৰে চাইছিলোঁ। মিছেছ হেন্‌ৰিউডৰ (Mrs Henrywood) মিছ ব্রেডনৰ (Miss Braddon) আৰু দুখন এখন ইংৰাজী নভেল পঢ়িছোঁ তেতিয়া সেই দেখি বিলাতফেৰত এনে এজন মানুহ আগত পাই সকলো ইংৰাজী উপন্যাসৰ নায়ক ভাবে ৰাধিকা দাদাক চাই তেওঁৰ সকলো ভাব লক্ষ্য কৰি চাইছিলোঁ।

তেওঁ দুমাহমান কলিকতাত আছিল। তাৰ পিছত তেওঁৰ বন্ধু এলাহাবাদৰ ৰাজা ৰামপাল সিংহৰ ওচৰলৈ গ'ল। কিন্তু ইয়াৰ ভিতৰতে এটি কথা হ'ল—ডাক্তৰ পি, কে, ৰায় আৰু আন আন বন্ধুৰ অনুৰোধত তেওঁ বঙ্গ দেশৰ ডি, পি, আই, চাৰ এলেক্‌জেণ্ডাৰ ক্রফ্‌টৰ (Sir Alexander Corft) লগত দেখা কৰিলে। ক্রফ্‌টে তেওঁক ২৫০-০০ টকাৰ এটা কাম দিবলৈ খুজিলে। পিছত তেওঁ ক'লে যে (আমাৰ ঘৰত আহি কলেহি) এই টকাৰে মোৰ নিজৰে নাটিব। মোৰ ইংৰাজ ঘৈণী ভাৰতলৈ আহিলে কি হব?

তেওঁ দেউতাক শ্রদ্ধা, কি ভক্তি, কি মৰম, কি কিবা এনে

চকুৰে চাইছিল। তেওঁ কথা কওঁতে কওঁতে চকুৰপৰা পানী ওলাই কথা কোৱাৰ দৰে মাতেৰে স্বৰ্ণলতা বাইদেৱে আৰু মোকো কৈছিল, "মই যেতিয়া বোমলৈ যাওঁ তেতিয়া পোপক চাওঁগৈ। তেওঁৰ আকৃতি আৰু দদাইদেৱৰ (গুণাভিৰাম বৰুৱাৰ) আকৃতি একে। মই হেঁপাহ পলুৱাই চাই থাকোঁ।"

তেওঁ বাইছ বছৰ ভাৰতৰ পৰা দূৰৈত আছিল। জীৱন দাদাৰ সৈতে কথা কওঁতে গুৱাহাটীৰ সকলোৰে বিষয়ে কথা সুধিছিল। ই ক'ত আছে, সি ক'ত আছে, তেওঁ ক'ত আছে —ইত্যাদি তেওঁলোকৰ খাত-পাম সম্পত্তি আদিৰ কথাও সুধিছিল আৰু এটা কথা শুনি মই আচৰিত হৈছিলো তেতিয়া। ৰাধিকা দাদাই জীৱন দাদাক সুধিলে "সেই অমুক ঠাইত সেই খালটো আছে নে? সেই খালৰ ফালে কোন আছে ইত্যাদি।" মই এই কথা শুনি আচৰিত হ'লো। বিলাতত ইমানদিন আছিল অথচ সেই খালৰ কথা মনত আছে আৰু সুধিছে।

তেওঁ গান গোৱাৰ কথা সঙ্গীতত অভিজ্ঞতা থকাৰ কথা শুনিছিলো। সেইদেখি মই তেওঁৰ গান শুনিবৰ নিমিত্তে বিয়াকুল হৈছিলোঁ। এই কথা জনাত তেওঁ গান গালে। গান গাবৰ সময়ত য'ত বহি থাকে তাৰপৰা অলপ দূৰলৈ যায়, গৈ গান গায়—পিছত এনেকৈ গান গাওঁতে মই এবাৰ হাঁহিলো। হাঁহিলো কিয় মোৰ সেইবোৰ মাত ডাওৰকৈ কোৱা শব্দ বুলিহে মনত ধাৰণা হৈছিল। তেওঁৰ ভঙ্গি, মাত এইবোৰ দেখিয়েই মই হাঁহিলো। তেওঁ মোক দাবি দি সুধিলে—"Why are you laughing" মই "আম্‌তা আম্‌তা" কৰি ক'লোঁ এনে গান আগেয়ে শুনা নাই দেখি কেনেবা লাগিল। অলপ থং কৰি ক'লে "But you should understand music"

ৰাধিকাৰাম ইংলণ্ডলৈ ব্যৱস্থা-শাস্ত্ৰ শিকিবলৈ যায়। কিন্তু

দেশলৈ উভতি আহোঁতে তেওঁ বেৰিষ্টাৰ হৈ অহা নাছিল— আহিছিল হাইডেলবাৰ্গৰ (Heidelberg) ডি-এছ-ছি, (D. Sc.) হৈ। জাৰ্ম্মানি বিজ্ঞান চৰ্চ্চাৰ ঠাই। সেই ঠাইৰ বিজ্ঞানৰ উপাধি মানুহৰ এটি বিশেষ সম্পত্তি। কিন্তু তেওঁ এই বিজ্ঞানৰ জ্ঞান ব্যৱহাৰ কৰি অৰ্থ উপাৰ্জ্জন কৰিছিল, কি কৰিবলৈ পাৰিছিল কব নোৱাৰোঁ। Dr. R. L. Dutta এ তেওঁৰ বেমাৰৰ কথা কৈছিল। এবাৰ Gray's Inn ত "খানা" খাওঁতে ৱেল্‌চত (Wales) ডাক্তৰী কাম কৰা এজন বঙালীৰ (Dr. K. L. Dutta) সৈতে দেখা হৈছিল — এই মানুহজনে ডাক্তৰ হৈও ব্যাৰিষ্টৰি পঢ়িছিল। তেওঁ ৰাধিকাৰামক চিনি পাইছিল। কলিকতাৰ বেৰিষ্টাৰ মিঃ ইউ, পি, ৰায়ে চিনি পাইছিল। ভাৰতৰ অঘোৰনাথ চট্টোপাধ্যায়ে চিনি পাইছিল, কিন্তু দুখৰ বিষয় কাকো এইবোৰ বিষয়ে শোধা নাছিলোঁ। কিন্তু সকলোৱেই তেওঁক যে ভাল পাইছিল, সকলোৰে তেওঁ যে প্ৰিয় আছিল এই কথা বিশেষকৈ জানিছিলোঁ। দেউতাৰ পৰা শুনিছিলোঁ যে ৰাধিকা লাজকুৰীয়া আছিল। কলিকতাৰ কলেজত পঢ়োঁতে হেনো কৈছিল পঢ়াৰ শ্ৰেণীলৈ যোৱাত বেলি হলে আটায়ে তেওঁৰ ফালে চায় সেইদেখি তেওঁৰ বৰ লাজ লাগে। কথায় কথায় কৈছিল— ৰাধিকা মিঠা বৰণীয়া, অন্নদা বগা। কিন্তু ৰাধিকাক মই যেতিয়া দেখোঁ তেতিয়া তেওঁক বগাই দেখিছিলোঁ।

তেওঁ ইউৰোপীয় গান গোৱাৰ কথা কৈছোঁ। তেওঁ অসমীয়া নামো গাব পাৰিছিল, গাইছিলো। তেওঁক দেখাৰ পাঁচ ছমাহ-মান পিছত মই যেতিয়া বিলাতলৈ যাওঁ বাটত নেপেল্‌ছত ইটালীয় মানুহে মেণ্ডোলীন বজাই গান গোৱা শুনোতে ৰাধিকা দাদাৰ কথা মনত পৰিছিল।

তেওঁ ইংৰাজ তিৰোতা কিয় বিয়া কৰালে এই কথা সোধাত

তেওঁ কলে যে তেওঁৰ এবাৰ বেমাৰ হৈছিল, টান বেমাৰই। সেই বেমাৰত সেই মহিলা জনে শুশ্ৰূষা কৰিছিল, যত্ন কৰিছিল। তেওঁ ৰাধিকা ৰামতকৈ বয়সে ডাঙৰ আছিল। এই মহিলাজনৰ টকা-কড়ি আছিল। ১৯০২ খৃষ্টাব্দত বিলাতত দুবাৰমান এওঁৰে সৈতে দেখা হৈছিল। বেৰিষ্টাৰ মিঃ তৰুণৰাম ফুকনও সেইখিনি সময়ত আছিল। এবাৰ বেৰিষ্টাৰ মিঃ ফুকন বিলাতৰ পৰা বন্ধত ঘৰলৈ আহোঁতে অন্নদা ফুকনৰ পুতেকলৈ কিবা কিবি বস্তু ফুকন ডাঙৰীয়াৰ হাতত দি পঠাইছিল। অন্নদা ফুকনৰ পুতেকেই যে তেওঁৰ গিৰিয়েকৰ-বংশধৰ এই জানি এই লৰাটিৰ নিমিত্তে তেওঁ বৰ বিয়াকুল হৈছিল। কমিছনৰ মিঃ মেলিটসলৈ চিঠি' লেখি সেই ল'ৰাটি ক'ত আছে, কেনে আছে বা-বাতৰি লোৱাই দুবছৰমান খৰচাদি ইয়াত কমিছনৰ ডাঙৰীয়াৰ জৰিয়তে পঠাইছিল। বিলাতলৈকো লৈ যাম বুলি কৈছিল। এই ল'ৰাটীক উত্তৰাধিকাৰী কৰিবৰও ইচ্ছা থকা যেন মনত হৈছিল।

ৰাধিকাৰাম এলাহাবাদলৈ গল। ৰাজা ৰামপাল সিংহই এখন বাতৰিকাকত উলিয়াব খুজিছিল। সেই কাকতখনি ফুকনৰ হতুৱাই চলোৱাৰ কথা আছিল। সেই কাকত ওলাইছিল নে নাই কব নোৱাৰোঁ। ৰাধিকা ৰামে আমালৈ দুখন-এখন এলাহাবাদৰ পৰা চিঠি লেখিছিল।

মই বিলাতলৈ গলোঁ ১৮৯৫ৰ চেপ্টেম্বৰ মাহত। ১৮৯৬ খৃষ্টাব্দৰ জহকালি কি বসন্তকালি শুনিলো যে ৰাধিকা দাদা আৰু ইহ জগতত নাই। তেওঁ বাইছ বছৰ ইউৰোপত থাকি ভাৰতৰ প্ৰয়াগত আহি প্ৰাণ হেৰুৱালেহি। ভগৱানৰ ইচ্ছা।

ডাক্তৰ গোলাপচন্দ্ৰ বেজবৰুৱা আৰু তেওঁক দুই-তিনিবাৰ আমাৰ ঘৰত একেলগে দেখিছিলোঁ। ডাক্তৰ বেজবৰুৱা ডাক্তৰ ফুকনতকৈ সৰু আছিল কিন্তু ফুকনক তেওঁতকৈ কম বয়সৰ যেন

দেখা গৈছিল ।

তেওঁৰে সৈতে কেবাবাৰো কলিকতাত ফুৰিছিলোঁ। জৈন মন্দিৰলৈ গৈ তেওঁ বাগিচাত বহি থাকিল। আমি ভিতৰলৈ গলোঁ। তেওঁ জোতা খুলিবলৈ বেয়া পালে ।

তেওঁ দেশৰ কথা, আত্মীয় স্বজনৰ কথা সুধিছিল। তেওঁ বিদেশী কাপোৰ পিন্ধি বিদেশত থাকিলেও তেওঁৰ মন দেশী আছিল ।

তেওঁ "ঢেকিয়ালফুকন" বুলি নিজৰ নাম কৈছিল। দৰ্শন-পত্ৰিকাত তেওঁৰ নাম R. Dhekial Phookan দিছিল, সংক্ষেপে কৰলৈ গ'লে R. D. Phookan বুলিছিল ।

তেওঁ জাৰ্মান, ফ্ৰেন্স, ইটালিয়ান ভাষাত গান গাবলৈ পাৰিছিল ।

দেউতা স্বৰ্গী হয় ১৮৯৪ চনৰ ২৫ মাৰ্চ্চত। ৰাধিকাৰাম সেই বছৰৰ শেহ কি ১৮৯৫অৰ জানুৱাৰীত আহি পায়। দেউতাই যদি এবাৰ তেওঁক দেখা পালে হয় হেঁতেন।

ৰাধিকাৰাম ফুকনে দেউতাৰপৰা বিলাতত আঠ বছৰ খৰচ লৈছিল। পিছত লেখি পঠিয়ালে "দদাইদেউ, আৰু খৰচ নপঠিয়াব। মই ইয়াত সুখে আছোঁ, ইত্যাদি ইত্যাদি ।"

মই ইমানখিনি কথা লেখাৰ এটি কাৰণ হৈছে মোৰ অসমৰ ছাত্ৰ-সকলক ৰাধিকাৰামৰ বিষয়ে অলপ কথা জনোৱা। কাৰো কাৰো এই বিষয়ে জানিবৰ ইচ্ছা প্ৰৱল দেখিছোঁ। দুখৰ বিষয় ছবি এখন লগত দিব নোৱাৰিলোঁ।

অসমীয়া সাহিত্যলৈ বিশেষ বৰঙণি নেথাকিলেও অসমৰ শিক্ষা-সংস্কৃতিৰ অন্যতম অগ্ৰদূত হিচাৱে ৰাধিকাৰামৰ এই জীৱনী পুৰণি 'মিলন'ৰ পাতৰ পৰা বুটলি আনি এই পুথিত অন্তৰ্ভুক্ত কৰা হৈছে। —অ-হা।

‘সীতা-হৰণ’ কাব্য-প্ৰণেতা

ভোলানাথ দাস

লোক-গীত প্ৰসিদ্ধ বাথৰ বৰাৰ বংশত ‘সীতা-হৰণ’ আৰু ‘চিন্তা-তৰঙ্গিনী’ৰ কবি ভোলানাথ দাস ডাঙৰীয়াৰ জন্ম হৈছিল ১৮৫৮ চনত। তেওঁৰ ঘাই কৰ্ম্ম জীৱন আৰু জীৱনৰ শেষ ছোৱা অতিবাহিত হৈছিল গুৱাহাটীত। উজান বজাৰৰ যোৰপুখুৰী পাৰত এসময়ত ‘ছৰ-ডেপুটীৰ ঘৰ’ নামেৰে জনাজাত ভোলানাথৰ হাউলি আজিও জিলিকি আছে। তেওঁৰ পিতৃৰ নাম আছিল বাপীৰাম আৰু মাতৃৰ নাম পদ্মাৱতী।

মাক-বাপেকৰ তেওঁ একমাত্ৰ সন্তান আছিল আৰু সেইদেখি সৰু কালত অতিশয় আদৰত লালিত-পালিত হৈছিল। নগাওঁ হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ কলিকতাৰ মেট্ৰপলিটান কলেজত পঢ়িবলৈ লৈছিল। মাতৃ-বিয়োগ ঘটাত তেওঁ ঘৰলৈ উলটি আহে আৰু উচ্চ শিক্ষাৰ আশা ত্যাগ কৰি পিতাকৰ ইচ্ছানুযায়ী চাকৰি কৰি ঘৰতে থাকিবলৈ স্থিৰ কৰে।

১৮৮১ চনত ভোলানাথ নগাওঁ জিলাৰ ‘ডিষ্ট্ৰিক্ট ছাৰ্ভেয়াৰ’ পদত নিযুক্ত হয়। ইয়াৰ পিছত তেওঁ ক্ৰমে নগাওঁ হাইস্কুলৰ ‘লাষ্ট মাষ্টৰ’, শিক্ষা বিভাগৰ কেৰাণী আদি কামত সাময়িকভাৱে নিযুক্ত হৈ থাকি শেষত শিৱসাগৰ ছাৰ্ভে স্কুলৰ শিক্ষকৰ পদত মকৰল হয়।

১৮৮৮ চনত তেওঁ প্ৰাদেশিক ছাব'ডিনেট চিভিল ছাৰ্ভিচ পৰীক্ষা দিয়ে আৰু তাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ছবডিপুটী কলেক্টৰৰ পদ-মৰ্য্যাদা লাভ কৰে। এই কামতেই তেওঁ সুখ্যাতি অৰ্জ্জন কৰে আৰু ইয়াৰ পৰাই ক্ৰমোন্নতি লাভ কৰি দ্বিতীয় শ্ৰেণীৰ মেজিষ্ট্ৰেটৰ ক্ষমতা পায় আৰু এছিষ্টেণ্ট ছেটেল্‌মেণ্ট অফিছাৰ নিযুক্ত হয়।

ছাৰ্ভে আৰু ছেটেল্‌মেণ্ট কামত ভোলানাথ দাসৰ সুখ্যাতি আছিল। তেওঁৰ জোখ-মাখ আৰু অঙ্ক নিৰ্ভুল বুলি ওপৰ মহলত এটা বিশ্বাস আছিল। সেইদেখি তেওঁক অন্য কামৰপৰা আনি গুৱাহাটী চহৰৰ ৰি-ছাৰ্ভে আৰু ৰি-ছেটেল্‌মেণ্ট কামৰ গুৰু দায়িত্ব দিয়া হৈছিল আৰু তেওঁ তাক সুখুতভাৱে সমাধা কৰি ১৯১২ চনৰ ১২ ডিচেম্বৰ তাৰিখে সেই চৰকাৰী কামৰ পৰা অৱসৰ লভিছিল। গুৱাহাটী চহৰৰ আশে-পাশে থকা জৰিপ নোহোৱা 'ননকেডেষ্ট্ৰেল' জঙ্ঘলবোৰ তেওঁ কেডেষ্ট্ৰেল জৰিপভুক্ত কৰি চৰকাৰৰ এটা ডাঙৰ কাম সমাধা কৰি দিয়ে। আজিও খাৰঘুলি, ৰাম্‌ছা হিল গ্ৰেণ্ট আদিৰ পুৰণি মেপত তেওঁৰ চহী জিলিকি আছে।

চৰকাৰী কামৰ পৰা অৱসৰ লাভ কৰাৰ পিছতো তেওঁ ভালেমান ৰাজহুৱা দায়িত্বত লিপ্ত থাকিবলগীয়া হৈছিল। তাৰে ভিতৰত গুৱাহাটী চহৰৰ মিউনিচিপেল চেয়াৰমেনৰ পদবী উল্লেখ-যোগ্য। তাত তেওঁ বহুকাল থাকিবলগীয়া হৈছিল। ১৯২৯ চনৰ জুলাই মাহত জন্ম-মাহ আৰু জন্ম-বাৰত তেওঁ ৭১ বছৰ বয়সত উজান বজাৰৰ নিজ ঘৰত স্বৰ্গী হয়। মৃত্যুৰ আগলৈকে তেওঁ অবৈতনিক হাকিম পদবী পাই আছিল।

পাৰিবাৰিক জীৱনত ভোলানাথ দাস এজন আদৰ্শ ভদ্ৰলোক আছিল। তেওঁৰ জীৱনৰ আদৰ্শ নিজে নিজৰ নামটো বান্ধ খুৱাই

লিখা তলৰ চাৰিটা পদ্য-পংক্তিত পৰিস্ফুট হৈ উঠিছে।

ভোজন সুমিষ্ট চাওঁ নাই উপাৰ্জ্জন।
লাভ চাও বহু কিন্তু নাহি মূলধন॥
নাহি বল বোলাইবে চাহোঁ মহাবীৰ।
থৰ থৰি হিয়া মুখে বচন গম্ভীৰ।

পুৰুষজনৰ স্বভাৱ-চৰিত্ৰ, চলন-ফুৰণ, আহাৰ-বিহাৰ আদিৰ বাহিৰ-ভিতৰৰ সুন্দৰ ছবি এখন এই পদ্য কেইশাৰীয়ে দাঙি ধৰিছে। বস্তুতঃ তেওঁ সদায় আত্ম-বিশ্লেষণ আৰু আত্ম-নিৰীক্ষণ কৰি নিজক সংযতভাৱে চলাবলৈ যত্ন কৰিছিল। তাৰ উদাহৰণ অনেক আছে।

অলপো সময় তেওঁ অবাবত নকটাইছিল। অৱসৰপ্ৰাপ্ত জীৱনৰ শেষ নিশ্বাস পেলোৱালৈকে পুৰুষজন সদায় ধীৰ, স্থিৰ, মিতব্যয়ী আৰু অল্পভাষী আছিল। তেওঁৰ সাজপাৰ সদায় পৰিস্কাৰ আৰু অনাড়ম্বৰ আছিল। জীৱনটো তেওঁ যেন এক গতিত, এক নীতিত গহীনভাৱে চলাই নিছিল। পুৱা দোকমোকালিতেই তেওঁ প্ৰায়ে সদায় 'তেজৰে কমলাপতি পৰভাত নিন্দ' বৰগীত সুৰ লগাই গাই সকলোকে জগাই দিছিল। তাৰ পিছত স্নানাদি নিত্যকৰ্ম্ম শেষ কৰি ভগৱানৰ নাম লয় আৰু পৰিপাটিকৈ পোছাক পিন্ধি চাৰি-কুনীয়া বহল মেজখনৰ ওচৰত পাৰি থোৱা চকীত বহে; জেপৰপৰা চাবি উলিয়াই নিজহাতে তৈয়াৰ কৰা, সৰু-বৰ নানা খোটালি থকা হাতপেৰাটো খুলি পইচাৰ হিচাব কৰে আৰু দৈনন্দিন খৰচৰ বাবে পইচা উলিয়াই দিয়ে। তাৰ পিছত চাহ-জলপান খায়। এই কামৰ পিছত লোহাৰ বাকচ খুলি তাৰ পৰা টকা আনি খৰচৰ বাবে হাত-বাকচত পৃথকে থয় আৰু হিচাব লিখি ৰাখে।

এইদৰে হিচাবসহ আচুতীয়াকৈ যথাস্থানত সকলোবোৰ ঠিকঠাক কৰি থৈ উঠি তেওঁ লিখা-পঢ়া কামত লাগে। তাত প্ৰায় এঘণ্টা ডেৰ ঘণ্টামান নিয়াই ভালকৈ ৰ'দ ওলালে ঘৰুৱা কাম-কাজত চকু দিয়ে; ঘৰুৱা কাম-কাজ, যেনে, ঘৰৰ তাঁত-শালৰ বয়-বস্তু, সা-সজুলিৰ অভাৱ হলে বা তাৰে কিবা বেয়া হলে তাক নিজ-হাতে পূৰণ কৰা নাইবা সেইবোৰ একো কৰিব নালাগিলে কাঠ-মিস্ত্ৰিৰ কোঠাৰ দুৱাৰ খুলি কাঠৰ কামত লগা ইত্যাদি। বিশেষ উল্লেখ যোগ্য এই যে তেওঁ নিজে মিস্ত্ৰিৰ কাম ভাল পাইছিল আৰু নিজহাতে কৰিছিল। নিজে তেওঁ চকী-মেজ-পালেং-পেৰা আদি তৈয়াৰ কৰি লৈছিল। পালেঙৰ খুটাবোৰ নিজহাতে অস্ত্ৰ ধৰি কুন্দাব ভাল জানিছিল। এইবোৰত বাহিৰেও তেওঁ বিচনাত পালেঙৰ ওপৰত পাৰিবলৈ চটাই-ঢৰা নিজে বৈ তাৰ চাৰিও কোণত বাওৰ ওচৰত ৰঙা বা ক'লা বৃত্তাংশৰ গৰম কাপোৰ লগাই দেখাত ধুনীয়া কৰি দিছিল। নিজৰ দুগৰাকী জীয়েকৰ বিয়াত তেওঁ নিজহাতে নিৰ্ম্মান কৰা কাঠৰ পেৰা, বৰ পীৰা আৰু পালেং উৎসৰ্গ কৰি সুখ লভিছিল।

এনেবোৰ কামত বাহিৰেও ভোলানাথ দাসে নিজহাতে কাপোৰ চিলাই কৰি লব পাৰিছিল। তেওঁৰ নিজৰে এটা সুকীয়া চিলাই-কল আছিল। সেই কল আজিও তেখেতৰ নাতি-নাতিনীবোৰে ব্যৱহাৰ কৰি আছে।

মিস্ত্ৰি-কাম, চিত্ৰাঙ্কণ আৰু চিলাই কামত ভোলানাথ দাসৰ পটুতা আজিও তেওঁৰ নিজহাতে তৈয়াৰ কৰি এৰি থৈ যোৱা অনেক কামত জিলিকি আছে। নিজৰ ফটোখন চাই চাই পেন্সিলেৰে তেওঁ নিজৰ এখন ধুনীয়া আৰু হুবহু ডাঙৰ প্ৰতিকৃতি আঁকিছিল। সি আজিও তেওঁৰ পো-নাতিৰ ঘৰত আছে। মিস্ত্ৰি কামবোৰতো জন্তু, চৰাই আদিৰ ছবি আঁকি কাঠত ধুনীয়াকৈ খোদিত কৰা

তেওঁৰ এটা অভ্যাস হৈ পৰিছিল। তেওঁৰ হাতেসজা তাঁত-শালৰ সজুলিবোৰ তেওঁৰ মৃত্যুৰ ৪৩ বছৰ পাছতো আজি ঘৰৰ জীয়ৰী-বোৱাৰীৰ হাতত আছে। আজিকোপতি তেওঁৰ ঘৰখন অসমীয়া বোৱন-কাটনৰ বাবে জনাজাত। তাৰ গুৰিতে আছিল তেওঁ নিজে আৰু তেওঁৰ সুযোগ্যা পত্নীদ্বয়।

ভোলানাথ দাসৰ ঘৰত সকলো কাম সকলোৱে নিৰ্দ্দিষ্ট সময়ত কৰিব লাগিছিল। তেওঁ নিজে তাৰ এটা আদৰ্শ আছিল। তেওঁ সদায় চাকৰি জীৱনত ঠিক সময়ত খোৱা-বোৱা কৰি অফিচলৈ গৈছিল আৰু অফিচ ছুটী হলেহে ঘৰলৈ উভতিছিল। ভোলানাথ দাসৰ ৰৰপুত্ৰ ৺লক্ষ্মীনাথ দাসে পঢ়াশলীয়া অৱস্থাতে দেউতাকৰ আঁহিত মিস্ত্রিকামৰ বহুখিনি জ্ঞান আয়ত্ব কৰিছিল। দেউতাকৰ লগত থাকি তেওঁ সৰু সৰু বস্তু কিছুমান নিজে সাজিছিল। পঢ়া অৱস্থাত থাকোঁতেই তেওঁ টিন পাতৰ পণ্টুন সাজি কাঠেৰে চুয়োটা জোৰা লগাই জালিব'টৰ দৰে দাৰ লগাই ঘৰৰ ওচৰত থকা ঘোৰ পুখুৰীত চলাই লৈ ফুৰিছিল। পিছত ব্ৰহ্মপুত্ৰ পাৰ হৈ দেখুৱাই সকলোকে চমক লগাইছিল। এই কামত দেউতাক ভোলানাথ দাসে তেওঁক কেৱল গজাল-বল্টু আৱশ্যকীয় বস্তুবোৰ মাত্ৰ দি সহায় কৰিছিল। দেউতাকৰ উদগনিয়ে তেওঁক কম উৎ-সাহিত কৰা নাছিল।

ভোলানাথ দাসে চৰকাৰী কামৰ দায়িত্ব চম্ভালি অসমীয়া সাহিত্যলৈ যিখিনি দান দি গ'ল তাৰ বাবে সাহিত্যৰ বুৰঞ্জীত তেওঁৰ এখন আচুতীয়া আসন থাকিব। সাহিত্যৰ বুৰঞ্জী ৰচোঁতা সমালোচক-কৱি ডিম্বেশ্বৰ নেওগৰ মতে কৱি ভোলানাথ দাস আছিল বৰ্ত্তমান অসমীয়া কৱিতা-আকাশৰ এটি পুৱতি-ভোটা। অসমীয়া ভাষাত অমিত্ৰাক্ষৰ ছন্দত প্ৰথমে কাব্য লিখিবলৈ লোৱাসকলৰ ভিতৰত ভোলানাথ অন্যতম। 'লিৰিক' বা খণ্ড কৱিতাৰ প্ৰচলনো অসমীয়া

সাহিত্যত পোনতে ভোলানাথৰ লেখনীতে আৰম্ভ হয় বুলিব পাৰি। 'মেঘ', কিয়নো নাজাগে আমাৰ মন' আদি খণ্ড কৱিতাই তাৰ সাক্ষী। 'মেঘ' কৱিতাৰ ভাষাত দেখা যায়—পুৰণিৰ পৰা দেখ-দেখকৈ নতুনলৈ পৰিৱৰ্ত্তন; ছন্দত ই 'ধীৰে-ধীৰে ভাহি যোৱা মেঘৰ গজেন্দ্ৰ গমন।' বিষয়-গাম্ভীৰ্য্যৰ লগত ইয়াৰ ভাষা আৰু ছন্দৰ সুন্দৰ সমন্বয় ঘটিছে। শব্দাৰম্বৰ আৰু শব্দ-মাধুৰ্য্য তেওঁৰ প্ৰকাশ ভঙ্গীৰ এটি বৈশিষ্ট্য।

ভোলানাথ দাসৰ কাৱ্য-প্ৰতিভা পাঁচখন কাব্যত পঞ্চধা বিভক্ত হৈ ১৮৮২ চনৰ পৰা ১৮৮৮ চনৰ ভিতৰত প্ৰকাশ পায়। দুই খণ্ডত বিভক্ত দুখন 'কৱিতা মালা', দুই খণ্ডত বিভক্ত দুখন 'চিন্তা-তৰঙ্গিনী' আৰু 'সীতা হৰণ কাব্য'—এই পাঁচখন। হাতে লিখা অৱস্থাত এৰি যোৱা 'সুভদ্ৰা-হৰণ' সম্ভৱ কালৰ বুকুত লীন গ'ল। তেওঁৰ প্ৰথম কৱিতা পুথি 'কৱিতা মালা'—প্ৰথম ভাগ প্ৰকাশ হয় 'চৈত্ৰ ১২৯১ সাল'ত।

পুথিখনত (প্ৰথম ভাগ—কৱিতা মালাত) কুৰিটা খণ্ড কৱিতা আছে। ভাষা পুৰণি পুথিৰ গন্ধবাহী হলেও ভাব আৰু প্ৰাঞ্জলতাত নতুন কৱিতালৈ ই এটি স্পষ্ট পদক্ষেপ। শিশু-মনৰ উপযোগী কৰি নীতি-বচনপূৰ্ণ পদ্য-ৰচনাৰে পুথিখন মজুত কৰা হৈছে।

যাৰ কৃপাবলে জন্মি যত জীৱগণ।
আনন্দে সংসাৰ মাজে কৰন্ত ভ্ৰমণ॥
হেৰা ল'ৰা! সিজনক যোড়হাত কৰি।
সেবিবা আনন্দ চিত্তে দিবস শৰ্ব্বৰী।' (ঈশ্বৰলৈ সেৱা)
সদ্‌গুণ থাকিলে শিশু কি কৰয় ৰূপ।
দেখা স্নেহ পাত্ৰ কুলি হুইয়া কুৰূপ। (সদ্‌গুণৰ আদৰ)

* *

নাহি ধৰ্ম্ম নাহি কৰ্ম্ম নাহি যাৰ জ্ঞান।
সেহি জন হোৱে মাত্ৰ পশুৰ সমান॥ (মনুষ্য শ্ৰেষ্ঠ জীৱ কিয়)
এইবোৰ তাৰ চানেকী মাত্ৰ।

প্ৰমথ ভাগ 'চিন্তা-তৰঙ্গিণী' ৰচনা কৰি কৱিয়ে নগাৱঁৰ টেক্সট্‌ বকু কমিটীৰ পৰা এশ টকা পুৰস্কাৰ পাইছিল। ইয়াতেই তেওঁ পোনতে অমিত্ৰাক্ষৰ ছন্দৰ খণ্ড-কৱিতা ৰচনাত নিজৰ হাত পৰীক্ষা কৰিছে। প্ৰথম কৱিতাটোৰ নামেই 'চিন্তা-তৰঙ্গিণী' আৰু ইয়াত কৱিয়ে পুথি ৰচনাৰ উদ্দেশ্য মুকলি কৰি কৈছে—

অযথা সাহসে,—পাই দুৰাশা আশ্বাস—
দুৰ্ব্বল চিন্তাৰ বলে, 'চিন্তা-তৰঙ্গিণী'
ৰচিলোঁ; সোণাৰি যেন কৰি ধন আশ,
ৰচে স্বৰ্ণ প্ৰায় কৰি পিতলৰ মণি। ইত্যাদি

ঠিক তেনেকৈয়ে ভোলানাথ দাসে সীতাহৰণ কাব্যতো তেওঁৰ কাব্য ৰচনাৰ উদ্দেশ্য আৰু অনুপ্ৰেৰণা সম্পৰ্কে কৈছে—'সেহি ৰামায়ণ গীত—

গাইবাক চাহোঁ আমি অতি মূঢ়জনে
অমিত্ৰ অক্ষৰ ছন্দে, হে মাতঃ বাগ্দেবি!
যি ছন্দে গাইলা বহু মধুময় গীত
তব অনুগ্ৰহে, অতি প্ৰিয় পুত্ৰ তব
শ্ৰীমধুসূদন বঙ্গ কৱিকুল মণি! ইত্যাদি। আউনী-আটিৰ পৰা ওলোৱা 'আসাম-বিলাসিনী' নামৰ কাকতত 'সীতাহৰণ-কাব্য' খণ্ড-খণ্ডকৈ প্ৰকাশ হৈছিল ১৮৭১ চনৰে পৰা। তাৰে প্ৰথম সৰ্গৰ একাংশ 'চিন্তা-তৰঙ্গিণী'ৰ প্ৰথম ভাগত ঠাই দিয়া হৈছিল।

ভোলানাথ দাস ডাঙৰীয়া তাহানিৰ বঙলা আৰু অসমীয়া ভাষা-যুঁজৰ হেঁচা-চেপাত ওপজা কৱি। বঙলাৰ মাধ্যমেৰেই তেওঁ শিক্ষা লভিছিল। মনত ৰাখিব লাগে যে ১৮৩৬ চনত শিপাই লৈ বঙলা ভাষাই অসমীয়া ভাষাক হেঁচা দি হাড় ভাঙিব খুজিছিল, কিন্তু নোৱাৰিহে শেহান্তত ১৮৭২ চনত আঁতৰি যায়। এই মধ্যবৰ্ত্তী ছয়ত্ৰিশ বছৰীয়া কালডোখৰত অসমীয়া স্কুল-কাছাৰি সকলোতে বঙলা ভাষা আৰু অসমীয়া ভাষাৰ এটা খিচুৰী ভাষা চলিছিল। ভোলানাথ দাসৰো সীতাহৰণ কাব্যৰ ৰচনা আৰম্ভ হয় ১৮৭১ চনত। সেই হেতুকে তেওঁৰ ভাষাত বঙলা ভাষাৰ ছাপ থকাটোত আচৰিত হব লগীয়া একো নাই। অৱশ্যে কৱিতাৰ ভাষাত তেওঁ ইচ্ছা কৰিয়ে গহীন প্ৰকাশ ভঙ্গী অৱলম্বন কৰি চলিছিল। শব্দ-চয়নত সংস্কৃত বা তৎসম শব্দ তেওঁ পছন্দ কৰিছিল আৰু অমিত্ৰাক্ষৰ ছন্দ গহীন বিষয়ৰ কৱিতাত সততে ব্যৱহাৰ কৰিছিল।

ভোলানাথ দাসৰ 'কৱিতা মালা'ৰ অনেক কৱিতাৰ ভাব, ভাষা আৰু ছন্দৰ প্ৰতিধ্বনি ধনাই বৰা, বলদেৱ মহন্ত আদি পৰবৰ্ত্তী কৱিসকলৰ লিখনীত স্পষ্টকৈ অনুভব কৰা যায়। ভোলানাথৰ 'সময়' কৱিতাৰ 'সময় অমূল্য ধন', গলে একবাৰ; কেতিয়াও আসিবৰ নোহে পুনৰ্ব্বাৰ' পংক্তিৰ লগত পিছৰ কৱিৰ—'সময় নদীৰ দৰে ধীৰে বৈ যায়, নোভতে এবাৰ গলে আৰু পুনৰাই'—এনে ধৰণৰ সমভাবৰ পংক্তি অনেক আছে। তেওঁৰ আলেক্‌জেণ্ডাৰ আৰু *দস্যু*—কৱিতা আজিও ছাত্ৰসকলৰ আদৰৰ আবৃত্তি।

ভোলানাথৰ ৰচনা-ৰীতি বহু পৰিমানে কৃত্ৰিম আছিল আৰু তাক তেওঁ ইচ্ছা কৰিয়ে কৃত্ৰিম কৰিছিল। সাহিত্যত এক শ্ৰেণীৰ লিখকে লিখিত ভাষাক কথিত ভাষাৰপৰা কিঞ্চিৎ পৰিমানে হলেও মাৰ্জ্জিত কৰি কৃত্ৰিমতাক প্ৰশ্ৰয় দিয়াটো বাঞ্ছনীয় বুলি বিবেচনা কৰে। ভোলনাথেও কাব্য ৰচনাত তাকে কৰিছিল।

তেওঁৰ সেই ৰচনা-নীতি নিটিকিল; কিন্তু তাৰ মাজেদিয়ে ফুটি উঠা কৱি-প্ৰতিভাৰ চমকপ্ৰদ স্ফুৰণে আজিও পাঠকক স্তব্ধ নকৰি নাথাকে। অন্ততঃ আধুনিক অসমীয়া খণ্ড কৱিতাৰ প্ৰবৰ্ত্তক আৰু অমিত্ৰাক্ষৰ ছন্দৰ আদি প্ৰচাৰকসকলৰ অন্যতম হিচাপে অসমীয়া সাহিত্যত ভোলানাথ দাস ডাঙৰীয়া চিৰস্মৰণীয়া হৈ থাকিব। এইসকল কটকটীয়া সাহিত্য-বীৰৰ সকলোখিনি ৰচিত আৰু প্ৰকাশিত গ্ৰন্থ একত্ৰ কৰি তেওঁলোকৰ নামৰ গ্ৰন্থাৱলী-প্ৰকাশ আজিৰ আমাৰ এটি প্ৰয়োজনীয় কৰ্ত্তব্য।

—শ্ৰীঅতুল চন্দ্ৰ বৰুৱা

---

* ভোলানাথ দাসৰ প্ৰথম পুত্ৰ স্বভাৱ-বিজ্ঞানী লক্ষ্মীনাথ দাসে অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশনত বিজ্ঞান বিভাগৰ সভাপতিত্ব কৰিছিল। কনিষ্ঠ পুত্ৰ শ্ৰীসুৰেন্দ্ৰ নাথ দাস, গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুব-কল্যান বিষয়া। দাস ডাঙৰীয়াৰ এজন জোঁৱাই বিহাৰৰ ৰাজ্যপাল কবি শ্ৰীদেৱকান্ত বৰুৱা দুজন নাতিজোঁৱাই ওপৰৰ প্ৰবন্ধলিখক শ্ৰীঅতুল চন্দ্ৰ বৰুৱা আৰু কবি, শ্ৰীনৱকান্ত বৰুৱা। অ-হা।

‘হেমদাশৰথী’

সোণাৰাম চৌধুৰী

স্বৰ্গদেৱ শিৱসিংহৰ ৰাজত্বৰ সময়ত তামুলী বাবপোৱা দমনচন্দ্ৰ তামুলীয়ে যোৰহাটৰ অন্তৰ্গত টিয়ক গাঁৱত জন্মলাভ কৰিছিল। স্বৰ্গদেৱ লক্ষ্মীসিংহৰ দিনত তেওঁৰ পুত্ৰ কান্দুৰামে দৰং জিলাৰ ঘিলাধাৰীত দুৱাৰৰক্ষী বাব পাইছিল। কান্দুৰামৰ মৃত্যু হোৱাত তেওঁৰ বিধবা পত্নীয়ে একমাত্ৰ সন্তান ৰঞ্জয়ক লৈ উত্তৰ গুৱাহাটীলৈ আহে। ৰঞ্জয়ে তামুলী বাব ৰজাঘৰৰ পৰা পাই উজনি অঞ্চললৈ যায় কিন্তু তেওঁ স্থায়ীভাবে উত্তৰ গুৱাহাটীৰ ৰংমহল গাঁৱত বসবাস কৰে। ৰঞ্জয়ৰ প্ৰথম গৰাকী ভাৰ্য্যাৰ গৰ্ভত মনাইৰ জন্ম হয়। মনাইৰ বিবাহৰ পিছত মনুহৰ আৰু ঠানুৰাম নামেৰে দুজন পুত্ৰ হয়। মনুহৰৰ প্ৰথম ভাৰ্য্যা দীপেশ্বৰীৰ পৰা দণ্ডীৰাম, সোণাৰাম আৰু ৰত্নৰামৰ জন্ম হয়। যিজনৰ বিষয়ে আমি লিখিবলৈ লৈছোঁ সেইজনেই অসমৰ বিখ্যাত প্ৰত্নতাত্বিক সোণাৰাম চৌধুৰী মনুহৰৰ দ্বিতীয় পুত্ৰ।

সোণাৰাম চৌধুৰীয়ে ইং ১৮৭০ চনৰ ৯ জানুৱাৰীত উত্তৰ গুৱাহাটীৰ ৰংমহল গাৱঁত জন্মগ্ৰহণ কৰে। এওঁৰ লিখা পঢ়ালৈ বৰ ধাউতি আছিল। ইং ১৮৮২ চনত ৰংমহল নিম্ন প্ৰাইমেৰী স্কুলৰ পৰা ভালকৈ পাছকৰি তেওঁ গুৱাহাটীৰ বঙ্গবিদ্যালয়ৰ ৫ম শ্ৰেণীত নাম লিখে। সৰুকালতে মাতৃ পৰলোক হোৱাত এওঁৰ শিক্ষালাভত বৰ বিঘিনি ঘটে তথাপি তেওঁ মনোযোগ দি পঢ়ি

ইং ১৮৮৮ চনত ছাত্ৰবৃত্তি পৰীক্ষাত উত্তীৰ্ণ হৈ মাহে চাৰি টকাকৈ জলপানী পায়। তেওঁ গুৱাহাটী গৱৰ্ণমেণ্ট হাইস্কুলৰ পৰা ইং ১৮৯২ চনত ২য় বিভাগত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। এওঁ কুৰি টকীয়া জলপানী লৈ সহপাঠী মাধৱ বৰা, ভূধৰ চৌধুৰীৰ লগত কলিকতালৈ গৈ তাৰ মেট্ৰপলিটান (পিছত বিদ্যাসাগৰ) কলেজত ভৰ্ত্তি হয়। অলপ দিন পিছত সহপাঠী মাধৱ বৰাৰ মৃত্যু হোৱাত মনৰ বেজাৰ আৰু বহু অসুবিধাই লগ দিয়াত তেওঁ ঘৰলৈ উলটি আহিল। ককায়েক দণ্ডীৰাম চৌধুৰীয়ে অলপীয়া আৰ্জ্জনেৰেই অতি কষ্ট কৰি এফ-এটো পাছ কৰিবলৈ ভায়েকক আকৌ কলি-কতালৈ পঠিয়ালে। পঠিয়াইছিল যদিও তেওঁ কলিকতাত দুবছৰ কাল শিক্ষা অৰ্জ্জন কৰি শাৰীৰিক অসুস্থতাৰ নিমিত্তে এফ্-এ মহলাত উত্তীৰ্ণ হ'ব নোৱাৰি সিমানতে শিক্ষা পৰ্ব সাং কৰি ঘৰলৈ উভতি আহিল।

তাৰ পিছত চৌধুৰীদেৱে নিজৰ ঘৰতে কিছুদিন বহি পুৰণি পুথি আদি পঢ়াত মন দিলে। পুথি পাজিবোৰ পঢ়িব জনাৰ কাৰণে গাঁৱৰ মানুহৰ পৰা তেওঁ বৰ আদৰ পাইছিল। এইদৰে কিছুদিন যোৱাত ঘৰ নচলা হোৱাৰ বাবে তেওঁ কমিছনাৰ চাহাবৰ কাৰ্য্যালয়ত শিক্ষা নবীচৰ কামত সোমাল। উত্তৰ গুৱাহাটী ৰংমলৰ পৰা লুইত পাৰ হৈ অহা যোৱা কৰি চাকৰি কৰা অতি কষ্টকৰ। সেই কাৰণে তেওঁ ছত্ৰাকাৰ দেৱালয়ত এডোখৰ মাটি লৈ এটি সাধাৰণ ঘৰ সজাই থাকিবলৈ লয়। তেওঁৰ লগতে ভতিজাক মহেন্দ্ৰ, ৰাজেন্দ্ৰ আৰু তেওঁৰ পুতেক দেৱেন্দ্ৰ চৌধুৰীক ৰাখি গুৱাহাটী স্কুলতে পঢ়ুৱায়। ইং ১৮৯৬ চনত তেওঁ কমিছনাৰৰ কাৰ্য্যালয়তে কেৰাণীৰ কামত ভৰ্ত্তি হয়।

চাকৰি কৰি থকা অৱস্থাতে ইং ১৯০০ চনত চৌধুৰীদেৱে গোলাঘাটৰ ৰত্নধৰ ৰাজখোৱাৰ ঘৰত বিবাহ কৰে। ভাৰ্য্যা ধুকুৰাত

তেওঁ দ্বিতীয়বাৰ ৰংমহলৰে তনুৰাম বৰাৰ কন্যা চান্মাইক বিবাহ কৰে। এই গৰাকী ভাৰ্য্যাও ধুকুৱাত অনিচ্ছা স্বত্বেও দেউতাকৰ নিৰ্দ্দেশমতে উত্তৰ গুৱাহাটীৰে ৰুদ্ৰেশ্বৰ গাঁৱৰ পূৰ্ণানন্দ লেখাৰুৰ কন্যা ৰবদাক বিবাহ কৰে। এওঁ অধ্যাপক শ্ৰীউপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱৰ পেহীয়েক। চৌধুৰীদেৱে সুখ্যাতিৰে সুদীৰ্ঘকাল কমিছনাৰৰ কাৰ্য্যালয়ত চাকৰি কৰি থকা অৱস্থাতে চকুৰ অসুখ হোৱাত আৰু ইফালে স্বাস্থ্যও পৰি অহাত ইং ১৯২০ চনত তেওঁ অৱতৰীয় পেন্সন লবলৈ বাধ্য হয়। চৌধুৰীদেৱে চাকৰি কৰি থকা সময়তো পুৰণি পুথি উদ্ধাৰ কৰা, পুৰণি পুথি পাঠ কৰা, দেৱালয়ৰ শিলালিপি, ফলি আদিৰ পাঠ উদ্ধাৰ কৰা কামত বিশেষ মন দিছিল।

সেই সময়তেই তেওঁ উত্তৰ গুৱাহাটী ৰজাদুৱাৰৰ বাঙালা পাহাৰৰ শিলত চন্দ্ৰভাৰতীৰ মণ্ডপৰ বিষয়ে লিখা আৰু কানাই বৰশীবোৱা শিলৰ নামনিত এচটা শিলত বক্তিয়াৰ খিলিজিয়ে অসম সেনাৰ হাতত পৰাস্ত হোৱা বিখ্যাত ফলি উদ্ধাৰ কৰে। সাহিত্য চৰ্চ্চাত তেওঁৰ অতিশয় ৰাপ্ আছিল। আজৰি সময়ত তেওঁ বুৰঞ্জী প্ৰত্নতত্ব আদিৰ চৰ্চ্চাতেই সময় কটাইছিল। এইবোৰ কামত তেওঁ নিজে খটাৰ উপৰিও সেই সময়ৰ প্ৰত্নতাত্বিক পণ্ডিত হেমচন্দ্ৰ গোস্বামী দেৱক আৰু কিছুমান বিষয়ত কমিছনাৰ গৰ্ডণ চাহাবকো পৰাখিনি সহায় কৰিছিল। পুৰণি পুথি পাঠ কৰা আৰু আহোম যুগৰ শিলালিপিৰ পাঠ উদ্ধাৰ কৰাত চৌধাৰী দেৱ বৰ নিপুন আছিল।

চাকৰি কৰা কালছোৱাত চৌধুৰীদেৱে সেই সময়ৰ আলোচনী বিলাকলৈ সততে প্ৰত্নতত্ব বিষয়ক প্ৰবন্ধ পঠিয়াইছিল। অৱসৰ লোৱাৰ পিছত যেতিয়া যথেষ্ট সময় পোৱা হ'ল তেতিয়া তেওঁ ছত্ৰাকাৰ দেৱালয়তে থাকি কেবাখনো দেৱালয়ৰ ফলি উদ্ধাৰ কৰি

নিজেও আৰু স্বৰ্গীয় পণ্ডিত হেমচন্দ্ৰ গোস্বামী দেৱৰ যোগেদি 'জোনাকী' 'আলোচনী' 'বাঁহী' আদি মাহেকীয়া কাকতত প্ৰকাশ কৰিছিল।

'জোনাকী' কাকতত তেওঁ 'হেম-দাশৰথী' (সোণাৰাম) উপনাম লৈ বিবিধ প্ৰবন্ধ প্ৰকাশ কৰিছিল। 'জ্ঞানী ডাক' নামৰ প্ৰবন্ধটোৱে তেওঁৰ যশস্যা বৃদ্ধি কৰে আৰু 'হেমদাশৰথী' নামেৰেই তেওঁ জনাজাত হৈ পৰে।

অসমৰ অনুসন্ধান সমিতিৰ অবৈতনিক ডিৰেক্টৰ কৰ্ণেল পি, আৰ, টি গৰ্ডন চাহাব অসমৰ পুৰাতত্ব আৰু বুৰঞ্জী বিষয়ত ঘাই পৃষ্ঠপোষক আছিল, তেওঁৰ বহু কাৰ্য্যত সহায় কৰিবলৈ চৌধাৰী দেৱক বিচাৰিছিল আৰু চৌধাৰী দেৱেও যিমানখিনি পৰা যায় তেওঁক সহায়ো কৰিছিল। গৰ্ডন চাহাবে "ছাম্ আসামিজ প্ৰভাৰ্বচ" বুলি এখন অসমীয়া সাঁথৰ যোজনাৰ কিতাপ ৰচনা কৰিছিল। এই মূল্যবান কিতাপ খনিত চৌধুৰী দেৱে ভালেখিনি সাঁথৰ যোজনাৰ সংগ্ৰহ কৰি দিছিল।

বহুদিনৰ পৰা চেষ্টা কৰি চৌধুৰীদেৱে পুৰণি ফলি আৰু পুৰণি পুথি বিলাকৰ কিছুমান জটিল শব্দৰ অৰ্থ ইংৰাজী তৰ্জ্জমাৰে লিখা অভিধান এখনি যুগুত কৰিছিল। দুখৰ বিষয় সেই সৰু অথচ মূল্যবান অভিধানখনি ছপা কৰি উলিয়াব নোৱাৰিলে। বৰ্ত্তমান সেই পুস্তকখনি অযত্নত বিলুপ্ত হ'ল। তেওঁ হাতেলিখা বহু প্ৰবন্ধ আধৰুৱা অৱস্থাত আছিল কিন্তু পিছত বিচাৰ কৰি পোৱা নগ'ল। অসমৰ প্ৰায় সেই সময়ৰ আলোচনীতে চৌধুৰীদেৱৰ জ্ঞান গধুৰ প্ৰবন্ধ, গীত আদি প্ৰকাশ পাইছিল।

অৱসৰ লোৱাৰ পিছত চৌধুৰীদেৱে ঘৰুৱা জঞ্জালৰ পৰা আঁতৰত থাকি সাহিত্য চৰ্চ্চা আৰু প্ৰত্নতত্ব আদিত যাতে একানপতীয়াকৈ মন দিব পাৰে তাৰ নিমিত্তে তেওঁ নিজৰ ঘৰলৈ নগৈ ছত্ৰাকাৰ

দেৱালয়ত অস্থায়ীকৈ সজা ঘৰতে আছিল । তাত থাকোঁতে তেওঁ নিজে ৰন্ধা-বঢ়া, খৰি ফলা, কাপোৰ কানি ধোৱা আদি যাবতীয় সকলো কাম নিজে কৰিব লগীয়াত পৰিছিল । ইয়াৰ ভিতৰতে চৌতে খৰ মাৰি পুৰণি পুঁথি-পাজি পঢ়ি, আৰু মঠ-মন্দিৰলৈ গৈ বহুদিনীয়া ফলি আদিৰ পাঠ উদ্ধাৰ কৰি সাময়িক আলোচনী কাকত প্ৰকাশ কৰিছিল । চৌধুৰীদেৱে সংস্কৃত ভালকৈ জানিছিল, সেই কাৰণে তেওঁ সংস্কৃত পুথি আৰু ফলি বিলাকৰ পাঠ উদ্ধাৰ কৰিবলৈ টান নাপাইছিল । অইন কি পুৰণি পুথিৰ শব্দাৰ্থ প্ৰকাশ কৰা আৰু বহুদিনীয়া পুৰণি ফলিৰ পাঠ উদ্ধাৰ কৰা কাৰ্য্যত তেওঁৰ দৰে পাকৈত লোক সেই সময়ত বিৰল আছিল বুলিয়ে ক'ব পাৰি আৰু আজিও ডেকাসকলৰ এই লাগতিয়াল বিষটোত ৰাপ দেখা নাযায় ।

চৌধুৰীদেৱ বৰ জাতীয়তাবাদী আৰু সংৰক্ষণশীল প্ৰকৃতিৰ আছিল। বিভিন্ন আলোচনীত প্ৰকাশিত তেওঁৰ প্ৰবন্ধাৱলীয়ে সেই ভাব জল্-জল্ পট্-পট্কৈ ফুটাই তুলিছে। ইয়াৰ বাহিৰেও তেওঁ এজন সত্য অনুসন্ধানকাৰী আছিল আৰু বৈষ্ণৱ ধৰ্ম্মপ্ৰাণ লোক আছিল। জন্মাষ্টমী আৰু দৌল উৎসৱত তেওঁ বৰ আনন্দেৰে যোগদান কৰিছিল। পুৰণি-ধৰণৰ নাম কীৰ্ত্তন আদিত আৰু কাজ-লুৱা বৰনাম, থিয়নাম আদিত যোগদিবলৈ তেওঁ সদায় আগবাঢ়ি গৈছিল।

চৌধুৰীদেৱ প্ৰত্নতাত্বিক, সাহিত্যিক, ঐতিহাসিক যে অকল আছিল এনে নহয় তেওঁ এজন নাট্যকাৰো আছিল। তেওঁৰ হাতেলিখা কেবাখনিও নাটক গাৱঁৰ ৰঙ্গ মঞ্চত অভিনীত হৈছিল। তেওঁ নিজে অভিনেতা নাছিল কিন্তু অভিনয় চাই আৰু তাৰ সমালোচনা কৰি আনন্দ পাইছিল। চাকৰি কৰি থকা শেষ কাল ছোৱাৰ পৰা তেওঁ যি বেমাৰত ভোগ কৰি

থাকিব লগীয়াত পৰিছিল সেই বেমাৰেই তেওঁক মুকলমে সাহিত্য চৰ্চ্চা কৰাৰ বাটত ভেটা দিছিল। তেওঁ বহুকাম হাতত লৈছিল কিন্তু শাৰীৰিক অসুস্থতাৰ নিমিত্তেই অসমাপ্ত অৱস্থাতে পেলাই থবলগীয়াত পৰিছিল।

ক'বলৈ গ'লৈ চৌধুৰীদেৱ নিভাঁজ দেশপ্ৰেমিক আছিল। তেওঁ আছিল নীৰব কৰ্ম্মী। সুধী সমাজত সেই কাৰণেই তেওঁ সদায় আদৰ পাইছিল। তেওঁ অতি সৰল ভাবে জীৱন যাপন কৰিছিল। তেওঁৰ গুণাৱলী প্ৰকাশ পোৱাত অসম সাহিত্য সভাই শিৱসাগৰত বহা অধিবেশনত সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ আসনত বহুৱাই সম্মান দেখুৱালে।

সেই অধিবেশনত তেওঁৰ অভিভাষণখনি ইমান তথ্যমূলক আৰু অসমীয়া ভাষা, সাহিত্য আদিৰ ইতিবৃত্তৰে এনে সুৱলাকৈ ৰচনা-কৰা হৈছিল যে সাহিত্যৰথী বেজবৰুৱা ডাঙৰীয়া মুগ্ধ হৈ সেই মুকলি সভাতেই কৈছিল "এই সাৰুৱা অভিভাষণখনি অসমীয়া বুঢ়া, ডেকা, লৰা প্ৰত্যেকৰে জেপে জেপে থকা উচিত"; বাস্তবিকতে তেওঁৰ এই অভিভাষণখনি অতি লাগতিয়াল আৰু বৰ উচ্চ পৰ্য্যায়ৰ হৈছিল। চৌধুৰীদেৱে এলানি পাঠ্যপুথিও লিখিবলৈ ধৰিছিল। নিম্ন প্ৰাইমাৰী পঢ়াশালিৰ ১ম মান শ্ৰেণীৰপৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৬ষ্ঠ মান শ্ৰেণীলৈকে লিখা ব্যাকৰণখনি তেওঁৰ বন্ধু এজনৰ হাতত দিয়াত সেই বন্ধুজনে নিজৰ নামত কিতাপ-খন ছপাই নিজৰ নামতেই পঢ়াশালিত চলালে। এই কাৰণে তেওঁ মনত বৰ আঘাত পাই কিতাপ লিখিবলৈ এৰি দিয়ে। ইয়াৰ ভিতৰতে তেওঁ 'মেঘদূত' কাব্যৰো ভাঙনি কৰিছিল। কিন্তু বাইজৰ আগত প্ৰকাশ কৰিবলৈ সময় নেপালে।

জীৱনৰ শেষ কালছোৱাত চৌধুৰীদেৱক অৰ্শ, পিত্ত আদি ৰোগে বৰকৈ পীড়িব ধৰিলে। দুৰ্ব্বলতাৰ নিমিত্তে কাণেৰেও

ক্ৰমান্বয়ে মুগুনাত পৰিলগৈ। শেষ কালছোৱাত এওঁ দুৰৈ ঠাইলৈ ফুৰা-চকা কৰিবলৈ এৰি পেলালে, কেৱল গুৱাহাটীৰ পৰা জন্মঠাই ৰংমহললৈ হে অহা যোৱা কৰি আছিল মাথোন। বিহু-সংক্ৰান্তিত হ'লে তেওঁ ঘৰলৈ নহাকৈ নাথাকিছিল। শেষ কালত চৌধুৰীদেৱে নিজৰ ৰংমহলৰ ঘৰতে থাকিবলৈ ধৰা হৈছিল।

সেইদিন আছিল ইং ১৯৪২ চনৰ ডিচেম্বৰ মাহৰ ২ তাৰিখ বুধবাৰে তেওঁৰ জীৱন-বন্তী নিৰ্ব্বাপিত হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৭২ বছৰ হৈছিল।

'জোনাকী'ৰ দিনৰ পৰা 'মিলন'—'আবাহন'ৰ দিনলৈ চৌধুৰী ডাঙৰীয়াই ৰচনা কৰা বুৰঞ্জী আৰু প্ৰত্নতত্ত্বমূলক মূল্যবান প্ৰবন্ধ অলেখ। আজিৰ বহুতে হয়তো সেইবোৰত চকু ফুৰাই চাবলৈকে সুযোগ পোৱা নাই। ডঃ সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই অশেষ পৰিশ্ৰম কৰি সংকলন কৰা এই প্ৰবন্ধাবলীৰ তালিকা এটি তলত তুলি দিছোঁ।

(১) অসমীয়া আৰু বঙলা ভাষা—উষা, ৪ৰ্থ—২৬৩। (২) কেশৱদেৱ, ৯ম স্কন্ধ—উষা, ৪ৰ্থ—১৮০। (৩) আহোম কৰিৰ অসমীয়া পদ ৰচনা, মণিকুট—উষা, ৪ৰ্থ—৮৯। (৪) "মণিকূট" প্ৰবন্ধৰ শুধৰণি—উষা, ৪ৰ্থ—১০৩। (৫) শ্ৰীচন্দ্ৰভাৰতী, উষা—৪ৰ্থ—১০৭। (৬) লীলাৱতী—উষা, ৪ৰ্থ—১৩১। (৭) ভক্তি—ৰত্নাৱলী—উষা, ৫ম—১৩। (৮) গুৱাহাটীৰ শিলৰ ফলি—৫ম—৬৮। (৯) ৰামসৰস্বতীৰ বংশ তালিকা—উষা, ৫ম—১৫৩। (১০) শ্ৰীৰাম—কীৰ্ত্তন—উষা, ১১৯। (১১) শ্ৰীশঙ্কৰমাধৱ সম্বাদ, উষা, ৫ম, ১৭৮, ২১০। (১২) ৰামসৰস্বতীৰ বংশ—তালিকাৰ শুধৰণি, উষা, ৫ম—১৮৫। (১৩) প্ৰাগজ্যোতিষপুৰৰ বিষয়ে যৎকিঞ্চিৎ—আলোচনী, ৭ম—৪৫৪। (১৪) কানাই বৰশী বোৱা শিল আৰু তাৰ ওচৰৰ ঠাই অনুসন্ধান—আলোচনী, ৮ম—২৩৪।

(১৫) ডাক পুৰুষৰ জীৱন কাহিনী আৰু ৰচনাৱলী—আৱাহন, ১ম—১২৫, ৩০৫। (১৬) বৈগ্ঘদেৱৰ তামৰ ফলি, আৱাহন—১ম—৬০৯। (১৭) কামাখ্যাৰ প্ৰতি ধৰ্শিষ্ঠৰ শাপ—আৱাহন, ২য়—৯। (১৮) উত্তৰ গুৱাহাটী—আৱাহন, ২য়—১০৮৯। (১৯) অসমৰ বিবৰণ, আৱাহন, ৪ৰ্থ—৩৩। (২০) কামৰূপ সাম্ৰাজ্য প্ৰবন্ধ সম্বন্ধে দু-আষাৰ—আৱাহন, ৪ৰ্থ—৫২৫। (২১) বেতালভৈৰৱৰ কামৰূপ আগমন—আৱাহন, ৫ম—৫৬১। (২২) বৰুণালয়ত প্ৰাগজ্যোতিষ আৰু নৰকাদি নৃপতি,—আৱাহন, ৫ম—৭৬১। (২৩) বৃহদ্ধৰ্ম্ম পুৰাণত কামৰূপৰ খ্যাতি,—আৱাহন, ৬ষ্ঠ—৮৪৯। (২৪) ভাস্কৰ-বৰ্ম্মা, আৱাহন,—৭ম—৬৩৩, ৭৮৫, ৮৬০। (২৫) মহাভাৰতত প্ৰাগজ্যোতিষেশ্বৰ ভগদত্ত আৰু ব্ৰজদত্ত, আৱাহন—৮ম—১২১, ২৪৩, ৩৬৪। (২৬) জনাৰ্দ্দনৰ মূল মন্দিৰ আৰু ফল্গুৎসৱ মন্দিৰ—আৱাহন, ৮ম—৫৫০। (২৭) কৌটিল্যৰ অৰ্থশাস্ত্ৰত কামৰূপৰ উৎপন্ন বস্তুৰ উল্লেখ—আৱাহন, ১০ম—১৩৪৭। (২৮) ভোটপৰ্ব্ব—আৱাহন, ১১শ—৫৮১। (২৯) ছত্ৰাকাৰ দেৱালয়ৰ ফলি—আৱাহন, ১১শ—৭৭৮। (৩০) ৰাউত্তকোঞ্চি গাঁৱত নিষ্কৰ মাটি দানৰ ফলি—আৱাহন, ১২শ—৩১৩। (৩১) ঘোঁৰা আৰু হাতীৰ ঔষধৰ পুথি, চেতনা—১ম—৪২৯। (৩২) নৰকাসুৰ আৰ্য্য নে অনাৰ্য্য—চেতনা, ১ম—৪৯৩। (৩৩) হাজোৰ বিবৰণ, চেতনা—৪ৰ্থ—১৬৭, ২১৭। (৩৪) ৰামসৰস্বতী আৰু অনন্ত কন্দলি প্ৰতিবাদ, চেতনা, ৪ৰ্থ—৩৩১। (৩৫) ধৰ্ম্ম সম্পদ, চেতনা, ৬ষ্ঠ—৪৫৩। (৩৬) দীপিকা ছন্দ আৰু পুৰুষোত্তম গজপতি, জয়ন্তী, ৩য়—৭৩,৩৯৪। (৩৭) অশ্বক্ৰান্ত দেৱালয়ৰ ফলি, জয়ন্তী, ৩য়—৮৩৩। (৩৮) অলঙ্কাৰ, জয়ন্তী, ৪ৰ্থ—১৫৭। (৩৯) কবিবৰ ৰাম সৰস্বতী, জোনাকী, ৩য়—১১০। (৪০) জ্ঞানী ডাক, জোনাকী নতুন, ১ম—১৯৯। (৪১) হৰিদেৱ, জোনাকী নতুন, ২য়—৩০৬,

৩২৮। (৪২) অসমীয়া সাহিত্য গীতগোবিন্দ, বাঁহী, ৪ৰ্থ—৪৯২। (৪৩) পুৰণি অসমীয়া পুথি সংগ্ৰহ, বাঁহী, ৪ৰ্থ—২১৪। (৪৪) নাম মালিকা, বাঁহী, ৫ম—২৬২। (৪৫) অনন্ত কন্দলি ৰাম সৰস্বতী, বাঁহী, ৫ম—৭৯। (৪৬) প্ৰাগজ্যোতিষ কামৰূপৰ ৰাজা, বাঁহী, ১৪শ—১০১। (৪৭) কেইখনমান নষ্ট হৈ যোৱা শিলৰ ফলি পাঠ সংগ্ৰহ, বাঁহী, ১৪শ—৪১৮। (৪৮) কামৰূপ প্ৰদৰ্শন, বাঁহী, ১৫শ—১২৫। (৪৯) কামাখ্যাৰ আহোম কীৰ্ত্তি, বাঁহী, ১৫শ—৬৭৫। (৫০) কামৰূপৰ তিনিখন পুৰণি শিলৰ ফলি, বাঁহী, ১৭শ—৭৫। (৫১) অসমীয়া ভাষা আৰু বৰ্ণমালা সম্বন্ধে যৎকিঞ্চিৎ, বাঁহী, ১৭শ—২৪২। (৫২) বাল্মিকী ৰামায়ণ আৰু ভাষা ৰামায়ণ, বাঁহী, ১৮শ—১৫৩। (৫৩) ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ, বাঁহী, ১৮শ—১০৮। (৫৪) তেজপুৰ পৰিদৰ্শন, বাঁহী, ১৮শ—৪৩৪। (৫৫) প্ৰেমভূষণ আৰু কৈৱলা নন্দনৰ গীত, বাঁহী, ১৮শ—৩৪৬, ৪৫৬; ২১শ—৩৪। (৫৬) বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ, বাঁহী, ২১শ—১৪৪, ২৬৬; ২২শ—১২, ১১৪, ১৭১। (৫৭) দীৰ্ঘেশ্বৰী দেৱালয়, মিলন, ২য়—৬৮। (৫৮) উমানন্দ, মিলন, ৩য়—১০৪। (৫৯) ভীষ্মপৰ্ব্ব, মিলন, ৪ৰ্থ—৩। (৬০) কবি অনিৰুদ্ধ, মিলন, ৭ম—১৭৮।

আন কথা নিলিখিলেও ওপৰৰ প্ৰবন্ধাৱলীয়ে 'হেম দাশৰথি' সোণাৰাম চৌধুৰীদেৱৰ প্ৰকৃত চিনাকি দিবৰ বাবে যথেষ্ট। অতি পৰিতাপৰ কথা, এই প্ৰবন্ধাবলী থুপাই প্ৰকাশ কৰিবৰ বাবে এতিয়াও কাৰো মনসাৰ নাই। বুৰঞ্জী আৰু প্ৰত্নতত্ত্বৰ এই অমূল্য সম্পদৰাজি আৰু কিমান দিন চেচুকত ভেকুৰি থাকি অৱশেষত পাহৰণিৰ বুকুত জাহ যাব? অসম সাহিত্য সভাই বুৰঞ্জীৰ বছৰেকীয়া উৎসৱ পাতি থাকিলেই হব নে? বুৰঞ্জী, পুৰাতত্ব বিভাগ, প্ৰকাশন-পৰিষদ, বিশ্ববিদ্যালয় আদিৰ এই বিষয়ত দায়িত্ব নাই জানো?

—শ্ৰীৰমেশ চন্দ্ৰ বৰকাকতী

‘পদ্যাৱলী’ৰ কবি

বিষয় চন্দ্ৰ বিশ্বাসী

অসমীয়া পঢ়াশলীয়া পাঠ্যপুথিৰ অভাৱৰ কালত যিসকল ব্যক্তিয়ে পাঠ্যপুথি যুগুত কৰি অসমৰ প্ৰাথমিক শিক্ষা ক্ষেত্ৰত বিশিষ্ট বৰঙনি আগবঢ়াইছিল, সেইসকলৰ ভিতৰত বিষয়চন্দ্ৰ বিশ্বাসীও অন্যতম। শিক্ষা ব্যৱস্থা উন্নত কৰিবলৈ, আৰু দেশৰ কণ কণ শিশুহঁতৰ অন্তৰ নৈতিক বলেৰে দৃঢ় কৰিবলৈ শিশু পাঠ্যপুথিৰ বিজ্ঞান সন্মত প্ৰণয়ন অপৰিহাৰ্য্য। পাৰিপাৰ্শ্বিকতাৰ লগত শুদ্ধ পৰিচয় আৰু সেইবোৰৰ প্ৰতি সজ ব্যৱহাৰৰ শিক্ষা পাঠ্যপুথিৰ যোগেদি যাতে শিশু বিলাকে লাভ কৰিব পাৰে, তাৰ বাবেও পাঠ্যপুথি প্ৰণেতাসকল সচেতন হোৱা প্ৰয়োজন। বিষয় চন্দ্ৰ বিশ্বাসীয়ে এনেবোৰ আদৰ্শৰ প্ৰতি লক্ষ্যৰাখি, প্ৰাথমিক স্তৰৰ এক শ্ৰেণীৰ পাঠ্যপুথি প্ৰণয়ন কৰি, আমাৰ শিক্ষাৰ ক্ষেত্ৰত বৰঙনি আগবঢ়াইছিল। পাঠ্যপুথিৰ উপৰিও তেওঁ খনচেৰেক কবিতাৰ পুথিও ৰচনা কৰিছিল।

অসম ইংৰাজৰ অধীনলৈ যোৱাৰ পিছত ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ অসমৰ পঢ়াশালি আৰু আদালতত বঙলা ভাষা চলিছিল। প্ৰায় দুকুৰি বছৰীয়া এই কালছোৱাত অসমীয়া মানুহে মাতৃভাষাৰ শিক্ষাৰ কোনো সুবিধা পোৱা নাছিল। ফলস্বৰূপে অসমৰ শিক্ষা আৰু সাহিত্যৰ ক্ষেত্ৰত অশেষ ক্ষতি সাধন হৈছিল। ১৮৭৩ চনত বঙ্গৰ ডুৱলীয়া লাট ছাৰ জৰ্জ কেম্বেলৰ আদেশ

অনুসৰি অসমত অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠা কৰা হয়। সেই বছৰতে অসমীয়া পাঠ্যপুথি ৰচনাৰ বাবে ছাৰ জৰ্জ কেম্বেলে জাননীৰ যোগে বঁটা ঘোষণা কৰে। এই জাননী পাই ওজা সাহিত্যিক হেমচন্দ্ৰ বৰুৱা ডাঙৰীয়াই প্ৰথমে তিনিছোৱা 'আদিপাঠ' তাৰ পিছত 'পাঠমালা' আৰু 'অসমীয়া লৰাৰ ব্যাকৰণ' আদি পুথি প্ৰণয়ন কৰি চৰকাৰৰ ঘৰৰ পৰা ক্ৰমে পাঁচশ আৰু এহেজাৰ এশ টকাৰ বঁটা লাভ কৰে। হেমচন্দ্ৰ বৰুৱাৰ পিছতে পাঠ্যপুথি প্ৰণয়নৰ ক্ষেত্ৰত আধুনিক অসমীয়া সাহিত্যৰ অন্যতম নিৰ্ম্মাতা ৰায়বাহাদুৰ পদ্মনাথ গোহাঞি বৰুৱাৰ বিশিষ্ট বৰঙণি আছে। তেওঁ ১৮৯৩ চনৰ পৰা প্ৰায় সুদীৰ্ঘ ২৫ বছৰ কাল পঢ়াশালিৰ সমস্ত পাঠ্যপুথি প্ৰনয়ণ কৰে। পাঠ্যপুথি প্ৰণেতা স্বৰূপে গোহাঞি বৰুৱাক শীৰ্ষস্থান দিব পাৰি। সাধাৰণতে গোহাঞি বৰুৱাই মাধ্যমিক স্তৰৰ পাঠ্যপুথিৰ ৰচনাৰ ক্ষেত্ৰত মনোনিবেশ কৰিছিল। তেওঁৰ সহপাঠী আন এগৰাকী কৃতী-শিক্ষক পানীন্দ্ৰ নাথ গগৈদেৱে গোহাঞি বৰুৱা ডাঙৰীয়াৰ সহযোগত প্ৰাথমিক স্তৰৰ পাঠ্যপুথি ৰচনা কৰি অসমীয়া ভাষাত উপযুক্ত পাঠ্যপুথিৰ অভাৱ দূৰ কৰে।

এওঁলোকৰ পিছতে শিশু পাঠ্যপুথি প্ৰণেতা হিচাবে ৰত্নেশ্বৰ মহন্ত, বলদেৱ মহন্ত, লম্বোদৰ বৰা, আব্দুল মজিদ, দেৱেশ্বৰ চলিহা, বিষয়চন্দ্ৰ বিশ্বাসী, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, ধনাই বৰা মহম্মদ চোলেমান খাঁ, প্ৰমোদ বৰঠাকুৰ প্ৰভৃতিৰ নাম স্মৰণীয়।

কামৰূপ জিলাৰ প্ৰাচীন ঐতিহ্য মহিমামণ্ডিত পঞ্চতীৰ্থৰ সঙ্গম স্থান হাজোৰ এটি প্ৰাচীন পৰিয়ালত ১৮৮২ চনত বিষয় চন্দ্ৰ বিশ্বাসীৰ জন্ম হয়। তেওঁৰ পিতৃ চানাৰাম বিশ্বাসী বৰ সৰল-চিতীয়া আৰু মাতৃ ফুলেশ্বৰীও এগৰাকী বৰ সুচৰিত্ৰা গৃহিনী আছিল। চানাৰাম বিশ্বাসী আছিল হাজোৰ শ্ৰীশ্ৰীহয়গ্ৰীৱ মাধৱ দেৱালয়ৰ 'বিশ্বাসী' নামৰ এজন বিষয়া। 'বিশ্বাসী' বিষয়বাব

কেতিয়াৰ পৰা আৰু কোন ৰজাই দিছিল, তাক সঠিককৈ জনা নাযায়। কিন্তু হাজোৰ বিষয়চন্দ্ৰৰ পৰিয়ালে প্ৰতিষ্ঠা কালৰে পৰা বংশ পৰম্পৰা হিচাবে 'বিশ্বাসী' খিতাপ লাভ কৰি আছিছে। এই 'বিশ্বাসী' বিষয়াজনেই আছিল দেৱালয়ৰ সকলো কথাৰ উম পোৱা লোক আৰু দলৈক সকলো বিষয়তে পৰামৰ্শ দিওঁতা এজন বিশ্বাসভাজন বিষয়া।

বিষয়চন্দ্ৰ আছিল চানাৰাম বিশ্বাসীৰ তৃতীয় সন্তান। নিচেই পানীকেচুৱা অৱস্থাতে কিছুদিনৰ অগা-পিছাকৈ বিষয়চন্দ্ৰৰ পিতৃ-মাতৃ দুয়োগৰাকীৰ পৰলোক প্ৰাপ্তি হয়। পিতৃ-মাতৃ বিয়োগ হোৱাত মাউৰা বিষয়চন্দ্ৰক বাইদেৱেক ধনেশ্বৰীয়ে লৈ যায়, আৰু নিজে লালন-পালন কৰি ডাঙৰ-দীঘল কৰে। তাৰ পিছত তেওঁক ওচৰতে থকা উচ্চ-প্ৰাথমিক স্কুলত ভৰ্ত্তি কৰি দিয়ে। বিষয়চন্দ্ৰ সৰুকালৰে পৰা বৰ চোকা বুদ্ধিৰ লৰা আছিল। সেয়ে তেওঁ শ্ৰেণীত সদায় প্ৰথম স্থান লাভ কৰিছিল। শান্ত প্ৰকৃতিৰ বিষয় চন্দ্ৰই একাগ্ৰতা আৰু অধ্যবসায়ৰ কাৰণে শিক্ষকৰ পৰা সদায় মৰম-চেনেহ পাইছিল।

পিতৃ বিয়োগ হোৱাৰ পিছৰেপৰা বিষয়চন্দ্ৰ বিশ্বাসীহঁতৰ ঘৰৰ আৰ্থিক অৱস্থা ক্ৰমে বেয়া হবলৈ ধৰে। আনকি অৱশেষত বিষয়চন্দ্ৰৰ পঢ়াটোও এটা সমস্যা হৈ উঠিছিল। উচ্চশিক্ষা লাভৰ প্ৰৱল আকাঙ্ক্ষাই বিষয়চন্দ্ৰক চিন্তিত কৰিলে, ভৱিষ্যতত তেওঁ পঢ়ে কেনেকৈ? গতিকে উচ্চ প্ৰাথমিক পৰীক্ষাত বৃত্তি লাভ কৰিব নোৱাৰিলে, তেওঁৰ সকলো আশা আকাঙ্ক্ষাৰ ওপৰত এচলু চেঁচা পানী পৰিব। এই ভাবি তেওঁ এবাৰ এবাৰকৈ তিনিবাৰ উচ্চ প্ৰাথমিক পৰীক্ষাত বহিছিল। কিন্তু তিনিওবাৰেই প্ৰথম বিভাগত উত্তীৰ্ণ হৈয়ো জলপানী লাভ কৰিব নোৱাৰিলে। এইদৰে বিষয় চন্দ্ৰ বিশ্বাসীয়ে অতি সৰু কালৰেপৰা নিজকে নিজে

গঢ়াৰ পৰিকল্পনা কৰিবলগীয়া হৈছিল ।

সেই কালত হাজোত এতিয়াৰ দৰে উচ্চ শিক্ষা লাভৰ ব্যৱস্থা নাছিল । সেই কাৰণে উচ্চ প্ৰাথমিক পৰীক্ষাত উত্তীৰ্ন হৈ বিষয়-চন্দ্ৰ বৰ চিন্তাত পৰিল । 'হাতত নাই বিত্, মনে কৰে পিত্ পিত্'—টকা কড়ি নাথাকিব কিন্তু উচ্চ শিক্ষা লাভৰ যি অফুৰন্ত হেপাহ, তাক বাধা দিব একোৱে নোৱাৰিলে। ক'ৰ জোৰা ক'ত মাৰ যায় তাক পৰিস্থিতিয়ে কব,—ইয়াকেই সৰোগত কৰি লৈ বিষয়চন্দ্ৰ এদিন ঘৰৰ পৰা ওলাল আৰু গুৱাহাটীৰ ৰাজআলিৰ বুকুত ঘূৰি ফুৰিবলৈ ধৰিলে । তেনে অৱস্থাতে এজন ভদ্ৰলোকে এই ৰাজআলিত ঘূৰি ফুৰা ল'ৰাটোক লগ পালে । তেওঁৰ কম-বয়সীয়া কোমল আৰু সুশ্ৰী মুখখন দেখি ভদ্ৰলোকজনৰ পুত্ৰৌ ভাৱ উপজিল ; আৰু তেওঁক ঘৰলৈ মাতি লৈ গ'ল । ঘৰলৈ নি গা-পা ধুৱাই তৃপৰীয়াৰ আহাৰ খাবলৈ দিলে । আবেলি ভদ্ৰ-লোকজনে ল'ৰাটিক ওচৰলৈ মাতি আনি তেনেদৰে অনাই-বনাই ঘূৰি ফুৰাৰ কাৰণ সুধিলে । বিষয়চন্দ্ৰই অতি নম্ৰভাৱে কলে—"নিচেই সৰুতে পিতৃ-মাতৃক হেৰুৱাই ঘাটমাউৰা হলোঁ । বাইদেৱে ডাঙৰ-দীঘল কৰি উৰ্চ্চ-প্ৰাথমিক পৰ্য্যন্ত পঢ়ুৱালে । এতিয়া ঘৰৰ ওচৰত উচ্চ শিক্ষাৰ বিদ্যালয় নাই । ইফালে টকা-শিকাৰো অভাৱ ; কিন্তু উচ্চ শিক্ষা লাভৰ কাৰণে মোৰ মনত অদম্য হেপাহ । কোনো সদাশয় লোকৰ ওচৰ চাপিবলৈকো ভয় । উপায় চিন্তা কৰিয়ে এইদৰে ঘূৰি ফুৰিছোঁ । ল'ৰাটোৰ সদ-ইচ্চাৰ প্ৰতি থকা একাগ্ৰতা দেখি ভদ্ৰলোকজন সন্তুষ্ট হল, আৰু কলে—"বোপা, তুমি মোৰ লগতে থাকা, আমাৰ ঘৰতে থাকি পঢ়াশুনা কৰিবা । ঈশ্বৰ সহায় হলে তোমাৰ মনৰ আশা পূৰণ হব '। ভদ্ৰলোকজনৰ পৰা এনে আশ্বাস বাণী শুনাৰ লগে লগে তেওঁৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তিত বিষয়চন্দ্ৰৰ মূৰ দো খাই গৈছিল । আৰু আনন্দতে চকুপানী বৈ

পৰিছিল। ৰাতিৰ অন্ধকাৰৰ পিছত উষাৰ পোহৰ নামি আহাৰ দৰে থাউনি হেৰোৱা শিশু বিষয়চন্দ্ৰইও একপ্ৰকাৰ খোপনি বিচাৰি পালে।

এই দয়ালু ভদ্ৰলোকজন আছিল শিৱসাগৰৰ খ্যাতিমন্ত নাগৰিক অক্ষয়কুমাৰ ঘোষ, বি,-এল, মহাশয়। উদাৰ আৰু বিদ্যোৎসাহী ঘোষ মহাশয়ে বিষয়চন্দ্ৰক শিৱসাগৰৰ তেওঁৰ ঘৰলৈ লৈ গ'ল, আৰু তাৰ উচ্চ মাধ্যমিক স্কুলত নাম লগাই দিলে। তেতিয়াৰে পৰা বিষয়চন্দ্ৰই ঘোষৰ পৰিয়ালৰে এজন ল'ৰাৰ নিচিনা সুখে-স্বচ্ছন্দে থাকিবলৈ ললে। বিষয়চন্দ্ৰ নিজ দায়িত্বৰ প্ৰতি সদায় সচেতন আছিল। নিজৰ যাৱতীয় সকলো কাম-কাজ কৰিমেলিও স্কুলৰ পাঠ সুকলমে দি শিক্ষকসকলক চোকা মনৰ পৰিচয় দিব পাৰিছিল। শিৱসাগৰতেই তেওঁ স্কুলীয়া শিক্ষা শেষ কৰি শেষত গুৱাহাটীলৈ ঘূৰি আহে।

১৯০৪ চনত বিষয়চন্দ্ৰ বিশ্বাসীয়ে প্ৰথম বিভাগত এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰি নিজৰ কৰ্ম্মময় জীৱনৰ পাতনি মেলে। প্ৰথমে আবকাৰী বিভাগত কিছুদিন তেওঁ কেৰাণী কাম কৰিছিল। তাৰ পিছত দক্ষতা আৰু অধ্যবসায়ৰ ফলত পদোন্নতি লাভ কৰি 'একাউণ্টেণ্ট' নিযুক্ত হয়। সেই সময়তে হাজোৰ বিখ্যাত মজুমদাৰ পৰিয়ালৰ কন্যা সুগোপ্ৰিয়াক বিয়া কৰায়। বিয়াৰ দুবছৰ পিছতে তেওঁলোকৰ প্ৰথম পুত্ৰ বিপিনৰ জন্ম হয়; কিন্তু নিষ্ঠুৰ কালে অলপ দিনৰ ভিতৰতে বিপিনক কাঢ়ি লৈ যায়। সংসাৰৰ প্ৰথম পদক্ষেপ-তেই যেতিয়া বিশ্বাসী দেৱৰ মূৰৰ ওপৰেদি দুৰ্য্যোগৰ বা-মাৰলী পাৰ হৈ গ'ল, তেতিয়া তেওঁৰ মনৰ গতিও সলনি হৈ গ'ল। মনৰ দুখত চৰকাৰী চাকৰি এৰি দি ঘৰলৈ গুচি আহিল।

ঘৰলৈ আহি বিশ্বাসীদেৱে গাঁও সংগঠনৰ কামত আত্মনিয়োগ কৰিবলৈ ধৰিলে। এবাৰ তেওঁ এটি গাঁৱলীয়া 'বেঙ্ক' প্ৰতিষ্ঠা

কৰিছিল কিন্তু মানুহে ধাৰলৈ নিয়া টকা নিয়মমতে ঘূৰাই নিদিয়াত 'বেঙ্ক' বন্ধ কৰিবলৈ বাধ্য হয়। গাঁও উন্নয়নৰ প্ৰায়বোৰ অনুষ্ঠানৰে তেওঁ গুৰি ধৰিছিল। হাজো ভোগালী বিহু উৎসৱ, কৃষক সভা, শিপিনী সঙ্ঘ, সংস্কৃত টোল আদি নানান জনহিতকৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰি মৰণৰ কাললৈকে সিবোৰৰ লগত ঘনিষ্ঠভাৱে জৰিত থাকি বিষয়চন্দ্ৰই সমাজৰ এক মহান কৰ্ত্তব্যনিষ্ঠাৰ চানেকী দি যায়। হাজোৰ শ্ৰীশ্ৰীহয়গ্ৰীৱ মাধৱ দেৱালয়ৰ উন্নয়নত বিশ্বসী-দেৱৰ বিশিষ্ট বৰঙণি সদায় স্মৰণীয় হৈ থাকিব। তেওঁৰ অক্লান্ত পৰিশ্ৰমৰ বাবেই এই দেৱালয়ৰ সংৰক্ষণ আৰু পৰিচালনাৰ বিভিন্ন আঁচনি কাৰ্য্যকৰী ৰূপায়নত সফলতা লাভ কৰিব পাৰিছে।

বিষয়চন্দ্ৰ বিশ্বসী দেৱ এজন নিভাজ সাহিত্যিক আছিল। তেওঁৰ সহজ সৰল আৰু শিক্ষাপ্ৰদ ৰচনা সমূহত বাৰেবঙ্গলুৱা শব্দ প্ৰয়োগ দেখা নাযায়। গদ্য আৰু পদ্য দুয়োবিধ ৰচনাতে তেওঁৰ হাত আছিল। বিশেষকৈ শুৱলা ছন্দ আৰু নিমজ ভাষাৰ মনোৰম প্ৰকাশেৰে শিশু উপযোগী কৱিতা ৰচনা কৰি তেওঁ প্ৰতিভাৰ পৰিচয় দিব পাৰিছিল। তেওঁৰ 'বামুনী আৰু নেউল' নামৰ কৱিতাটোৰ নিমজ ছন্দ আৰু কৌতূহল উদ্দীপক কাহিনীৰ সহজ সৰল বিশ্লেষণ কৌশলে প্ৰতিজন পঢ়ুৱৈৰ বুদ্ধি আৰু মন দুয়োটাকে দীপ্ত আৰু অভিভূত কৰি তোলে।

"বিধিৰ বিপাক কি কম তোমাক
এনে কপালৰ ফেৰ,
ক'ৰবাত এটা মাটি ফেঁটি সাপ
আহি কৰে কেৰমেৰ,
কালৰূপ ধৰি ল'বাৰ গালৈ
ফেঁট যেই তুলি ল'লে,

সিয়ান নেউলে চকু পচাৰতে
তেতিয়াই আগুৰিলে।”

বিশ্বসীদেৱে লিখা শিশু সাহিত্য সমূহ হ'ল 'শিশুপাঠ' ১ম ভাগ, ২য় ভাগ, ৩য় ভাগ, ৪ৰ্থ ভাগ, ৫ম ভাগ আৰু ৬ষ্ঠ ভাগ, 'ধাৰাপাত' আৰু 'শিক্ষাসোপান'। এই পুথি সমূহ নিম্ন আৰু উচ্চ প্ৰাথমিক মহলাৰ বহু বছৰ পাঠ্যপুথি আছিল। তেওঁৰ কবিতাৰ পুথিবোৰৰ ভিতৰত 'পদ্যাৱলী', 'নক্সা', 'সোণতৰা', প্ৰভৃতিয়েই প্ৰধান। হেমচন্দ্ৰ বৰুৱাৰ 'পাঠমালা'ৰ লগত এই পদ্যাৱলী কেবা বছৰো ৬ষ্ঠ মানৰ পাঠ্য হিচাপে আমাৰ পঢ়াশালিবোৰত চলিছিল। এই পুথিত অন্তৰ্গত 'কৃপণ আৰু কুবেৰ' নামৰ কবিতাটো ইংৰাজীৰ সফল অনুবাদ সহজ সৰল বৰ্ণনা আৰু ফকৰা, যোজনা, পটন্তৰ আদিৰ প্ৰয়োগে ইয়াৰ কৱিতাসমূহক সুখ পাঠ্য কৰি তুলিছে। তেওঁৰ দ্বাৰা সংকলিত কাব্য 'মণিকূট'ত শ্ৰীশ্ৰীহয়গ্ৰীৱ মাধৱৰ বিগ্ৰহ প্ৰতিষ্ঠা সম্বন্ধে পুৰাণৰ কাহিনী সহজ সৰল অসমীয়াত বৰ্ণনা কৰি দেখুৱা হৈছে। আন এখন পুথি 'দুৰ্গাবাৰীৰ' কাব্য। তেওঁৰ ৰচিত আন কেইখনমান কাব্য পুথি হ'ল—'কাব্যহাৰ', 'শান্তি', 'জিৰণি' আৰু 'আভাস'।

বিশ্বাসীদেৱে দুই এখন মান গীতৰ পুথিও ৰচনা কৰিছিল। উপযুক্ত সংৰক্ষণ আৰু প্ৰকাশৰ অভাৱত এইবোৰ হয়তো এদিন কালৰ বুকুত জহি যাব। তিনিকুৰি বছৰৰ দেওনা পাৰ হওঁতে নৌ-হওঁতেই এই গৰাকী কনিষ্ঠ সাহিত্যসেৱকে জীৱনৰ শেষ নিশ্বাস পেলায়।

শ্ৰীপ্ৰসন্ন ৰাম দাস

———

সাহিত্য-সমাজসেৱী

গৌৰীকান্ত তালুকদাৰ

সংখ্যাত বেছি নহলেও অসমৰ যি কেইজন লোকে একেলগে সাহিত্য, শিক্ষা, সমাজসেৱা আৰু ৰাজনীতিক্ষেত্ৰত অৰিহণা যোগাই গ'ল, সেইসকলৰ ভিতৰত স্বৰ্গীয় গৌৰীকান্ত তালুকদাৰ ডাঙৰীয়া অন্যতম। দেখাত তেওঁ গৌৰীকান্ত মহাদেৱৰ দৰেই থূলন্তৰ আৰু গৌৰীপুত্ৰ কাৰ্ত্তিকৰ দৰেই শুৱনি আৰু সুপুৰুষ, তেওঁ মিষ্টভাষী আৰু সৰল মনৰ লোক আছিল। এইজন পুৰুষৰ ইং ১৮৮৫ চনত জন্ম হয় কামৰূপ জিলাৰ নলবাৰী অঞ্চলৰ বৰ্দ্ধমান চামতা গাৱঁত। গৌৰীকান্তৰ বয়স ছবছৰ পূৰ নোহওঁতেই অগাপিছাকৈ তেওঁৰ পিতৃ বীৰদত্ত তালুকদাৰ আৰু মাতৃ গান্ধাৰী দেৱীৰ পৰলোক ঘটে। তেতিয়া তেওঁ ভায়েক-ভনীয়েকৰে সৈতে মোমায়েক আৰু বন্ধু-বান্ধৱৰ সহায়ত ডাঙৰ-দীঘল হবলৈ ধৰে।

গৌৰীকান্ত তালুকদাৰ সৰুৰেপৰা চোকা বুদ্ধিৰ ছাত্ৰ আছিল। তেওঁ ১৯০২ চনত নলবাৰী মধ্য ইংৰাজী স্কুলৰপৰা উত্তীৰ্ণ হৈ ১৯০৬ চনত গুৱাহাটীৰ কলেজিয়েট স্কুলৰ পৰা এণ্ট্ৰেন্স, ১৯০৮ চনত কটন কলেজৰপৰা এফ্-এ, আৰু ১৯১০ চনত কলিকতাৰ মেট্ৰোপলিটান কলেজৰপৰা বি-এ, মহলাত উত্তীৰ্ণ হয়। ১৯১৩ চনত কলিকতা বিশ্ববিদ্যালয় আইন কলেজৰপৰা আইনৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পাছত তেওঁ গুৱাহাটীত ওকালতি আৰম্ভ কৰে।

তালুকদাৰ ডাঙৰীয়া সৰুৰ পৰাই আছিল স্বাধীনচিতীয়া লোক। ওকালতি আৰম্ভ কৰাৰ পিছত কংগ্ৰেছ মহাসভাৰ নীতি আৰু বিশেষকৈ মহাত্মা গান্ধীৰ ৰচনাসমূহ অধ্যয়ন কৰি তেওঁ জাতীয় প্ৰেমত উদ্বুদ্ধ হৈ পৰিল। তাৰ ফল স্বৰূপে তেওঁ ১৯২১ চনত মহাত্মা গান্ধীৰ আহ্বানত গুৱাহাটীৰ জৰ্জকোৰ্টত চলাই থকা আইন ব্যৱসায় পৰিত্যাগ কৰি অসহযোগ আন্দোলনত জঁপিয়াই পৰিল। এই মুক্তি-সংগ্ৰামৰ প্ৰথম পৰ্ব্ব আছিল—ৰাইজৰ মাজত অহিংস অসহযোগ আন্দোলনৰ তাৎপৰ্য্য ব্যাখ্যা কৰা, বিলাতী বস্ত্ৰ আৰু মাদক দ্ৰব্য বৰ্জন কৰা আৰু দেশবাসীক ইংৰাজ শাসনৰ সংশ্ৰৱ সম্পূৰ্ণৰূপে ছেদ কৰিবলৈ প্ৰস্তুত কৰোৱা। এই আন্দোলনৰ সক্ৰিয় অংশ গ্ৰহণ কৰাৰ বাবে কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন, ৰোহিনীকুমাৰ চোধুৰী, মৌলানা মহম্মদ তৈয়বুল্লা আদি অসমৰ বৰেণ্য নেতাসকলৰ লগত তালুকদাৰ ডাঙৰীয়ায়ো কাৰাবাস বৰণ কৰিব লগা হৈছিল। সেইবাৰ তালুকদাৰে ন মাহ কাৰাদণ্ড ভোগ কৰিছিল। ১৯৩০ চনত তেওঁ কুখ্যাত কানিংহাম চাকু´লাৰৰ বিৰুদ্ধে চলা আন্দোলনত আগ ভাগ লয়। চৰকাৰী স্কুলৰ যিবিলাক ছাত্ৰই স্কুল এৰি আন্দোলনত যোগ দিছিল, সেইবিলাকৰ শিক্ষাৰ কাৰণে তেওঁ গুৱাহাটীৰ কেইবাজনো নেত্ৰী স্থানীয় লোকৰ সহযোগত 'কামৰূপ একাডেমী' বিদ্যালয় স্থাপন কৰি স্কুল কমিটীৰ সম্পাদকৰ কাৰ্য্যভাৰ লয়। ১৯৩৭ চনৰ সাধাৰণ নিৰ্ব্বাচনত তেওঁ নলবাৰী সমষ্টিৰপৰা অসম বিধান সভালৈ সদস্য নিৰ্ব্বাচিত হয়। কিন্তু ১৯৪০ চনত মহাত্মা গান্ধীৰ নিৰ্দ্দেশমতে ব্যক্তিগত সত্যাগ্ৰহ কৰাৰ ফলত ইংৰাজ চৰকাৰে তেওঁক পুনৰ ছমাহৰ কাৰাদণ্ড বিধিছিল। প্ৰথম শ্ৰেণীৰ ৰাজনৈতিক বন্দী হিচাপে যোৰহাট জেলত তেওঁৰ লগত আছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, ফখৰুদ্দিন আলি আহমেদ প্ৰভৃতি যোৰহাটৰ সেই

সময়ৰ জেইলৰজনে তালুকদাৰ ডাঙৰীয়াক বৰ শ্ৰদ্ধা কৰিছিল। ইয়াৰ কাৰণ হ'ল, তেওঁ লিখা 'হিন্দু ধৰ্ম্মানুষ্ঠান পদ্ধতি' নামৰ পুথিখন পঢ়ি জেইলৰৰ গুৰুজনে হেনো তালুকদাৰক বৰ প্ৰশংসা কৰিছিল। ইয়াৰে সুবিধা লৈ তালুকদাৰদেৱেও সাধাৰণ ফাটেকিয়াল-বিলাকে যাতে বিহু, ফাকুৱা আদি পৰ্ব্ববিলাক জেলখানাৰ ভিতৰতে পালন কৰিব পাৰে তাৰ বাবে জেইলৰৰ পৰা অনুমতি আদায় কৰিছিল। সেই কাৰণে তেওঁ জেইলত থকা সকলো লোকৰে প্ৰিয়পাত্ৰ হব পাৰিছিল। ১৯৪২ চনৰ গণ-আন্দোলনতো কামৰূপ জিলাৰ বিভিন্ন ঠাইত তালুকদাৰে সংগঠন কাৰ্য্য কৰিছিল। ইয়াৰ বাবে তেওঁক পুনৰ ৯ আগষ্ট তাৰিখে ১৯৪৫ চনৰ মাৰ্চলৈকে শ্ৰীহট্ট জেলত বন্দী কৰি ৰখা হৈছিল। জেলৰপৰা মুক্তি লাভ কৰি তেওঁ আকৌ দেশসেৱাত আত্মনিয়োগ কৰে। সেইসময়ত ১৯৪৬ চনত সাধাৰণ নিৰ্ব্বাচন হোৱাত তেওঁ নলবাৰী সমষ্টিৰ পৰাই বিনাপ্ৰতিদ্বন্দ্বিতাৰে পুনৰ বিধানসভাৰ সদস্য নিৰ্ব্বাচিত হয়। সেই পদত ১৯৫০ চনলৈ থাকি অসমত কানি, মদ, ভাং নিবাৰণ আৰু প্ৰেক্ষাগৃহত ধূমপান নিষেধকৰা কাৰ্য্যত বিশিষ্ট ভূমিকা লৈ তেওঁ বহু পৰিমাণে কৃতকাৰ্য্যতা লাভ কৰে।

তালুকদাৰ ডাঙৰীয়া অসমৰ অস্পৃশ্যতা দূৰীকৰণ আন্দোলনৰো অন্যতম কৰ্ণধাৰ আছিল। তেওঁ অসমৰ অস্পৃশ্যতা দূৰীকৰণ লীগ'ৰ প্ৰথম অবৈতনিক সম্পাদক হৈছিল, কিন্তু যেতিয়া বেতন ভোগী সম্পাদকৰ ব্যৱস্থা কৰা হ'ল তেতিয়াই তেওঁ সেই পদ পৰিত্যাগ কৰিলে; অৱশ্যে সেই অনুষ্ঠানত তেওঁ সক্ৰিয় অংশ লৈয়ে আছিল। তেওঁ বহুবছৰ ধৰি 'গুৱাহাটী হৰিজন সেৱক সংঘ'ৰ সভাপতি হিচাপে কাম কৰিছিল আৰু অস্পৃশ্যতা আৰু জাতি সমস্যাৰ বিষয়ে প্ৰবন্ধ-পুস্তিকা আদি লিখি ছপাই বিনামূল্যে বিতৰণ কৰিছিল।

অসমীয়া মানুহৰ নিজাকৈ বেঙ্ক নথকাত বাহিৰৰ বেঙ্কে অসমৰ

নগৰে-চহৰে ব্যৱসায় চলাই লাভ কৰিছিল। বহুতো বেঙ্কে অসমৰ তথা অসমীয়াৰ বহু টকা আত্মসাৎ কৰি বাতিৰ ভিতৰতে অন্তৰ্ধানো হৈছিল। এইবোৰ দেখি তালুকদাৰ প্ৰমুখ্যে অসমৰ ভালেমান লোকে স্থানীয় লোকৰ বেঙ্ক এটাৰ প্ৰয়োজনীয়তাৰ অনুভৱ কৰিছিল আৰু ইয়াৰ ফলতেই 'গুৱাহাটী বেঙ্ক' প্ৰতিষ্ঠিত হয়। তালুকদাৰে এই বেঙ্কৰ কাৰ্য্যালয় নিজ উজান বজাৰ বাসভৱনত বহুদিনলৈকে ৰাখি চলাই আছিল। পিছত পানবজাৰত বেঙ্কৰ নিজ ঘৰ চকুত-লগাকৈ সজোৱা হয়। তালুকদাৰ ডাঙৰীয়াই বহুদিনলৈ এই বেঙ্কৰ মেনেজিং ডিৰেক্টৰ হিচাপে কাম চলাইছিল।

দেশ এখনৰ উন্নতিৰ গুৰিতে লাগে শিক্ষা। সেই কাৰণে তালুকদাৰে ৰাজনৈতিক জীৱনৰ মাজতো দেশত শিক্ষা বিস্তাৰৰ কামত নিজক নিয়োগ কৰিছিল। 'কামৰূপ একাডেমী'ৰ উপৰি সন্দিকৈ ছোৱালী কলেজ, বি-বৰুৱা কলেজ, নলবাৰী কলেজ, চামতা হাইস্কুল, চামতা ছোৱালী হাইস্কুল আদি প্ৰতিষ্ঠাত তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। কিছুদিনৰ কাৰণে তেওঁ গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ কোৰ্টৰ সদস্যও হৈছিল। বহুদিন ধৰি তেখেত নবীন বৰদলৈ হল আৰু লাইব্ৰেৰী কমিটিৰ সভাপতি আৰু গুৱাহাটী জিলা-পুথিভৰালৰ উপদেষ্টা সমিতিৰ সদস্য আছিল।

তালুকদাৰ ডাঙৰীয়াই ৰাজনীতিৰ উপৰিও সাহিত্য ক্ষেত্ৰতো একাগ্ৰতাৰে মনোনিবেশ কৰিছিল। তেওঁৰ ভাৰতীয় জীৱন আৰু ভাৰতীয় কৃষ্টি-সংস্কৃতিৰ প্ৰতি বিশেষ শ্ৰদ্ধা আছিল। সনাতন হিন্দুধৰ্ম্মৰ নিৰ্ম্মল ভাৱধাৰা যাতে জনগনৰ মাজত বিলাই দিব পৰা যায় আৰু হিন্দুধৰ্ম্মৰ কিছুমান আচাৰ ৰীতিৰ আভাষ জন-সাধাৰণক দিব পৰা যায়; সেই উদ্দেশ্যে তেওঁ ১৯২৬ চনত সংক্ষিপ্ত 'হিন্দু ধৰ্ম্মানুষ্ঠান পদ্ধতি' নামৰ পুথি এখনি প্ৰকাশ কৰে। পুৰণি কালত ভাৰতৰ মণীষীসকলে মানৱ জীৱনটো কি, ইয়াৰ লক্ষ্যনো

কেনে হোৱা উচিত আৰু জীৱনৰ উদ্দেশ্য সাধন কৰিবলৈ হলে শিশুকালৰেপৰা মৃত্যুলৈকে কেনেদৰে চলিব লাগে এই বিষয়ে দি যোৱা চিন্তাশীল অভিমতবোৰ তালুকদাৰদেৱে 'হিন্দুৰ দৃষ্টিত জীৱনৰ লক্ষ্য' পুথিত প্ৰকাশ কৰিছে। পুথিখন প্ৰকাশ পায় ১৯৫৭ চনত। পুথিখনৰ 'নিবেদন'ত তেওঁ লিখিছে—

"বহুতৰ ধাৰণা হিন্দুধৰ্ম্মই মানুহক এই জীৱনৰ সুখ-সম্ভোগলৈ পিঠি দি পৰকালৰ কাৰণে প্ৰস্তুত হ'বলৈ শিক্ষা দিয়ে। এনে অমূলক ধাৰণা এটা আমাৰ বহুতৰ মনত পাশ্চাত্য শিক্ষাই সুমুৱাই দিছে। এই পুথিৰ পাঠকসকলে তেনে ধাৰণা যে ভুল আৰু ভিত্তিশূন্য আৰু হিন্দুধৰ্ম্মই যে মানুহক নৈতিকতাৰ অবিৰোধী যাৱতীয় সুখ-সম্পদ সম্পূৰ্ণৰূপে ভোগ কৰিবলৈ কৈছে আৰু সাং-সাৰিক উন্নতিৰ শীৰ্ষস্থানত উঠিবলৈ সৰ্ব্বশক্তি নিয়োগ কৰিবলৈ উৎসাহ আৰু উপদেশ দিছে—তাৰো স্পষ্ট প্ৰমান পাব।" তেওঁ পুথিখনিত বেদ, মনু, গীতা, মহাভাৰত, পুৰাণ আদিৰপৰা শ্লোকৰ উদ্ধৃতি দি ওপৰৰ উক্তিৰ যথাৰ্থতা প্ৰমান কৰি দেখুৱাইছে। সুন্দৰ শৰীৰৰ গৰাকী হৈ জীৱনত উন্নতি কৰিবলৈ হলে ব্ৰহ্মচৰ্য্যৰো একান্ত প্ৰয়োজন। এই কথালৈ লক্ষ্য ৰাখি তেওঁ ব্ৰহ্মচৰ্য্য পালনৰ প্ৰয়োজনীয়তা আৰু নিয়ম সম্পৰ্কে ১৯২৯ চনত 'ব্ৰহ্মচৰ্য্য' নামে এখনি পুথি প্ৰকাশ কৰে। আচৰিত কথা বৰ্ত্তমানে জোৰেৰে চলোৱা 'পৰিয়াল পৰিকল্পনা'ৰ প্ৰচাৰ-কাৰ্য্যত হিন্দুৰ এই ব্ৰহ্মচৰ্য্য বিধিৰ কথাই গুৰুত্ব লাভ কৰা দেখা নেযায়,

কলিতা বা ক্ষত্ৰিয়সকল হিন্দুধৰ্ম্মৰ এটি বুজন অংশ। ভাৰতৰ ঐতিহ্যত তেওঁলোকৰ দান চিৰযুগমীয়া। কিন্তু সময়ৰ সোঁতত তেওঁলোকৰ অতীতৰ বল-বীৰ্য্য টুটি অহা বুলি ভাবি আৰু তেওঁলোকৰ সামাজিক, আৰ্থিক; নৈতিক আৰু আধ্যাত্মিক উন্নতিত সহায়ক হব বুলি অনুমান কৰি তালুকদাৰে ১৯২৪ চনত "(পুৰণি)

কামৰূপৰ ক্ষত্রিয় জাতি” বুলি আন এখনি পুথি প্রণয়ন কৰে। এই বিষয়ৰ তেওঁৰ আন এখনি পুথি' কলিতাৰ ব্ৰাত্যোদ্ধাৰৰ আৱশ্যকতা' ১৯২৯ চনত প্ৰকাশ পায়। এইখিনিত উল্লেখ কৰিব পাৰি যে কামৰূপ, গোৱালপাৰা ক্ষত্রিয় আন্দোলনৰ গুৰি ধৰি কলিতাসকলৰ মাজত তেৰদিনীয়া অশৌচ-প্রথা প্রবর্ত্তন কৰিবলৈ উঠিপৰি লাগিছিল। প্রথমতে এই সম্পর্কত তুমুল বাক্ বিতণ্ডা আৰু কোনো কোনো মহলত তিক্ততাৰো সৃষ্টি হৈছিল যদিও লাহে লাহে সকলো সহজ হৈ পৰিল। বৰ্ত্তমানে কেৱল কলিতাই নহয়, আন আন অব্রাহ্মণ হিন্দুৱেও বিনা বাধাই তেৰদিনীয়া আৰু এঘাৰদিনীয়া অশৌচ পালন কৰা দেখা গৈছে। এনেবোৰ নির্ভীকতা পূর্ণ সমাজ সংস্কাৰৰ কটকটীয়া কামৰূপৰ গৌৰীকান্ত তালুকদাৰ, কালিৰাম বৰ্ম্মণ আৰু গোৱালপাৰাৰ বিপিন চন্দ্ৰ দাস, মনমোহন দাস প্ৰভৃতিৰ বৰঙণি উলাই কৰিব পৰা বিধৰ নহয়।

অসমীয়া খেতিয়ক আৰু তেওঁলোকৰ মান উন্নতিৰ কাৰনেও তালুকদাৰ ডাঙৰীয়াই চিন্তা কৰিছিল। এই অৰ্থে ১৯৩৬ চনত “অসমীয়া খেতিয়কক লাগে কি?” নামৰ পুথি এখনি ৰচনা কৰি প্ৰকাশ কৰে।

হিন্দুধৰ্ম্মৰ 'শ্ৰীমদ্ভগৱদ্গীতা' পৃথিবীৰ ভিতৰতেই এখনি অমূল্য গ্ৰন্থ। এই গ্ৰন্থখনি পৃথিৱীৰ বহুতো ভাষাতেই অনূদিত হৈছে। অসমৰ বৈষ্ণৱ যুগত ভট্টদেৱ, গোবিন্দ মিশ্ৰ আদিয়ে অনুবাদ কৰিলেও তালুকদাৰ ডাঙৰীয়াই অধিক সুগম কৰি আধুনিক অসমীয়াত টীকা-টীপ্পনিৰে সৈতে গীতাখন ভাঙনি কৰে। ১৯৪৩ চনত ৰাজনৈতিক বন্দী স্বৰূপে শ্ৰীহট্ট জেলত থাকোঁতে তেওঁ এই গীতাখন অনুবাদ কৰে। কিন্তু গ্ৰন্থখনি ১৯৫৩ চনতহে প্ৰকাশ পায়। তেওঁৰ অনুবাদ

মূলানুগত আৰু প্ৰাঞ্জল হৈছে। তদুপৰি কঠিন শব্দবোৰৰ পাণ্ডিত্য-পূৰ্ণ ব্যাখ্যা দিয়াত পুথিখনৰ জেউতি চৰিছে। মনীষী বাল গঙ্গাধৰ তিলকে গীতাক মূলতঃ কৰ্ম্মযোগ শাস্ত্ৰ বুলিছে আৰু তালুকদাৰ ডাঙৰীয়াই তিলকৰ মততেই হয়ভৰ দিছে।

তালুকদাৰ ডাঙৰীয়াৰ অসমীয়া সাহিত্যলৈ এটি বিশিষ্ট দান হ'ল 'দীপক' আলোচনীখন। অসমীয়া ভাষাত আলোচনীৰ সংখ্যা তেনেই তাকৰ; তাতে শিশু-আলোচনীৰ অৱস্থা আৰু শোচনীয় এই দুৰৱস্থা আতৰোৱাৰ উদ্দেশ্যে তেওঁ নিজৰ ঘৰতে 'লাৱণ্য প্ৰেছ স্থাপন কৰি ১৯২৪ চনত 'দীপক' আলোচনীখন উলিয়ায়। প্ৰকৃততে এতিয়ালৈকে ওলোৱা অসমীয়া শিশু আলো-চনীৰ ভিতৰত এইখনেৰেই আয়ুস দীৰ্ঘতম বুলিব পাৰি। তালুকদাৰ ডাঙৰীয়াই মৃত্যুৰ সময়লৈকে বাৰ বছৰ কাল নিজে সম্পাদনা কৰি চলোৱাৰ পিছতো আজি পৰ্য্যন্ত আলোচনীখন ওলাই আছে। তেওঁ 'দীপক'ত সাধুকথা, কবিতা, জীৱনী আদিৰ উপৰিও বৰ্ত্তমান যুগৰ বৈজ্ঞানিক বা-বাতৰি, সাঁথৰ, ৰহঘৰা আদি শিতান আগবঢ়াই সিবোৰত নিজে লিখি আৰু ন-পুৰণি লিখকৰ হতুৱাই লিখাই 'দীপক'খন এখন খেলৰ শিশু আলোচনী কৰি তুলিছিল। তেওঁ ন-লিখকক প্ৰায়ে উৎসাহ দিছিল। এই লেখকো তেওঁৰ দ্বাৰা উৎসাহিত হৈছিল। 'দীপক'ৰ মাজেৰে তেওঁ আন এটি উদ্দেশ্য পূৰণ কৰিবলৈ বিচাৰিছিল। সেয়ে হ'ল—নেফা-অসমৰ সম্প্ৰীতি বঢ়োৱা। সেয়েহে তেখেতে নেফাৰ (বৰ্ত্তমান অৰুণাচল) বিষয়ে প্ৰবন্ধ প্ৰকাশ কৰাৰ উপৰিও নেফাৰ শিশুসকলৰ প্ৰবন্ধ-কবিতা 'দীপক'ত প্ৰকাশ কৰিছিল। তেওঁ নিজৰ নামৰ উপৰিও 'মধুকৰ' আৰু 'গণপতি' এই দুটা উপনামতো 'দীপক'ত নানা তৰহৰ ৰচনা লিখি প্ৰকাশ কৰিছিল।

১৯৬৬ চনৰ ২১ অক্টোবৰ তাৰিখে পবিত্ৰ মহাষ্টমী তিথিত নিশা ৯ বাজি ৩০ মিনিটত গুৱাহাটীৰ উজান বজাৰৰ নিজা বাসভৱনত তালুকদাৰ ডাঙৰীয়াৰ পৰলোক ঘটে। মৃত্যুৰ আগ-মুহূৰ্ত্তলৈকে তেওঁ এক সুস্বাস্থ্যৰ অধিকাৰী আছিল। মৃত্যুৰ সময়ত তেওঁ ভাৰ্য্যা, চাৰিজন পুত্ৰ আৰু বহুতো নাতি-নাতিনীক এৰি থৈ যায়।

—শ্ৰীহেমন্ত কুমাৰ শৰ্ম্মা

সাহিত্যৰত্ন

হৰিনাৰায়ণ দত্তবৰুৱা

কামৰূপ জিলাৰ বাঁহজানি মৌজাৰ পূব কালাকুচি গাঁৱত ১৮০৭ শকৰ ভাদ মাহৰ ৩ঠৰ তাৰিখে হৰিনাৰায়ণ দত্তবৰুৱাৰ জন্ম হয়। তেওঁ যি বংশত জন্মগ্ৰহণ কৰিছিল সেই বংশৰ আদি পূৰ্ব্বপুৰুষজনৰ নাম আছিল হলিৰাম বৰকাকতী। ৰাজেশ্বৰ সিংহ স্বৰ্গদেও আহোম ৰাজপাটত থকা কালত তেওঁ এইটো ৰজাঘৰীয়া বিখ্যাত উপাধি লাভ কৰে। তেওঁৰ পৰিনাতি দেৱীৰামেই হৈছে হৰিনাৰায়ণ দত্তবৰুৱাৰ পিতৃ। হলিৰাম বৰকাকতীক ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱে ৯৯ পুৰা মাটি নিষ্কৰ কৰি দিছিল। সেই মাটিৰ ভিতৰতে মজুমদাৰ দোবা। হলিৰাম বৰকাকতী আছিল তাৰ চাৰি মাইল উত্তৰপূবে নন্দগাঁৱত। পূব কালাকুচিত হলিৰাম বৰকাকতীয়েই ৰজাৰ অজ্ঞাতে সৎসঙ্গী মঠৰ সৃষ্টি কৰি দত্তবৰুৱাৰ এই প্ৰাচীন বংশটোলৈ ধৰ্ম্মৰ জলবায়ু বহন কৰি আনিলে। পূৰুষানুক্ৰমে এই বংশৰ লোকসকলে কেইবাটাও উপাধি লাভ কৰিছিল বুলি জনা যায়। পূৰ্ব্বপুৰুষৰ লব্ধ বৰকাকতী উপাধি পৰিত্যাগ কৰি হলিৰাম বৰকাকতীৰ পুত্ৰ শ্যামনাৰায়ণে চৌধুৰী উপাধিৰে জনাজাত আছিল। তেওঁৰ নাতি কুঁহিৰাম মহন্ত উপাধিৰে খ্যাত হৈছিল।

হৰিনাৰায়ণৰ পিতৃ দেৱীৰাম হ'ল কুঁহিৰাম মহন্তৰ মাজুভায়েক বিষ্ণুৰামৰ সন্তান। পঢ়াশালিত শিক্ষকতা কাম কৰি অঁটোৱাৰ পিছত এওঁ মহন্ত হয়। তাপা নামৰ ঠাইৰ বৰভূঞাৰ ঘৰৰ বিষ্ণু ডেকাৰ জীয়াৰী উমাপ্ৰিয়া দেৱীক তেওঁ বিয়া কৰায়। উমাপ্ৰিয়া

দেৱীয়েই হৰিনাৰায়ণৰ মাতৃ। দেৱীৰাম পণ্ডিত, সাধু, মধুভাষী, উদাৰ আৰু দয়ালু চৰিত্ৰৰ পুৰুষ আছিল। শিক্ষক কামত তেওঁ মাহিলী পাঁচটকা দৰ্মহা পাইছিল। সেই সময়ত সেয়ে বহুত আছিল।

প্ৰসিদ্ধ বুজৰবৰুৱাৰ বংশৰ বংশধৰ হোৱা বাবে "বৰুৱা" উপাধি এই পৰিয়ালৰ লোকসকলৰ নামৰ লগত সংযোগ হৈছিল। "দত্ত" উপাধিয়ে সেই সময়ৰ কায়স্থসকলক বুজায়। সেই দেখি "দত্ত বৰুৱা" উপাধিৰে দেৱীৰাম বিভূষিত হ'ল। তদুপৰি তেওঁৰ ভাৰ্য্যা হ'ল প্ৰসিদ্ধ বাৰভূঞাৰ বংশৰ ৰায়চৌধুৰীৰ ঘৰৰ জীয়ৰী। এই সূত্ৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বংশৰ লগতো তেওঁবিলাকৰ ঘনিষ্ঠ সম্বন্ধ সজ্ঘটিত হ'ল।

বংশগৌৰৱত তেওঁবিলাক যিমান মুধাফুটা নহওক ১৮৯৭ চনৰ বৰভূঁইকঁপত তেওঁবিলাকৰ বিৰাট অথন্তৰ ঘটিল। দেৱীৰাম দত্তবৰুৱা আৰু তেওঁৰ সৰু ভায়েক ধনীৰাম দত্তবৰুৱাই পৰিয়াল প্ৰতিপালন কৰিছিল খাইকৈ কৃষি-লক্ষ্মীৰ ওপৰত নিৰ্ভৰ কৰি। ১৮৯৭ চনৰ বৰভূঁইকঁপৰ প্ৰকোপত শস্যক্ষেত্ৰ কৃষিৰ অনুপযোগী হ'লত চঞ্চলালক্ষ্মীয়ে তেওঁবিলাকৰ প্ৰাঙ্গন এৰি গুচি গ'ল। তেতিয়া তেওঁ বিলাকৰ আয় আছিল সামান্য। এক শোকাবহ দাৰিদ্ৰ্যৰ মাজতে হৰিনাৰায়ণৰ শৈশৱ অতিবাহিত হয়। হৰিনাৰায়ণে সোণ-ৰূপৰ চৰুত হাত দি জন্মলাভ কৰিছিল যদিও নিয়তিৰ পাক-চক্ৰত পৰি শৈশৱ কালৰ শিক্ষাত তেওঁ গুৰুতৰ বাধা পাবলৈ ধৰিলে। পিতাকৰ ইচ্ছা থকা সত্বেও ধনৰ অভাৱত তেওঁ হৰি-নাৰায়ণক ইংৰাজী বিদ্যালয়ত নাম লগাই দিব নোৱাৰিলে। সেইবাবে তেওঁক চৰিয়া নিম্নপ্ৰাথমিক পঢ়াশালিতে পঢ়িবলৈ দিয়া হয় আৰু তাৰপৰা ২৫ মাইল বাট গুৱাহাটীলৈ খোজ কাঢ়ি গৈ হৰিনাৰায়ণে যি প্ৰাথমিক পৰীক্ষা দিছিল সেই পৰীক্ষাত তেওঁ

দ্বিতীয় বিভাগতহে উত্তীর্ণ হ'ব পাৰিলে যদিও জলপানী তেওঁ নেপালে। নলবাৰীৰপৰা আঢ়ৈ মাইল দূৰৈৰ ঠাইত পেহীয়েকৰ ঘৰত থাকি হৰিনাৰায়ণে মাইণৰ স্কুলত নাম লগাই পঢ়ে আৰু কিছুকাল এইদৰে পঢ়াৰ পিছত খাৰজাৰা নামৰ গাঁৱত বোন্দা গাঁওবুঢ়াৰ হাউলিৰ এটা 'বাহাত' থাকি নিজে ৰান্ধি বাৰি খাই তেওঁ পঢ়িবলৈ লয়।

১৯০৪ চনত মাইনৰ পৰীক্ষাতো হৰিনাৰায়ণ উত্তীর্ণ হ'ল কিন্তু এইবাৰো তেওঁ জলপানী ধৰিব নোৱাৰিলে। সি যি নহওক প্রতিকূল অৱস্থাৰ মাজত সংগ্রাম কৰি হৰিনাৰায়ণৰ ইংৰাজী শিক্ষাৰ পূর্ণপ্রসাদ লাভ নহ'ল যদিও তেওঁক শিক্ষাবিদ হ'বৰ বাবে অদৃষ্টই যেন হাত বাউলি দি মাতিলে। সংসাৰৰ ক্ষয় ক্ষতি যি হয় হওক, ভবিষ্যতত ক'লামেঘৰ দৰে দুখ বিপদ আৰু অথন্তৰে দেখা দিয়ক বা নিদিয়ক শিক্ষা দানৰ বাবে দত্তবৰুৱাই যে প্রাণপাত কৰিব লাগিব তাৰে ইঙ্গিত দি ভাগ্য দেৱতাই তেওঁক শিৱসাগৰৰ স্কুল উপ-পৰিদর্শক প্রতাপচন্দ্র হাজৰিকাৰ সান্নিধ্যলৈ আনি শিৱসাগৰৰ টেঙা-পুখুৰী নামৰ ঠাইৰ পঢ়াশালিত ১৯০৪ চনৰ ২৮ জুলাই তাৰিখে তেওঁক পণ্ডিত কামত নিয়োগ কৰি দিলে। হৰিনাৰায়ণ দত্তবৰুৱাৰ শিক্ষাব্রতৰ এয়ে আদিম প্রভাত। তেওঁৰ এই শিক্ষাব্রতৰ পবিত্র বাঁহীটোত মাথোন দুটা ৰন্ধ্র আছিল। এটা ধর্মৰ আৰু আনটো শিক্ষাৰ। এই শিক্ষাৰ লগতে জড়িত হৈ আছিল তেওঁৰ সাহিত্য সেৱা—যি সেৱা জুইৰ শিখাত তেওঁৰ কর্ম্মৰ দীপ্তি শেষত প্রকাশ পাবলৈ ধৰিলে। টেঙা-পুখুৰী পঢ়াশালিত সাহিত্য-শিক্ষাৰ নৌ এবছৰ পুৰ হওঁতেই প্রতাপ চন্দ্র হাজৰিকাই তেওঁ গুৱাহাটীৰ নর্মাল বিদ্যালয়ত প্রশিক্ষণ লাভ কৰিবৰ বাবে মাহিলী পাঁচ টকাৰ বৃত্তিৰ বন্দোৱস্ত কৰি দিলে। কালক্রমত নর্মাল বিদ্যালয়খন গুৱাহাটীৰ পৰা যোৰহাটলৈ উঠি

যায়। লগে লগে দত্তবৰুৱাইও গুৱাহাটী এৰি থৈ অসমীয়া গল্প-সাহিত্যৰ দ্বিতীয় বাটকটীয়া শৰৎ চন্দ্ৰ গোস্বামীদেৱৰ—যাৰ নাম অসম সাহিত্য সভাৰ বুৰঞ্জীত সোণালী আখৰেৰে উজ্জ্বল হৈ জ্বলিছে—তত্ত্বাৱধানত কৰ্ম্মজীৱনৰ প্ৰসাৰতা লাভ কৰিবলগীয়া হ'ল। প্ৰকৃত পক্ষে হৰিনাৰায়ণৰ জীৱন এই শৰৎ চন্দ্ৰৰ প্ৰভাৱতে লুইতৰ বালিত সোণ জিলিকাদি জিলিকি উঠিল। এই শৰতৰ স্নিগ্ধ জোনাকৰ কালটোৱেই প্ৰকৃতপক্ষে দত্তবৰুৱাৰ সাহিত্য সাধনাৰ আৰম্ভন। ইয়াৰ পিছত নানা ঠাইৰ কৰ্ম্মক্ষেত্ৰত বিশেষকৈ শিক্ষাদান কাৰ্য্যত দত্তবৰুৱাই উজনি অসমৰ ভালেমান ঠাইৰ লগত সৌহাৰ্দ্য স্থাপন কৰে আৰু সকলো ঠাইৰে শিক্ষা সংস্কৃতি মূলক কাৰ্য্যত সহযোগ দান কৰে। . দত্তবৰুৱাই কেইবাখনো শিশু সাহিত্য ৰচনা কৰে আৰু সেইবোৰ শৰৎ চন্দ্ৰ গোস্বামীৰ যত্নতে স্কুল পাঠ্য ৰূপে পৰিগণিত হয়। অসমৰ পঢ়াশালিত চলাৰ উপযোগী সাহিত্যপুথি তেতিয়াও সিমান উভৈনদী হোৱা নাছিল। পদ্মনাথ গোঁহাই-বৰুৱা, বেজবৰুৱা, আনন্দ আগৰৱালা, পানীন্দ্ৰ গগৈ, বেণুধৰ ৰাজ-খোৱা, আব্দুল মজিদ, ৰামেশ্বৰ বৰুৱা, দেৱেশ্বৰ চলিহা আদিৰ কাপৰপৰা শিশু-সাহিত্য ওলাইছিল যদিও সেয়ে যথেষ্ট নাছিল। হৰিনাৰায়ণ দত্তবৰুৱা এওঁবিলাকৰ অনুসৰণকাৰী হৈ এওঁবিলাকতকৈ অধিকতৰ ক্ষিপ্ৰতাৰে আৰু বিচিত্ৰৰূপে শিশু-সাহিত্যৰ বিশেষকৈ পঢ়াশলীয়া পাঠ্য পুথিৰ সম্ভাৰৰ যোগান ধৰিলে। প্ৰথমতে শিক্ষাৰ্থী আৰু তাৰ কিছুকাল পিছত শিক্ষকস্বৰূপে যোৰহাটত দত্তবৰুৱা থকাৰ কালৰ আগডোখৰত দত্তবৰুৱাই দুবাৰকৈ, এবাৰ ১৯০৭ চনত আৰু এবাৰ ১৯১২ চনত সমগ্ৰ অসমৰ সাহিত্য গুৰু শঙ্কৰদেৱৰ লীলাভূমি তথা জন্মভূমি নগাৱঁত কৰ্ম্মোপলক্ষে থাকিব লগীয়া হোৱাত তেওঁ অসমৰ নৱ বৈষ্ণৱধৰ্ম্মৰ ঘাই কৰ্ম্ম-কেন্দ্ৰৰ পুণ্য সংস্পৰ্শৰ প্ৰভাৱত পৰে।

যোৰহাট, নগাওঁ আৰু উত্তৰ লক্ষীমপুৰৰ ত্রিভুজৰ ভিতৰত হৰিনাৰায়ণ দত্তবৰুৱাই নানা সত্র সভা আৰু সমাজৰ লগত পৰিচিত হ'ল আৰু বিস্তৰ গুণী, জ্ঞানী আৰু ধাৰ্ম্মিক লোকৰ সান্নিধ্যলৈ আহি মৌ-মাখিৰ দৰে সেই সকলৰপৰা নানা অমৃত বাণী আহৰণ কৰি আনি সঞ্চয় কৰিলে। পিছত তেওঁ 'চিত্র দর্শন' নামৰ উপন্যাস ৰচনা কৰি তাৰ পাতনিত এই কথা লিখি থৈ গৈছে—পৰিস্কাৰ ভাবে।

পঢ়াশলীয়া পুথিসমূহ লেখি থকাৰ কালতেই তেওঁৰ মনত এক সাধু সঙ্কল্প জাগ্রত হয় যে, মহাপুৰুষ শঙ্কৰদেৱৰ সমগ্র গ্রন্থৰাজি জগতৰ সমুখত ছপাৰ আখৰেৰে নিবেদন কৰিব নোৱাৰিলে ভৱিষ্যতৰ বিশ্ব পূজাৰীয়ে বিশ্বধৰ্ম্মৰ এই অনুপম গ্রন্থৰাজি নতুন দৃষ্টিভঙ্গীৰে নিৰীক্ষণ কৰি তাৰ ভাব নতুন টীকা ভাষ্য ব্যাখ্যা সহযোগেৰে বিশ্বমানৱৰ বিশ্বশিক্ষাত প্রযোজন কৰিব নোৱাৰিব। এই আশা আৰু বিশ্বাসতে তেওঁ সম্পাদক আৰু সংগ্রাহকৰ বিপুল দায়িত্ব গ্রহণ কৰি অগ্রসৰ হ'ল। কোৱা বাহুল্য যে, এই কাম তেওঁ অকলশৰে উদ্‌যাপিত কৰা অকলশৰীয়া যাত্রীৰ উগ্রতপস্যাৰ কাম।

সমস্ত গ্রন্থ প্রকাশ হৈ ওলালত ছিলঙত বহা অসম সাহিত্য সভাৰ ২২শ অধিবেশনত তেওঁক অসম সাহিত্য সভাই এইদৰে অভিনন্দিত কৰিলে—

"ভাগৱৎপ্রেমিক দত্তবৰুৱা, * * *

আপোনাৰ সুযত্নৰ ফলত অসমৰ বৈষ্ণৱ-সাহিত্যৰ অমূল্য গ্রন্থৰাজি সকলোৱে ঘৰে ঘৰে আদৰণীয় সম্পদৰূপে পাব পাৰিছে। এইখিনি কাম এজন লোকৰ পক্ষে সাধাৰণ পক্ষত সম্ভৱ নহলেও আপুনি নিজে এটা প্রকাশ অনুষ্ঠান যেন হৈ পৰিছে আৰু স্বনামধন্য হৰিবিলাস আগৰৱালা, শিৱনাথ ভট্টাচাৰ্য্য, দুৰ্গধৰ বৰকটকী আদিৰ প্রশংসনীয় উদ্যমক আপুনি অধিকতৰ প্রাণৱন্ত ৰূপ দি তুলিছে।

আপোনাৰ সংগৃহীত, সম্পাদিত, বিভিন্ন ভক্ত কবিৰ 'শ্ৰীমদ্ভাগৱত'; 'ৰামায়ণ' আজিৰ এই আনন্দ উৎসৱত মুক্তিলাভ কৰা 'শ্ৰীশঙ্কৰ বাক্যামৃত' আৰু প্ৰস্তাৱিত 'অসমীয়া মহাভাৰত' আপোনাৰ প্ৰকাশ উদ্যোগৰ অক্ষয়কীৰ্ত্তি হৈ থাকিব বুলি আমাৰ বিশ্বাস। আপুনি অশেষ অৰ্থব্যয় কৰি 'চিত্ৰ ভাগৱত' উলিয়াই বাহিৰৰ কলা-জগতৰ সন্মুখত আমাৰ চিত্ৰ-কলাৰ নিদৰ্শণ দাঙি ধৰিবৰ সুযোগ দিয়াত আমাৰ চিত্ৰকলাৰ ভৱিষ্যৎ বুৰঞ্জী লিখক সকলে নিশ্চয় আপোনাৰ নাম আনন্দেৰে সুঁৱৰিব। আপোনাৰ প্ৰকাশিত মাধৱদেৱৰ 'ভক্তি ৰত্নাৱলী', গোবিন্দমিশ্ৰৰ 'গীতা', সুবৃহৎ 'কথা গুৰু-চৰিত' আৰু বৈকুণ্ঠ নাথ ভট্টদেৱৰ সংস্কৃত সঙ্কলন 'ভক্তি বিবেক' আদি পুৰণি পুথি সমূহৰ কথাও আমাৰ মনত থাকিব। আপোনাৰ টীকা-ব্যাখ্যা সম্বলিত 'নামঘোষা', 'শ্ৰীশঙ্কৰদেৱৰ বৰগীত, আৰু 'শ্ৰীমাধৱদেৱৰ বৰগীতে' আপোনাৰ পৈনত বয়সৰ বৈষ্ণৱ-সাহিত্য চৰ্চ্চাৰ সুখকৰ ইঙ্গিত দিয়ে। আপোনাৰ বিৰাট গ্ৰন্থ 'প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত' আমাৰ ঐতিহাসিক সকলে বুৰঞ্জীৰ সমলৰ এটি দ'খনি বুলিয়েই বিবেচনা কৰিব নিশ্চয়। 'শ্ৰীশঙ্কৰ বাক্যামৃত' মুকলি কৰাৰ ছলতে আপোনাক এই প্ৰশস্তি বচনেৰে অভিনন্দিত কৰিবলৈ পাই সাহিত্য সভাৰ মহাহৰ্ষ উপস্থিত হৈছে। আপোনাৰ সৎকাৰ্য্য আমাৰ জাতীয়-স্মৃতিত চিৰন্তন হৈ থাওক, এয়ে আমাৰ সবল বাঞ্ছা।"

সাহিত্য-ৰত্ন দত্তবৰুৱাৰ জীৱনত ইয়াতকৈ ডাঙৰ প্ৰশস্তি বচন আৰু নেলাগে। অসম সাহিত্য সভা সমগ্ৰ অসমৰ প্ৰাণ স্বৰূপ। এনে এটি বিৰাট অনুষ্ঠানে দত্তবৰুৱাক যি অভিনন্দন দিলে সেয়েই তেওঁৰ জীৱনৰ অমূল্য আৰু সাৰ্থক সম্পদ। মুঠতে দত্তবৰুৱাই বহু শতাব্দী জোৰাকৈ অসমীয়াৰ প্ৰাচীন সাহিত্যৰ সম্পদৰ অভ্ৰভেদী জয়ধ্বজা সভ্যজগতত স্থাপন কৰি গ'ল। যিবোৰ

ওথ ভাবে অসমীয়া ভাষাক শ্ৰেষ্ঠতা দিলে সেই ভাববোৰৰ অনুশীলন কৰিব পাৰিলেহে অসমীয়া সাহিত্যিকৰ গৌৰৱ। দত্তবৰুৱা এনে গৌৰৱৰ অধিকাৰী হোৱা বাবে কামৰূপ সংস্কৃত সঞ্জীৱনী সভাই ১৮৬৬ শকত তেওঁক সাহিত্যৰত্ন উপাধিৰে বিভূষিত কৰে। সংস্কৃত সঞ্জীৱনী সভাৰ উপাধি পত্ৰত এইদৰে লেখা আছিল—

"কামৰূপ জিলান্তঃপাতি নলবাৰী গ্ৰামবাসিনং সাহিত্যানুশীলন-
আদি বিবিধ গুণশালিনং কামৰূপ সংস্কৃত সঞ্জীবনী সভা
তদ্‌গুণগণ প্ৰমুগ্ধৈনং শ্ৰীযুক্ত হৰিনাৰায়ণ দত্তবৰুৱা মহাশয়ং
সাহিত্যৰত্ন ইত্যুপাধিভূষণৈৰ্ভূষয়িত্বা প্ৰমুদিতা সঞ্জাতা।"

ইয়াৰ উপৰিও এক বেলেগ ধৰণৰ দান তেওঁ লাভ কৰিলে, তেওঁৰ পাঠ্য-পুথিৰ অৰিহণাৰ বাবে। এই দানৰ বাবেই তেওঁৰ দাৰিদ্ৰ গ'ল আৰু তেওঁ সাংসাৰিক আৰু সামাজিক প্ৰতিষ্ঠা লাভ কৰিলে। দাৰিদ্ৰ্য গ'লত তেওঁৰ গুণৰাশি বিকশিত আৰু সম্পুজিত হ'ল।

যোৰহাটৰ পুথি বেচোঁতা আৰু প্ৰকাশক গঙ্গাধৰ বৰকটকীৰ হাতত লৈ তেওঁ সাতখন পঢ়াশলীয়া সাহিত্য-পুথি সঙ্কলন কৰি প্ৰকাশ কৰিলে। যোৰহাটৰ বৰকটকী কোম্পানীক পঢ়াশলীয়া পুথিৰ বৃহত্তৰ প্ৰথম প্ৰকাশকেই বুলি কব পাৰি। ইয়াৰ আগেয়ে অনা অসমীয়া আৰু বিদেশী প্ৰতিষ্ঠান বিলাকেই পঢ়াশলীয়া পুথিৰ প্ৰকাশক হিচাপে সৰ্ব্বেসৰ্ব্বা হৈ আছিল। দত্তবৰুৱাই স্বদেশানুৰাগৰ বাবেই হওক বা নিজৰ আৰ্থিক অৱস্থা উন্নত কৰাৰ মানসতেই হওক, এই বিদেশী প্ৰতিষ্ঠানবোৰৰ ঠাইত আমাৰ দেশৰ অসমীয়া প্ৰতিষ্ঠান যাতে গা কৰি উঠিব পাৰে এইটোলৈ তেওঁ সম্পূৰ্ণ লক্ষ্য ৰাখি পাঠ্য পুঠি প্ৰণয়নৰ কামত হাত দিয়ে। তেওঁ এইটোও দেখিলে

যে কলিকতাৰ কোনোবা বসাক কোম্পানী নামৰ এটা প্রতিষ্ঠানে আমাৰ কীৰ্ত্তন-ঘোষাখন ছপা কৰি অসমীয়া বাইজৰ মাজত বেচিবৰ দিহা কৰিছে। সেইবাবে তেওঁ কীৰ্ত্তন-পুথি আৰু নামঘোষা সম্পাদন কৰি বৰকটকী কোম্পানীক ছপা কৰিবৰ বাবে লবালবিকৈ যুগুত কৰি অসমীয়াৰ এই দুখন ধৰ্ম্মপুথি বঙালী প্রকাশকৰ হাতৰ-পৰা উদ্ধাৰ কৰি অসমীয়া প্রকাশকৰ হাতত দিয়ে। দত্তবৰুৱাই পাঠ্যপুথি যে অকল নিজেহে লেখি চহকী হ'ব খুজিছিল, এনে নহয়, তেওঁ আনকো উদগনি দি পঢ়াশলীয়া পাঠ্যপুথি লিখাই প্রকাশৰ দিহা কৰি দিছিল। প্ৰৱেশিকা পৰীক্ষাৰ উপযোগী এখন ভাৰত-বুৰঞ্জী দত্তবৰুৱাই অধ্যাপক গুণগোবিন্দ দত্তৰ হতুৱাই লেখাই সেইদৰে প্রকাশ কৰাইছিল। দত্তবৰুৱা প্রকৃত পক্ষে বিদ্যোৎসাহী আছিল। দেশাত্মবোধত উদ্বুদ্ধ নহলে মানুহ কেতিয়াও এনে পৰোপ-কাৰী হ'ব নোৱাৰে।

প্রাচীন সাহিত্যৰ সাঁচত 'গান্ধী-চৰিত' লেখা পণ্ডিত কনক চন্দ্ৰ শৰ্ম্মা নগাওঁ চৰ্কাৰী মজলীয়া বিদ্যালয়ৰ শিক্ষক আছিল। পণ্ডিত শৰ্ম্মাই ছমাহমানৰ ছুটী লব লগীয়া হোৱাত দত্তবৰুৱা তেওঁৰ ঠাইত মকৰল হয়। চৰ্কাৰী কৰ্ম্মজীৱনৰ সেয়ে তেওঁৰ আৰম্ভ। তাত থকা এবছৰমান হওঁতেই দত্তবৰুৱা পুনৰায় গুৱাহাটীলৈ বদলি হৈ আহি গুৱাহাটী সদৰ মজলীয়া বিদ্যালয়ত শিক্ষকতা কৰে। ইয়াত শিক্ষকতা কৰাৰ কালতে তেওঁ "বৰুৱা এজেন্সী" নাম দি এখন কিতাপৰ দোকান আৰম্ভ কৰে। দত্তবৰুৱাক গুৱাহাটীৰপৰা উত্তৰ লক্ষীমপুৰলৈ বদলি কৰিলত সেই দোকানখন গোপালচন্দ্ৰ বৰুৱাৰ হাতলৈ যায়। দত্তবৰুৱাৰ সাহিত্য সেৱাৰ সঙ্গী আছিল গণিতজ্ঞ উপাৰ্জ্জন শইকীয়া। দত্তবৰুৱা নগাঁৱত থকা কালত এওঁ দত্তবৰুৱাৰ সহকৰ্ম্মী আছিল। দুয়ো 'পুষ্পাঞ্জলি' নামৰ এখন কবিতাৰ পুথি সঙ্কলন কৰে। তাৰ দুই এটি কবিতা আছিল

দত্তবৰুৱাৰ। দত্তবৰুৱাৰ জীৱনত সাহিত্যৰ বন্তি এইদৰে জ্বলি কেতিয়াবা টিমিক টামাক কেতিয়াবা তেজাল হৈ পৰিছিল। সাংসাৰিক ঘোৰ বিপদ আপদৰ ধুমুহাত সেই বন্তি নুমাওঁ নুমাওঁ হলেও পিছত যে সি দুগুন তেজেৰে জ্বলি উঠিছিল তাৰ সম্ভেদ তেওঁৰ জীৱন চৰিত আলোচনা কৰিলে আমি দেখিবলৈ পাওঁহক।

কাকজানৰ মধ্য ইংৰাজী বিদ্যালয়ত দত্তবৰুৱাই শিক্ষকতা কৰা কালত অসমীয়াৰ হিতাকাঙ্ক্ষী বন্ধু স্মল্ চাহাবৰ শুভ দৃষ্টি পৰে আৰু তেওঁৰ অনুগ্ৰহতে দত্তবৰুৱা যোৰহাটৰ নৰ্মাল বিদ্যালয়লৈ আহে। চঞ্চলা-লক্ষ্মী তেওঁৰ প্ৰতি লাহে লাহে সদয় হৈ আহিলেও সাংসাৰিক বিপদ আপদ তেওঁৰ কুলাই-পাচিয়ে নধৰা হৈ আছিল। ইয়াৰ বাহিৰেও বিষয়-সম্পত্তিৰ বাবে আদালতৰ নানাপ্ৰকাৰ মকৰ্দমাত তেওঁ জুকলা হ'ব লগাত পৰিছিল। তথাপি কৰ্ম-নাৱৰ বঠা পাই তেওঁ নিৰ্ভুলভাৱে ধৰি এই বিশাল-সমুদ্ৰ পাৰ হ'ব পাৰিছিল।

দত্তবৰুৱাই সাহিত্যৰ সেৱা কৰিবলৈকে পৃথিৱীলৈ আহিছিল আৰু সাহিত্যৰ সেৱা কৰিয়েই গ'ল। অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক হৈ থকা কালত তেওঁ কোচবিহাৰ আদি ঠাইলৈ গৈ অসমীয়া পুৰণি পুথিৰ সন্ধান কৰিছিল আৰু তাৰ বিৱৰণ যত্নেৰে সংগ্ৰহ কৰিছিল। অসমীয়া পঢ়াশালি সমূহ আৰু প্ৰশিক্ষণ বিদ্যালয়ত শিক্ষকতা কৰা কালত প্ৰয়োজন অনুসৰি তেওঁ সকলো থাপৰ বাবে উপযোগীকৈ সকলো বিষয়ৰে পাঠ্য পুথি ৰচনা কৰে। ইয়াৰ দ্বাৰা অসমীয়া ছাত্ৰসকল উপকৃত হ'ল। অসমীয়া বিশাল ধৰ্ম্ম-সাহিত্যৰ তেওঁ একনিষ্ঠ পূজাৰী হৈ তেওঁ ক্ৰমে চিত্ৰ-ভাগৱত, শ্ৰীমদ্ভাগৱত, ভক্তিবিবেক, কথাগুৰুচৰিত, শ্ৰীশঙ্কৰ বাক্যামৃত, ৰামায়ণ, মহাভাৰত প্ৰভৃতি সম্পাদন আৰু সুযোগ্যভাবে প্ৰকাশ কৰে।

নলবাৰীত পিতৃৰ নাম দেৱীৰাম পাঠশালা নামেৰে হাইস্কুল এটি স্থাপন কৰি দত্তবৰুৱাই তেওঁৰ জন্মভূমিত এটি শিক্ষানুষ্ঠানো দান কৰে। নলবাৰী হৰিসভা, গুৱাহাটীৰ শঙ্কৰদেৱ কৃষ্টি বিকাশ সমিতিত অৰ্থ দান কৰি তেওঁৰ শেষ জীৱনৰ উপাৰ্জ্জন সাৰ্থক কৰি তোলে। বিৰাট কৰ্ম্মানুষ্ঠান হিচাপে গুৱাহাটীৰ মালিগাঁৱত 'শ্ৰীগুৰু প্ৰেছ নাম দি এটি আধুনিক ছপাশাল স্থাপন কৰে। কৰ্ম্মকুশলী, শিক্ষানুৰাগী, ধৰ্ম্মপ্ৰাণ দত্তবৰুৱাই ওৰে জীৱনত অসমৰ নানা ঠাইত নিজৰ অনুপম সেৱা ধৰ্ম্ম শক্তি অনুসাৰে প্ৰতিপালন কৰি গ'ল। যোৰহাটত তেওঁ ছাত্ৰ-বন্ধুসকলক লৈ সমাজ সেৱা কৰা কামৰ স্মৃতি এতিয়াও জ্বলন্ত হৈ আছে। ৰোগীৰ সেৱা আৰু মৃতকৰ সংকাৰ এই সেৱা কাৰ্য্যৰ অন্তৰ্ভুক্ত আছিল। বৰদোৱাত আকাশীগঙ্গাৰ পাৰত আজি যি উন্নতিৰ চিন পৰিলক্ষিত হৈছে সি দত্তবৰুৱাৰ একান্ত সহযোগত সাধিত হৈছে। নিয়তিয়ে তেওঁক বেছিকাল সেৱাৰ কাৰ্য্যত থাকিবলৈ নিদিলে। তেওঁৰ শৰীৰ ৰোগাক্ৰান্ত হলত তেওঁ জিৰণি বিচাৰিলে। কামৰূপীয় শব্দকোষ এখন সঙ্কলন কৰিবলৈকো তেওঁ যো-জা কৰিছিল কিন্তু ১৯৩৮ চনত তেওঁৰ মূৰঘূৰণি ৰোগ হোৱাত দত্তবৰুৱাৰ জীৱদ্দশাত এই আৱশ্যকীয় অভিধানখনৰ কাম আধৰুৱা হৈ থাকিল। ৭৩ বছৰ বয়সত তেওঁ নলবাৰীৰ নিজা ঘৰত ১৮৮০ শকৰ ফাগুণ মাহৰ ৬ তাৰিখে স্বৰ্গী হয়।

মানুহৰ কৰ্ম্মৰ সমষ্টিয়েই জীৱন। হৰিনাৰায়ন দত্তবৰুৱাৰ কৰ্ম্মময় জীৱনৰ সুফল অসমীয়া জাতিয়ে নিশ্চয় ভোগ কৰিব আৰু প্ৰাচীন অসমীয়া সাহিত্যৰ চৰ্চ্চাই সেই উপভোগ নিশ্চয় সফল কৰিব।

—শ্ৰীকমলেশ্বৰ চলিহা

অসম সাহিত্য সভা-নিৰ্ম্মাতা

শৰৎ চন্দ্ৰ গোস্বামী

উনবিংশ শতিকাৰ শেষ ছোৱা আৰু বিংশ শতিকাৰ আদি ছোৱা অসমৰ বৰ দুৰ্য্যোগৰ দিন। তেতিয়া আমাৰ ইয়াত ইংৰাজৰ ৰাজত্ব, সৰ্ব্বসাধাৰণৰ ভাষাত চাহাবৰ ৰাজত্ব। চাহাবৰ নাম শুনিলে অসমীয়াই ত্ৰাহি মধুসূধন সুঁৱৰি দূৰতে বিদূৰ হয়। চৰ্কাৰী চাকৰিত চাহাব, বে-চৰ্কাৰী চাকৰিত চাহাব, কল-কাৰখানাত চাহাব, বাগিচাত চাহাব। উচ্চ পদ মাত্ৰেই চাহাব অবিহনে কেৰে যেন চম্ভালিবই নোৱাৰে! অসমৰ এনে এক বিষম বিমঙ্গলীয়া সন্ধিক্ষনতেই জন্মলাভ কৰে শৰৎ চন্দ্ৰ গোস্বামীদেৱে কামৰূপৰ এক সম্ভ্ৰান্ত পৰিয়ালত—নলবাৰীৰ এক প্ৰাচীন চৈতন্য-পন্থী গোস্বামীৰ গৃহত। শৰৎচন্দ্ৰৰ জন্মকাল ১৮৮৭ খৃষ্টাব্দৰ মে' মাহৰ সোতৰ তাৰিখ। পিতাকৰ নাম ললিত চন্দ্ৰ, মাক মুকুন্দ প্ৰিয়া। ককায়েক পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামীদেৱ।

যি মূলা বাঢ়িব তাৰ দুপাততে চিন। ইতিহাসৰ পাতে পাতে মহৎ লোকৰ জীৱনীত এই কথা চিৰদিন ফলিয়াই আহিছে। বাল্যকালতেই 'চানাবাপা'ৰ (শৰৎ গোসাঁইৰ ঘৰুৱা নাম) সকলো কামতেই যেনে একাগ্ৰতা, আত্মবিশ্বাস আৰু কৰ্ত্তব্য-নিষ্ঠা আছিল, সেয়ে তেওঁক ওৰে জীৱন ৰক্ষা-কবচৰূপে ক্ৰিয়া কৰি উন্নতি পথলৈ আগুৱাই লৈ গৈছিল। ১৯০০ খৃষ্টাব্দত তেওঁ নলবাৰী মধ্য ইংৰাজী স্কুলৰ পৰা অসম উপত্যকাত প্ৰথম স্থান অধিকাৰ

কৰি উত্তীৰ্ণ হয় আৰু গুৱাহাটী কলেজিয়েট স্কুলত নাম লগায়। এই স্কুলত পঢ়ি থকা কালছোৱাৰ ভিতৰতেই চেমনীয়া চানা-বাপাক আমি গল্প লিখক স্বৰূপে লগ পাওঁ 'সুনীতি সঞ্চাৰিনী' 'অঙ্কুৰ' আৰু 'জোনাকী'ৰ যোগেদি। তেতিয়া 'জোনাকী'ৰ সম্পাদক সত্যনাথ বৰা; 'অঙ্কুৰ' হাতেলিখা মাহেকীয়া আলোচনী; সুনীতি সঞ্চাৰিণী ছাত্ৰাবাসৰ আলোচনী সভা। সভাখনৰ নাম যেনে কামো তেনে। ইয়াৰ যোগে শৰীৰ-চৰ্চ্চা, চৰিত্ৰ-গঠন তথা ব্ৰহ্মচৰ্য্য-পালনৰ যথা সম্ভৱ আৱশ্যকীয় নীতি নিয়মবোৰ কাৰ্য্যত পৰিণত কৰি তেওঁ বাল্যকালতে নিজৰ দেহ-মন যিদৰে এবাৰ গঠন কৰি ললে, সেয়ে তেওঁক গোটেই জীৱনটো সুস্থ, সবল আৰু সদানন্দ ৰূপে কটা-বলৈ সহায় কৰিলে। জীৱনক কোনো দিনেই তেওঁ শয্যাশায়ী হৈ পৰি থকা নাই। দেহাই বেহা, দেহা নহলে কিহৰ বেহা —বচন ফাকিৰ সাৰ্থকতা ব'ল। জীৱনৰ শেষ দিনলৈকে গোঁসাই দেও শৰৎ গোঁসাই নহয় জানিবা সাইলাখ কাৰ্ত্তিক গোঁসাইজনহে।

১৯০০ খৃষ্টাব্দত তেওঁ নলবাৰী মাইনৰ স্কুলৰ লৰা ছাত্ৰবৃত্তিৰ বৃত্তি লাভ কৰি গুৱাহাটী কলেজিয়েট স্কুলত নাম লগায় আৰু তাৰ ছাত্ৰাবাসত থাকিবলৈ লয়। তেতিয়া অসমত ৰেলগাড়ী চলা নাছিল। গুৱাহাটীৰপৰা নলবাৰীৰ ঘৰলৈ যাব লগা হলে তেওঁ দুই চাৰিজন বন্ধু-বান্ধৱ লগত লৈ খোজ কাঢ়িহে যাব লগীয়া হৈছিল। বাৰিষা ঠায়ে ঠায়ে পানীৰ ডাঙৰ ডোং, বুকুলৈকে ভল যায়। ইমান কষ্টেৰে অতখিনি বাট বুলিও (প্ৰায় ত্ৰিছ মাইল), তেওঁ কাহানিও হেনো হাঁচি এটাকে মৰা নাছিল। "শৰীৰমাদ্যং খলু ধৰ্ম সাধনম্"।

১৯০৪ চনত তেওঁ এণ্ট্ৰেঞ্চ পৰীক্ষাত প্ৰতিযোগিতামূলক জল-পানী ধৰি আৰু তিনিটাকৈ সোণ-ৰূপৰ পদক লাভ কৰি সুখ্যা-তিৰে উত্তীৰ্ণ হয় আৰু গুৱাহাটী কটন কলেজত নাম লগায়। ইষ্ট-

মিত্ৰৰ একান্ত আগ্ৰহ হোৱাত সেই সময়তে তেওঁৰ বিবাহো হয়; তেওঁৰ পত্নী আঠঘৰীয়াৰ ভট্টাচাৰ্য্য পৰিয়ালৰ জীয়ৰী। নাম ভুবনেশ্বৰী দেৱী অৱশ্যে গৌৰী বিবাহ ("অষ্টবৰ্ষা ভৱেৎ গৌৰী")। কইনাৰ বয়স মুঠেই আঠ বছৰ, দৰাৰ প্ৰায় সোতৰ। লৌকিক ভাষাত ইয়াকে 'আগবিয়া' বোলা হৈছিল। 'পাছ বিয়া' লৈ তেতিয়াও কেবা বছৰো বাকী আছিল। ঠিক দুবছৰ পিছতেই তেওঁ এফ্-এ পৰীক্ষাত উত্তীৰ্ণ হয় আৰু অসমীয়া ছাত্ৰ সকলৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি জলপানী আৰু পদক লাভ কৰে। তেওঁৰ প্ৰথম উপন্যাস 'পানিপথ' এই সময়ৰেই ৰচনা। কটন কলেজৰ পৰা এফ্-এ পৰীক্ষাত উত্তীৰ্ণ হৈ স্নাতক শ্ৰেণীত ভৰ্ত্তি হবৰ বাবে তেওঁ কলিকতালৈ গ'ল আৰু বিদ্যাসাগৰ কলেজ (তেতিয়াৰ মেট্ৰো-পলিটান কলেজ)ত নাম লগালে গৈ। ১৯০৮ চনত ইউনিভাচিটি প্ৰাইজ' অৰ্জ্জন কৰি তেওঁ সুখ্যাতিৰে স্নাতক শ্ৰেণীৰ ডেওনা পাৰ হৈ বি-এ উপাধি লাভ কৰে আৰু ঘৰলৈ উলটে। ঘৰ আহি পোৱাৰ লগে লগে তেওঁৰ গাত একে সময়তে একাধিক উপসৰ্গ লম্ভিলে— তেওঁ শান্তি বিয়া ('পাছ বিয়া') কৰাবলগীয়া হ'ল; ইপিনে পুনৰ কলিকতালৈ গৈ স্নাতকোত্তৰ (এম্-এ) শ্ৰেণীত নাম লগাবলৈও লাগে—অথচ হাতত নাই ধন। জলপানীৰ বাবে চৰ্কাৰলৈ আবেদন কৰিলে। কিন্তু জলপানীৰ বদলি আহিল চৰ্কাৰী চাকৰি। তেওঁক স্কুলৰ উপ-পৰিদৰ্শক (ডেপুটি ইন্স্পেক্টৰ) নিয়োগ কৰা হ'ল। প্ৰথম চাকৰি থ'ল মঙ্গলদৈ। উচ্চ অধ্যয়নৰ বাবে একান্ত আগ্ৰহ থকা সত্বেও অৱস্থাৰ মেৰপাকত পৰি তেওঁ চাকৰিকে গ্ৰহণ কৰিলে; মাহিলী দৰমহা এশ টকাত।

১৯১১ চন; সম্ৰাট পঞ্চম জৰ্জৰ অভিষেক উৎসৱ। সমগ্ৰ ভাৰততে উৎসৱৰ দলদোপ। মঙ্গলদৈ মহকুমাত এই উৎসৱ পৰি-চালনাৰ দায়িত্ব ন্যস্ত হৈছিল নবাগত স্কুল উপ-পৰিদৰ্শক গোসাঁই দেৱৰ

গোসাঁই দেৱৰ কাৰ্য্যকুশলতা আৰু সংগঠনশীলতাৰ সমুচিত পৰিচয় পোৱা গ'ল। ৰাইজ আৰু ৰজাঘৰৰ পৰা প্ৰশংসাৰ জাউৰি উঠিল। এই বছৰতে তেওঁ স্নাতকোত্তৰ শিক্ষা প্ৰশিক্ষণ (বি-টি) লবলৈ বুলি ঢাকালৈ যায় আৰু প্ৰথম শ্ৰেনীৰ প্ৰথম স্থান অধিকাৰ কৰি সুখ্যাতি অৰ্জ্জন কৰে। ইয়াৰ পিছতেই তেওঁ সহকাৰী স্কুল-পৰিদৰ্শক (এচিষ্টেট্ ইন্স্পেক্টৰ) পদলৈ উন্নীত হয়। ১৯১২/১৩ চন; নতুন কৰ্ম্মস্থল হ'ল অসমৰ অন্যতম কেন্দ্ৰস্থান, যোৰহাট। কেবা বছৰৰ মুৰত সেইবাৰ তাত স্কুল টুৰ্ণামেণ্ট খেল পতা হৈছিল আৰু খেল খনৰ পৰিচালনাৰ সম্পূৰ্ণ ভাৰ পৰিছিল গোসাঁই দেৱৰ ওপৰত। তেতিয়া অসম উপত্যকাৰ স্কুল ইন্স্পেক্টৰ আছিল মিঃ স্মল চাহাব। আগৰ টুৰ্ণামেণ্ট খেলবোৰত সাধাৰণতে নানা ধৰণৰ বেমেজালি আৰু হাই কাজিয়াৰ কথা শুনা গৈছিল। কিন্তু সেইবাৰ যোৰহাটৰ খেলখনে এক নতুন অধ্যায়ৰ পাতনি মেলিলে। ইয়াৰ বাবে শলাগৰ প্ৰথম শৰাইখন পালে গোসাঁই-দেৱে।

১৯১৫ খৃষ্টাব্দত শৰৎ গোস্বামী যোৰহাট নৰ্মাল স্কুলৰ অধীক্ষক (চুপাৰিন্‌টেণ্ডেণ্ট্) নিযুক্ত হয়। তেতিয়া নৰ্মাল স্কুলৰ ছাত্ৰ বুলিলেই মানুহৰ মনলৈ পোনেই কেইটামান কথা আহি পৰে। তাৰে ভিতৰত প্ৰধানটো হ'ল ছাত্ৰ সকলৰ নিয়মানুবৰ্ত্তিতা আৰু আত্মনিৰ্ভৰশীলতা। সেই স্কুলৰ ছাত্ৰই নিজেই নিজৰ সকলো কাম কৰি লব লাগিছিল বাধ্যতামূলক ভাবে। তেওঁলোক ছাত্ৰাবাসত থাকিব; নিজে পানী আনিব, খৰি ফালিব, ভাত ৰান্ধিব, কাপোৰ ধুব। "আত্মবলং পৰং বলম্"—এয়ে আছিল তাৰ নীতি, এয়ে আদৰ্শ। সেই সময়ত নৰ্মাল স্কুলত পঢ়াবলৈ উপযুক্ত পঠা পুথি নাছিল বুলিলেও হয়। গোঁসাইদেৱে শ্ৰেণীত সময়ে সময়ে দিয়া টোকাসমূহকে সমল ৰূপে লৈ একো

একোজনকৈ কেবাজনো পাঠ্য পুথি প্ৰস্তুত কৰি উলিয়ালে। 'বহু শ্ৰেণীৰ শিক্ষা প্ৰণালী' ইয়াৰেই প্ৰথম ফলশ্ৰুতি; ইয়াৰ পিছত ওলাল 'ভূগোল-পাঠ' আৰু 'শিক্ষা বিচাৰ'। হৰিনাৰায়ণ দত্তবৰুৱা প্ৰমুখ্যে নৰ্মাল স্কুলৰ কেবাজনো শিক্ষকৰ হতুৱাই উপযুক্ত পাঠ্য পুথি যুগুত কৰোৱাও হ'ল। 'অভাৱেই আৱিস্কাৰৰ মূল'—মিছা নহয়।

অসম উপত্যকাৰ 'স্কুল পৰিদৰ্শক' (স্কুল ইন্‌স্‌পেক্টৰ) পদত ইয়াৰ আগতে এজন মাথোন অসমীয়া আছিল—তেওঁ হৈছে দুৰ্গাধৰ বৰকটকী ডাঙৰীয়া। বিষয়ৰ যেনে দায়িত্ব মানুহ গৰাকীৰো তেনে ব্যক্তিত্ব। আকাৰে প্ৰকাৰে, কথাই বতৰাই, খোজে কাটলে কোনে কব পাৰিছিল সেইদিনত সেই গৰাকী চাহাব নহয় বুলি? আমি নিজে স্কুলীয়া ছাত্ৰ অৱস্থাত তেওঁৰ মুখত ইংৰাজী ভাষাৰ কথন ভঙ্গী শুনি অবাক্ হৈছিলো। সেই একেটা পদতে তেওঁৰ আগত আৰু পাছতো চাহাবেই আছিল। শৰত গোস্বামী সেই পদত অধিষ্ঠিত দ্বিতীয় অসমীয়া। তেওঁ ১৯২৮ চনত এই পদত নিযুক্ত হয়। এই পদত থকা কালছোৱা গোস্বামীদেৱৰ অতি গৌৰৱময় কাল। নানা জাতি-উপজাতিৰে পৰিপূৰ্ণ সমগ্ৰ অসম উপত্যকাৰ ওপৰতেই তেওঁ দৃষ্টি পেলাবলৈ সুযোগ পালে। মিৰি-মিকিৰ, নগা-ডফলা প্ৰভৃতি জাতি-উপজাতিৰ লগত অসমীয়া ভাষা আৰু অসমীয়া মানুহৰ ভৱিষ্যৎ সম্পৰ্ক কেনে হোৱা উচিত, তেনেবোৰ বিষয় লৈ তেওঁ কম চিন্তা কৰা নাছিল। কোনো কোনো মিছনেৰীৰ প্ৰৰোচনাত নগাবিলাকৰ মাজত ইংৰাজী মাধ্যমত শিক্ষা হব লাগে বুলি এসময়ত এক আন্দোলন হয়। তেতিয়া শিক্ষাধিকাৰ মিঃ স্মল চাহাবে গোস্বামীৰ মত সোধাত তেওঁ লেখিছিল—"..... ভৈয়ামৰ কছাৰী, ৰাভা, মিকিৰ, লালুং আদি জাতিসকলৰ দৰে নগা বিলাকো অসমীয়া ভাষা-ভাষী। সেই কাৰণে মোৰ বোধেৰে

নগাসকলৰ হিতৰ কাৰণেই নগাছাত্ৰ বিলাকক অসমীয়া ভাষা শিক্ষা দিব লাগে ...."। এনেবোৰ মন্তব্যত গোস্বামীৰ উদাৰ মতবাদৰ আদৰ্শ নিহিত আছে।

শিক্ষাধিকাৰ মিঃ স্মল চাহাব আৰু স্কুল পৰিদৰ্শক গোস্বামীৰ যুটীয়া প্ৰচেষ্টাত এসময়ত অসমৰ স্কুলসমূহ 'স্কাউট', খেল-ধেমালি আদি অনুষ্ঠানবোৰ বৰ ব্যাপক আৰু আকৰ্ষণীয় হৈ পৰিছিল। সময়ে সময়ে বিভিন্ন ঠাইত ছাউনী পাতি শিক্ষক আৰু ছাত্ৰ বিলাকক প্ৰশিক্ষণ দিয়াৰ সুন্দৰ ব্যৱস্থা কৰা হৈছিল। তেওঁলোকে অধ্যয়ন অধ্যাপনাৰ মাজতে আজৰি পৰত ধেমালিৰ ছলতে সমাজ সেৱাৰ আদৰ্শ দেখুৱাবলৈ সুযোগ পাইছিল। পুস্তকস্থা বিদ্যা নিৰৰ্থক যদিহে মানুহ কাজে কামে শিক্ষিত নহয়, পৰো-পকাৰী নহয়, সহানুভূতিশীল নহয়।

স্কুল পৰিদৰ্শকৰ কামৰ পৰা তেওঁ ১৯৪৩ চনত অৱসৰ লয়, আৰু তাতেই তেওঁৰ চৰ্কাৰী চাকৰি জীৱনৰ যৱনিকা পৰে যদিও সমাজ-সেৱা আৰু সাহিত্যসেৱা যাৰ প্ৰাণস্বৰূপ, তেওঁ তাক সতকাই এৰিব পাৰে জানো? সেই সময়ত অসমত সুকীয়া বিশ্ববিদ্যালয় এখন স্থাপনৰ বাবে ৰাইজৰ মাজত প্ৰবল আন্দোলন। এই উদ্দেশ্যে ১৯৪৪ চনৰ ২৯ ডিচেম্বৰৰ দিনা এখন অভিবৰ্ত্তন পাতিবলৈ স্থিৰ কৰা হ'ল। ইয়াৰ সম্পাদক নিযুক্ত হ'ল গোঁসাই দেৱ। ইয়াৰ অলপ দিন আগতে উদয়পুৰত 'হিষ্টোৰিকেল ৰেকৰ্ডচ্ কমিছন' 'Historical Records Commission')ৰ অধিবেশন। গোঁসাই দেও অসমৰ পৰা প্ৰতিনিধি স্বৰূপে তাত যোগ দিবলৈ গ'ল। লগত আছিল তেওঁৰ পত্নীও। অধিৱেশনত যোগ দিয়া হ'ল। ঠায়ে ঠায়ে তীৰ্থস্থানত উপস্থিত হৈ তীৰ্থকৃত্যও কৰা হ'ল। শেষত ঘৰ মুৱা হৈ দুয়ো দিল্লীত কেইদিন মান থাকিবলৈ ললে।

থস্তেকৰ ভোজ খাওঁতা নাই, মৰণেহে জানে চৰণৰ ঠাই।

কোনে জানিছিল এই ভ্ৰমণেই তেওঁৰ শেষ ভ্ৰমণ !! ডিচেম্বৰ মাহৰ ১৭ তাৰিখ; ১৯৪৪ চন। দিল্লীত ম'হৰ্ শিং কঁপা জাৰ। ৰাতি-পুৱা গা-পা ধুই চাহ-জলপান খাই উঠিছে মাথোন। এনেতে গোসাঁই দেৱৰ হেনো হাত এখন জিন্জিনাব ধৰিলে আৰু অলপ পৰ পিছতেই তেওঁ অচেতন হৈ শোৱাপাটীত পৰি গ'ল। লগে-লগেই ডাক্তৰ অনা হ'ল। কিন্তু তেতিয়া আৰু চিকিৎসাৰ আৱশ্যক নাছিল। অজ্ঞান অচেতন অৱস্থাত কোনোমতে দুটা দিন পাৰ হ'ল আৰু উনৈছ ডিচেম্বৰ সন্ধিয়া আঠ বজাত তেওঁ চিৰদিনলৈ চকু মুদিলে। কৰ্ম্মবীৰ গোস্বামীদেৱৰ মাটিৰ দেহা মাটিত মিলি গ'ল; তাত আচৰিত হব লগীয়া একো নাই। কিন্তু কীৰ্ত্তি অক্ষয় অব্যয়। এই খিনিতে এটা মন কৰিবলগীয়া কথা এই যে যিদিনাখন পোন প্ৰথমবাৰৰ বাবে বিশ্ববিদ্যালয়ৰ অভিবৰ্ত্তন দিন, গোস্বামীদেৱৰ মতে স্থিৰ কৰা হৈছিল (২৯ ডিচেম্বৰ, ১৯৪৪ চন), সেই দিন-টোতেই ভাগ্যৱান মৃতকৰ আদ্য শ্ৰাদ্ধৰ দিনো পৰিল। অভিৱৰ্ত্তন উৎসৱত স্বৰ্গীয় সম্পাদক গৰাকীৰ আত্মাৰ মঙ্গল কামনা কৰি ৰাইজে চকুলোৰে স্মৃতিৰ তৰ্পণ আগ বঢ়ালে।

নিম্নপ্ৰাইমেৰী আৰু মজলীয়া স্কুলৰ উপযুক্ত বিজ্ঞান বিষয়ৰ অসমীয়া কিতাপ সেই সময়ত মুঠেই নাছিল বুলিলেই হয়। এই অভাৱ পূৰণৰ বাবে এবাৰ এটা সমিতি গঠন কৰা হয়; পাঁচ-জন সভ্যেৰে গঠিত এই সমিতিৰ মুখ্য সভ্য দুগৰাকী আছিল মিঃ জি. এ. স্মল চাহাব আৰু শৰৎ চন্দ্ৰ গোস্বামী। সমিতিৰ যোগেদি বিজ্ঞান বিষয়ৰ কিতাপ তিনিখন ওলাল। লাভো হল বেছ। গ্ৰন্থকাৰসকলে লভ্যাংশও পালে হিচাপমতে। পিছে গোস্বামী-দেৱৰ মনত এটা নতুন কথা খেলালে। তেওঁ ভাবিলে এই লাভৰ অংশখিনি গ্ৰন্থকাৰসকলক নিদি এটা আছুতীয়া পুঁজি খোলা হওক আৰু শিশু সাহিত্য প্ৰচাৰৰ বাবে কিবা এটা ব্যৱস্থা

কৰা হওক। এই উদ্দেশ্যে তেওঁ এদিন যোৰহাটৰ গণ্যমান্য সাহিত্যিক কেইজনমানক মাতি নিজৰ বঙলাতে এখন সভা পাতিলে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি, সেই পুঁজিৰ টকাৰে 'সখি' নামৰ এখন শিশু আলোচনী উলিয়ালে কেনে হব উপস্থিতলোকৰ মতামত বিচাৰিলে। সকলোৱে একমুখে তেওঁৰ প্ৰস্তাৱতে সন্মতি জনাই হাত চাপৰি মাৰিলে, কিন্তু আপত্তি কৰিলে এজনে। সেইজন হৈছে কবি সাহিত্যিক শ্ৰীকমলেশ্বৰ চলিহা। তেতিয়া চলিহা যোৰহাটত গোস্বামীৰ কাৰ্য্যালয়ৰ এজন কেৰাণী। নানা-ৰকমৰ আলোচনা চলিল যদিও, চলিহাই যেতিয়া তীব্ৰ যুক্তিৰে উদাহৰণ দি বুজাই দিলে যে, অসমত আলোচনী ব্যৱসায় কেতিয়াও লাভজনক হোৱা নাই আৰু সতকাই হোৱাৰ আশাও নাই, তেতিয়া কেবাজনৰো মতৰ সলনি হ'ল। চলিহাই ক'লে যে তাৰ সলনি সাধাৰণ জ্ঞানৰ পুথি' (Book of knowledge) সদৃশ এলানি গ্ৰন্থ প্ৰকাশ কৰি উলিয়াব পাৰিলে কেউপিনেদি ভাল হব। গোস্বামীদেৱে নিজে চলিহাৰ মতত হয়ভৰ দিয়ে। উপস্থিত ৰাইজেও 'তথাস্তু' বুলি মনে মনে ৰ'ল। সময়ত এই পুঁজিৰ টকাৰেই 'অতুল কথামালা ভাণ্ড' খোলা হ'ল আৰু লাহে লাহে ইয়াৰ যোগেদি একাদিক্ৰমে এলানি শিশু উপযোগী কিতাপ প্ৰকাশ হৈ ওলাল। 'অতুল' নামটো কৰুণ স্মৃতি বিজড়িত। শৰৎ গোস্বামীৰ জ্যেষ্ঠা কন্যা প্ৰতিভা দেৱীৰ জ্যেষ্ঠপুত্ৰৰ নাম আছিল 'অতুল'; অতুলৰ পিতৃদেৱ উমাকান্ত গোস্বামী (প্ৰাক্তন শিক্ষাধিকাৰ)। সমিতিৰ সভ্যবৃন্দৰ অনুমতি লৈ এই পুঁজিৰ নাম থোৱা হ'ল 'অতুল কথামালা ফাণ্ড'। সেইদৰে নৰ্মাল স্কুলৰ মুখপত্ৰ 'প্ৰভাত'ৰ সৈতেও গোস্বামীৰ ব্যক্তিগত কৰুণ স্মৃতি একণা সনা আছে। গোস্বামীৰ একেটি পুত্ৰ 'প্ৰভাত' দুবছৰ বয়সতে মৃত্যু মুখত পৰিছিল আৰু পুত্ৰৰ নামতেই সেই আলোচনীখনৰ নাম ৰখা হৈছিল 'প্ৰভাত'।

যিদিনত 'অসম সাহিত্য সভা'ৰ কোনো উমঘামেই নাছিল, সেই দিনতে গোস্বামী প্ৰমুখ্যে যোৰহাটৰ কেবাজনো উদ্যোগী সাহিত্য-প্ৰাণ ব্যক্তিৰ প্ৰচেষ্টাত যোৰহাটত 'যোৰহাট সাহিত্য সভা' নামৰ এটা সাহিত্য সন্থা স্থাপিত হয় ১৯১৪ খৃষ্টাব্দত। ইয়াৰ প্ৰায় তিনি বছৰৰ পিছত অৰ্থাৎ ১৯১৭ খৃষ্টাব্দতহে শিৱসাগৰত পোন-প্ৰথম 'অসম সাহিত্য সভা' নামৰ সদৌ অসমক লৈ বৃহৎ সভা এখন স্থাপন কৰা হয়। সভাপতি আছিল জগন্নাথ গোঁহাঞি বৰুৱা। সভাৰ সম্পাদক নিৰ্বাচিত হ'ল শৰৎ গোস্বামী। তেওঁ অতি নিষ্ঠাৰে সভাৰ দায়িত্ব গ্ৰহণ কৰিলে আৰু ইয়াৰ উন্নতি-কল্পে যৎপৰোনাস্তি চেষ্টা চলালে। শৰৎচন্দ্ৰ গোস্বামীদেৱক অসম সাহিত্য সভাৰ অন্যতম নিৰ্ম্মাতা আখ্যা দিব পাৰি। অসম সাহিত্য সভাৰ মূল কাৰ্য্যালয় থকা 'চন্দ্ৰকান্ত ভৱন' আৰু 'চন্দ্ৰ-কান্ত অভিধান'ৰ লগত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ দানৰ লগতে পণ্ডিৎ হেমচন্দ্ৰ গোস্বামী আৰু শৰৎচন্দ্ৰ গোস্বামীৰ অৰিহণাৰ স্মৃতিও সানমিহলি হৈ আছে।

১৯১৭ চনতে এই সভাৰ যোগেদি যি সাহিত্যৰ বীজ সিঁচা হৈছিল, সেয়ে আজি (১৯৭২ চনত) পুলিয়ে পোখাই নদন-বদন হৈ অসমীয়া ৰাইজৰ প্ৰাণৰ সম্পদৰূপে মূৰ জিলিকাই থিয় দি আছে। গুৱাহাটীৰ 'কামৰূপ অনুসন্ধান সমিতি', 'নাৰায়নী সন্দিকৈ হল' আদি অনুষ্ঠানৰ লগতো তেওঁৰ সম্পৰ্ক আছিল অবিস্মৰনীয়। 'কামৰূপ অনুসন্ধান সমিতি'ৰ মুখপত্ৰ আলোচনীখনৰ যুটীয়া সম্পাদক ৰূপে তেওঁ একেৰাহে কেবাবছৰো কাম কৰিছিল আৰু প্ৰবন্ধ-পাতিৰে ইয়াৰ সমৃদ্ধিবৰ্দ্ধনত অৰিহণা যোগাইছিল।

শৰৎ গোস্বামীৰ আটাইকেইবিধ সাহিত্যৰ ভিতৰত চুটি গল্প সমূহৰ সমাদৰ আধিক। অসমীয়া চুটিগল্প ৰচনাত বেজবৰুৱাৰ পিছতে শৰৎচন্দ্ৰ নিপূণ পথপ্ৰদৰ্শক। তেওঁ কলেজত পঢ়া দিনতে

কলিকতাত অ-ভা-উ-সাই এটা সাহিত্য-প্ৰতিযোগিতা আয়োজন কৰিছিল। সেই প্ৰতিযোগিতাত বিহগী কবি ৰঘুনাথ চৌধাৰীয়ে কবিতাত, শৰৎচন্দ্ৰ গোস্বামীয়ে চুটি গল্পত আৰু গৌৰীকান্ত তালুকদাৰে প্ৰবন্ধ ৰচনাত প্ৰথম স্থান অধিকাৰ কৰি বটা লাভ কৰিছিল। সত্যনাথ বৰা ডাঙৰীয়াই তেওঁৰ সম্পাদিত 'জোনাকী'ত গোস্বামীৰ চুটি গল্প প্ৰকাশ কৰি আনন্দ লাভ কৰিছিল আৰু তেওঁ এইজন প্ৰতিভাসম্পন্ন ছাত্ৰ-লিখকৰ গল্প-প্ৰতিভাৰ বুজ পাইছিল। গোস্বামীদেৱৰ চুটি গল্পৰ পুথিবোৰ হৈছে—'গল্পাঞ্জলি,' 'ময়না' আৰু 'বাজিকৰ', অসমীয়া সাহিত্য কাননৰ তিনি পাহি সুগন্ধি ফুল। এই গল্পবোৰত চৰিত্ৰ অঙ্কনতকৈ বাস্তৱ ঘটনাৰ দিক্ দৰ্পন আৰু বিষয়বস্তুৰ সাজ-সজ্জাত তেওঁৰ শিল্প মনৰ সুপৰিচয় পোৱা যায়। তেওঁৰ একেখনি মাথোন প্ৰকাশিত নাট 'পৰীক্ষা' (১৯০৮ খৃঃ) তেওঁৰ সাহিত্য ৰাজিৰ অন্যতম উত্তম কৃতি। মাত্ৰ পাঁচটা দৃশ্য সম্বলিত এই ক্ষুদ্ৰ নাট্‌খনিৰ ৰচনাৰ মূল উদ্দেশ্য নীতিমূলক আৰু শিক্ষামূলক। অমিত্ৰাক্ষৰ ছন্দবদ্ধ এই নাটখনিৰ ভাব আৰু ভাষা তেওঁৰ অন্যান্য ৰচনাত পাবলৈ নাই। নাটখন ৰূপচন্দ্ৰ ভাগৱতী নামৰ ছদ্ম নামত, প্ৰকাশিত হৈছিল। তেওঁৰ অইনখন নাট 'বুদ্ধদেৱ' (অপ্ৰকাশিত) 'যোৰহাট থিয়েটাৰ'ত অভিনীত হৈছিল বুলি প্ৰমাণ আছে।

তেওঁৰ একমাত্ৰ উপন্যাস 'পানিপথ' তেওঁৰ ছাত্ৰ জীৱনৰ অন্যতম উত্তম কৃতি। তেতিয়া তেওঁ এফ্-এ শ্ৰেণীৰ ছাত্ৰ, বয়স মাত্ৰ সোতৰ বছৰ। ঔপন্যাসিক গোস্বামীৰ নিজৰ ভাষাত কব গ'লে "এই আখ্যানটি এটা প্ৰসিদ্ধ ঐতিহাসিক ঘটনা অৱলম্বন কৰি লিখা হৈছে যদিও, ইয়াত কোনেও যেন ইতিহাস নিবিচাৰে। ইয়াৰ বৰ্ণোৱা দৃশ্যও অসমৰহে, দিল্লী বা ৰাজপুতনাৰ নহয়। যিবিলাক মানুহৰ নামেৰে এই আখ্যান বৰ্ণোৱা হৈছে, তাৰ সৰহ ভাগেই কাল্পনিক।" নামটো শুনিলে ই এখন সম্পুৰ্ণ ঐতিহাসিক উপন্যাস

যেনেই লাগে। কিন্তু প্ৰকৃততে ই প্ৰায় কাল্পনিক। কল্পনা-প্ৰৱণতাই ইতিহাসক চেৰ পেলাই গল্পৰ ৰহণ সানি ইয়াক সুপাঠ্য কৰি তুলিছে। পাঠ্য-পুথি, গল্প-উপন্যাস-নাটক আদিৰ উপৰিও, তেওঁৰ গৱেষণামূলক দৃষ্টিভঙ্গীও গোটেই কম নাছিল, তেওঁ লিখা কেবাটাও গৱেষণামুলক প্ৰবন্ধ সেই সময়ৰ বিভিন্ন কাকতত প্ৰকাশ হৈছিল। কামৰূপ অনুসন্ধান সমিতিৰ বছেৰেকীয়া অধিৱেশনত তেওঁক এবাৰ সভাপতি পতা হয়। তাত তেওঁ যিখন অভিভাষণ পাঠ কৰিছিল সি আদ্যোপান্ত গৱেষণামুলক তথ্যপাতিৰে পৰিপূৰ্ণ আছিল। *

ইয়াত তেওঁ আহোম যুগৰ উপৰিও প্ৰাক্-আহোম যুগৰ ভালেখিনি অনুসন্ধানমূলক চিত্ৰ দাঙি ধৰি পাণ্ডিত্যপূৰ্ণ কৰি তুলিছিল।

উজনি আৰু নামনি অসমৰ ভাষা লৈ সেইদিনত মাজে সময়ে তুমুল বাক্‌বিতণ্ডাৰ সৃষ্টি হৈছিল। বহুতো ভাল ভাল নামনি অসমৰ শব্দ অসমীয়া লিখিত ভাষাত কিয় ঠাই নাপায়, এই বিষয়ে মাজে সময়ে তেওঁ ভাবি অস্থিৰ। এই উদ্দেশ্যে তেওঁ এখন বৃহৎ অসমীয়া অভিধান যুগুত কৰাৰ আঁচনি কৰি কেবা গৰাকী সহকৰ্ম্মী সাহিত্যিকক লগত লৈ কাম আৰম্ভ কৰিছিল। গোস্বামীদেৱ নিজে সাহিত্যিক হৈয়ে ক্ষান্ত থকা নাছিল। সাহিত্য-বিকাশ আৰু সাহিত্যিক সৃষ্টি কৰাত তেওঁৰ উৎসাহ-উদগনি আদি অসামান্য। নলবাৰী কলেজ, নলবাৰী সংস্কৃত কলেজ, সংস্কৃত সঞ্জীৱনী সভা, অসম সাহিত্য সভা, গুৱাহাটী বিশ্ববিদ্যালয় আদি স্থাপনত তেওঁ কিদৰে আগভাগ লৈছিল সেই কথা সেই অনুষ্ঠান সমূহে চিৰদিন কৃতজ্ঞতাৰে সুৱৰি থাকিবলৈ বাধ্য।

তেওঁৰ দুটী কন্যা—প্ৰতিভা আৰু সুপ্ৰভা। বৰজীয়াৰী

---

* বিভিন্ন সভাত পাঠ কৰা গোস্বামীদেৱৰ ভাষণাৱলী পিছত 'ভাষণ' নামৰ গ্ৰন্থত সন্নিবিষ্ট হৈ প্ৰকাশিত হৈছিল। অ—হা

প্ৰতিভা আইদেওক প্ৰাক্তন শিক্ষাধিকাৰ উমাকান্ত গোস্বামীয়ে বিয়া কৰাইছিল। দুখৰ বিষয় এই গৰাকী প্ৰতিভাময়ী প্ৰতিভা দেৱীৰ অকালতে মৃত্যু হোৱাত গোস্বামীদেৱে দাৰুণ মনোকষ্ট পায়। কন্যাৰ স্মৃতি জগাই ৰাখিবলৈ তেওঁ 'প্ৰতিভা সোঁৱৰণী বক্তৃতা-মালা'ৰ দিহা কৰিবলৈ এটি বিশেষ পুঁজি ৰাখি থৈ গৈছে। তেওঁৰ দ্বিতীয়া কন্যা সুপ্ৰভা গোস্বামী (চৰ্কাৰৰ উচ্চ বিষয়া শ্ৰীগকুলচন্দ্ৰ গোস্বামীৰ পত্নী) অসমীয়া সাহিত্যৰ এগৰাকী যশস্বী গল্পলিখিকা। ককায়েক প্ৰভাত চন্দ্ৰ গোস্বামীদেৱ কামৰূপৰ অন্যতম প্ৰসিদ্ধ সংস্কৃতজ্ঞ পণ্ডিত। মুঠতে শৰৎ গোস্বামীদেৱৰ পৰিয়ালৰ প্ৰায় প্ৰতি জনেই শিক্ষা-দীক্ষাৰে সমুজ্জ্বল আৰু সমুন্নত।

—শ্ৰীহৰি চন্দ্ৰ ভট্টাচাৰ্য্য

তত্ত্বপিপাসু

হৰিনাথ পাঠক চৌধুৰী

১৮১০ শকৰ, ১০ আঘোণ তাৰিখে বৰপেটা সত্ৰৰ এটি প্ৰাচীন পাঠক-পৰিয়ালত হৰিনাথ পাঠক চৌধুৰীয়ে জন্ম গ্ৰহণ কৰে। তেওঁৰ দেউতাকৰ নাম আছিল দয়াৰাম পাঠক চৌধুৰী (মৌজাদাৰ) আৰু মাকৰ নাম, চন্দ্ৰাৱলী আইদেউ। হৰিনাথৰ ককাক, ললিতৰাম পাঠক চৌধুৰী আছিল, ইংৰাজসকলে প্ৰথমতে আহি নিয়োগ কৰা, বৰপেটা অঞ্চলৰ, এজন প্ৰথম চামৰ মৌজাদাৰ। তাৰেই চিন স্বৰূপ, ৰজা ঘৰৰ পৰা, বংশগত পাঠক উপাধিটোৰ সৈতে তেওঁক চৌধুৰী উপাধিটোও লিখিবলৈ দিয়া হৈছিল।

হৰিনাথৰ পিতামহ, বালকৰাম চিৰস্তাদাৰো বৰপেটা সত্ৰৰ এজন ধন-সম্পদশালী, অতি বিচক্ষণ পুৰুষ আছিল। বৰপেটা নগৰৰ, হাটীৰ মাজত', শাৰীপাতি সজা, খেৰৰ ঘৰবোৰ, প্ৰতি বছৰে খৰাং দিনত জুয়ে পুৰি নিয়ে দেখি বালকৰামেই হেনো তেওঁৰ নিজৰ ঘৰটো, টিনৰ পাতেৰে সজাৰ প্ৰথম পৰিকল্পনা কৰে। অকল সেয়েই নহয়, তেওঁ সেই দিনত, সুদূৰ কলিকতাৰ পৰা, নাৱেৰে টিনপাত অনাই, নিজৰ ঘৰটো টিনপাতেৰে সজাই লয়, তথাপি তাক জুইৰ গ্ৰাসৰ পৰা সম্পূৰ্ণ নিৰাপদ কৰিব নোৱাৰে। তেওঁ পিছত গুৱাহাটীৰ বেলতলাৰ পৰা জনজাতীয় কাৰিকৰ অনাই, সেই দিনত চলা পদ্ধতিৰে, ইটা আৰু চূণ-চুৰ্কীৰে এটি দালান ঘৰ সজাই লৈছিল। লোৰ দুৱাৰ-খিড়িকী লগোৱা এই দালান

ঘৰটো আৰু তাৰ অধিবাসীজন, সেই দিনত ৰাইজৰ এনে জন-প্ৰিয় আছিল যে তাৰে ওচৰত থকা ন-খন্দা নৈৰ ঘাটটো মানুহে "বালকৰ ঘাট" বুলিহে জানিছিল।

হৰিনাথ সৰুৰে পৰাই; এজন অতি স্থিৰ স্বভাৱৰ, মেধাবী আৰু অনুসন্ধিৎসু আছিল। তেওঁ দেখিবলৈকো যথেষ্ঠ ওখ-পাখ, সু-শ্ৰী আছিল। খেল ধেমালিৰ প্ৰতিও তেওঁৰ বৰ ৰাপ আছিল।

দুখৰ বিষয় তেওঁৰ মাত্ৰ ৫ বছৰ বয়সতেই, দেউতাকে হাতী চিকাৰলৈ যাওঁতে এটি দুৰ্ঘটনাত আঘাত পাই অকালতে মৃত্যুৰ মুখত পৰে। হৰিনাথে তেওঁৰ ককাকৰ লগতে থাকি পাঠ আৰম্ভ কৰে। ইং ১৯০৯ চনত বৰপেটা হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰি কটন কলেজত আৰু তাৰ পিছত তেও বঙ্গ দেশৰ ৰাজছাহী কলেজলৈ পঢ়িবলৈ যায়; কিন্তু বি-এ পৰীক্ষা দিয়াৰ পূৰ্ব্বেই তেওঁৰ ককাকৰো মৃত্যু হয়। হৰিনাথে সিমানতেই তেওঁৰ শিক্ষা সাং কৰি স্বাৱলম্বী হবলৈ বাধ্য হয়।

তেওঁৰ প্ৰথম চাকৰি হয়, অসম সচিৱালয়ত; তাৰ পিছত শিক্ষা-বিভাগত, স্কুলৰ ছাব ইন্সপেক্টৰ হিচাপে। ইং ১৯১৩ চনত, হৰিনাথে ৰেজিষ্ট্ৰেশ্যন বিভাগত, ছাব-ৰেজিষ্ট্ৰাৰৰ পদত নিযুক্ত হয়। এই বিভাগতে শেষলৈকে থাকি, স্পেচিয়েল ছাব-ৰেজিষ্ট্ৰাৰ হিচাপে তেওঁ ১৯৪৭ চনত কামৰ পৰা অৱসৰ গ্ৰহণ কৰে।

হৰিনাথ পাঠক-চৌধুৰীৰ জীৱনৰ বৈশিষ্ট্য আছিল সত্য আৰু জ্ঞানৰ প্ৰতি অসীম স্পৃহা। সত্যত উপনীত হোৱাৰ কাৰণে, বা জ্ঞান আহৰণ কৰাৰ কাৰণে তেওঁ কোনো কষ্টকেই কষ্ট বুলি স্বীকাৰ নকৰিছিল। আনকি শেষ বয়সতো দুৰ্ব্বল স্বাস্থ্য লৈ একোটা জটিল বিষয়, একোখন ডাঙৰ কিতাপ লৈ তেওঁক অধ্যয়ন কৰি থকা দেখা গৈছিল। তেওঁ ধৰ্ম্ম-তত্ত্ব আৰু সাহিত্যৰ চৰ্চ্চাও, এই সত্য আৰু জ্ঞান অন্বেষণৰ অনুশীলন হিচাবেই যেন

গ্ৰহণ কৰিছিল। এক প্ৰকাৰে চাবলৈ গ'লে, পাঠক চৌধুৰীয়ে তেওঁৰ গোটেই জীৱনটোকেই এই একেটি কামৰ কাৰণে কিতাপৰ মাজতে কটাই দিয়া বুলি ক'ব পাৰি। সদায় দুবেলা ঘৰত পঢ়িও ক্ষান্ত নহৈ তেওঁ সদায় গধূলি পাঠাগাৰলৈ পাক এটি মাৰিছিল। কেতিয়াবা অফিছলৈকো আহৰি সময়ত পঢ়িবলৈ, তেওঁ কিতাপৰ বোজা একোটা বান্ধি লৈ গৈছিল। অকল পঢ়াই নহয়, তেওঁ যি পঢ়িছিল, তাৰে একোটা টোকাও ৰাখি গৈছিল আৰু এই টোকাবোৰ পিছত প্ৰবন্ধ-পাতি লিখোঁতে ব্যৱহাৰ কৰিছিল। এনে বহুতো টোকা তেওঁৰ মেজৰ ওপৰত আজিও স্তূপাকাৰ হৈ আছে। তেওঁ কৈছিল যে কেতিয়াবা প্ৰবন্ধ একোটি লিখিবলৈ সঙ্কল্প কৰাৰ লগে লগে ৩০/৪০ বছৰ আগেয়ে লিখি থোৱা টোকা একোটি অতি সহজতে যেন আহি হাতত পৰে। তেতিয়া কামটো ভগৱানৰ অভিপ্ৰেত যেন লাগে।

হৰিনাথে তেওঁৰ অফিছৰ কাম কাজো বৰ নিষ্ঠা আৰু আগ্ৰহেৰে পালন কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ কেতিয়াও কোনো দুৰ্নীতিলৈ মন নেমেলিছিল। কামৰ প্ৰতি তেওঁৰ এই আগ্ৰহ; একাগ্ৰতা আৰু দক্ষতা দেখি, আগৰ দিনৰ ইংৰাজ চিভিলিয়ান চাহাববিলাকে তেওঁক ভাল পাইছিল আৰু তেওঁৰ অফিছ পৰিদৰ্শন কৰি ভাল মন্তব্য লিখি থৈ গৈছিল।

অসৎ উপায়ৰ কথা দূৰতে থাওঁক সৎ উপায়েৰেও প্ৰয়োজনতকৈ বেছি ধন ঘটাৰ, হৰিনাথ সমুলি পক্ষপাতী নাছিল। এই কাৰণেই হোনো এনেকি Provident fund তো তেওঁ টকা সঁচা নাছিল।

ধৰ্ম্ম আৰু তাৰ ভিতৰত নিহিত তত্ত্ব সমূহৰ প্ৰতি হৰিনাথৰ অসীম আগ্ৰহ আছিল আৰু তাৰে প্ৰতিটো কথাকে তেওঁ নিজে বিশ্লেষণ কৰি বুজিবলৈ অহোপুৰুষাৰ্থ কৰিছিল।

তেওঁৰ দৃষ্টি-ভঙ্গীটো যে সম্পূৰ্ণ বৈজ্ঞানিক আছিল তাৰ প্ৰমাণ

তেওঁ লিখা "সৃষ্টি ৰহস্য : মায়াবাদ আৰু বিজ্ঞান" নামৰ প্ৰবন্ধটিৰ পৰা পোৱা যায়। এই প্ৰবন্ধত নানা যুক্তিৰে তেওঁ দেখুৱাইছে যে এটম্‌বোৰ জ্ঞানময় আৰু চৈতন্যময় পৰম ব্ৰহ্মৰে ক্ষুদ্ৰ অংশ বা ৰূপ। এই এটমৰ সূক্ষ্ম ৰূপৰ পৰা ক্ৰমে সূক্ষ্মতৰ, তাৰ পিছত সূক্ষ্মতম সচল ৰূপৰ সন্ধান পাই পাই বিজ্ঞানীসকলে হয়তো এদিন নিশ্চল পৰম ব্ৰহ্মৰ ওচৰ চাপিবগৈ পাৰিব! তেওঁ গীতাৰ পৰম ভক্ত আছিল। এই ভক্তি হেনো তেওঁ উত্তৰাধিকাৰ সূত্ৰে তেওঁৰ দেউতাকৰ পৰা পাইছিল। হৰিনাথৰ দেউতাক গীতাৰ এনে ভক্ত আছিল যে তেওঁ তেওঁৰ চোলাৰ মোনাত সদায় এখন গীতা লৈ ফুৰিছিল। ধৰ্ম্মৰ প্ৰতি আগ্ৰহ আৰু আস্থা থাকিলেও হৰিনাথ পাঠক চৌধুৰীৰ কোনো লৌকিকতাৰ প্ৰতি কোনো অন্ধ-বিশ্বাস নাছিল। তেওঁ এই কথাটোও ভালকৈ বুজিছিল যে বৰ্ত্তমান কৰ্ম্মময় যুগত আমি কেৱল ধৰ্ম্মকেই আঁকোৱালি বহি থাকিলে ন'হ'ব। আমি জীৱনত উন্নতি সাধিবলৈ হ'লে ধৰ্ম্ম আৰু কৰ্ম্মৰ মাজত সমন্বয় স্থাপন কৰিব লাগিব। ধৰ্ম্মৰ নামত আমাৰ সমাজত যিবোৰ কুসংস্কাৰ চলি আছে, তাক পৰিহাৰ কৰি, প্ৰকৃত ধৰ্ম্মৰ পথত থাকি আমাৰ নিজৰ কৰ্ত্তব্য কৰি যোৱাৰ ওপৰতেই হৰিনাথে সদায় বিশেষ গুৰুত্ব আৰোপ কৰিছিল।

সকলো ধৰ্ম্মৰ প্ৰতি এটি উদাৰ মনোভাৱ থাকিলেও, হৰিনাথ পাঠক চৌধুৰীৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত এক শৰণ নাম ধৰ্ম্মৰ প্ৰতি, অলপ যেন বেছি আকৰ্ষণ আছিল। তেওঁ এই ধৰ্ম্মৰ তত্ত্বসমূহ নিজে সত্ৰবোৰলৈ গৈ বুজিবলৈ চেষ্টা কৰিছিল আৰু তাক প্ৰবন্ধ আকাৰে প্ৰকাশো কৰিছিল। তেওঁ বিয়া কৰাইছিলো, এই ধৰ্ম্মৰ প্ৰতি গভীৰ আস্থা থকা বৰপেটাৰ এজন শীৰ্ষ স্থানীয় ব্যক্তি, যজ্ঞৰাম চিৰস্তাদাৰৰ প্ৰথমা কন্যা বিদ্যাধৰী আইদেউক। এই চিৰস্তাদাৰ ডাঙৰীয়াই গুৱাহাটীৰ পানবজাৰত তেওঁৰ নিজা

বাসভৱনটোৰ কাষত থকা বৰপেটা সত্ৰৰ নামঘৰটিত, চাকৰি জীৱনতো সদায় দুবেলা ৰীতিমতে নাম-প্ৰসঙ্গ কৰিছিল আৰু মৃত্যুৰ সময়ত তেওঁ বাস-ভৱনটি, এই নামঘৰটিৰ অতিথিশালা ৰূপে ব্যৱহাৰ কৰিবলৈ বৰপেটা সত্ৰকেই দান দি গৈছিল। তেওঁৰ কন্যা বিদ্যাধৰী আইদেৱে, দেউতাকে ভালপোৱা এই নামঘৰটিলৈ, জীৱনৰ শেষ মুহূৰ্ত্তলৈ অহা-যোৱা কৰিছিল আৰু তাৰ বস্তিগছ জ্বলাই ৰাখিবলৈ সদায় আপ্ৰাণ চেষ্টা কৰিছিল।

'এক শৰণ ধৰ্ম্মৰ বিশেষত্ব' নামৰ প্ৰবন্ধত হৰিনাথে দেখুৱাইছিল যে, গীতাৰ এক শৰণ তত্বই হ'ল, শ্ৰীমন্ত শঙ্কৰৰ প্ৰৱৰ্ত্তিত ধৰ্ম্মৰ ঘাই উপাদান বা ভেটি। হৰিনাথৰ মতে শ্ৰীমন্ত শঙ্কৰৰ দাৰ্শনিক মতৱাদক 'অদ্বৈতবাদ' বুলি ক'ব পাৰি। সন্ত ৱিনোৱাভাৱেৰ লগত তেওঁৰ চিঠিৰে মতৰ বিনিময় হৈছিল। সন্তজীয়ে তেওঁৰ মত সমৰ্থন কৰি কৈছিল যে শ্ৰীমন্ত শঙ্কৰৰ ধৰ্ম্মমতক 'ভক্তিপ্ৰধান একেশ্বৰ নিষ্ঠ অদ্বৈতৱাদ' বুলি কব পাৰি।

ধৰ্ম্মৰ আলোচনাৰ উপৰিও হৰিনাথে মহাপুৰুষসকলৰ গীত, পদ, ঘোষা, নাটসমূহৰ অত্যন্ত অনুৰাগী আছিল। তেওঁ নিজে তেওঁৰ পাঠক উপাধিটোৰ সন্মান ৰাখি সদায় সত্ৰীয়া সুৰত ঘোষা, পদ আৰু গীতবোৰ গাবলৈ যত্ন কৰিছিল আৰু আনকো ভেনে কৰিবলৈ উদগণি দিছিল। মহাপুৰুষ দুজনৰ ৰচিত গীত নাট সমূহ তেওঁ সাহিত্যৰ দিশৰ পৰাও অধ্যয়ণ আৰু চৰ্চ্চা কৰিছিল। অনুপ্ৰাসৰ বহুল প্ৰয়োগৰ বাবেই এই ৰচনাসমূহ বেছি ৰসস্ৰাৱী হোৱা বুলি তেওঁ অনুভৱ কৰিছিল।

পুৰাতত্ব ইতিহাসৰ প্ৰতিও হৰিনাথ পাঠক চৌধুৰীৰ অসীম কৌতুহ'ল আছিল। পুৰণি পুথিসমূহ পঢ়ি পঢ়িয়েই তেওঁ প্ৰাচীন মগধ, মিথিলা, নালন্দা, হস্তিনাপুৰ, উজ্জয়িনী, মহাকোশল আদি ঠাইৰ অৱস্থিতিবোৰ দেখুৱাই ভাৰতৰ এখন পুৰণি মানচিত্ৰ নিজেই প্ৰস্তুত কৰি

লৈছিল। অসমীয়া ভাষাৰ ঐতিহ্য সম্বন্ধে তেওঁৰ বিশেষ চৰ্চ্চা আৰু অগাধ জ্ঞান আছিল। ইং ১৯৩৭ চনত গুৱাহাটীত, পণ্ডিত প্ৰবৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱৰ সভাপতিত্বত বহা সাহিত্য সভাৰ সময়ত প্ৰকাশিত প্ৰবন্ধাৱলীত "অসমীয়া ভাষাৰ জীয়ৰী" নামৰ এটি প্ৰবন্ধত, তেওঁ লিখিছিল যে যদিও বঙালীবিলাকে অসমীয়া ভাষাক তেওঁবিলাকৰ ভাষাৰ ঠেঙুলি বুলি সদায় ক'ব খোজে, ই তেনেই অসাৰ কথা।

অসমৰ ধৰ্ম্ম, ভাষা, সংস্কৃতি হৰিনাথ পাঠক চৌধুৰীৰ এনে প্ৰিয় আছিল যে তাৰ কোনো বিৰূপ সমালোচনা তেওঁ কেতিয়াও সহ্য কৰিব নোৱাৰিছিল। ক'ৰবাত এনে লিখা তেওঁৰ চকুত পৰিলে, লিখক যিমানেই লব্ধ প্ৰতিষ্ঠ নহওঁক, তেওঁ তেনেজনৰ বিৰুদ্ধে কাপ ধৰিবলৈ অকণো পৰাঙ্মুখ নহৈছিল। নিজৰ মতৰ সত্যতাৰ ওপৰত তেওঁৰ এনে গভীৰ বিশ্বাস আছিল যে এঠাইত তেওঁ লিখিছিল—"মোৰ অভিমত কাৰো কাৰো মনত উদ্ভট যেন লাগিব পাৰে; কিন্তু গভীৰভাৱে চিন্তা কৰি চালে, আমাৰ লগত একমত হ'বলৈ বেছিপৰ নালাগিব বোধকৰোঁ।"

অসমীয়া ভাষা আৰু সাহিত্যৰ চিন্তা চৰ্চ্চা কৰাৰ উপৰিও হৰিনাথ পাঠক চৌধুৰী অসম সাহিত্য সভাৰো এজন অতি উৎসাহী কৰ্মী আৰু সংগঠকো আছিল। যোৰহাটত থকা কালত তেওঁ চাৰি বছৰ কাল এই সভাৰ সহকাৰী সম্পাদকৰ কাম চলাইছিল। চন্দ্ৰ কান্ত অভিধান সংকলনৰ সময়ত, তেওঁ শব্দ বাছনি ব'ৰ্ডৰ এজন সভ্য হিচাবেও, যথেষ্ট কষ্ট স্বীকাৰ কৰিছিল। কোহিৰাম দাসে তেওঁৰ ঘৰতেই প্ৰথমে থাকি এই অভিধান সংকলনৰ কাম আৰম্ভ কৰে। এই অভিধান খনত অন্তৰ্ভুক্তিৰ কাৰণে তেওঁ পুৰণি-পুথি আৰু নামনি অসমৰ প্ৰচলিত শব্দসমূহ সংগ্ৰহ কৰাৰ ভাৰ লৈছিল।

তেওঁ ধুবুৰীত থকা কালতেই, তাত বেণুধৰ ৰাজখোৱাৰ সভা-

পতিহৃত প্ৰথম বাৰৰ কাৰণে অসম সাহিত্য সভাৰ অধিবেশন বহে। এই অধিবেশনৰ কাম সফল কৰি তোলাৰ অৰ্থে আনন্দ চন্দ্ৰ আগৰৱালাৰ সহকাৰী হিচাপে তেওঁ দেহে-কেহে খাটিছিল। তেওঁ "কামৰূপ সাহিত্য সমাজ"ৰ সৈতেও জড়িত আছিল আৰু কেইবা বছৰ ধৰি এই সমাজৰ সম্পাদক হিচাপে কাম কৰিছিল।

'বাঁহী', 'চেতনা'ৰ দিনৰ পৰা আৰম্ভ কৰি 'দৈনিক অসম'লৈকে হৰিনাথ পাঠক চৌধুৰীৰ যিবোৰ প্ৰবন্ধাদি প্ৰকাশ পাইছিল তাৰ সৰহ ভাগেই সেই আলোচনী সমূহৰ পাততেই পৰি আছে বুলি ক'ব পাৰি। কেৱল মৃত্যুৰ অলপ আগে আগে তেওঁ তেওঁৰ কেইটিমান প্ৰবন্ধ একত্ৰিত কৰি 'ধৰ্ম্ম আৰু কৰ্ম্মৰ তাৎপৰ্য্য' নামেৰে কিতাপ এখন প্ৰকাশ কৰাৰ কাম সমাধা কৰি যায়। দুখৰ বিষয় যে গুৱাহাটীৰ 'নিউ বুক ষ্টলে' অলপতে প্ৰকাশ কৰা এই কিতাপখন তেওঁ নিজ চকুৰে দেখা নাপালে। এই কিতাপত থকা ২৭ টা প্ৰবন্ধই ধৰ্ম, তত্ব, আৰু দৰ্শনমূলক। কেৱল শেষৰ পৰিশিষ্টত থকা তিনিটা প্ৰবন্ধত তেওঁৰ পূৰ্বপুৰুষ আৰু নিজ জীৱনত ঘটা কেইটিমান ঘটনাৰ বিবৰণ আছে। তেওঁৰ স্মৃতি শক্তি এনে প্ৰখৰ আছিল যে এই প্ৰবন্ধসমূহত বৰ্ণিত ঘটনাবোৰৰ দৰে ঘটনাবোৰ তেওঁ, তেওঁৰ স্মৃতিৰ পৰাই, বহু দিন পিছতো অনৰ্গল কৈ যাব পাৰিছিল।

অলপ আচৰিত হ'ব লগীয়া কথা যে হৰিনাথ পাঠক চৌধুৰী এজন স্বভাৱসিদ্ধ সুনিপুণ শিল্পীও আছিল। তেওঁ কল্পনাৰ পৰাই শ্ৰীমন্ত শঙ্কৰৰ চিত্ৰ এখন আঁকিছিল। এই চিত্ৰখন দেখি হেনো ভক্তিপ্ৰান যজ্ঞৰাম চিৰস্তাদাৰ ভাৱত উদ্বেলিত হৈ উঠিছিল। চিৰস্তাদাৰ ডাঙৰীয়াৰ চিত্ৰ এখনো তেওঁ আঁকিছিল। এই চিত্ৰ খন দেখি, এজন সুদক্ষ চিত্ৰকৰে বখানি কৈছিল যে ইমান কম ৰেখাৰ সাহায্যত এনে হুবহু চিত্ৰ আনে অঁকা তেওঁৰ চকুত পৰা নাই।

ধৰ্ম্ম, দৰ্শন, তত্বসমূহত সদায় বুৰগৈ থাকিলেও হৰিনাথ পাঠক চৌধুৰীয়ে অন্যান্য বিষয়েও চিন্তা চৰ্চ্চা কৰিছিল। ভাৰত বিভাজনৰ পিছত অসমৰ পৰিব্ৰহন সমস্যাৰ বিষয়ে 'অসম ট্ৰিবিউন' আৰু 'নতুন অসমীয়াত' চিঠি পত্ৰ লিখিছিল আৰু সেই সময়ৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি আৰু পিছত মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ লগত লিখালিখি কৰিছিল।

পাঠক চৌধুৰী দেশ-বিদেশৰ বা-বাতৰি সম্বন্ধেও সদায় বৰ সচেতন আছিল। পূৰ্ণ ৮৩ বছৰ বয়সত ইং ১৯৭১ চনৰ ১৪ অক্টোবৰ তাৰিখে গুৱাহাটীৰ পান বজাৰৰ নিজা বাসভৱনত, তেওঁ ইহলীলা সম্বৰণ কৰে।

—শ্ৰীমুকুলী চৌধুৰী

কবি-সাহিত্যিক

সিংহদত্ত দেৱ অধিকাৰী

আকৰ্ষণীয় চকুৰে ওখ ব'গা সভাশুৱনি সিংহদত্ত দেৱ অধিকাৰীৰ জন্ম হৈছিল বকোৰ উত্তৰে থকা বৰ বিষ্ণু আতাই স্থাপন কৰা বিখ্যাত চমৰীয়া সত্ৰৰ এটি সম্ভ্ৰান্ত পৰিয়ালত। সিংহদত্তৰ ককাক সকৰাম চমৰীয়াৰ ভাগৱতী আছিল। এই ভাগৱতী পৰিয়াল গুৰিতে ৰাম ৰাম গুৰুৰ বংশৰ বুলি প্ৰবাদ এটা চমৰীয়াত শুনিবলৈ পোৱা যায়, সকৰাম ভাগৱতী অতি তেজস্বী আৰু প্ৰতাপী লোক আছিল। তেওঁ সেইসময়ৰ বুঢ়া সত্ৰীয়া ৰূপৰামৰ সৈতে মিত্ৰতা কৰি ডেকা সত্ৰীয়া বাব লয় আৰু শৰণ দিবলৈ ধৰে। এই কথাত বিষমপাই আৰু তেওঁৰ প্ৰতিপত্তি সহ্য কৰিব নোৱাৰি সত্ৰৰ বহুত লোক তেওঁৰ বিপক্ষে জাগি উঠে। কাজিয়া ইমানলৈ আগ বাঢ়ে যে ভাগৱতীক শেষত ৰঙিয়াল গৃহৰ পৰা ওলাব-সোমাব নিদিয়াকৈ ৰাইজে বেঢ়ি ধৰে। উপায়ান্তৰ নেদেখি আৰু সৈমান হবলৈকেও ইচ্ছা নকৰি ভাগৱতীয়ে তেওঁৰ শিষ্য লুকী ৰাজ্যৰ ৰজালৈ সংবাদ পঠিয়ায়। লাকুৰি সিং ৰজাই হাতী আৰু চিপাহী-চন্তৰী লৈ আহি তেওঁক উদ্ধাৰ কৰি (বৰ্ত্তমান শিংৰাৰ ওচৰৰ) লুকীলৈ লৈ যায়। শিংৰা নৈৰ ঘাট এটা এতিয়াও সতৰীয়া বা সত্ৰীয়াৰ ঘাট নামে জনাজাত। ভাগৱতীৰ লগত বহুতো মানুহ উঠি গৈ ভালুকঘাটা, লুকী আদি ঠাইত নকৈ বসতি কৰে। লুকীত সত্ৰ পাতি থকা কালতে—১৮৪০ খৃষ্টাব্দৰ ওচৰে কাষৰে—তেওঁ

তাত নিজৰ ব্যক্তিত্বৰ পৰিসৰৰ জোখাই ক্ষেত্ৰ নাপাই আনফালে ক'ৰবাত সুবিধা হয়নেকি চাবলৈ ধৰে ।

তেওঁৰ তৃতীয়গৰাকী পত্নী আছিল নহিৰাৰ। নহিৰা গাঁও পলাশবাৰীৰ ছয়মাইল পশ্চিমে, ট্ৰাঙ্কৰোডৰ ডেৰমাইলমান উত্তৰে। নহিৰাত এখন সত্ৰ আছিল। এই সত্ৰ ৰামপুৰৰ ৺চৰৰ সন্তদেৱৰ স্থাপিত খিদিৰ পুখুৰী সত্ৰৰ ঠেঙুলি স্বৰূপ— জোৱায়ে যৌতুকত পোৱা মাটি। জেনকিন্স চাহাবৰ দিনত এই সত্ৰৰ নিস্পিখেৰাজ মাটি খাজনা বাকী থকা কাৰণে নে কি কাৰণত চৰকাৰে নীলাম কৰিবলৈ ওলায়। * ভাগৱতীয়ে এই কথা গম পাই গুৱাহাটীলৈ যাতায়ত কৰি মাটিখিনি উদ্ধাৰ কৰে। এই কাৰ্য্যত সাত আঠ শ মান টকা খৰচ হয়। স্থানীয় গোঁসাইসকলে খৰচৰ টকা দিবলৈ অসমৰ্থ হোৱাত ভাগৱতীয়ে সত্ৰখন লৈ আধা মাটি তেওঁৰ খুলশালী আদি স্থানীয় গোঁসাইক এৰি দিয়ে (১৮৪৪)। বাকী আধাৰে নতুন মহাপুৰুষীয়া সত্ৰ এখন স্থাপিত হ'ল। এই সত্ৰত ভাগৱতীয়ে তেওঁৰ বৰ পুত্ৰ মহোদত্তক স্থাপন কৰিলে। তেওঁ নিজে লুকীতে ৰ'ল আৰু তাতেই শেহৰ দিনকেইটা কটালে। এওঁৰ প্ৰতাপৰ কথা চমৰীয়াবাসীৰ মুখত এতিয়াও শুনিবলৈ পোৱা যায়। নহিৰাৰ অধিকাৰিৰ বংশকো এওঁলোকে 'বাঘৰ নাতি' আখ্যা দিছিল। ভাগৱতীৰ হেনো ধনসম্পত্তি অপৰ্য্যাপ্ত আছিল, কিন্তু ধোৱাখুলীয়া পুতেকে সেই ঐশ্বৰ্য্য খাস্তাং কৰে, প্ৰবাদ এটা আছে যে এই পৰিয়ালে—

---

* অধিকাৰীৰ ভিনীহিয়েক গুৱাহাটী সদৰ মজলীয়া ছাত্ৰবৃত্তি স্কুলৰ একালৰ হেড পণ্ডিত ৺সহদেৱ গোস্বামীৰ মুখত শুনা মতে—সত্ৰৰ মাটি আছিল বিষ্ণুপ্ৰসাদৰ নামত ; বিষ্ণুপ্ৰসাদক মানুহে মনাই বুলিহে জানিছিল। পিয়লৰ সময়ত এই নামৰ গোলমালত মাটি বাজেয়াপ্ত হয়। ৺সহদেৱ গোস্বামীৰ ৯২ বছৰ বয়সত ১৯৬০ চনত মৃত্যু হৈছে।

৭

চমৰীয়াত চুচিলে,
লুকীত লুকুৱালে,
নহিৰাত ধ্বংস কৰিলে।

মহোদত্ত দেৱ অধিকাৰীৰ মৃত্যু হয় ১৯০৭ খৃষ্টাব্দৰ মাৰ্চ্চ মাহত, পুৰীৰ পৰা উভতি ঘৰ পোৱাৰ পিছদিনাই। তেওঁৰ চাৰিপুত্ৰ আৰু কন্যা কেইবাগৰাকীও। বৰপুত্ৰ সিংহদত্ত* পিতাকৰ মৃত্যুৰ সময়ত ১৭ বছৰীয়া ডেকা। তেওঁ তেতিয়া গুৱাহাটীৰ কলেজিয়েট স্কুলৰ ছাত্ৰ। পঢ়ি থকা কাৰণে আৰু বিষয় আশয়ত তেওঁৰ অনুৰাগ নথকা বাবে চৈধ্য বছৰীয়া ভায়েক ৰামদত্তই সত্ৰ আৰু মাটিবাৰী চলাবলৈ লয়। এওঁলোকে পলাশবাৰী অঞ্চলৰ ৰান্ধনি ল'ৰা আৰু নহিৰাৰে লিগিৰা এটি লৈ পাণবজাৰৰ ঘৰ এটাত থাকি পঢ়াশুনা কৰিছিল। অভিভাৱক আছিল দেশপ্ৰেমিক ৺নিধিৰাম দাস। সিংহদত্তই আই-এ লৈকে পঢ়িলে, পৰীক্ষা পাছ কৰা নাছিল। তাৰ পিছত তেওঁ জাল মুদ্ৰা তৈয়াৰ কৰা অপৰাধী এজনক ধৰাই দিবলৈ সমৰ্থ হৈ শিলঙৰ পুলিচ অফিচত চাকৰি এটা লাভ কৰে।

পঢ়াকালতে সম্ভৱ তেওঁৰ কবিতা ৰচনালৈ ধাউতি হয়। ডঃ সূৰ্য্যকুমাৰ ভূঞাদেৱে কয় যে তেওঁ ১৯১০ চনৰ জাৰকালি অধিকাৰীক ভৰলুমুখৰ ৺কালিৰাম চৌধুৰীয়ে স্থাপন কৰা অনুকুল হলত অনুষ্ঠিত কিবা থিয়েটাৰত নচাও দেখিছে। সঙ্গীতৰ প্ৰতি

---

* মহোদত্ত আৰু সিংহদত্তৰ নাম লুকীৰ ৰাজবংশতো পায়; ১৮৫৪ চনত লুকী দুৱাৰত চৰকাৰে নিযুক্তি দিয়া এজন চৌধুৰীৰ নাম আছিল মহোদত্ত সিং ৰাজা। লুকী ৰাজবংশত ল'ৰা-লুৰি নথকাত সিংহদত্তৰ ভায়েক ৰামদত্তক তোলনীয়া কৰি লবৰ চেষ্টা এটা চলিছিল। দুয়ো পৰিয়ালৰ মাজত নিশ্চয় যথেষ্ট সদ্ভাৱ আছিল।

অনুৰাগো সম্ভৱ এই সময়তে ওপজে। শ্ৰীকৃষ্ণকান্ত সন্দিকৈ দেৱে ২।৩।৪৫ তাৰিখে মোক যোৰহাটত কৈছিল, “মই যেতিয়া আই-এ পঢ়োঁ, ১৯১৫ নে ’১৬ চনত। এদিন গধূলি আমাৰ মেছলৈ ৺অধিকাৰী আহিল। আমহাৰ্ষ্ট ষ্ট্ৰীটৰ (৪৩ নম্বৰ) অসমীয়া মেছটো লোহিত ভূঞাঁই চলাইছিল। অসমীয়া আলহী আহিলে তাতেই থাকিছিল। অধিকাৰী কিতাপ পত্ৰ চপোৱা-মেলোৱা কামত গৈছিল। অতি শুৱনি মানুহ, অমায়িক ব্যৱহাৰ। তেওঁ আমাক গান এটা গাই শুনালে। আমাৰ ভাল লাগিছিল। তেওঁক মই তাতেই প্ৰথম দেখোঁ। তাৰ পিছত আৰু দেখা নাই। কিন্তু সেই সন্ধিয়াৰ কথা পাহৰিব নোৱাৰোঁ।” অধিকাৰীৰ গানৰ কিতাপ ‘গীতি-মালিকা’ৰ প্ৰথম সংস্কৰণ প্ৰকাশ হয় ১৯১৯ চনত। দ্বিতীয় মহাসমৰৰ দিনত সম্ভৱ ১৯৪৫ চনত তেওঁৰ “আজি ধৰাহে মিলন” বোলা গানটি নলবৰীয়া ডেকা এজনৰ মুখত শুনিবলৈ পাই মই অলপ আচৰিত হৈছিলোঁ। অসমীয়া গান লেখকৰ ভিতৰত অধিকাৰীও এজন অগ্ৰদূত। এওঁৰ গান ‘সঙ্গীত কোষ’ত কেইবাটাও সোমাইছে।

অধিকাৰীৰ প্ৰথম কিতাপ কি কবলৈ টান। ‘সাধুচৰিত’ বোলা কিতাপখন ওলাইছিল ১৯১৫ চনত। এইখনত ফ্লোৰেঞ্চ নাইটিঙ্গেল, মহম্মদ মহছিন, জন পাউণ্ডছ্, গ্ৰেনভিল ছাৰ্প—এই চাৰিজনৰ চমু জীৱনী আছে। প্ৰবন্ধকেইটি পোনতে ‘বাঁহী’ আলোচনীত প্ৰকাশ হৈছিল। ষষ্ঠ বছৰৰ ‘বাঁহী’ত (১৯১৪) প্ৰকাশ হৈছিল তেওঁৰ ‘জয়মতী’, ‘মালতী’ আদি কবিতা। গাৰো জনজাতীয় জীৱনৰ আভাস থকা ‘ঠেনুকী’ নামে উল্লেখযোগ্য কবিতাটি প্ৰকাশ হৈছিল এই বছৰৰ বাঁহীতে। অষ্টম বছৰৰ বাঁহীত ‘শকুন্তলা’ নামৰ এটি কবিতা আছে; এই কবিতাত ‘ৰাইম্’ থকা ‘অমিত্ৰাক্ষৰ’ ছন্দৰ আৰ্হি দেখিবলৈ পোৱা যায়, অৰ্থাৎ শাৰীবিলাকত

অমিত্ৰাক্ষৰ ছন্দৰ প্ৰবাহো আছে, ৰাইম্ বা মিত্ৰাক্ষৰো আছে, ৰবীন্দ্ৰনাথৰ কেতবিলাক কবিতাৰ দৰেই। অমিত্ৰাক্ষৰ ছন্দত লিখা কবিতা তেওঁৰ দুই এটি আছে।

অধিকাৰীৰ কবিতাৰ ঠাঁচ চন্দ্ৰ কুমাৰ আগৰৱালাদেৱৰ ৰচনাৰ দৰে প্ৰাঞ্জল আৰু সংযত। নিচেই আগবয়সৰ অপৈনত ৰচনাবোৰ বাদ দিলে কিছুমান কবিতাত আন্তৰিকতা সুস্পষ্ট। 'ৰেণু' নামৰ কিতাপত সংগৃহীত হোৱা 'ঠুনুকী' 'মালতী' আদি দীঘলীয়া কবিতা আজিও আকৰ্ষণীয় লাগে। যতীন্দ্ৰনাথ দুৱৰা, সূৰ্য্যকুমাৰ ভূঞা আদি তেওঁৰ সমসাময়িক কবি আৰু বন্ধু। কিন্তু সাৱলীল ঠাঁচ আৰু কৌশলপূৰ্ণ বৰ্ণনাভঙ্গী এওঁৰ ৰচনাত দুষ্প্ৰাপ্য নহয়—

পুখুৰী পাৰত অকলে প্ৰফুল্ল
আছিল বৰশী বাই,
হঠাতে মালতী ওলাল এদিন
লাজৰ ভাবটি নাই।
চকুত আছিল চকুলো দুটোপা
বৰ কি নবৰকই,
নাচিছিল ধীৰে মলয় সমীৰ
ক'লা চুলিকোছা লই
'এয়ে শেষ'—আৰু নুফুটিল মাত
ছিগিল বীণৰ তাঁৰ,
হৰিণীৰ যেন চকুজুৰি দিলে
দুধাৰি মুকুতা হাৰ।

—মালতী

'কবিতা লহৰী' নামৰ আন এখন সংগ্ৰহত থকা 'সন্ধিয়া'

কবিতাটিয়ে মনোমোহা গাৱঁলীয়া ছবি এটি বৰ্ণনা কৰিছে। এই কিতাপখনৰ কবিতাবিলাক কোমলবয়সীয়া ছাত্ৰ-ছাত্ৰীৰ কাৰণে উপযোগী, বিষয়বস্তু আৰু প্ৰকাশভঙ্গীৰ ফালৰ পৰা। 'বেণু'ত থকা 'শেষ সময়ত' আদি দুই এটি কবিতাত অলপ গভীৰতাও অনুভৱ কৰিব পাৰি—

চাপাহি ওচৰ হেৰা, ধীৰে ধীৰে অতি ধীৰে
কোনো শবদেই যেন নপশে কাণত আহি তাৰ
কি বেচিলে কি কিনিলে অতদিনে সংসাৰ হাতত
শেষ মুহূৰ্ত্তত আজি লইছে সি তাৰেই বিচাৰ।......

—শেষ সময়ত

মনত ৰাখিব লাগে এই ধৰণৰ কবিতাৰ কাল ১৯২০ চন মান বা তাৰ আগেয়ে। তেতিয়াৰ অসমীয়া কবিতাৰ পটভূমিত এই ৰচনা থাপিলেহে ইয়াৰ মূল্যাঙ্কন সাৰ্থকভাৱে কৰিব পাৰি।

অধিকাৰীৰ ইংৰাজী ভাষাৰ প্ৰতি অনুৰাগ আছিল। এই অনুৰাগ প্ৰকাশ পালে কেইটিমান ইংৰাজী কবিতাৰ অনুবাদত। অনুবাদৰ ক্ষেত্ৰত অধিকাৰীৰ স্থান আনন্দচন্দ্ৰ আগৰৱালাৰ কাষতে। হেৰিকৰ Daffodils, আৰ্মষ্ট্ৰঙৰ Latrilla নামৰ কবিতা, ছেলিৰ Love's Philosophy, লাইটৰ Agnes, আদি কবিতাৰ বঢ়িয়া আৰু নিৰ্ভৰ যোগ্য অনুবাদ কৰিছিল। এওঁ 'অম্বা' নামেৰে গীতিনাট এখনো ৰচনা কৰিছিল। এইখনৰ দুটামান অঙ্ক অৰ্ঘাত ওলাইছিল। এওঁ 'আদৰ্শ পাঠ' নামৰ অ—আ ক—খ পুথি দুভাগ ৰচি পিছত ডিব্ৰুগড়ৰ ভট্টাচাৰ্য্য এজেন্সীক বিক্ৰী কৰিছিল। কিতাপদুখন বহুত বছৰ অসমৰ পঢ়াশালিবোৰত চলিছিল।

অধিকাৰী শ্বিলঙত থকা কালছোৱাৰ বিষয়ে তেওঁৰ অন্তৰঙ্গ বন্ধু বয়োবৃদ্ধ শ্ৰীযুত মাণিক চন্দ্ৰ হাজৰিকাদেৱে অধিকাৰীৰ প্ৰকৃতি

সম্বন্ধে বন্ধুৰ দৰেই খোলাভাবে কৈছিল "কথা সুধিলে ততালিকে উত্তৰ নেপালে গোসাঁইক গালি পাৰিছিলোঁ। উত্তৰ নিদিয়াৰ কাৰণ সুধিলেও মুকলি মনেৰে কাৰণ কব নোৱাৰা হয়। সদায় পেটত কিবা ভাবি থকা যেন লাগে। হাতত কাগজৰ সৰু সৰু টুকুৰা আৰু এডাল পেঞ্চিল প্ৰায়ে দেখিছিলোঁ, কাগজৰ টুকুৰাবোৰত কি লিখে নেজানিছিলোঁ। আমাৰ ঘৰৰ পৰা গোসাঁইৰ ঘৰলৈ পাছবাটেদি ৫০ গজমান দূৰ। প্ৰায়েই পুৱা-গধূলি আমাৰ ঘৰলৈ যায়। কাগজৰ টুকুৰা আৰু পেঞ্চিলডাল হাতত লৈ আমাৰ ৰান্ধনী ঘৰৰ পিৰালিতেই বহি মনে মনে কি লেখি থাকে প্ৰথমতে কব নোৱাৰিছিলোঁ। বহিবলৈ টুল এখন হাতত লৈ ওচৰলৈ গ'লেই 'যা যা, ওচৰলৈ নাহিবি' বুলি খেদি দিয়ে। বহুত দিনৰ মূৰত তেখেতৰ 'গীতি-মালিকা' কি 'কবিতামালা' (নামটো এতিয়া মোৰ মনত নাই) খন ছপা কৰাই আনি মোক দেখুৱালে। তেতিয়াহে জানিলোঁ গোসাঁই কবি—এনেকৈ বহি বহি কবিতা আৰু গান লিখি আছিল, আৰু তেতিয়াৰ পৰাই মোৰ 'নীৰৱ কবিক' মনে মনে বহি লিখা কামত ব্যস্ত থাকিলে জোকাই আমনি কৰিবলৈ এৰিলোঁ।"

হাজৰিকাদেৱে আকৌ জনাইছিল "মই শ্বিলঙলৈ ১৯১৩ চনৰ ফেব্ৰুৱাৰী মাহত আৰু গোসাঁই মোতকৈ ছমাহমানৰ আগতে আহিছিল। ১৮৯৭ চনত যদিও আসাম ক্লাব স্থাপিত হৈছিল, ১৯০৫-৬ চনত পূৰ্ব্ববঙ্গ-আসাম ৰাজ্য হওঁতে আমাৰ অসমীয়া মানুহ শ্বিলঙত প্ৰায় নোহোৱাই হ'ল। আমি আহোঁতে ২০ জন মানহে আছিল। সেইকেজনৰ ভিতৰত ইমান মিলাপ্ৰীতি আছিল যে প্ৰায় সকলোৱেই নিতৌ ক্লাবত গোট খাই খেলুৱে খেলিব, পঢ়ুৱেই পঢ়িব, কথা পতাই কথা পাতিব, আকৌ হয়তো কেইজনমানে থিয়েটাৰৰ আখৰা কৰিব। এইদৰেই ৰাতি ৮৷৯ বজালৈকে ক্লাবত সদায় দেখা-শুনা হৈছিল।...

গোসাঁইৰ মাত বৰ মিঠা আছিল, হাৰ্মোনিয়াম বজাই গান গাবলৈকো জানিছিল। আমি যেতিয়া ছিলঙলৈ আহোঁ, সেই সময়ত গান গাব জনা মানুহ নাছিল বুলিও অত্যুক্তি কৰা নহয়। মই গান ৰচিছিলোঁ আৰু গোসাঁইয়ে গাইছিল। আমি থিয়েটাৰ কৰিছিলোঁ, দেখিবলৈ ধুনীয়া আৰু মাত কোমল হোৱাৰ কাৰণে গোসাঁইয়ে তিৰোতা মানুহৰ ভাও লৈছিল। অফিছৰ কামত গোসাঁ-ইৰ মন নবহিছিল। স্বাধীনমনা দেখিয়ে স্বাধীনভাবে চলিবলৈ ভাল পাইছিল আৰু মাজে সময়ে ছিলঙত গোলামী কাম নকৰি গুচি যোৱাৰ কথাও কৈ আছিল। কাৰ্য্যতো তাকেই কৰিলে। ১৯২২ চনত চাকৰি ইস্তাফা দি ঘৰতে এটা ছপাখানা খুলি লিখা-পঢ়া কৰি দিন কটাব বুলি মোক কৈছিল। ......”

অধিকাৰীয়ে শ্বিলঙৰ পুলিচ অফিচত নবছৰমান চাকৰী কৰে। ইয়াৰ ভিতৰতে ছিমলাৰ ইম্পিৰিয়েল চেক্ৰেটেৰিয়েটতো এবছৰ-মান থাকেগৈ, কিন্তু তাত মন নবহাত শ্বিলঙলৈ উভতি আহে। এই সময়তে প্ৰথম মহা-সমৰৰ কালত তেওঁ পুনা আদি ঠাইত চৰকাৰী কাৰ্য্যত কিছু ঘূৰে। ১৯২২ চনত তেওঁ চাকৰি এৰি আৰু শ্বিলঙত সজা ঘৰ বেচি দি গুৱাহাটীত থাকিবলৈ লয়। এই সময়ত তেওঁৰ মন বিবিধ আঁচনি-পাঙনিয়ে উখলমাখল লগাইছিল। প্ৰকৃতিত খৰচী আৰু উদাৰ হোৱা কাৰণে টকা পইচা হাতত বিশেষ গোটাব নোৱাৰা স্বত্বেও অন্তৰৰ প্ৰেৰণাতে ধাৰ-ঋণ কৰি ‘অৰুণা প্ৰেছ’ নাম দি ছপাখানা এটি স্থাপন কৰে আৰু ‘অৰ্ঘ্য’ নামে পষেকীয়া আলোচনী এখন উলিয়ায়। লগতে ‘অৰ্ঘ্য পাবলিছিং হাউছ’ নাম দি কিতাপ চপোৱা অনুষ্ঠান এটাও গঢ়ি তুলিবলৈ চেষ্টা কৰে। এই প্ৰেছত কাম কৰা দেছোৱালী গোৱৰ্দ্ধন গান্ধীৰ নামতে বৰ্ত্তমান শৰণীয়া পাহাৰৰ নামনিত ‘গান্ধীবস্তী’ গঢ়ি উঠিছে।

অধিকাৰীৰ সতীৰ্থ সু-সাহিত্যিক ৺পদ্মধৰ চলিহাদেৱে অৰ্ঘ্যৰ

যুটীয়া সম্পাদক আছিল। 'অৰ্ঘাৰ' প্ৰতিষ্ঠা সম্পৰ্কত চলিহাদেৱে চিঠি এখনেৰে (২৪।৫।১৯৫১) মোক জনাইছিল, "মই ১৯২৩ চনত ডিব্ৰুগড়ত ওকালতি কৰিবলৈ যাওঁ। তেখেতে মোক জনালে যে তেখেতে 'অৰ্ঘা' নামেৰে পষেকীয়া আলোচনী কাকত উলিয়াবলৈ যো-জা কৰিছে আৰু মোৰ সহযোগিতা বিচাৰি মোৰ নাম যুটীয়া সম্পাদক স্বৰূপে দিবলৈ মোৰ সন্মতি খুজি পঠাইছে। তেখেতে আৰু জনালে যে গুৱাহাটীৰ পৰাই কাকতখন প্ৰকাশ কৰা হব আৰু কলিকতাত ধুনীয়াকৈ ছপোৱাৰ দিহা কৰা হ'ব। মই মাতৃ-ভাষাৰ সেৱা কৰাৰ এনে এটা সুযোগ পাই উলাহেৰে সন্মতি দিলোঁ। তেখেতে নিজৰ আৰু আনৰ প্ৰবন্ধবোৰ গোটাই চাইচিতি বাচি দিবলৈ মোলৈকে সদায় পঠাই আছিল। সম্পাদকীয়খিনিও মোকে লেখিবলৈ দিছিল। কাকতখন সোনকালে বৰ জনপ্ৰিয় হৈ উঠিছিল। গ্ৰাহকৰ সংখ্যাও ক্ৰমে বাঢ়ি আহিছিল। ময়ো কাকতখনৰ লগত সংশ্লিষ্ট থাকি কাম কৰি নথৈ আনন্দ পাইছিলোঁ। বিশেষকৈ অৰ্ঘাৰ কিছু সংখ্যাই এটি যুগান্তৰ উপস্থিত কৰিছিল বুলিলে বোধকৰোঁ বঢ়াই কোৱা নহব। সেই সংখ্যাৰ প্ৰবন্ধ সম্ভাৰ দেখি সকলোৱে শলাগিছিল। কিন্তু অসমৰ কি দুৰ্ভাগ্য, তেখেতৰ নিচিনা উদ্যোগী 'দেশহিতৈষী' সাহিত্যানুৰাগী পুৰুষ এজনক নিষ্ঠুৰ কালে অকালতে হৰি নিলে!......অৰ্ঘাৰ পৰিচালনা কৰা কামত সেই কালৰ প্ৰৱীণ সাহিত্যিকসকলৰ পৰা খুব ভাল response পাইছিলোঁ। ৺শৰৎ গোস্বামী, ৺ৰজনী বৰদলৈ, শ্ৰীযুত জ্ঞান বৰা, মৌঃ ছয়িদুৰ ৰহমান, ডঃ ময়িদুল ইছলাম বৰা আদি সকলোৱে আগ্ৰহেৰে প্ৰবন্ধ পঠাইছিল। 'নৈবিদ্য,' 'সাহিত্য বাতৰি' প্ৰভৃতি features বোৰ অৰ্ঘাৰ বিশেষত্ব আছিল।......"

অৰ্ঘাত শ্ৰীযুত নকুল চন্দ্ৰ ভূঞাঁৰ দুটি গল্প, ৺ৰজনীকান্ত বৰদলৈৰ 'ৰঙ্গিলী' উপন্যাসৰ কিছু অংশ, ৺তৰুণৰাম ফুকনৰ কেইবাটিও চুটি

কবিতা, ডঃ সূৰ্য্যকুমাৰ ভূঞা আৰু শ্ৰীযুত পদ্মধৰ চলিহাদেৱৰ সাহিত্য সম্পৰ্কীয় আলোচনা, ৺আনন্দচন্দ্ৰ আগৰৱালাৰ 'পুৰণি কথা', শ্ৰীযুত জ্ঞাননাথ বৰাৰ আমোদজনক 'পিঠাৰ মেল', তাৰ উপৰি 'খেতিয়কৰ বিননি,' 'হাড়ৰ গুড়িৰ সাৰ,' 'অসমত সমবায় বিস্তাৰ,' 'স্বৰাজ আন্দোলন' আৰু 'অসমীয়া সাহিত্য', আদি বিবিধ ধৰণৰ জাতীয় চৈতন্য জগাই তুলিবৰ অৰ্থে ৰচা প্ৰবন্ধ সম্ভাৰ প্ৰকাশ হৈছিল। আলোচনীখনে যথেষ্ট বিজ্ঞাপনো যোগাৰ কৰিব পাৰিছিল। প্ৰথম সংখ্যাত অধিকাৰীৰ 'জন্মভূমি' বোলা কবিতা এটি ওলাইছিল—

…দেশ দেশান্তৰ কত ভ্ৰমিলোঁ হে আই
য'তে যেতিয়াই আছোঁ যেন্নুৱা
সুখতে মত্ত হই,
তোমাৰ মুখনি আৰু চেনেহ তোমাৰ
পাহৰাতো নাই, পাহৰাতো নাই।
কেতিয়াও মই।…

অধিকাৰীৰ মৃত্যু হয় ১৯২৫ চনৰ ২ মাৰ্চ্চত, লগে লগে অৰ্ঘ্যাৰো অৱসান। তেওঁ দুদিনমানৰ কাৰণে অসুখীয়া শৰীৰেৰে গাৱঁৰ ঘৰলৈ গৈছিল। তেওঁক সন্তৱ নিউমোনিয়া ৰোগে লম্ভিলে। চিকিৎসাতো অলপ বিভ্ৰাট উপজিছিল। কেইদিনমানৰ পাচতে তেওঁ সংসাৰৰ পৰা মেলানি লয়। চলাবলৈ ঘৰত উপযুক্ত লোক নথকাত অধিকাৰীৰ মেলা পোহাৰ ততালিকে ছপাই পেলোৱা হ'ল; প্ৰেছ বিক্ৰী কৰিলে। এই প্ৰেছেই বৰ্ত্তমানে উজান বজাৰৰ ৺সৰ্ব্বেশ্বৰ চক্ৰবৰ্ত্তীৰ 'ভৱানী প্ৰেছলৈ ৰূপান্তৰিত হৈছে। তেওঁৰ অপ্ৰকাশিত ৰচনা আদি ধ্বংস হল, আনকি উজানবজাৰৰ ফটিক কুটিৰৰ কাষত খেৰৰ ঘৰ এটাৰে 'লিজ' লোৱা মাটি এডোখৰ আছিল, তাকো এশ টকাতে হস্তান্তৰ কৰা হ'ল। অধিকাৰীয়ে

ঋণ কিছু থৈ গ'ল, সেই ঋণ পৰিশোধ কৰোঁতে তেওঁৰ আত্মীয়-পৰিজনে যথেষ্ট আহুকাল পায়।

এই উৎসাহী; উদ্যোগী ডেকাজনৰ মৃত্যুৰ সময়ত বয়স ছয়ত্ৰিশো পূৰ হোৱা নাছিল। গাৱঁৰ পৰা ওলাই অহা ডেকা এজনে চহৰত খোপনি পুতি লৈ জাতীয় জীৱন নিয়ন্ত্ৰণ কৰিবলৈ দুঃসাহস কৰিলেও এই ডেৰকুৰি বছৰীয়া চমু কালত কিমান কামেইবা হ'ব পাৰে?

—শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী

---

* কৃতী শিক্ষাবিদ, 'ভীষ্ম' নামৰ শিশু-পুথি ৰচয়িতা ৺দেৱদত্ত গোস্বামী (দেৱ অধিকাৰী) সিংহদত্তৰ ভ্ৰাতৃ আৰু অসমীয়া জন সাহিত্যত বিশেষ অনুৰাগী, সমালোচক ডঃ শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী অধিকাৰীদেৱৰ পুত্ৰ। আমাৰ বিশেষ অনুৰোধত তেওঁ এই চমু জীৱনী যুগুতাই দিছে।

—অ—হা

কৃতী শিক্ষাবিদ

হৰমোহন দাস

মানুহৰ জীৱনত যদি কোনো এটি সুনিৰ্দ্দিষ্ট লক্ষ্য থাকে, আৰু সেই লক্ষ্যত উপনীত হ'বলৈ যদি আত্মবিশ্বাস থাকে তেন্তে বাটৰ হেঙাৰ আপোনাআপুনি নাইকীয়া হয়। হৰমোহন দাসদেৱৰ জীৱনৰ লক্ষ্য আছিল এজন কৃতী শিক্ষক হোৱা। তেওঁ সঁচাকৈয়ে যে এজন কৃতী শিক্ষক হৈছিলগৈ সেইকথাত সন্দেহৰ থল নাই। তেওঁ পঢ়োৱা ছাত্ৰসকলে আজিও তেওঁক কৃতজ্ঞতাৰে আৰু শ্ৰদ্ধাৰে স্মৰণ কৰে। অৱশ্যে হৰমোহন দাস দেৱৰ পৰিচয় কেৱল এজন কৃতী শিক্ষক হিচাপেই নহয়, তেওঁ আছিল একেধাৰে সাহিত্যিক, শিক্ষাবিদ্, পাঠ্য-পুথি প্ৰণেতা, নিঃস্বাৰ্থ সমাজসেৱক আৰু এজন উদাৰ ধৰ্ম্মপ্ৰাণ বৈষ্ণৱ।

হৰমোহন দাসদেৱৰ জন্ম হৈছিল ১৮১২ শকৰ ৭ আহাৰৰ (ইংৰাজী ১৮৯০ চনৰ ২০ জুন) দিনা কামৰূপ জিলাৰ প্ৰসিদ্ধ শুৱালকুছি গাঁৱত। জন্মৰ পঞ্চম দিনাই তেওঁ মাতৃস্নেহৰ পৰা চিৰদিনলৈ বঞ্চিত হ'ল। খ শ্ৰেণী পাওঁতেই দেউতাক ললিত মোহন দাসৰো পৰলোক হয়। ধৰ্ম্মপ্ৰাণ দেউতাক আৰু কুল-গুৰু মায়ামৰা মহন্তৰ প্ৰভাৱ দাসদেৱৰ ওপৰত যথেষ্ট পৰিমাণে পৰিছিল। ১৯০২ চনত মাহে তিনি টকাকৈ জলপানী লৈ তেওঁ প্ৰাইমাৰী পৰীক্ষাত উত্তীৰ্ণ হ'ল। তাৰ পিছত ঘাটমাউৰা হৰমোহন দাসে দদায়েক সোণাৰাম ৰাজমেধি ডাঙৰীয়াৰ ঘৰত থাকিয়েই

পঢ়া-শুনা কৰি মেট্ৰিকৰ দেওনাখনো এদিন পাৰ হ'ল। নানা আলৈ আহুকালৰ মাজেদি কটন কলেজৰ পৰাই তেওঁ বি, এ পৰীক্ষাতো এসময়ত উত্তীৰ্ণ হ'ল। কলেজত পঢ়া কালছোৱাত তেওঁ নানা অনুষ্ঠানৰ লগত জড়িত হৈ পৰিছিল। যেতিয়াই য'ত ধৰ্ম্মালোচনী সভা আদি হৈছিল তেখেতে তাত যোগ দিছিল আৰু ৰচনা আদিও পাঠ কৰিছিল।

চাকৰি-জীৱনত হৰমোহন দাসদেৱে ডিব্ৰুগড়, তেজপুৰ, গুৱাহাটী আদি বিভিন্ন ঠাইৰ স্কুলত শিক্ষকতা কৰিছিল। তেজপুৰ হাই-স্কুলৰ প্ৰধান শিক্ষক হৈ থকা কালছোৱাত স্কুলখনৰ সৰ্ব্বাঙ্গীন উন্নতি দেখি স্কুল-পৰিদৰ্শকসকলে বৰ সন্তুষ্টি প্ৰকাশ কৰিছিল। তেওঁৰ আশাশুধীয়া যত্নৰ ফলতেই প্ৰতি বছৰে সেই স্কুলৰ লৰাই বৃত্তি পাবলৈ ধৰিলে। সেই সময়তে তেওঁ ঢাকালৈ গৈ শিক্ষা-দানৰ প্ৰশিক্ষন লৈ আহিল। এই প্ৰশিক্ষণতো তেওঁ সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। ইয়াৰ পিছত তেওঁ ক্ৰমে গুৱা-হাটীৰ মাণিক চন্দ্ৰ বৰুৱা মধ্য ইংৰাজী স্কুল, সোণাৰাম হাইস্কুল আৰু কলেজীয়েট হাইস্কুলত শিক্ষকতা কৰি চৰকাৰী চাকৰিৰ পৰা অৱসৰ লৈ গুৱাহাটীৰ ডনবস্কো হাইস্কুলৰ প্ৰধান শিক্ষক হৈছিল। কৃত্তিত্বেৰে শিক্ষকতা কৰি এই ডনবস্ক স্কুলৰ পৰাই তেওঁ ১৯৫৩ চনত শিক্ষকতা কামৰ পৰা বিদায় গ্ৰহণ কৰে।

স্কুলৰ কামৰ পৰাহে তেওঁ অৱসৰ গ্ৰহণ কৰিলে; অন্যান্য কৰ্ম্মক্ষেত্ৰত কিন্তু ব্যস্ততাৰে সোমাই পৰিল। ১৯৫৬ চনত তেওঁ বৃন্দাবনৰ থিয়লজিকেল বিশ্ববিদ্যালয়ৰ পৰা 'মাষ্টাৰ অৱ থিয়লজি, বা ধৰ্ম্মাচাৰ্য্য উপাধি লাভ কৰে। বৈষ্ণৱ দৰ্শন সম্বন্ধে তেওঁৰ ব্যাপক অধ্যয়ন আৰু বিস্তৃত জ্ঞান আছিল। হাতেলিখা অৱস্থাতে অসমৰ বৈষ্ণৱ দৰ্শন সম্বন্ধে বহু টোকা, প্ৰবন্ধ ইত্যাদি তেওঁৰ অপ্ৰকাশিত হৈয়েই থাকিল।

তেওঁৰ কৰ্ম্মবহুল জীৱনলৈ লক্ষ্য কৰিলে আচৰিত নহৈ নোৱাৰি। কিমান যে ৰাজহুৱা অনুষ্ঠান, সভা-সমিতি আদিৰ লগত তেওঁ জড়িত আছিল তাৰ লেখ নাই। তেজপুৰত থকা কালছোৱাৰ ভিতৰতে তেওঁ অফিচাৰ বেঙ্ক খুলি তাৰ ছেক্ৰেটেৰীৰ দায়িত্ব লৈছিল। মৃতপ্ৰায় অঃ ভাঃ উঃ সাঃ সভাক সম্পাদকৰ দায়িত্ব লৈ পুনৰ সঞ্জীৱিত কৰিছিল। ১৯২৯ চনত তেওঁ গুৱাহাটীত অঃ ভাঃ উঃ সাঃ সভাৰ সম্পাদক আছিল। সেইসময়তে কামৰূপ অনুসন্ধান সমিতিৰ লগতো তেওঁ জড়িত আছিল। ১৯৩৩ চনত বৰোদাত বহা আৰু ১৯৪১ চনত হায়দৰাবাদত বহা সদৌ ভাৰত প্ৰাচ্য সন্মিলনত কামৰূপ অনুসন্ধান সমিতিৰ প্ৰতিনিধি স্বৰূপে যোগ দিয়ে। ১৯৪৬ চনত গঠন হোৱা গুৱাহাটীৰ 'মহাপুৰুষীয়া ধৰ্ম্ম সমাজ'ৰ সম্পাদক, ১৯৪৭ চনত গঠন হোৱা 'অসম জাতীয় উৎসৱ সমিতি'ৰ সম্পাদক, ১৯৪৯ চনত গঠন হোৱা গুৱাহাটীৰ শ্ৰীমন্ত শঙ্কৰ সংস্কৃতি আৰু সমাজ সেৱা প্ৰচাৰ সমিতিৰ যুটীয়া সম্পাদক ক্ৰমে হৰমোহন দাসদেৱেই আছিল। ক্ৰমাৎ জৰাজীৰ্ণ অৱস্থা প্ৰাপ্ত হোৱা কোচবিহাৰৰ মধুপুৰ সত্ৰৰ পুনৰ নিৰ্ম্মাণ কমিটীৰ সভাপতিৰ পদ গ্ৰহণ কৰিছিল বাগ্মীৱৰ নীলমণি ফুকন ডাঙৰীয়াই আৰু সম্পাদকৰ দায়িত্ব বহন কৰিছিল হৰমোহন দাসদেৱে। ১৯৫৩ চনত তেওঁৰ ঘৰত ডঃ সূৰ্য্যকুমাৰ ভূঞা, দেবেন্দ্ৰ নাথ বড়া, অধ্যাপক চন্দ্ৰ নাথ কলিতা (বৰা) হৰিনাথ পাঠক চৌধুৰী, শ্ৰীকমলেশ্বৰ চলিহা, শ্ৰীবিচিত্ৰ নাৰায়ণ দত্তবৰুৱা, শ্ৰীপ্ৰসন্নলাল চৌধুৰী প্ৰমুখ্যে কেই-গৰাকীমান ধৰ্ম্মপ্ৰাণ ব্যক্তি গোট খাই এখন সভা পাতে— শ্ৰীমন্ত শঙ্কৰদেৱৰ অমূল্য ৰত্নৰাজিৰ স্বৰূপ বাণী সমূহৰ বহুল প্ৰচাৰৰ উদ্দেশ্য লৈ। এই সভাই জন্ম দিলে শঙ্কৰ কৃষ্টি বিকাশ সমিতিৰ। এই সমিতিৰ সভাপতি আছিল লোকবন্ধু ডঃ ভুবনেশ্বৰ বৰুৱা, সম্পাদকৰ দায়িত্ব বহন কৰিছিল হৰমোহন দাসদেৱে।

গাৱঁত জন্ম লাভ কৰি নগৰত শিক্ষা-দীক্ষা লৈ চাকৰিত সোমাই বহুতে ওপজা গাওঁখনক পাহৰি যায়। কিন্তু হৰমোহন দাসদেৱৰ আছিল ইয়াৰ ব্যতিক্ৰম। শুৱালকুছি গাওঁখনক শিক্ষাক্ষেত্ৰত আগুৱাই নিবলৈ সততে তেওঁ যত্ন কৰিছিল। শুৱালকুছি হাইস্কুলখন স্থাপন হোৱাৰ গুৰিতো তেওঁৰ অৰিহনা কোনেও পাহৰিব নোৱাৰে। শুৱালকুছি গাওঁখনেও তেওঁক পাহৰা নাই। তাৰ প্ৰমাণ শুৱালকুছি গাৱঁৰ প্ৰাথমিক স্কুলখনৰ নাম 'হৰমোহন দাস বিদ্যাপীঠ'।

হৰমোহন দাসদেৱে যথেষ্ট সংখ্যক কিতাপ লিখি থৈ গৈছে। তেওঁ লিখা কিতাপবোৰ ঘাইকৈ দুটা ভাগত ভগাব পাৰি। এভাগ পঢ়াশলীয়া পাঠ্যপুথি আৰু আনভাগ ধৰ্ম্মমূলক পুথি। ইয়াৰ উপৰিও তেওঁ গল্প, জীৱনী আদিও লিখিছিল। পাঠ্যপুথি লিখিবলৈ লোৱাৰ বিষয়ে দাসদেৱে নিজেই লিখি থৈ গৈছে—

"ঢাকাৰ পৰা এল-টি পাছ কৰি অহাৰ পিছত শিক্ষা প্ৰণালীৰ বহু অভিজ্ঞতা জন্মে। কলেজত যেনেকৈ শিকি আহিছিলো, তেনেধৰণে পঢ়ুৱাব পাৰিলে শিক্ষাৰ মান ভাল নহৈ নোৱাৰে। কলেজত শিকি অহা ধৰণে প্ৰতিটো বিষয়ৰ টোকা লিখি লিখি ছাত্ৰ বিলাকক শ্ৰেণীত পঢ়ুৱাবলৈ ধৰিলোঁ। পঢ়াওঁতে কোনো কোনো বিষয়ৰ পাঠ্যপুথিৰ বিষয়বোৰ অসম্পূৰ্ণ আৰু অসাৰ যেন লাগিল। বিশেষকৈ এঙলো আসামীজ ট্ৰেনশ্লেছন, গ্ৰামাৰ আৰু কম্পজিছন এই বিষয় কেইটাৰ সম্বন্ধে মই দকৈ ভাবিবলৈ ধৰিলো। কেনেকৈ পঢ়ুৱালে ছাত্ৰহঁত বেছি উপকৃত হয় সেই চিন্তাই মোৰ লগ নেৰা হ'ল। মই প্ৰতিটো বিষয়ৰে টোকা লিখি যাবলৈ ধৰিলোঁ। য'তে লৰাহঁতে বুজিবলৈ টান পায়, ত'তে সহজ ভাষাৰে বুজাবলৈ চেষ্টা কৰিলো, লগতে টোকা ৰাখি গ'লো। এইদৰে শ্ৰেণীত পঢ়ুৱাবলৈ কৰা টোকাবোৰ গোটালে

এখন কিতাপ হ'ব পাৰে, এনেকুৱা ধাৰণা হ'ল।

এম, চি, এম, ই স্কুলত প্ৰধান শিক্ষক হৈ থকা সময়ত হৰমোহন দাসদেৱ তেতিয়াৰ কাৰ্জন লাইব্ৰেৰীৰো পুথিভঁৰালী আছিল। পুৱা-গধূলি তাত কাম কৰি থকা সময়ছোৱাত তেওঁ কিতাপ লিখিবলৈ আৰু চিন্তা-চৰ্চ্চা কৰিবলৈ সুযোগ পালে। তেওঁ লিখা গ্ৰামাৰ, ট্ৰেনশ্লেচন, কম্পজিচন আদি এখন এখনকৈ স্কুলৰ পাঠ্য-পুথি মনোনীত হ'ল। দাসদেৱে লিখা স্কুলীয়া পাঠ্য-পুঠিৰ তালিকা-খনত, এনে পাঠ্য-পুথি প্ৰায় ডেৰকুৰিখন। ল'ৰা ছোৱালীক প্ৰকৃত শিক্ষা দিয়াটোৱে তেখেতৰ জীৱনৰ যেন এটা পৱিত্ৰ ব্ৰত আছিল, আৰু এই ব্ৰত সফলো হৈছিল।

তেওঁ ৰচনা কৰা ধৰ্ম্মমূলক পুথিসমূহ হ'ল—শ্ৰীকৃষ্ণ, শ্ৰীক্ষেত্ৰ, মহাপুৰুষ, জন্মোৎসৱ, শ্ৰীমন্ত শঙ্কৰৰ একশৰণ নাম-ধৰ্ম্ম, মিনতি, নীতি, জন্মাষ্টমী, শ্ৰীমন্ত শঙ্কৰ, শ্ৰীমন্ত শঙ্কৰৰ অৱদান, Contribution of Srimanta Sankaradeva, Sankardeva—a study আৰু Jonmastami and Bhakti cult, ইয়াৰ বাহিৰেও তেওঁ সম্পাদনা কৰিছিল অসমীয়া, ইংৰাজী আৰু হিন্দী অনুবাদ সহ নামঘোষা পুথিখন। মহাপুৰুষ শঙ্কৰদেৱ আৰু শঙ্কৰদেৱৰ দ্বাৰা প্ৰবৰ্ত্তিত ভাগৱতী বৈষ্ণৱ ধৰ্ম্মৰ ওপৰত সহজ-সৰল ভাষাৰে, সকলোৱে বুজিব পৰাকৈ ৰচনা কৰা দাসদেৱৰ পুথি কেইখনে যথেষ্ট আলোকপাত কৰিছে। 'মহাপুৰুষ' পুথিখনত শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰ দেৱ আৰু হৰিদেৱৰ জীৱনী থুপতে লিখা হৈছে। লগতে 'অসমত বৈষ্ণৱ ধৰ্ম্ম' আৰু 'অসমীয়া সাহিত্যত শ্ৰীশঙ্কৰ-মাধৱৰ স্থান' নামৰ দুটি ভাৱগধুৰ প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে। মহাপুৰুষ কেইজনাৰ জীৱনৰ সুমহান কীৰ্ত্তিসমূহ জুকিয়াই পুথিখনিত আলোচনা কৰা হৈছে।

'শ্ৰীমন্ত শঙ্কৰৰ একশৰণ নাম-ধৰ্ম্ম' নামৰ পুথিখনিত মহাপুৰুষ

শঙ্কৰদেৱে প্ৰৱৰ্ত্তন কৰা একশৰণ নাম ধৰ্ম্ম নে কি—তাকেই কীৰ্ত্তন দশম, ভাগৱত-গীতা আদিৰ পৰা উদ্ধৃতি দি বুজোৱা হৈছে। 'শ্ৰীমন্ত শঙ্কৰ' পুথিখনিতো শঙ্কৰী ধৰ্ম্মৰ বিশদ ব্যাখ্যা কৰা হৈছে।

'শ্ৰীমন্ত শঙ্কৰৰ অৱদান' পুথিখনিত অসমৰ ধৰ্ম্ম, সমাজ আৰু জাতীয় জীৱনলৈ মহাপুৰুষজনাৰ বহুমূলীয়া অৱদানৰ কথাই উল্লেখ কৰিছে। এই ক্ষুদ্ৰ পুথিখনিৰ আৰম্ভণিতে লিখকে কোৱা কথা কেইষাৰ উল্লেখযোগ্য—"বৰ্ত্তমান সমাজে বিচাৰে ন্যায়, নৈতিকতা, মানৱ ধৰ্ম্ম; বিচাৰে জনশিক্ষা, জনসেৱা, মিলিত প্ৰাৰ্থনা, অস্পৃশ্যতা বৰ্জ্জন; বিচাৰে গাওঁ সংগঠন, সমবায় সমিতি, লোকতান্ত্ৰিক ৰাজনীতি। শ্ৰীমন্ত শঙ্কৰে মানৱ অন্তৰে বিচৰা এই সকলো কথা ধৰ্ম্মৰ জৰিয়তে সত্ৰানুষ্ঠানৰ মাজেৰে প্ৰকাশ কৰি গৈছে।"

তেওঁ ইংৰাজীতে লিখা পুথিকেইখন হায়দৰাবাদ, আহমেদাবাদ, আন্নামালয়ত অনুষ্ঠিত হোৱা প্ৰাচ্য সন্মিলনত পাঠ কৰা হৈছিল।

হৰমোহন দাসদেৱৰ জীৱনৰ এটি মহৎ কীৰ্ত্তি হ'ল মহাপুৰুষ মাধৱদেৱৰ নামঘোষা পুথিখন হিন্দী আৰু ইংৰাজী অনুবাদ সহ প্ৰকাশ কৰা। অনুবাদ কৰাৰ উপৰিও স্থান বিশেষে বিভিন্ন ধৰ্ম্ম-শাস্ত্ৰৰ উদ্ধৃতি সমূহেৰে গ্ৰন্থখনিৰ সৌষ্ঠৱ বঢ়োৱা হৈছে। গ্ৰন্থখনিৰ 'আগকথা'ত তেতিয়াৰ ভাৰতৰ ৰাষ্ট্ৰপতি ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ মন্তব্যখিনি মূল্যবান।

পাঠ্যপুথি আৰু ধৰ্ম্মমূলক পুথিকেখনৰ বাহিৰেও 'পঞ্চতীৰ্থ' আৰু 'অদ্ভুত গল্প' নামৰ দুখন গল্প পুথি, গুৱালকুছিৰ হাটীসত্ৰৰ অধিকাৰ সাধু বুদৰাম মহন্তৰ জীৱনী 'সাধু বুদৰাম মহন্ত' 'সাহিত্য তত্ত্ব' নামৰ সাহিত্যৰ ভাৱ, ৰস, গুণ, অলঙ্কাৰ, ছন্দ আদিৰ ওপৰত লিখা বিবিধ প্ৰবন্ধৰ সংকলন আদি পুথিও হৰমোহন দাসদেৱৰ অন্যান্য ৰচনা। কেইখনমান অপ্ৰকাশিত পুথি হ'ল—তত্ত্বকথা,

বিশেষ তত্ত্ব, বৈষ্ণৱ তত্ত্ব, গীতা ভাগৱত, কীৰ্ত্তন নামঘোষা, শাস্ত্ৰৰ সাৰ সংগ্ৰহ, প্ৰভৃতি।

পৃথিবীত কিছুমান মানুহ আছে যাৰ সদায়েই সময়ৰ নাটনি; অথচ সেইসকলে জীৱনত দেশৰ কাৰণে দহৰ কাৰণে একো অৰিহণাও যোগাব নোৱাৰে। ইফালে আকৌ আৰু কিছুমান মানুহ আছে যিসকলে এটা সীমিত জীৱনৰ ভিতৰতে নিজৰ কাৰণে, পৰিয়ালৰ কাৰণে, সমাজৰ কাৰণে নানা জন হিতকৰ কাম কৰি যাব পাৰে। হৰমোহন দাস এই দ্বিতীয় শ্ৰেণীৰ লোক আছিল। জীৱনৰ প্ৰতিটো কাম তেওঁ ঘড়ীৰ কাটা ধৰি কৰিছিল। তেওঁ যেন এজন কৰ্ম্মযোগী আছিল। কৰ্ম্ম আৰু জ্ঞান অৰ্জ্জনৰ নীৰৱ সাধানাত তেওঁ জীৱন ঢালি দিছিল। এইজন ধৰ্ম্মপ্ৰাণ কৰ্ম্মী পুৰুষৰ মৃত্যু হয় ইংৰাজী ১৯৫৭ চনৰ ২০ ফেব্ৰুৱাৰীৰ দিনা তেওঁৰ গুৱাহাটী পানবজাৰৰ বাসভৱনত।

—শ্ৰীমঞ্জুমালা দাস

নীৰৱ সাহিত্যসেৱী

অম্বিকানাথ বৰা

গুৱাহাটীৰ বিখ্যাত বৰা পৰিয়ালৰ গুৰিগছ আছিল তেজপুৰৰ অন্তৰ্গত নদুৱাৰ অঞ্চলৰ হেৰাপোৱা গাৱঁত। এই বংশৰে জীউৰাম বৰবৰা স্বৰ্গদেৱ গৌৰীনাথসিংহৰ আজ্ঞানুসাৰে বিষয়বাব লৈ গুৱাহাটীলৈ উঠি আহে আৰু তেতিয়াৰ পৰাই তেওঁলোকৰ পৰিয়াল তেজপুৰীয়া গুচি গুৱাহটীয়া হয়। জীউৰাম বৰবৰাৰ পুত্ৰ ৰাধানাথে 'মানুৰ দিনৰ বৰবৰা' আখ্যা পাইছিল। এই ৰাধানাথৰ পুত্ৰই আছিল অসমীয়া কৃতী কথা-সাহিত্যিক সত্যনাথ বৰা ডাঙৰীয়া। বৰা ডাঙৰীয়াৰ গুৱাহাটীৰ পূৰ্ব্বস্থান আছিল ভৰলু নৈৰ পূবপাৰত, ৰেল আলিৰ ওচৰতে। তাৰ পৰা তেওঁ উজান বজাৰৰ দীঘলীপুখুৰীৰ পূৱপাৰৰ আহল-বহল হাউলি এটাত থিতাপি লাগেহি। আজিও তেওঁৰ বাসভৱন বিশেষ পৰিবৰ্ত্তন নোহোৱাকৈ বহু পুৰণি স্মৃতি বুকুত লৈ একেভাবে আছে। সত্যনাথৰ পত্নী ভুবনেশ্বৰী বৰাণী এগৰাকী মাজ্জিত ৰুচিৰ তিৰোতা আছিল। তেওঁ এগৰাকী বিখ্যাত নামতী আছিল আৰু 'বিয়া নাম' নামেৰে এখনি পুথি সংকলন কৰি উলিয়াইছিল। এৱেঁই গনেশ-কাৰ্ত্তিকৰ দৰে দুটি যোগ্যবান পুত্ৰ অম্বিকানাথ আৰু জ্ঞাননাথৰ মাতৃদেৱী। তাহানি গুৱাহাটীত উকিলৰ ঘৰ বুলিলে সতানাথ বৰাৰ ঘৰকেই বুজা গৈছিল। সত্যনাথ বৰা আছিল সত্যৰ প্ৰতীক। তেওঁ জুখি-মাখি সংসাৰ যাত্ৰা নিৰ্ব্বাহ কৰিছিল। তেওঁ আছিল নামে-কামে অসমীয়া সাহিত্যৰ প্ৰকৃত 'সাৰথি'।

দেউতাক সত্যনাথ বৰা অসমীয়া গদ্য-সাহিত্যৰ যুগস্রষ্টা, আৰু ভায়েক জ্ঞাননাথ বৰাৰ অনুপাতে অম্বিকানাথ বৰা দেৱক আজিৰ অসমৰ বহুতে হয়তো ভালদৰে নেজানে আৰু নজনাটো স্বাভাৱিক, কিয়নো তেওঁ জীৱনৰ বেছিভাগ কাল অসমৰ বাহিৰতে কটাই গ'ল। সেইবুলি অম্বিকানথ বৰাই পোনপটীয়াভাৱে নহ'লেও পৰোক্ষভাৱে আৰু অন্তৰালৰ পৰা অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়োৱা বৰঙণি মূল্যৱান আৰু স্মৰণযোগ্য।

জীৱন-যুদ্ধত বিজয়ী হ'বলৈ নিজৰ জীৱনৰ বাস্তৱ অভিজ্ঞতাৰে পুষ্ট সত্যনাথৰ 'সাৰথি' পুথিয়ে সকলো সংসাৰ-যাত্ৰীকে আচল-পিছল বাট চিনাই দিছিল। 'সাৰথি'ৰ নীতিবচনবোৰ অম্বিকা আৰু জ্ঞানৰ কাৰণেও যে বেদৰ বচন তুল্য হৈছিল, সেই কথা কোৱাৰ সকাম নাই। শান্তিপ্ৰিয় সত্যনাথৰ ঘৰখনত অশান্তিয়ে ভুমুকি মাৰিবলৈ কোনো দিনে সুৰুঙা পোৱা নাছিল। তাত কোনো হাই-উৰুমিৰ ঠাই নাছিল, অভাৱ-অনাটন নাছিল, আজিকালিৰ এশ-এবুৰি সমস্যাও নাছিল। আছিল তাত কৰ্ত্তব্যনিষ্ঠা, সদালাপ, সজ চিন্তা আৰু আছিল তাত অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ অৰ্থে নানা তৰহৰ প্ৰচেষ্টা। সেইকালৰ অসম বিখ্যাত ডা-ডাঙৰীয়া-সকলৰ কোনো কোনো সত্যনাথৰ ঘৰত আলহী হৈ আছিল। তদুপৰি অসমীয়া সাহিত্যৰ 'জোনাকী যুগ'ৰ জেউতি চৰোৱা সু-প্ৰসিদ্ধ 'জোনাকী' কাকতখনে কলিকতাৰ পৰা আহি সত্যনাথৰ সম্পাদনাত গুৱাহাটীত থিতাপি লাগিছিল। নিজৰ ঘৰতে এনে এটা লোভনীয় সাহিত্য পৰিৱেশৰ মাজত অম্বিকানাথ আৰু জ্ঞাননাথে তেওঁলোকৰ শৈশৱ জীৱন অতিবাহিত কৰিছিল। সত্যনাথ বৰাৰ চ'ৰাঘৰতে তেতিয়া 'একতা সভা' নামেৰে এখনি ছাত্ৰ অনুষ্ঠানৰ জন্ম হৈছিল। এই অনুষ্ঠানৰ গুৰি ধৰোঁতাসকলৰ ভিতৰত অম্বিকানাথ বৰাও আছিল। তাত তেওঁ ৰচনা পঢ়িছিল, স্বৰচিত

কৰিতা পঢ়িছিল আৰু বক্তৃতা দিবলৈ অভ্যাস কৰিছিল। এই সভাৰ মুখপত্ৰ হাতেলিখা আলোচনী 'অৰুন্ধতী'ত অম্বিকা-জ্ঞানে প্ৰথম সাহিত্যিক পদক্ষেপ কৰিছিল। সৰ্বেশ্বৰ শৰ্মাকটকী, উমেশচন্দ্ৰ চৌধাৰী, গণেশচন্দ্ৰ হাজৰিকা, দৈৱচন্দ্ৰ তালুকদাৰ, লক্ষ্মীনাথ দাস প্ৰভৃতি পিছত প্ৰসিদ্ধ হোৱা এচাম অসমীয়া ছাত্ৰৰ সেই 'একতা সভা'ই আৰু হাতে লিখা 'অৰুন্ধতী' কাকতে সাহিত্য-সেৱা, সমাজ-সেৱা আৰু দেশসেৱাৰ কঠীয়াতলী আছিল। ১৯১০ চনত অম্বিকানাথে গুৱাহাটীৰ কলেজিয়েট স্কুলৰ পৰা প্ৰৱেশিকা আৰু ১৯১৬ চনত কটন কলেজৰ পৰা বি-এ, মহলাত উঠে।

গুৱাহাটীত কলেজীয়া শিক্ষা সাং কৰি তেওঁ কলিকতাত পঢ়িবলৈ যায় আৰু তেতিয়াৰ পৰাই তেওঁৰ প্ৰৱসুৱা জীৱন আৰম্ভ হয় বুলি ক'ব পাৰি। মহানুভৱ অসমহিতৈষী ছাৰ আশুতোষ মুখোপাধ্যায়ৰ বিশেষ পৃষ্ঠপোষকতাত প্ৰথমতে 'বেঙ্ক অব বেঙ্গল'ত আৰু তাৰ পিছত ১৯১৯ চনত বিখ্যাত 'মাৰ্টিন কোম্পানী'ৰ চাকৰিয়াল হোৱাৰ উপৰিও কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ অসমীয়া বিভাগৰ অধ্যাপক হিচাপে অম্বিকানাথে নিযুক্তি পায়। এইদৰে কলিকতাত তেওঁৰ জীৱিকাৰ সংস্থান হয় আৰু লগতে শিক্ষকতাৰ যোগেদি অসমীয়া ভাষা-সাহিত্যক সেৱা কৰিবলৈ সুবিধা মিলিল। ছাত্ৰ অৱস্থাৰে পৰা অম্বিকানাথে কবিতা ৰচনা কৰিছিল, দুই এটা প্ৰবন্ধও লিখিছিল। সেইবোৰ পিছত গোহাঞি বৰুৱা সম্পাদিত উষা আৰু আন আন আলোচনীত প্ৰকাশ হৈছিল। কলিকতাত থাকি তেওঁ বিশ্ববিদ্যালয়ৰ বাণিজ্য বিষয়ৰ এম, এ, মহলাতো উত্তীৰ্ণ হয়। অম্বিকানাথৰ পত্নী উত্তৰ গুৱাহাটীৰ শিল সাকোৰ মজিন্দাৰ বৰুৱা বংশ গোবিন্দৰাম বৰুৱাৰ জীয়াৰী শ্ৰীমতী গুণৱতী বৰা।

এইখিনিতে উল্লেখ কৰিব পাৰি যে গুৱাহাটীৰ একতা সভা,

কটন কলেজৰ এ-এছ-এল ক্লাব আৰু কলিকতাৰ এ-এছ-এল ক্লাব এই ত্ৰিমাতৃয়ে অসম ছাত্ৰ সন্মিলনৰ জন্ম দিছিল। সেই সুপ্ৰসিদ্ধ অসম ছাত্ৰ সন্মিলনক জন্মৰ কালতে যিসকল তেতিয়াৰ ছাত্ৰে কোলাত তুলি লৈছিল সেইসকলৰ ভিতৰত অম্বিকানাথো আছিল, জ্ঞাননাথো আছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্মৰ বহুবছৰ পূৰ্বেই বৰাই যেতিয়া কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া সাহিত্যৰ অধ্যাপনাৰ দায়িত্ব গ্ৰহণ কৰে, তেতিয়া বিশ্ববিদ্যালয়ৰ মহলাত অসমীয়া সাহিত্যই ন্যায্য স্থানত অধিষ্ঠিত হ'ব পৰা নাছিল। অসমীয়া সাহিত্য এম-এত নাছিল, অনাৰ্ছত নাছিল, দ্বিতীয় ভাষা স্বৰূপেও নাছিল, আনকি প্ৰৱেশিকা মহলাৰ বাবেও এতিয়াৰ দৰে বিধে বিধে নিৰ্দ্দিষ্ট অসমীয়া সাহিত্যৰ পাঠ্যপুথি নাছিল। উপযুক্ত অসমীয়া পাঠ্যপুথিৰ অভাৱেই আছিল, ঘাই হেঙাৰ। সেই হেঙাৰ আঁতৰাবলৈ অহো-পুৰুষাৰ্থ কৰিছিল অম্বিকা বৰাই। সি যিকি নহওক, মহানুভৱ ছাৰ আশুতোষ মুখাৰ্জীৰ সক্ৰিয় সমৰ্থন আৰু অম্বিকানাথ বৰাৰ বহু-বছৰীয়া ক্ৰমাগত প্ৰচেষ্টাৰ ফলতহে কলিকতা বিশ্ববিদ্যালয়ৰ উচ্চতম এম-এ মহলাতো অসমীয়া সাহিত্য গজ্‌গজীয়া হৈ বহিবলৈ সুবিধা পালে। আনকি অনেকে আৰু তেতিয়াৰ অসম চৰকাৰেও এই বিষয়ত বিধিপথালি দিছিল আৰু বৰাৰ প্ৰচেষ্টাত চেঁচাপানী ঢালিছিল। আৰু এজনলোকে ছাতৰ অৱস্থাৰে পৰা এই বিষয়ত আগভাগ লৈ আৰু নিজেও পাঠ্যপুথিৰ অনাটনৰ অভাৱ দূৰ কৰাত বিশেষভাৱে প্ৰচেষ্টা চলাই অসমীয়া ভাষা-সাহিত্যক কলিকতা বিশ্ববিদ্যালয়ৰ ওপৰ মহলাত তুলিবলৈ গা লাগি যত্ন কৰিছিল—সেইজন হৈছে ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা। অৱশেষত অৱহেলিত হৈ চেঁচুকৰ ডেমডেউকা হৈ থকা অসমীয়া সাহিত্যৰ জয়ধ্বজা উৰিল।

কলিকতা বিশ্ববিদ্যালয়ৰ চৌহদত যিসকলে অসমীয়া ভাষা-সাহিত্যক

প্ৰতিষ্ঠা কৰি গ'ল সেইসলকৰ ভিতৰত বৰাদেৱ আৰু ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ নাম চিৰস্মৰণীয় হৈ থাকিব। কলিকতাত এম-এ, শ্ৰেণীত অসমীয়া অধ্যাপনাত বৰাদেৱৰ সহযোগী হৈ আৰু দুগৰাকী সাহিত্যিক আমাৰ কৃতজ্ঞতাৰ ভাজন হৈ আছে। এজন 'বনফুল'ৰ কবি যতীন্দ্ৰনাথ দুৱৰা আৰু আনজন প্ৰাক্তন অধ্যক্ষ শ্ৰীতীৰ্থ নাথ শৰ্ম্মা। এই তিনিজনৰ এজনো অসমীয়া সাহিত্যৰ এম-এ. ডিগ্ৰীধাৰী নহয় যদিও অসমীয়া এম. এ. শ্ৰেণীৰ এমাডিমা অৱস্থাত এওঁলোকেই ভালেকেইজন অসমীয়া সাহিত্যৰ এম-এ. পঢ়িলে। বৰ্ত্তমানে এই কথাটো সহজ যেন লাগিলেও সেই সময়ত নানান কঠিন পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছিল। বৰাই নিজে নানা পুথি পঢ়ি টোকা লিখি ছাত্ৰসকলক নানা প্ৰকাৰ সহায় কৰিছিল আৰু অসমীয়া সাহিত্যৰ উন্নতিৰ হকে গা লাগি খাটিবলৈ অনুপ্ৰেৰণা দিছিল।

আজিকালিৰ দৰে সেই কালত পুৰণি পুথি খনচেৰেক সংক-লিত হৈছিল যদিও মূল্যৱান প্ৰাচীন অসমীয়া পুথি সুসম্পাদিত হৈ প্ৰকাশ হোৱা নাছিল। তেতিয়া অম্বিকানাথ বৰাই মহাপুৰুষ শঙ্কৰদেৱৰ বিৰচিত 'ৰুক্মিণী হৰণ' নাটখন সম্পাদন আৰু প্ৰকাশ কৰি আমাৰ সাহিত্যিক-সমলোচকসকলৰ আগত এটি সজ আদৰ্শ দাঙি ধৰিছিল। এই পুথি বহুবছৰ কলিকতা বিশ্ববিদ্যালয়ৰ পাঠ্য হিচাপে চলিছিল। অঙ্কীয়া নাট-ভাওনা, ব্ৰজাৱলী ভাষা, সূত্ৰধাৰ আদিৰ সম্পৰ্কে বৰাৰ সম্পাদিত 'ৰুক্মিণী হৰণ'ৰ পাত-নিত বিতংভাৱে আলোচনা কৰা হৈছে। বেজবৰুৱা ডাঙৰীয়াই বৰাৰ পুথিৰ পাতনিতে ভেজা লৈ অঙ্কীয়া নাট সম্পৰ্কে এটা আলচ লিখিছিল আৰু তেওঁ বৰাৰ মন্তব্যবোৰতে হয়ভৰ দিছিল।

'অসমীয়া সাহিত্যৰ চানেকী' নামৰ বহুমূলীয়া বিৰাট গ্ৰন্থ খনিৰ লগতো বৰাৰ স্মৃতি ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে।

পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু বৰাদেৱে এই গ্ৰন্থ প্ৰকাশ কৰিবলৈ নেৰোপানি হৈ লাগি বিখ্যাত অসমীয়া সাউদ ভোলানাথ বৰুৱা ডাঙৰীয়াৰপৰা দহ হেজাৰ টকাৰ দান এটি কলিকতা বিশ্ববিদ্যালয়ক দিয়ায়। সেই অনুদান নোপোৱা হ'লে হয়তো এই গ্ৰন্থ প্ৰকাশ কৰাৰ পৰিকল্পনা কলিতে মৰহি গ'লহেতেন। এই গ্ৰন্থৰ এক খণ্ডৰ নিবেদনত বৰাই লিখিছে,—"ভাৰতৰ উজ্জ্বল ৰত্ন ছাৰ আশুতোষ মুখাৰ্জীৰ বহু চেষ্টাৰ ফলত কলিকতা বিশ্ববিদ্যালয়ে যেতিয়া ভাৰতীয় ভাষাবিলাকক এম-এ. মহলাত ঠাই দিলে, তেতিয়া ভাৰতৰ আন আন ভাষাবিলাকৰ লগত অসমীয়া ভাষাকো সেই শাৰীত বহুৱাবলৈ অসমীয়া ভাষা আৰু অসমৰ উচ্চ শিক্ষাৰ পৰম বন্ধু ছাৰ আশুতোষ মুখাৰ্জীয়েই প্ৰথমে প্ৰস্তাব কৰে। যদিও সেই প্ৰস্তাৱত বিশ্ববিদ্যালয়ৰ আন আন বঙালী কৰ্তাসকলে বহুত হকাবধা কৰিছিল তথাপি অসম-বন্ধু মুখাৰ্জী মহোদয়ৰ অহোপুৰুষাৰ্থত তেওঁৰ চেষ্টা ফলৱতী হ'ল আৰু অসমীয়া ভাষাই বিশ্ববিদ্যালয়ৰ সৰ্ব্বোচ্চ মহলাত ভাৰতৰ আন আন ভাষাৰ লগত ঠাই পালে। ১৯১৮ চনত ছেদলাৰ কমিছনৰ লগত ছাৰ আশুতোষ মুখাৰ্জী মহোদয় যেতিয়া গুৱাহাটীলৈ আহে, তেতিয়া গুৱাহাটীত তেওঁ অসমৰ কেইবাজনো গণ্যমান্য সাহিত্যিক আৰু শিক্ষিত মানুহৰ লগত অসমীয়া ভাষা বিশ্ববিদ্যালয়ৰ এম-এ মহলাত তোলাৰ সম্পৰ্কে আলোচনা কৰে আৰু সেই উদ্দেশ্যে অসমীয়া ভাষাৰ আদিৰে পৰা বৰ্ত্তমান সময়লৈকে প্ৰধান প্ৰধান লিখকসকলৰ লিখাৰপৰা অলপ অলপ তুলি গোটাই, এখন পুথি যুগুত কৰাটো স্থিৰ হয়। সেই গুৰুকামৰ ভাৰ আমাৰ প্ৰবীণ সাহিত্যিক, অসমৰ একমাত্ৰ প্ৰত্নতত্ত্ববিদ, পণ্ডিতপ্ৰবৰ শ্ৰীযুক্ত হেমচন্দ্ৰ গোস্বামীদেৱক দিয়া হয়। গোসাঁইদেৱে বহু পৰিশ্ৰম কৰি ১৯২১ চনত সেই পুথি গোটাই বিশ্ববিদ্যালয়ৰ হাতত দিয়েহি। সেই সময়তে অসমৰ কৃতী সন্তান ভাৰতবিখ্যাত স্বৰ্গীয় ভোলানাথ

বৰুৱাই এই পুথি ছপাবলৈ বিশ্ববিদ্যালয়ক দহ হাজাৰ টকা দিবলৈ প্ৰতিশ্ৰুত হয় আৰু তাৰে দুহেজাৰ তেতিয়াই বিশ্ববিদ্যালয়ক দিয়ে। সেই টকাৰে বিশ্ববিদ্যালয়ে নিজৰ প্ৰেছতে পুথি ছপাবলৈ আৰম্ভ কৰে আৰু সেই ছপা কাৰ্য্যৰ তত্বাবধান কৰিবলৈ বিশ্ববিদ্যালয়ৰপৰা আমাৰ ওপৰত ভাৰ দিয়া হয়।”

নক’লেও হ’ব যে বৰা ডাঙৰীয়াই তেওঁৰ ওপৰত ন্যস্ত কৰা ভাৰ সুচাৰুৰূপে পালন কৰিছিল। এই প্ৰসঙ্গতে উল্লেখযোগ্য যে গ্ৰন্থৰ পাণ্ডুলিপিত মহাপুৰুষ শঙ্কৰদেৱ আৰু মহাপুৰুষ মাধৱ-দেৱৰ ৰচনা নাম মাত্ৰহে সঙ্কলিত হৈছিল ; কিন্তু সেই অনুপাতে আন আন কবিৰ ৰচনাই বেছিকৈ ঠাই পাইছিল। আশুতোষ মুখাৰ্জীদেৱে এই অসামঞ্জস্য দেখা পাই অম্বিকানাথ বৰাক মাতি আনি কৈছিল বোলে তোমালোকে দেখোন শঙ্কৰদেৱ আৰু মাধৱদেৱক বৰ ডাঙৰ কবি বুলি কোৱা, পিছে এই গ্ৰন্থত সেইসকলক যথাযোগ্য স্থান দিয়া হোৱা নাই। তুমি ইয়াৰ যথাবিহিত প্ৰতিবিধান কৰিব লাগে। মুখাৰ্জীৰ এই নিৰ্দ্দেশৰ বিষয়ে বৰাদেৱে তত্তালিকে ডঃ বাণীকান্ত কাকতি ডাঙৰীয়াক জনাই শঙ্কৰ-মাধৱৰ ৰচনা সংকলনত তেওঁৰ সহায় বিচাৰে। তাৰ ফল স্বৰূপে কাকতিদেৱে যুগুতাই দিয়া শঙ্কৰ-মাধৱৰ ৰচনাৰ বুজন অংশ ‘অসমীয়া সাহিত্যৰ চানেকী’ত যথাস্থানত বৰাৰ দ্বাৰা অন্তৰ্ভুক্ত কৰা হয় আৰু সি যথা সময়ত বৰাৰ সুসংকলিত আৰু সুসম্পাদিত হৈ পোহৰলৈ ওলায়।

দানবীৰ তাৰকচন্দ্ৰ পালিতৰ বাসভৱনৰ যিটো খোঁটালীত পণ্ডিত আনন্দৰাম বৰুৱাৰ তিৰোধান হৈছিল তাত কলিকতা বিশ্ব-বিদ্যালয়ৰ দ্বাৰা বৰুৱাদেৱৰ স্মৃতিফলক এখন ৰখাৰ দিহা কৰা হয়। এই অনুষ্ঠানৰ লগতো ভোলানাথ বৰুৱাৰ দান আৰু অম্বিকা নাথ বৰাৰ কাৰ্য্যতৎপৰতা উল্লেখযোগ্য। গাম্ভীৰ্য্যপূৰ্ণ ফলক প্ৰতিষ্ঠাৰ উদ্বোধনী উৎসৱো বৰাৰ দ্বাৰা নিয়াৰিকে সম্পাদিত হৈছিল।

কাশী হিন্দু বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগতো অদৃশ্যভাৱে বৰাই লেখতলবলগীয়া বৰঙণি আগঢ়াইছিল।

কলিকতা এ-এছ ল ক্লাবৰ বৰাদেৱ কৰ্ণধাৰ স্বৰূপে আছিল। কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰ চৰাত তেওঁ অকলে অসমীয়া ভাষা সাহিত্যৰ বিভাগটোৰ প্ৰতিনিধিত্ব কৰিছিল, আৰম্ভকমতে মাত মাতিছিল আৰু সময়ে সময়ে যথাবিহিত ব্যৱস্থা হৈছিল। তেওঁ বিশ্ববিদ্যালয় পৰীক্ষা সংক্ৰান্ত বিষয়টোত অসমীয়া সাহিত্যৰ গড় দি গ'ল বুলি কব পাৰি। এনেবোৰ অলিখিত বুৰঞ্জীৰ হিচাপ ৰাখিছে কোনে? এইদৰে অসমৰ বাহিৰত থাকি অসমীয়া ভাষা সাহিত্য, সংস্কৃতিৰ বাবে বৰাই যিখিনি কাম কৰি গ'ল সেই কথা কৃতজ্ঞতাৰে আমি মনত ৰখা উচিত। উৰলি যোৱা পুৰণি যুগ এটাৰ বিষয়ে, বেজবৰুৱা প্ৰমুখ্যে জোনাকী যুগৰ ৰথী-মহাৰথী-সকলৰ বিষয়ে আৰু সেই কালত অসমীয়া ভাষা সাহিত্যৰ ওপৰত ওপৰাউপৰিকৈ হোৱা আক্ৰমণ-প্ৰতিআক্ৰমণবোৰৰ বিষয়ে অম্বিকানাথে বহু কথাই জানিছিল আৰু সেইবোৰ তেওঁ সুৱলাকৈ ৰেহা লগাই ক'ব পাৰিছিল।

১৯৬৮ চনৰ ২৫ এপ্ৰিলৰ দিনা গুৱাহাটীৰ নিজ বাসভৱনত এইজন নীৰৱ সাহিত্যসেৱীৰ মৃত্যু হয়। মৃত্যুৰ সময়ত বয়স হৈছিল ৭৭ বছৰ।

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

প্ৰত্নতাত্ত্বিক

সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী

গবেষক সকলৰ একনিষ্ঠ সাধনাৰ ফলত সম্প্ৰতি অসমৰ বিভিন্ন ঠাইত নতুন লিপি আৰু ভাস্কৰ্য্যৰ প্ৰতীকসমূহ আবিষ্কৃত হবলৈ ধৰিছে আৰু এই আবিষ্কাৰে অসমীয়া সংস্কৃতিৰ ওপৰত নতুন পোহৰ বিচ্ছুৰিত কৰিছে ; কিন্তু এনে সময়তো অসমত প্ৰত্নতত্ত্বৰ গবেষণাৰ বাট মুকলি কৰোঁতা সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকীক পাহৰি থকাটো বৰ দুৰ্ভাগ্যৰ কথা। পণ্ডিত হেমচন্দ্ৰ গোস্বামী প্ৰভৃতিৰ পিছত অসমৰ ভাস্কৰ্য্য আৰু লিপিৰ উদ্ধাৰ কাৰ্য্যত যি সকল ব্যক্তিয়ে পৰম নিষ্ঠাৰে লাগিছিল তেওঁলোকৰ ভিতৰত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকীৰ বৰঙণি বিশেষ মূল্যবান।

গোষ্ঠীৰ ফালৰ পৰা কটকী ৰামায়ণৰ পদ ভাঙোতা 'অপ্ৰমাদী আদি কবি' মাধৱ কন্দলিৰ বংশৰ লগত জড়িত। মাধৱ কন্দলিৰ বংশৰ লোকক লাঙ্গি গোহাঁই ৰজাই প্ৰথমে কটকীৰ নিচিনা দায়িত্ব পূৰ্ণ কামত নিয়োগ কৰিছিল। আৰু সেই অনুসাৰে কন্দলি বংশৰ লোকে পিছত কটকী লিখিবলৈ লৈছিল। পূৰ্ব্বপুৰুষৰ প্ৰভাৱ স্বৰ্গীয় সৰ্ব্বেশ্বৰ কটকীৰ ওপৰতো পৰিছিল আৰু সাহিত্যৰ যোগেৰে দেশ মাতৃকাৰ সেৱা কৰাৰ স্বপ্ন তেওঁ দেখিছিল।

১৮৯২ চনৰ ১৩ জুনত গুৱাহাটীৰ চত্ৰাকাৰত কটকী দেৱৰ জন্ম হয়। তেওঁৰ পিতৃ যোগেশ্বৰ শৰ্ম্মা কটকী আৰু মাতৃ দ্ৰৌপদী দেৱী।

সৰুৰে পৰা এজনা পণ্ডিতৰ তলত তেওঁ সংস্কৃত চৰ্চ্চা কৰিছিল আৰু ইয়াৰ ফলত শিলালিপি আদিৰ পাঠোদ্ধাৰত তেওঁ পিছৰ কালত বিশেষ ধৰণৰ সহায় পাইছিল। ১৯১৪ চনত কলেজিয়েট স্কুলৰ পৰা অসমীয়া গাৰে প্ৰবেশিকা পৰীক্ষা দি দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিল। ১৯১৬ চনত কটন কলেজৰ পৰা তেওঁ আই, এ, পাছ কৰে আৰু সেই কলেজতে বি, এ, পঢ়িবলৈ লয়। ১৯১৮ চনত নানা আহুকালৰ মাজেৰে বি, এ, পৰীক্ষা দিয়ে যদিও উত্তীৰ্ণ হোৱাৰ সৌভাগ্য নহ'ল। আৰ্থিক অনাটনৰ বাবে পুনৰবাৰ পৰীক্ষা দিয়াৰ আশা এৰি দি সেই চনৰে পৰা তেওঁ কমিছনাৰৰ অফিছত আমোলাৰ কাম কৰিবলৈ লয়। পিচত এই চাকৰি এৰি ১৯২১ চনত জুলাই মাহৰ পৰা গুৱাহাটীৰ কলেজিয়েট স্কুলত শিক্ষকৰ কামত ভৰ্ত্তি হয়। মাজতে বিভিন্ন ঠাইত ইটো-সিটো পদবীত কাম কৰিছিল যদিও মৃত্যুৰ আগ মুহূৰ্ত্তলৈ তেওঁ কলেজিয়েট স্কুলতে শিক্ষকতা কৰিছিল।

কটকীদেৱৰ জীৱনৰ প্ৰধান ভূমিকা থাইকৈ দুটা---শিক্ষকতা আৰু সাহিত্য-সেৱা। অসমীয়া সাহিত্যৰ প্ৰতি আগবঢ়োৱা বৰঙণিৰ মাজেৰে সাহিত্য সেৱাৰ দিশ উজ্বলি আছে। কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীত পঢ়ি থাকোঁতেই তেওঁ সেৱালি কবি ৰত্নকান্ত বৰকাকতী, পণ্ডিত হেমচন্দ্ৰ গোস্বামী প্ৰভৃতিৰ লগত পশ্চিম বঙ্গৰ বৰ্দ্ধমানত অনুষ্ঠিত হোৱা "অষ্টম বৰ্ষীয় বঙ্গ সাহিত্য সন্মিলন" চাবলৈ গৈছিল। সেই সন্মিলনত দেখা সাহিত্যিক গোষ্ঠীয়ে তেওঁৰ অন্তৰ দাপোণত গভীৰ ভাৱে ৰেখাপাত কৰিছিল আৰু তেৰেঁা অসমীয়া সাহিত্যৰ সেৱা কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈছিল।

কলেজৰ তৃতীয় বাৰ্ষিকত থাকোতে ১৯১৬ চনত স্কুলীয়া ছাত্ৰৰ উপযোগীকৈ তেওঁ "ইংৰাজী ট্ৰেনশ্লেছন গ্ৰন্থ" এখনি ৰচনা কৰে। সেই গ্ৰন্থখনি বহুদিন ধৰি হাইস্কুল সমুহত পাঠ্য-পুথি ৰূপে চলিছিল। এই গ্ৰন্থই ইংৰাজী শিক্ষাৰ্থীসকলৰ এটি ডাঙৰ অভাৱ পূৰণ কৰিছিল।

স্কুলীয়া শিক্ষার্থীৰ চাহিদা পূৰণৰ অৰ্থে 'মূৰলী', 'ত্রিবেণী', 'মাধুৰী', অসমীয়া সাহিত্য কোষ, সাহিত্য সম্ভাৰ আদি বিবিধ গ্ৰন্থ যুগুত কৰি প্ৰকাশ কৰিছিল। এইবোৰ গ্ৰন্থ পাঠ-পুথিৰূপে মনোনীত হৈছিল আৰু ছাত্র-ছাত্রীৰ বৰ প্ৰেয় হৈ পৰিছিল।

'হেমচন্দ্ৰ বৰুৱাৰ জীৱন চৰিত' আৰু 'সত্যনাথ বৰাৰ জীৱন চৰিত' ৰচনা কৰিও তেওঁ এটি মহৎ কাম সাধন কৰিছে। দুজনা সাহিত্য-গুৰুৰ স্মৃতি গ্ৰন্থৰূপে দুয়োখনি গ্ৰন্থ অসমীয়া ৰাইজৰ মাজলৈ বৰ সহজে বাট পাইছিল। হেমচন্দ্ৰ বৰুৱাৰ জীৱন চৰিত সম্পৰ্কে অসম সাহিত্য সভা পত্রিকাই মন্তব্য কৰিছিল—"এই কিতাপখন পাই আমি বৰ ৰং পাইছোঁ। অনুসন্ধান কাৰ্য্যত আৰু সাহিত্য সেৱাত তেখেতৰ সু-লিখনিৰ পৰিচয় দিছে।"

অসমৰ ভাস্কৰ্য্য, শিলালিপি, লিপি আৰু সংস্কৃতি সম্পৰ্কীয় তেওঁ কেইবাখনো সৰু-বৰ গ্ৰন্থ ৰচনা কৰিছিল। এই গ্ৰন্থবোৰে প্ৰাচীন সভ্যতা আৰু ঐতিহ্যৰ আভাস দিয়াত এক গুৰুত্বপূৰ্ণ অংশ গ্ৰহন কৰিছে। ইবোৰৰ ভিতৰত তত্ব আৰু তথ্য, শিলৰ ফলি, অসমৰ পুৰণি ভাস্কৰ শিল্প, অসমীয়া ভাষা সংকেত, অসমীয়া প্ৰাচীন লিপি, অসমৰ প্ৰাচীন তত্ব, অসমৰ পুৰা তত্ব আৰু স্থাপত্য ধ্বংসাৱশেষ আদি উল্লেখযোগ্য গ্ৰন্থ।

মিলন, আৱাহান আদি আলোচনীত কটকীদেৱে বিভিন্ন তত্ব আৰু তথ্য সম্পৰ্কীয় প্ৰবন্ধৰ যোগান ধৰিছিল। এইবোৰ প্ৰবন্ধৰ তালিকা পৰিশিষ্টত দিয়া হৈছে।

কটকীদেৱ অসম সাহিত্য সভা আৰু সদৌ ভাৰত প্ৰাচ্যবিদ্যা সন্মিলনৰ লগত বিশেষভাৱে জড়িত আছিল। ১৯৩৩ চনৰ উত্তৰ লক্ষীমপুৰত বহা অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাত তেওঁ সভাপতিত্ব কৰিছিল। তেওঁ পাটনা, মহীশূৰ, লক্ষ্ণৌ, হায়দৰাবাদ, কাশী আদি ঠাইত অনুষ্ঠিত হোৱা প্ৰাচ্যবিদ্যা সন্মিলনত প্ৰতিনিধিৰূপে

যোগদান কৰিছিল আৰু এই অধিবেশন সমূহত অসমৰ সংস্কৃতি আৰু ঐতিহ্য সম্পৰ্কে তেওঁ প্ৰবন্ধ পাঠ কৰিছিল। এই প্ৰবন্ধ-সমূহে অনা-অসমীয়ালোকক অসমৰ সংস্কৃতি আৰু প্ৰাচীনতা সম্পৰ্কে জনাত সহায় কৰিছিল। মহীশূৰত বহা প্ৰাচ্যবিদ্যা সন্মিলনৰ সভাপতি কে,এন, দীক্ষিতে কটকী ডাঙৰীয়াৰ অনুসন্ধান কাৰ্য্যৰ প্ৰশংসা কৰি মন্তব্য কৰিছিল—"অসমৰ পৰা সন্মিলনত যোগ দিয়া বীৰ পুৰুষ দুজনাৰ ভিতৰত সৰ্ব্বেশ্বৰ কটকীয়ে পুৰাতত্ব সম্পৰ্কে বক্তৃতা দি অসমত পুৰাতত্ব গবেষণাত বিশেষ উৎসাহ দেখুৱাইছে আৰু নিজৰ গভীৰ জ্ঞানৰ পৰিচয় দিছে।"

কটকীদেৱে অসমৰ বিভিন্ন অঞ্চলৰ পৰা প্ৰাচীন গ্ৰন্থ, কবিৰ সম্পদ, ধাতু নিৰ্ম্মিত বস্তু, প্ৰাচীন নৃত্য কলাৰ আহিলা, প্ৰাচীন যুদ্ধৰ আহিলা, ৰজা দিনীয়া প্ৰাচীন মুদ্ৰা আৰু হাতী দাঁতৰ সম্পদ আদি উদ্ধাৰ আৰু সংগ্ৰহ কৰি কামৰূপ অনুসন্ধান সমিতিৰ ভৰাল চহকী কৰিছিল ।

কটকীদেৱ আছিল শিক্ষক আৰু শিক্ষকৰ জীৱন অভাৱ-অভি-যোগেৰে পূৰ্ণ জীৱন। দৰিদ্ৰতাৰ বিৰুদ্ধে সংগ্ৰাম কৰোঁতে এই জীৱনৰ সকলো শক্তি অপচয় হয় মাথোন। এনেকুৱা দুৰৱস্থাৰ বিৰুদ্ধে সংগ্ৰাম কৰি কটকীদেৱে পৰম উৎসাহ আৰু শক্তিৰে অসমৰ প্ৰাচীন সংস্কৃতিৰ সম্পদ সমূহ উদ্ধাৰ আৰু গবেষণা কাৰ্য্যত ব্ৰতী হৈছিল আৰু এই ক্ষেত্ৰত তেওঁ নিজে এটা বৃহৎ অনুষ্ঠানৰ দৰে পৰম নিষ্ঠাৰে কাম সাধন কৰিছিল । তেওঁ যিমান খিনি কাম কৰিবলৈ মনতে আঁচনি কৰিছিল অকাল আৰু আকস্মিক বিয়োগৰ ফলত তেওঁৰ মনৰ কামনা মনতে মলঙি গ'ল ! অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ এই জনা সেৱকে ১৯৪৬ চনৰ ১০ মেইৰ দিনা মাথোন ৫৪ বছৰ বয়সত জীৱনৰ শেষ নিশ্বাস পেলায়। তেওঁৰ অকাল মৃত্যুয়ে অসমৰ প্ৰত্নতত্বৰ উদ্ধাৰ কাৰ্য্যত যি ক্ষতি কৰিছে সেই ক্ষতি

আজিও অপূৰ্ণ হৈ আছে।

কটকীদেৱৰ বুৰঞ্জীমূলক প্ৰবন্ধাৱলীৰ তালিকা ঃ

(১) আহোমৰ সৌমাৰলৈ আগমন আৰু ৰাজ্য বিস্তাৰ, উষা, ৫ম—৭। (২) লাচিত বৰফুকন, উষা, ৫ম—২৩৫। (৩) অসমৰ শিলালিপি, অসম সাহিত্য সভা পত্ৰিকা, ২য়—১০৬। (৪) হাতীমুৰা পৰ্ব্বতৰ ধ্বংসাৱশেষ, আৱাহন, ১ম—৪১৬। (৫) সদৌ অসম চুতীয়া সন্মিলনৰ শিৱসাগৰত বহা ৪ৰ্থ অধিবেশনৰ সভাপতিৰ অভিভাষণ, আৱাহন, ১ম—৮৮৯। (৬) অসম দেশৰ শিলামূৰ্ত্তি, আৱাহন, ১ম—১৩৫৩। (৭) প্ৰাচীন সচিত্ৰ সাঁচিপতীয়া পুথি, ২য়—৩৮৫। (৮) পঞ্চবিধ প্ৰাচীন সম্ভাৰ, আৱাহন ২য়—১৩০৩। (৯) অসমৰ প্ৰাচীন নৃত্যভঙ্গী, আৱাহন ৪ৰ্থ—৪৪ (১০) প্ৰাচীন নৰসিংহ মূৰ্ত্তি, আৱাহন, ৪ৰ্থ—২৮৬। (১১) কানাই বৰশী শিলালিপিৰ প্ৰতিলিপি, আৱাহন, ৪ৰ্থ—৬৬১। (১২) শিৱসাগৰৰ প্ৰাচীন ভাস্কৰ্য্য, আৱাহন, ৪ৰ্থ—৮৯৩। (১৩) ৺শঙ্কৰদেৱৰ হস্তলিপি, আৱাহন, ৫ম—৮২২। (১৪) দক্ষিণপাটৰ যাদৱৰায়ৰ মন্দিৰ, আৱাহন ৫ম—৯৩৩। (১৫) অসমত বৌদ্ধ শিল্পকলা, আৱাহন, ৬ষ্ঠ—১০১৮। (১৬) গীতগোবিন্দ পুথিত মহাৰাজ ৰুদ্ৰসিংহ (ছবি), আৱাহন ৬ষ্ঠ—১পৃঃ। (১৭) অসমত মূৰ্ত্তি আৰু ভাস্কৰ্য্য প্ৰৱন্ধৰ বিষয়ে কেই আষাৰমান, আৱাহন, ৬ষ্ঠ—৯১১। (১৮) নৱম শতিকাৰ ধ্বংসাৱশেষ আবিষ্কাৰ, আৱাহন, ৮ম—২০৯। (১৯) ওঠৰ শতিকাৰ শিলালিপিৰ প্ৰতিলিপি, আৱাহন, ৮ম—৩০৯। (২০) পুৰণি বৰটোপ আৱিষ্কাৰ, আৱাহন, ৯ম—৩২। (২১) অসম প্ৰাদেশিক মিউজিয়াম, গুৱাহাটী, আৱাহন, ১০ম—৮১। (২২) অসমৰ পুৰণি বৰটোপ, চেতনা, ১ম—৪০। (২৩) সদিয়াৰ শিলৰ খুটা আৰু উমানন্দৰ বিগ্ৰহ লিপি, চেতনা, ২য়—৪৪৪। (২৪) জীয়াজুৰি

বাগিছাৰ ধ্বংসাৱশেষ, ৬ষ্ঠ—২২৭। (২৫) লঙ্কাৰ শিলৰ ফলি আৰু গীতৰ বকলা, আৱাহন, ৬ষ্ঠ—৩৩৭। (২৬) লক্ষ্ণৌ মিউজিয়ামত অসমৰ প্ৰত্ন, জয়ন্তী, ৩য়—৪৩৬। (২৭) পাচ্চা বুৰঞ্জী, বাঁহী, ১৪শ—৪৩৪। (২৮) পেড়া কাকত, বাঁহী, ১৫শ—৫৬। (২৯) দেওপানীৰ শিলামূৰ্ত্তিৰ গন্ত, বাঁহী' ১৭শ—১২৪। (৩০) ৺হেমচন্দ্ৰ গোস্বামীৰ অপ্ৰকাশিত বিবিধ বিষয়ক প্ৰবন্ধ, বাঁহী, ১৭শ—৪০০ (৩১) অসমৰ শিলৰ ফলি, মিলন, ১ম—১৫০। (৩২) অসমীয়াৰ প্ৰাচীন নৌ বিদ্যা, মিলন, ৭ম—১০১।

—শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা

'কাৰাগাৰৰ চিঠি' লিখক

মৌলানা তৈয়ব উল্লা

মোৰ দেউতা মৌলানা তৈয়বউল্লা ছাহেব অসমৰ অসহযোগ আন্দোলনৰ এগৰাকী বিখ্যাত নেতা। 'কাৰাগাৰৰ চিঠি' নামৰ গ্ৰন্থখন অসমীয়া সাহিত্যৰ ভঁৰাললৈ তেওঁৰ অমূল্য দান। আমালৈ লিখা চিঠিৰ পৰাই জয়জয়তে তেওঁৰ বংশ আৰু জীৱনৰ আগ-ছোৱাৰ কথা আষাৰচেৰেক তুলি দিছোঁ। তেওঁ লিখিছে "ইংৰাজী ১৮৯৪ চনত মোৰ জন্মৰ কথা পোনতে মা'ৰ মুখেহে শুনো,—ফাগুন মাহ, প্ৰভাত। উজনি ৰংপুৰত ১৯০৩ চনত মোৰ বাবা মহিয়তউল্লা মৰহুম (স্বৰ্গীয়) ছাহেবৰ হঠাতে মৃত্যু হোৱাত, আমাৰ পৰিয়ালটো নিগাজীকৈ গুৱাহাটীলৈ উঠি আহিবলগীয়া হৈছিল; আৰু সেই বেমেজালিতে বাবাৰ সাঁচি-থোৱা ঘৰুৱা কাকত-পত্ৰবোৰ, পঞ্জী, ছপোৱা বংশাৱলী (কুৰছিনামা) আদি ই-হাত সি-হাত হৈ যে কলৈ গ'ল, তাক পৰিয়ালৰ কেৱেঁ আৰু কব নোৱাৰিলে; সেয়ে, সঠিককৈ মোৰ জন্মৰ দিন আৰু প্ৰহৰৰ বিষয়ে আজিও নেজানো"।

মোৰ ওপজা ঠাই হৈছে গুৱাহাটী। কোনখিনিত জানা নে? কাৰ্জ্জনহলৰ হাউলীতে থকা পূৰ্ব্বৰ আমাৰ নিজ ঘৰত। আমাৰ সেই পুৰণি ঘৰ-ভেটি এৰি, ১৮৯৫ চনতে বৰ্ত্তমান দীঘলীপুখুৰীৰ পূব-পাৰত আৰ্ল ৰোডত নকৈ লোৱা ঘৰ-মাটিলৈ উঠি অহা হৈছিল। আমাৰ পৈত্ৰিক ঠাই হৈছে গোৱালপাৰা নগৰৰ নয়াপাৰা। ককা কা'জী ছাওকতউল্লা ছাহেব আছিল তাৰ হাই-স্কুলৰ ফাৰছি শিক্ষক;

ফাৰছি ভাষা আৰু সাহিত্যত সুপণ্ডিত; সংস্কৃততো। বাবাৰ জন্ম গোৱালপাৰাত, অনুমান ১৮৫৪ চনত,—বাবাৰ হৰি-হৰ বন্ধু স্বৰ্গীয় সাহিত্যিক কমলাকান্ত ভট্টাচাৰ্য্যৰ মুখে শুনামতে। মোৰ বৰজন ককাই হেফাজতউল্লা (কটন কলেজত আই-এ পঢ়ি থাকোঁতে গুৱাহাটীত ঢুকায়, ১৯০৪ চনত) আৰু দ্বিতীয়জন ককাই ছেৰাফত-উল্লা (গোলাঘাটত, বাবা তাত হাকিম হৈ থাকোঁতে শৈশৱতে ঢুকায়) দুয়োৰে জন্ম গোৱালপাৰাতে। আমাৰ পৰিয়ালক কা'জী-পৰিয়াল বুলিছিল। ককা ছাওকতউল্লা ছাহেব সপৰিয়ালে গুৱা-হাটীলৈ উঠি আহিছিল নিগাজীকৈ, অনুমান ১৮৭৩ চনত। গুৱাহাটীত, আমাৰ পুৰণি ভেটিতে তেখেতৰ মৃত্যু হয়। তেখে-তৰ কবৰ আছে আমাৰ ঘৰৰ ওচৰৰ (কোম্পানীবাগান ৰোড আৰু আৰ্ল ৰোডৰ মূৰৰ ৰহমান পৰিয়ালৰ ঘৰুৱা) কবৰস্তানত; দেখিছাই নহয়?" ১৯০৩ চনৰ এপ্ৰিল মাহৰ ১৯ তাৰিখ দেওবাৰে বাবাৰ মৃত্যু হয়, শিৱসাগৰত।"

দেউতাক শিৱসাগৰত হাকিম হৈ থাকোঁতেই মৌলানা তৈয়বউল্লা ছাহাবৰ শিক্ষা আৰম্ভ হয়। প্ৰথমে তেওঁ শিৱসাগৰ গৱৰ্ণমেণ্ট হাইস্কুলত পঢ়িছিল আৰু তাৰ পিছত গোলাঘাট বেজবৰুৱা হাইস্কুলত দিনচেৰেকৰ বাবে শিক্ষা লাভ কৰিছিল। তেওঁ বৰ মেধাবী ছাত্ৰ আছিল আৰু বিশেষকৈ গণিত শাস্ত্ৰত সদায় বেছি নম্বৰ পাইছিল। স্কুলত থাকোঁতে তেওঁ বিশেষকৈ ছেক্সপীয়েৰৰ নাটকত অভিনয় কৰি সকলোৰে পৰা প্ৰশংসা পাইছিল। ১৯০৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কুৰিটকীয়া জলপানী লাভ কৰি কটন কলেজত আই-এছ-চি পঢ়িবলৈ লয়। সেই পৰীক্ষাত অসমত প্ৰথম স্থান অধিকাৰ কৰাত "ৰেধাৰাম ঠাকুৰীয়া" স্বৰ্ণপদক লাভ কৰে। ১৯১১ চনত তেওঁ কটন কলেজৰ পৰা প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হৈ পুনৰ পঁচিশ টকীয়া

জলপানী লাভ কৰি কলিকতাৰ প্ৰেছিডেন্সী কলেজলৈ পঢ়িবলৈ যায়। সেই কলেজৰ পৰা তেওঁ উচ্চস্থান পাই পদাৰ্থ বিজ্ঞানত প্ৰথম স্থান অধিকাৰ কৰি অমিশ্ৰ গণিত বিষয়ত এম-এছ-চি পঢ়িবৰ বাবে কলিকতা বিশ্ববিদ্যালয় স্নানকোত্তৰ শ্ৰেণীত নাম লগায়। তাৰ পিছৰ বছৰত আইন কলেজত ভৰ্ত্তি হয়। টকা পইচাৰ অসুবিধাৰ বাবে তেওঁ এম-এছ-চিৰ শেষ পৰীক্ষা দিব নোৱাৰিলে যদিও আইন পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯১৯ চনৰ পৰা গুৱাহাটীৰ আদালতত আইন ব্যৱসায় আৰম্ভ কৰে। আইন ব্যৱসায় কৰি থাকোঁতেই তেওঁ ১৯২২ চনত আলিগড়ত জামিয়া মিলিয়া জাতীয় বিশ্ববিদ্যালয়ৰ বিজ্ঞানৰ অধ্যাপক নিয়োজিত হৈ ১৯২৪ চনৰ আগলৈকে সেই পদত থাকে।

তেওঁ লিখি গৈছে—"শিৱসাগৰত লৰা কালত থকা, তাৰ হাইস্কুলত পঢ়া, বাবাৰ মৃত্যু, তাতেই তেওঁৰ কবৰ তাৰ কবৰস্থানত; আৰু তোমালোকৰ মা, বেগম মজিদা তৈয়বউল্লাৰো তাতেই হঠাতে মৃত্যু (১৯৩৫, নবেম্বৰ ৭) ঘটা আৰু তাত তেওঁৰো কবৰ (৩২ বছৰৰ মূৰত মৃত্যু, কিন্তু কেনেবাকৈ ঘটনাক্ৰমে মোৰ বাবাৰ কবৰৰ গাতে গা লগা, সেঁাহাতে, বোৱাৰীৰো কবৰ!)। আকৌ মোৰ প্ৰথমা কন্যা, তোমালোকৰ বৰ বাইতা আ'ৰা বেগমৰ শিৱসাগৰতে জন্ম হোৱা ('ৰংপুৰিয়ানী' বুলিলে তাৰ বৰ ৰং, অহঙ্কাৰো), ইত্যাদি কাৰণত ৰংপুৰ আজিও মোৰ অতি মৰমৰ,—মোৰ 'দ্বিতীয় ঘৰ' (Second Home)! ৰংপুৰৰ কথা, তাৰ স্মৃতিয়ে মোক মায়া-ডোলেৰে মেৰাই আছে আজিও।"

সৰুৰে পৰা তৈয়বউল্লা ছাহেব জাতীয়তাবাদী আছিল। তেওঁ চৰকাৰী চাকৰি নকৰাৰ এটা দৃঢ় সঙ্কল্প লৈছিল। বি-এছ-চি পাছ কৰাৰ পিছতে তেওঁক ই-এ-চি পদ যচা হৈছিল। কিন্তু তেওঁ সেই পদ গ্ৰহন নকৰি ভাৰতৰ জাতীয় কংগ্ৰেছত সক্ৰিয়ভাৱে

যোগদান কৰে। মহাত্মা গান্ধীৰ প্ৰতি তেওঁৰ অবিচলিত ভক্তি আৰু শ্ৰদ্ধা আছিল। তেওঁ কংগ্ৰেছত যোগ দিছিল কিয়,—এই প্ৰশ্নটো সোধাত তেওঁ কৈছিল—"যোগ দিছিলোঁ এই বাবেই যে আমাৰ উদ্দেশ্য আছিল স্বাধীনতা লাভ কৰা।" মহাত্মাজীৰ নেতৃত্বৰ ওপৰতো তেওঁৰ গভীৰ আস্থা আছিল। সেয়েহে গান্ধীজীৰ ছবিখন মূৰৰ শিতানত ৰাখি তেওঁ ঈশ্বৰৰ নাম লৈ শেষ নিঃশ্বাস ত্যাগ কৰিছিল, ১৯৬৬ চনত।

১৯২২ চনত তেওঁ গুৱাহাটী জিলা কংগ্ৰেছৰ সম্পাদক আৰু পিছত সভাপতি হৈছিল। অসম কংগ্ৰেছৰ সভাপতি পদত তেওঁ ভালেমান দিন আছিল আৰু দ্বিতীয় মহাসমৰৰ সময়ত অসম কংগ্ৰেছক সক্ৰিয় নেতৃত্ব দি দেশৰ স্বাধীনতা অৰ্জ্জন কৰাত যথেষ্ট অৰিহণা যোগাইছিল। ১৯২৬ চনত তেওঁ পণ্ডু কংগ্ৰেছ অধিবেশনৰ আদৰণী সভাৰ সম্পাদক হয় আৰু সেই বছৰতে অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হৈ ১৯৩১ চনলৈকে সেই পদত থাকে। ১৯৪০ চনৰ আগ ভাগত প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি নিৰ্ব্বাচিত হয় আৰু সেই সময়ৰ সত্যাগ্ৰহ আন্দোলনৰ পৰিচালনাৰ দায়িত্ব লয়। ১৯৪১ চনত নিজেও সত্যাগ্ৰহ কৰে। দ্বিতীয়বাৰ সত্যাগ্ৰহ কৰোঁতে তেওঁক ৬ মাহ ফাটেক দিয়ে আৰু জৰিমনাও কৰে এশ টকা। ১৯৪২ চনৰ ৯ আগষ্ট তাৰিখে তেওঁক পুনৰ আটক কৰি বৰপেটা জেললৈ পঠিয়ায়। আৰু ১৯৪৫ চনৰ ২২ মাৰ্চ্চত মুক্তি দিয়ে।

এইদৰে তেওঁ কেবাবাৰো কাৰাবাস খাটিছিল। তেওঁ 'কাৰাগাৰ'ৰ চিঠিৰ এঠাইত লিখিছে—"এই খিনিতে আমাৰ ঘৰুৱা কথা এটাৰ বিষয়ে অলপ কৈ থওঁ, তোমালোকৰ জ্ঞাতাৰ্থে। জেললৈ যোৱাৰ তিনি সপ্তাহমানৰ আগতে মোৰ বিয়া, শিৱসাগৰত। এনে সন্ধিক্ষণত বিয়া পতা হ'ল কেলৈ? আগৰ পৰাই বিয়াৰ

কথাবতৰা হৈ আছিল যদিও, আন্দোলনৰ মাজত বিয়াৰ একো কথাই নাছিল, কিন্তু মোৰ কাৰাবাসৰ কালত মা'ৰ (তোমালোকৰ আইতাৰ) লগত থাকিবলৈ হিন্দুস্থানী লগুৱা এটাৰ বাজে ঘৰত আৰু কেৱে নাছিল, গতিকে, ঘৰুৱা হিচাপে মা'ৰ তেনে নিৰাশ্ৰয় অৱস্থাত, অসহযোগ সংগ্ৰাম পূৰাদমে চলি থকা সত্বেও, মোৰ মৰিবলৈ সময় নোহোৱা কামৰ মাজৰ পৰা মাত্ৰ তিনটা দিন কাঢ়ি লৈ শিৱসাগৰলৈ গলোঁ বিয়া কৰিবলৈ। সমাজৰ দস্তুৰ মতে, ন' কইনাক লৈ শহুৰালয়ত 'ঘৰ উঠিবলৈ' আৰু যোৱা নহল; অৱসৰ নাছিল। বিয়াৰ তিনি সপ্তাহমানৰ মূৰত, লাতাশিল থানাৰ ওচৰৰ আমাৰ তেতিয়াৰ কংগ্ৰেছ অফিচৰ পৰাই মোক গ্ৰেফ্‌তাৰ কৰি নিয়ে, বাহিৰে বাহিৰে, আৰু জেললৈ লৈ যায়। একেদিনে গ্ৰেফ্‌তাৰ কৰে বিষ্ণু মেধি, গৌৰী তালুকদাৰ, ৰোহিনী চৌধুৰী, মুহিবুদ্দিন প্ৰমুখ্যে কেইবাজন কংগ্ৰেছৰ প্ৰধান কৰ্ম্মীক, মোৰ সৈতে। শাহু আৰু তাৰ আন আনে তোমালোকৰ মাক শিৱসাগৰলৈ মাতি পঠিয়াইছিল যদিও, তোমাৰ মাৰাই তোমালোকৰ আইক (মোৰ ইচ্ছাৰ বিৰুদ্ধে) অকলে এৰি থৈ, মাকৰ ঘৰলৈ যাবলৈ খাতাংকৈ অস্বীকাৰ কৰাত মোৰ শলাগৰ পাত্ৰী হৈছিল, আৰু ধৈৰ্য্য ধৰি সেই কেইমাহ গুৱাহাটীতে থাকি মা'ৰ সেৱাত ব্ৰতী আছিল। দাম্পত্য জীৱনৰ এই প্ৰথম সঙ্কল্প প্ৰশংসনীয়; মহৎ হৃদয়ৰহে পৰিচয় দিছিল। পিছলৈ, মোৰ বিপ্লৱী ৰাজনৈতিক ৰাজহুৱা জীৱনত কিমান যে প্ৰেৰণা, উদগনি, নিৰ্ভয়, সাহস যোগাইছিল, আৰু যি ত্যাগ স্বীকাৰ কৰি লৈছিল আনন্দতে, আজীৱন সেই সকলো কথাৰ স্মৃতিয়ে আজিও মোৰ মনক 'তাজা' কৰি ৰাখিছে।"

নকলেও হব মোৰ মাতৃ বেগম তৈয়বুল্লাও এগৰাকী আদৰ্শ নাৰী, স্বামীৰ উপযুক্ত সহধৰ্ম্মিনী আৰু ত্যাগময়ী দেশসেৱিকা আছিল।

কৰিয়ে কৈছে—“মনোমত পত্নীশোক অতি গুৰুতৰ।” তৈয়বউল্লা ছাহাবে জীৱনৰ শেষ বয়সত এনে দুৰ্ব্বহ পত্নীশোকো বহন কৰিছিল, দেশসেৱাত নিজকে আত্মনিয়োগ কৰি ।

মৌলানা ছাহেব কেবাবাৰো নিলিখ ভাৰত কংগ্ৰেছ কমিটীৰ সদস্য আছিল । দেশ বিভাজনৰ পিছত মণ্ডলদৈ সমষ্টিৰ পৰা বিনা প্ৰতিদ্বন্দ্বিভাৱে অসম বিধান সভালৈ নিৰ্ব্বাচিত হৈছিল। বৰদলৈ-মন্ত্ৰীসভাত দুবছৰৰ বাবে তেওঁ মন্ত্ৰীত্ব পদ লৈছিল যদিও ১৯৫০ চনত নিজে মন্ত্ৰীত্ব ত্যাগ কৰিছিল। তেওঁ মন্ত্ৰী হৈ ভাল পোৱা নাছিল । তেওঁ প্ৰায়েই কৈছিল “এজন বিপ্লৱীৰ কাৰণে মন্ত্ৰীত্ব খাপ খোৱা বাব বা বস্তু নহয়, ‘হঁা’ বোলাই দস্তুৰ, ‘না’ বুলিলেই বিপদ। আনন্দও নাই, কৰ্ম্মৰ সুযোগো নাই ।” সেই কাৰণে তেওঁ মন্ত্ৰীত্ব পদ ত্যাগ কৰি কংগ্ৰেছৰ তথা দেশৰ সেৱাত লাগিবলৈ মন কৰি কংগ্ৰেছ কৰ্ত্তৃপক্ষক জনাইছিল ।

জেলৰ ভিতৰতে তেওঁ কেইবাখনো কিতাপ লিখিছিল। “উৰ্ম্মুল কোৰাণ” তেওঁৰ লিখা প্ৰথম কিতাপ । গড়মুৰীয়া সত্ৰাধিকাৰ স্বৰ্গীয় পীতাম্বৰ দেৱ গোস্বামী প্ৰভুৱে এই পুথিখনৰ পাতনি লিখি দিছিল। মুছলমান ধৰ্ম্মৰ মূল গ্ৰন্থ কোৰাণ স্বৰীফৰ চুৰা ফাতেহাৰ তাৎপৰ্য্য এই পুথিখনিত ফহিয়াই দেখুৱা হৈছে। সকলো ধৰ্ম্মতে যে মূলতে একে তাক নানা উদ্ধৃতি দি ফহিয়াই দেখুৱাৰ বাবে চেষ্টা কৰিছিল। ইয়াৰ পিছত তেওঁ ইংৰাজীতে “Islam and nonviolence” Between the “Symbol and the Idol Atlast” আৰু দুখন কিতাপ লিখে। এই দুইখন কিতাপতে গান্ধীজীৰ অহিংসা নীতিৰ বিষয়ে আলোচনা কৰা হৈছে। প্ৰথম খনত অহিংসা নীতিৰ লগত ইছলামৰ মূল মন্ত্ৰৰ কি সম্বন্ধ হৈছে আৰু দ্বিতীয় খনত ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ অহিংসা নীতিয়ে কি দৰে অৰিহণা যোগাইছিল তাক ভাল দৰে বৰ্ণনা কৰা হৈছে ।

তেওঁৰ আটাইতকৈ বহুমূলীয়া কিতাপখন হল "কাৰাগাৰৰ চিঠি আৰু ১৫ আগষ্ট।" এই কিতাপখন তেওঁ জেলত থাকোঁতেই লিখা। এই কিতাপত ভাৰতবৰ্ষত অহিংস বিপ্লৱৰ কাহিনী, শ্বহিদ সকলৰ চৰম আত্ম-ত্যাগ, চক্ৰান্তকাৰীৰ ভূমিকা, বৃটিছৰ ভাৰত ত্যাগ ইত্যাদি কথা বহল ৰূপে ব্যাখ্যা কৰি দেখুৱা হৈছে। মই নিজে এই বিষয়ে বেছি কথা নিলিখি এইখিনিতে প্ৰাক্তন ৰাজহমন্ত্ৰী ৺সিদ্ধিনাথ শৰ্ম্মাদেৱৰ কথা দু-আষাৰমান তুলি দিছোঁ।—

মৌলানা তৈয়বউল্লা ১৯২১ চনৰ পৰা ১৯২৬ চনলৈ গুৱাহাটী জিলা কংগ্ৰেছ কমিটীৰ ক্ৰমে সম্পাদক আৰু সভাপতি; ১৯২৬ চনৰ পৰা ১৯৩১ চনলৈ অসম প্ৰাদেশিক কংগ্ৰেছৰ প্ৰধান সম্পাদক আৰু বহুদিন অসম প্ৰাদেশিক কংগ্ৰেছৰ সহকাৰী সভাপতি, ধন-ভঁৰালী; আকৌ, ১৯৪০ চনৰ আদিৰে পৰা ১৯৪৮ চনৰ মাজ-ভাগলৈ অসম প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি, আৰু বৰাবৰ নিখিল ভাৰতীয় কংগ্ৰেছ কমিটিৰ সদস্য; আৰু অৱশেষত স্বাধীন-ভাৰতত অসমৰ কংগ্ৰেছ মন্ত্ৰী হৈ থকাৰ বাবে, ভাৰতৰ তথা অসমৰ ৰাজ-নীতি আৰু মুক্তি-বিপ্লৱ সম্পৰ্কে নিজৰ ডেৰকুৰি বছৰৰ অভিজ্ঞতাপূৰ্ণ এই গ্ৰন্থখন ৰাজনৈতিক সাহিত্যৰ বিশেষ বহুমূলীয়া সম্পদ স্বৰূপ হৈছে বুলি আমাৰ বিশ্বাস। অতি আৱশ্যকীয় চমু আত্ম-কথাৰ ডোলেৰে গঁথা ভাৰতৰ স্বাধীনতা বিপ্লৱৰ আদি-অন্ত, বিশেষকৈ সেই বিপ্লৱত অসমৰ বৰঙণি ইত্যাদি কথাই গ্ৰন্থৰ মূল্য বহুগুণে বঢ়াইছে।

অহিংস সত্যাগ্ৰহ-বিপ্লৱৰ মৌলিক গান্ধীয় দৰ্শনতত্ত্ব আৰু নীতি আৰু কাৰ্য্যপন্থাৰ জ্ঞানগৰ্ভ বিশ্লেষণ আৰু নিপুণ ব্যাখ্যা আৰু যুক্তিযুক্ত ৰাজনৈতিক সমালোচনা, আৰু পৰ্য্যায়ে পৰ্য্যায়ে বিপ্লৱ ভাৰতবৰ্ষত তথা অসমত কি দৰে ক্ৰমে গঢ়ি উঠিছিল, তাৰ নিজ অভিজ্ঞতাপূৰ্ণ ঐতিহাসিক বৰ্ণনা, আলোচনা আৰু সমালোচনা অতি

হৃদয়-আকৰ্ষক হৈছে। অসমীয়া সাহিত্যত এনে ধৰণৰ গ্ৰন্থ ৰাজনৈতিক সাহিত্যত বিৰল।”

বাহিৰৰ পৰা দেখাত মোৰ দেউতা তৈয়বউল্লা আৰু তেওঁৰ ককায়েক মোৰ বৰদেউতা হেৰাচংউল্লা ছাহাবৰ অসমীয়া সাহিত্যত বৰ বেছি বৰঙণি নাই যেন লাগে। কিন্তু দৰাচলতে সেইটো নহয়। অসমীয়া সাহিত্য সংস্কৃতিলৈ দুয়োজনৰে প্ৰবল অনুৰাগ আছিল আৰু কম-বেছি পৰিমাণে দুয়ো অৰিহণাও আগ বঢ়াইছিল। হেৰাচংউল্লা ছাহেবে অসম ছাত্ৰ সন্মিলনৰ গুৱাহাটীত বহা প্ৰথম অধিবেশনত কবিতা পাঠ কৰিছিল। তেওঁৰ কবিতা তেতিয়াৰ ‘আলোচনী’ কাকতত প্ৰকাশ হৈছিল। ছাত্ৰ জীৱনত তেওঁ ‘গুৱাহাটী একতা সভা’ৰ নিয়মীয়া সভ্য আছিল আৰু পিছত গুৱাহাটীৰ প্ৰায়বোৰ সাহিত্য আৰু সাংস্কৃতিক অনুষ্ঠানত যোগ দিছিল। তেওঁ ভায়েকৰ দৰে কংগ্ৰেছী নাছিল যদিও অসমীয়া জাতীয়তাবাদী আছিল আৰু অম্বিকাগিৰীৰ ‘সংৰক্ষিণী সভাৰ’ অনুগামী আছিল। আৰু কিছুদিন এই অসম সংৰক্ষিণী সভাৰ সভাপতিও হৈছিল।

তৈয়ব উল্লা ছাহেবৰ উজ্জ্বল ৰাজনৈতিক জীৱনে সাহিত্যিক আৰু সাংস্কৃতিক জীৱনটো ঢাকি ৰাখিছে সঁচা কিন্তু তেওঁৰ এই দিশটোও উপেক্ষণীয় নহয়। পদ্মধৰ চলিহাদেৱে গুৱাহাটীত স্থাপন কৰা সন্ধিয়া সন্মিলনৰ তেওঁ অন্যতম পৃষ্ঠপোষক আছিল। তেওঁৰ গান-বাজনাতো বিশেষ ৰাপ আছিল আৰু আমাক তেওঁ সন্ধিয়া সন্মিলনত অংশ লবলৈ সততে অনুপ্ৰেৰণা দিছিল। সেই সময়তে গুৱাহাটীত থাকি পদ্মধৰ চলিহাদেৱে সম্পাদন কৰা ‘অসমীয়া’ কাকতখনৰ লগতো তেওঁ জড়িত হৈ পৰিছিল আৰু মাহেকে পষেকে বন্ধু চলিহাক ভিতৰুৱাভাৱে সম্পাদকীয় প্ৰবন্ধ লিখি দি সহায় কৰিছিল। তৈয়ব উল্লা ছাহাবৰ কৰ্ম্মময় জীৱনী ইমান কম কথাতে লিখিব নোৱাৰি। তেওঁৰ গোটেই জীৱনটোৱে ৰাজনীতিৰ

জীৱন, জেলৰ জীৱন, সাহিত্যৰ জীৱন বহন কৰিছে 'কাৰাগাৰৰ চিঠি' গ্ৰন্থখনিয়ে। এয়া সেই মহান দেশ-নেতাজনৰ জীৱনৰ অতি চমু আভাস এটাহে। *

—শ্ৰীমীৰা জেলিল

---

* শৰ্ম্মাদেৱৰ মন্তব্য আখৰে আখৰে সঁচা। 'কাৰাগাৰৰ চিঠি'য়ে তৈয়ব্ উল্লা ছাহেবলৈ অসমীয়া সাহিত্য বুৰঞ্জীত এখনি সন্মানৰ আসন আচুতীয়া কৰি ৰাখিছে। অ-হা

শিক্ষাব্ৰতী, নাট্যকাৰ

ধনেশ্বৰ শৰ্ম্মা

সমাজকৰ্মী, শিক্ষাব্ৰতী, নাট্যকাৰ ৺ধনেশ্বৰ শৰ্ম্মাই কেবাখনো নাটক ৰচিলে, আৰু অসমৰ অভিনয়-জগতত বিপ্লৱৰ সূচনা কৰিলে, কিন্তু সকলো আজি বিস্মৃতিৰ গৰ্ভত লুপ্ত হবৰ উপক্ৰম হৈছে। ইং ১৮৯৫ চনত তেওঁৰ জন্ম হৈছিল বৰ্ত্তমানৰ নলবাৰী মহকুমাৰ পিপলিবাৰী গাঁৱত, এটি অভিজাত পৰিয়ালত। তেওঁৰ পিতৃৰ নাম আছিল বনমালী শৰ্ম্মা আৰু মাতৃৰ নাম আছিল মাইলতা দেৱী। এটি ডাঙৰ পৰিয়ালৰ প্ৰথম সন্তান হিচাবে লৰা ধনেশ্বৰ সকলোৰে আলাসৰ লাৰু আছিল যদিও তেওঁ অভিমানী বা অহঙ্কাৰী হৈ উঠা নাছিল। সৰুৰেপৰা তেওঁ নম্ৰ আৰু সৰবৰহী স্বভাৱৰ আছিল। তেওঁৰ পৰিয়ালটো অধ্যাপকৰ ঘৰ বুলিয়েই জনাজাত। তেওঁলোকৰ ঘৰত এখন সংস্কৃত চতুষ্পাঠী (পঢ়াশালি বা টোল) আছিল। এই চতুষ্পাঠীৰ প্ৰভাৱতে শৰ্ম্মা সৰুৰেপৰা প্ৰাচীন ভাৰতীয় ঐতিহ্যৰ প্ৰতি আকৃষ্ট হৈছিল আৰু পিছৰ জীৱনত ভাৰতৰ প্ৰসিদ্ধ পৌৰাণিক কাহিনীৰ আকাৰত নাটক ৰচনা কৰিবলৈ প্ৰবৃত্ত হৈছিল।

ছাত্ৰ হিচাপে তেওঁ সৰুৰেপৰা তীক্ষ্ণধীসম্পন্ন আছিল। তেওঁ প্ৰাথমিক স্কুলৰপৰা বৃত্তি লৈ নলবাৰীত থকা অঞ্চলটোৰ একমাত্ৰ মাইনৰ স্কুলত ভৰ্ত্তি হয়। তাৰপৰা তেওঁ ১৯১০ চনত বৃত্তি লাভ কৰে। ১৯১৪ চনত গুৱাহাটী কলেজিয়েট স্কুলত প্ৰবেশিকা পাছ কৰি

কটন কলেজত আই-এ, পঢ়িবলৈ লয়। সেই বছৰতে বিসূচীকা ৰোগত তেওঁৰ ঘৰৰ ন জন লোক তিনিদিনৰ ভিতৰতে মৃত্যুমুখত পৰাত, বিশেষকৈ উপাৰ্জ্জকসকলৰ বিয়োগত, বিৰাট পৰিয়ালটিৰ ভৰণ-পোষণৰ দায়িত্ব তেওঁ মূৰপাতি লবলৈ বাধ্য হৈ অধ্যয়ন ত্যাগ কৰি ঘৰলৈ উভতিব লগা হ'ল। কিছুদিন চাকৰিৰ অনুসন্ধান কৰি ১৯১৬ চনত, তেওঁ গুৱাহাটীৰ উপায়ুক্তৰ কাৰ্য্যালয়ত কেৰানী কামত সোমায়।

ছাত্ৰাৱস্থাত ধনেশ্বৰ দীঘলীপুখুৰীৰ পাৰৰ মেছ এটাত আছিল। তেওঁৰ অন্তৰঙ্গ বন্ধুসকলৰ ভিতৰত ৺জ্ঞাননাথ বৰা, শ্ৰীঅন্নৰাম বৰুৱা, ৺মণিৰাম দাস, কবি গীতিকাৰ ৺উমেশ চন্দ্ৰ চৌধাৰী, সুশীল বৰুৱা আদিৰ নাম উল্লেখযোগ্য। সেই সময়ৰ গুৱাহাটীৰ ছাত্ৰ অনুষ্ঠান 'গুৱাহাটী একতা সভাৰ' তেওঁ নিয়মীয়া সভ্য আছিল আৰু সেয়ে তেওঁক পৰৱৰ্ত্তী জীৱনতো সাহিত্য-সৃষ্টিৰ প্ৰেৰণা যোগাইছিল।

উপায়ুক্তৰ কাৰ্য্যালয়ত নিয়ম-নিষ্ঠাতকৈ ছল-চাতুৰীৰ প্ৰাধান্য বেছি দেখি তেওঁক কেৰানীৰ কামে আমুৱালে। সেই কাৰণে তেওঁ আঠমাহ কেৰানীৰ কাম কৰি কাম এৰি দিলে আৰু ১৯১৭ চনৰ চাৰি জুলাইত নলবাৰী গৰ্ডন স্কুলৰ শিক্ষকতাত যোগ দিলেহি। সেই চনতে নলবাৰী মাইনৰ স্কুল হাই স্কুললৈ উন্নীত হয়। ১৯৫১ চনলৈকে মৃত্যু পৰ্য্যন্ত শৰ্ম্মাদেৱ এই স্কুলৰ শিক্ষকপদত আছিল।

শৰ্ম্মাই পোনতে নলবাৰী গৰ্ডন হাইস্কুলৰ ছাত্ৰাবাসৰ অধ্যক্ষ হিচাপে কিছুদিন থাকিলেও শেষত নিজাকৈ ঘৰ সাজি থাকিবলৈ লয়। কিন্তু প্ৰত্যেক শনিবাৰে নলবাৰীৰ পৰা ন-মাইল দূৰৰ গাৱঁৰ ঘৰখনলৈ গৈ দেওবাৰটো থাকি পৰিয়ালৰ যাৱতীয় তত্বাৱধান কৰিছিল, সোমবাৰে পুৱাই খোজ কাঢ়ি নলবাৰী মুৱা হৈছিল। তেওঁ কোনো দিনেই নিজৰ পৰিয়ালক নলবাৰীলৈ নি ৰখাৰ চিন্তা

কৰা নাছিল আৰু তেওঁৰ সুযোগ্য সহ-ধৰ্ম্মিন ৺য়া অন্নপূৰ্ণা দেৱীও পতিৰ লগত একমত আছিল। কাৰণ যদি শৰ্মাই নিজৰ পৰিয়ালক নলবাৰীলৈ নিলেহেঁতেন,— নিশ্চয় তেওঁলোকৰ বিবাট যৌথ পৰিয়ালটি ভাগি-ছিগি চূৰমাৰ হ'লহেঁতেন। শৰ্মাৰ নলবাৰীৰ প্ৰবসুৱা বাসভৱনটি একপ্ৰকাৰে ছাত্ৰাবাস আছিল বুলিয়েই কব পাৰি। দুৰ-দুৰনিৰ দুখীয়া ছাত্ৰসকলক তেওঁ নিজৰ ঘৰত বিনা কেৰেয়াই থাকিবলৈ দি, শিক্ষা লাভ কৰাৰ সুযোগ দিছিল। এই ছাত্ৰবিলাকক তেওঁ আন প্ৰকাৰেও সাহায্য আৰু উৎসাহ অনুপ্ৰেৰণা যোগাইছিল।

শৰ্মাদেৱ ছাত্ৰসমাজৰ অতি প্ৰিয় শিক্ষক আছিল। তেৱেঁা ছাত্ৰবিলাকক পুত্ৰবৎ স্নেহ কৰিছিল। অসম আইৰ মুখ উজ্জ্বল কৰা তেওঁৰ প্ৰিয়তম ছাত্ৰবিলাকৰ ভিতৰত প্ৰবীণ সাহিত্যিক শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী (সাহিত্য সভাৰ প্ৰাক্তন সভাপতি), প্ৰখ্যাত কংগ্ৰেছকৰ্ম্মী শ্ৰীপ্ৰতাপ চন্দ্ৰ গোস্বামী, প্ৰাক্তন শিক্ষাসচিব শ্ৰীমকিবুৰ ৰহমান, অধ্যক্ষ শ্ৰীপ্ৰভাত চন্দ্ৰ গোস্বামী, অৱসৰপ্ৰাপ্ত শিক্ষাধিকাৰ শ্ৰীউমাকান্ত শৰ্মা, ন্যায়াধীশ শ্ৰীবাহাৰুল ইছলাম, মাধ্যমিক শিক্ষাপৰিষদৰ সচিব শ্ৰীতাৰিণী কান্ত ভট্টচাৰ্য্য, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোষাধ্যক্ষ শ্ৰীকৈলাস চন্দ্ৰ ভট্টাচাৰ্য্য আদিৰ নাম উল্লেখযোগ্য। এইজন কৃতী শিক্ষকৰ সম্পৰ্কত সেই সময়ৰ বিদ্যালয় পৰিদৰ্শক ৺শৰৎ চন্দ্ৰ গোস্বামীদেৱে লিখিছিল—'The teacher (Sri Dhaneswar sarmah) has been working in it (Nalbari Gardon H.E. School) from its inception and had also worked for raising the Middle English School to the High School standard. He is an excellent teacher disciplinarian and is relied on for all School activities. He is widely respected by

the public as well as by his pupils.'

গুৱাহাটী একতা সভাত থাকোঁতে ছাত্র ধনেশ্বৰে সাহিত্য চৰ্চ্চা কৰিবলৈ যি অনুপ্ৰেৰণা পাইছিল তাৰ ফলস্বৰূপে শিক্ষক-জীৱনত তেওঁ দুগুণ উৎসাহে সাহিত্যচৰ্চ্চাত মনোনিবেশ কৰিলে। তেওঁ অসমীয়া আৰু ইংৰাজীৰ উপৰিও বঙলা আৰু হিন্দী সাহিত্য অধ্যয়ন কৰিবলৈ লয়। তেওঁৰ প্ৰিয় সাহিত্য আছিল নাট্য-সাহিত্য।

এই শতিকাৰ তৃতীয় দশকৰ কথা। মঞ্চ-আন্দোলনে তেতিয়াও অসমত গা কৰি উঠা নাছিল। সত্ৰসমূহত ভাওনা আৰু নগৰে চহৰে দুই এখন থিয়েটাৰ হৈছিল যদিও জনসাধাৰণৰ পূজাই সবাহে চলিছিল পুতলা-নাচ, ওজা-পালি, ঢুলীয়া আৰু গায়ন-বায়নৰ দল। নামনি অসমৰ গায়ন-বায়ন দলে বঙলা ভাষাৰ গীতাভিনয় পৰ্য্যায়ৰ নাটকৰ অভিনয় কৰিছিল। অসমীয়া নাটকৰ সংখ্যা তেতিয়া নিচেই তাকৰ। কোনো গায়ন-বায়নৰ দলে নাটকৰ অভিনয় নকৰিছিল। এনে সময়তে অসমৰ অভিনয় জগতত আবিৰ্ভাৱ হ'ল ৺ব্ৰজনাথ শৰ্ম্মাৰ। নাট্য শিল্পী ব্ৰজ শৰ্ম্মাই ১৯২১ ইং চনত 'শিলা কালিকা অপেৰা' আৰু ১৯২৪ চনত 'দক্ষিণ গনকগাড়ী অপেৰা পাৰ্টি' গঠন কৰি অসমৰ মঞ্চ-জগতত আলোড়নৰ সৃষ্টি কৰে। এয়েই অসমীয়া যাত্ৰা-দলৰ আৰম্ভণি।

৺ধনেশ্বৰ শৰ্ম্মাৰ নিজগাওঁ পিপলিবাৰীত এটা গায়ন-বায়নৰ দল বহুকাল আগৰ পৰা চলি আছিল। ধনেশ্বৰ শৰ্ম্মাই, ব্ৰজ শৰ্ম্মাৰ যাত্ৰা-দলৰ আহিত, গাঁৱৰ উৎসাহী ডেকাবিলাকক লৈ ১৯২৫ চনত পিপলিবাৰী নাট্য সমিতি নাম দি এটি যাত্ৰাৰ দল গঠন কৰে। এই নাট্য সমিতিৰ শিক্ষক বা ওস্তাদ পদত নিয়োগ কৰা হয় ব্ৰজ নাথ শৰ্ম্মাৰ ককায়েক ৺কৃষ্ণ নাথ শৰ্ম্মাক। ধনেশ্বৰ শৰ্ম্মাৰ নাট্যসমিতি গঠনৰ উদ্দেশ্য আছিল অসমত অভিনয়ৰ মাধ্যম অসমীয়া ভাষা কৰাটোহে। সেই সময়ৰ নাট্য শিল্পীসকলৰ ধাৰণা আছিল

কিন্তু বেলেগ। অসমীয়া মাধ্যমত অভিনয় কৰা প্ৰস্তাৱক তেওঁলোকে উপলুণ্ডা কৰিছিল। তেওঁলোকৰ ধাৰণা আছিল, গীত আৰু অভিনয়ৰ মাধ্যমৰ উপযোগী ভাষা বঙলাহে।

সেই কাৰণে শৰ্ম্মাৰ আশা-আকাঙ্ক্ষাৰ ওপৰত চেঁচা পানী ঢালি পিপলিবাৰী নাট্য সমিতিয়ে ইতিমধ্যে তিনিখন বঙলা ভাষাৰ নাটক অভিনয় কৰিলেই। শেষত কিন্তু শৰ্ম্মাৰ নেৰা-নেপেৰা চেষ্টাৰ জয় হ'ল।—পিপলিবাৰী নাট্য-সমিতিয়ে অসমীয়া ভাষাত 'নল-দময়ন্তী' নাটকৰ অভিনয় কৰি অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰিলে। তাৰ পিছতেই ললে শৰ্ম্মাৰ আন এখন নাটক "কুণ্ডিল-কুঁৱৰী।" এই নাটকৰ অভিনয়ক পিপলিবাৰী নাট্য সমিতিৰ বিজয়-কেতন বুলি কব পাৰি। এই সমিতিৰ তৃতীয় অসমীয়া নাটক, শৰ্ম্মাৰ-দ্বাৰা বঙলাৰ পৰা অনূদিত নাট 'হৰিশ্চন্দ্ৰ'। অসমীয়া ভাষাৰ নাটকৰ অভিনয়ৰ সফলতাত উৎসাহ পাই শৰ্ম্মাদেৱে একে লেঠাৰিয়ে অনূদিত নাটক 'ৰণচণ্ডী', মৌলিক নাটক 'উষা', মায়ামন্ত্ৰ (আৰিমত্তৰ কাহিনীৰ পটভূমিত ৰচিত ঐতিহাসিক নাটক) আৰু সামাজিক নাটক 'সংসাৰ-চিত্ৰ' ৰচনা কৰে। তেওঁৰ এই নাটকসমূহ ইমান জনপ্ৰিয় হৈছিল যে পিপলিবাৰী নাট্য সমিতিৰ উপৰিও বৰখালা, কৈঠালকুছি, ধুৰকুছি, হালোঁগাওঁ, লাওপাৰা, পচৰীয়া আদিৰ বিভিন্ন যাত্ৰাদলে প্ৰায় পঞ্চম দশকলৈকে এই নাটকবোৰৰ অভিনয় কৰিছিল। এই নাটক কেইখনত অমিত্ৰাক্ষৰ ছন্দ, মিত্ৰাক্ষৰ ছন্দ আৰু গদ্য এই তিনিবিধ সংলাপৰ প্ৰয়োগ কৰা হয়। 'কুণ্ডিল কুঁৱৰী' নাটকত প্ৰস্তাৱনা দৃশ্যত কৈলাশ শিখৰত হৰ-গৌৰীৰ মুখত মিত্ৰাক্ষৰ ছন্দৰ সংলাপ দিয়া হৈছিল। অন্যান্য ক্ষেত্ৰত সাধাৰণ কথোপকথনত গদ্য আৰু বীৰত্ব ব্যঞ্জক বা আবেগ-প্ৰৱণ উক্তিত অমিত্ৰাক্ষৰ ছন্দ ব্যৱহাৰ কৰা হৈছিল। অসমীয়া ভাষাৰ মাধ্যমত যাত্ৰা অভিনয়, ই শৰ্ম্মাৰ এক সফল বিপ্লৱীপদক্ষেপ। ইয়াৰ পিছতহে ১৯৩০ চনত

ব্ৰজ শৰ্ম্মাৰ অসম বিখ্যাত 'দি আসাম কোহিনূৰ অপেৰা থিয়েটাৰ পাৰ্টি' গঠন হৈছিল।

শৰ্ম্মাদেৱ নিজে অভিনেতা বা গায়ক নাছিল। কিন্তু এই কথা তেওঁ সুন্দৰ ৰূপে বুজিছিল যে সমাজৰ ৰুচি-সম্মত মঞ্চোপযোগী নাটকৰ অভাবেহে অসমীয়া নাট্য-শিল্পী সকলৰ মনত বিৰূপ ভাৱধাৰাৰ সৃষ্টি কৰিছিল। গতিকেই পোন প্ৰথমে তেওঁ বঙলা নাটক অনুবাদ কৰি মাধ্যমৰ ক্ষেত্ৰত সফলতা লাভ কৰে।

এই প্ৰসঙ্গত তেওঁ নলবাৰী স্কুলৰ প্ৰধান শিক্ষক নাট্যাচাৰ্য্য ৺ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ লগত নানা আলোচনা কৰিছিল। এই বিষয়ে অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাদেৱে 'মঞ্চলেখাত' লিখিছে—'নাট্যাচাৰ্য্য ৺ইন্দ্ৰেশ্বৰ বৰঠাকুৰদেৱৰ সহকৰ্ম্মী আৰু অন্তৰঙ্গ বন্ধু আছিল নাট্যকাৰ ধনেশ্বৰ শৰ্ম্মা। স্বৰ্গীয় শৰ্ম্মাই বৰঠাকুৰৰ লগত অসমীয়া নাটক আৰু মঞ্চ সম্পৰ্কে প্ৰায়ে আলোচনা কৰিছিল আৰু তাৰ দুৰৱস্থাৰ কথা গভীৰভাৱে উপলব্ধি কৰি কিঞ্চিৎভাৱে হলেও প্ৰতিকাৰ কৰিবলৈ যত্ন কৰিছিল। কুৰি শতিকাৰ আদি ভাগত, অসমত বিশেষকৈ পশ্চিম অসমৰ ঠায়ে ঠায়ে বঙলা যাত্ৰা-দলবোৰে বঙলা নাটক অভিনয় কৰিছিল। আনকি বহু অসমীয়া লোকেও বঙলা নাটক অভিনয় কৰিছিল। সেই সময়ত 'মেবাৰ-কুমাৰী', 'প্ৰমীলা', 'পৰশুৰামৰ মাতৃহত্যা' আদি বঙলা নাটবোৰে নামনি অসমৰ ৰঙ্গমঞ্চত সমাদৰ লাভ কৰা দেখি দুখ পাই তাৰ প্ৰতিকাৰাৰ্থে শৰ্ম্মাদেৱে নাট ৰচনা কৰিবলৈ লৈছিল। (মঞ্চলেখা, পৃঃ ৫০৮-৯)

দুৰ্ভাগ্যৰ বিষয় যে আৰ্থিক অনাটনৰ কাৰণে শৰ্ম্মাদেৱে এখনো নাটক ছপাই উলিয়াব নোৱাৰিলে। এবাৰ কেবাজনো বন্ধুৰ উৎসাহত এখন হলেও নাট ছপাই উলিয়াবলৈ যত্ন কৰিছিল, কিন্তু ১৯৪২ চনৰ গণ-বিপ্লৱৰ সময়ত কোনোবা দুৰ্বৃত্তই শৰ্ম্মাদেৱৰ

নলবাৰীৰ ঘৰত জুই দিলে। অন্যান্য সম্পত্তিৰ লগতে জীউ-লাওৰ দৰে সাঁচি থোৱা তেওঁৰ নাটক কেইখনিও অগ্নিত জাহ গ'ল। এই ঘটনাই তেওঁক ইমান হতাশ কৰিলে যে,—নাটক ৰচনাৰ কাৰণে তেওঁ আৰু কাপ হাতত নললে। আনকি বিভিন্ন যাত্ৰাদলত সিচৰিত হৈ থকা নাটকসমূহৰ প্ৰতিলিপিও সংগ্ৰহ কৰিবলৈকো আগ্ৰহ নকৰিলে। নাটককেইখন ভস্ম হোৱাৰ বাতৰি পাই, কৃতী স্কুল-পৰিদৰ্শক ৺শৰৎ চন্দ্ৰ গোস্বামীদেৱে দুখ কৰি লিখিছিল—"I know the manuscript dramas of the teacher. They were actually unique productions in Assamese literature in as much as they were cast in the Yatra form of acting and were suitable for village stages. They contained ennobling ideas about character formation consideration for others communal harmony, loyalty to the established order of things and generally such teachings as make for stability for Society. Their loss is indeed a very sad and heavy one."

সুখৰ কথা যে শৰ্ম্মাদেৱৰ বিয়োগৰ পিছত তেওঁৰ সুযোগ্য পুত্ৰ অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা, শ্ৰীদেৱেশ্বৰ শৰ্ম্মা (প্ৰধান শিক্ষক, গেৰুৱা হাইস্কুল) আৰু শ্ৰীমনোজ কুমাৰ শৰ্ম্মাই মিলি পুৰণি যাত্ৰাদলবোৰত অনুসন্ধান চলাই এতিয়ালৈ নল-দময়ন্তী, উষা আৰু কুণ্ডিল-কুঁৱৰী নাটক উদ্ধাৰ কৰি ছপাই উলিয়াবলৈ যো-জা কৰিছে।

নলবাৰী গৰ্ডন হাইস্কুলৰ ছাত্ৰাবাসত প্ৰতি শনি বা দেওবাৰে গধূলি ওচৰৰ ছাত্ৰ আৰু শিক্ষকসকলে মিলি সংকীৰ্ত্তন কৰিছিল। কেতিয়াবা কোনো শিক্ষকৰ ঘৰত বা কেতিয়াবা ছাত্ৰৰ বাহাতো সংকীৰ্ত্তন গোৱা হৈছিল। সংকীৰ্ত্তনৰ উপযোগীকৈ শৰ্ম্মা আৰু ৺ৰজত

চন্দ্ৰ মিশ্ৰ ভাগৱতীয়ে ভালে মান গীত ৰচনা কৰিছিল। শৰ্ম্মাৰ ৰচিত দুটি গীত "আৰতি কৰে৺া বিশ্বৰাণী তোমাৰ অজ্ঞ সন্তানে" আৰু "সংসাৰ মোহমায়াৰ খেলা" অতি জনপ্ৰিয় হৈ উঠিছিল।

নাটক আৰু গীতৰ উপৰিও শৰ্ম্মাদেৱে 'আৱাহন,' 'নৈবেদ্য' আদি আলোচনীতো ভালে মান চিন্তামূলক প্ৰবন্ধ লিখিছিল। 'কাল', 'কামৰূপীয় তন্ত্ৰ-মন্ত্ৰ', 'ফিছুৰা কেঁৱৰ', 'অসমীয়া আখৰ-জোটনি সম্পৰ্কে এ-আষাৰ' আদি প্ৰবন্ধই শৰ্ম্মাৰ গভীৰ পাণ্ডিত্য আৰু চিন্তাশীলতাৰ পৰিচয় দিয়ে। 'কাল' প্ৰবন্ধত তেওঁ লিখিছিল,— "যদিও কাল সকলোৰে হৰ্ত্তা-কৰ্ত্তা আৰু ইয়াৰ-কাৰ্য্যৰ ওপৰত কাৰো একো হাত নাই, তথাপি কালক ধিয়াই নিষ্ক্ৰিয় হৈ হাত সাবটি বহি থকা মানুহৰ কৰ্ত্তব্য নহয়। মানুহৰ ধৰ্ম্ম হৈছে কৰ্ম্ম। কৰ্মই মানুহৰ জীৱন। বহুদিন জীয়াই থকা কৰ্ম্মহীন জীৱনৰ একো মূল্য নাই।"

অসমীয়া ভাষাৰ আখৰ জেঁাটনি সম্পৰ্কে আজি নানা আলোচনা বিলোচনা চলিছে। এই সমস্যাটো যে অতি জটিল, এই কথা ডেৰকুৰি বছৰ আগতেই চিন্তা কৰি শৰ্ম্মাদেৱে তাৰ সমাধানাৰ্থে পৰামৰ্শ আগবঢ়াইছিল।

আজি-কালিৰ দৰে আগেয়ে শিক্ষানুষ্ঠানবিলাকৰ নিজা আলোচনী নাছিল। শিক্ষানুষ্ঠানৰ নিজা আলোচনীয়ে যে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য-প্ৰতিভা বিকাশত সহায় কৰে, সেইটো উপলব্ধি কৰি ধনেশ্বৰ শৰ্ম্মাই স্কুলৰ কেইজনমান শিক্ষক আৰু ছাত্ৰৰ সহযোগত, ১৯৪১ চনত নলবাৰী গৰ্ডন হাইস্কুলৰ মুখপত্ৰ 'নৈবেদ্য' প্ৰকাশ কৰি ছাত্ৰসকলৰ সাহিত্য-প্ৰতিভা বিকাশত সহায় কৰিছিল।

সাহিত্যিক জীৱনৰ দৰেই শৰ্ম্মাৰ সামাজিক জীৱনো আদৰ্শ-স্থানীয়। পিপলিবাৰী নাট্য সমিতিক আশ্ৰয় কৰিয়েই শৰ্ম্মাই ১৯২৫ চনতে 'পিপলিবাৰী জ্ঞান-দায়িনী সভা' স্থাপন কৰে। বাইজৰ

আগ্ৰহত তেওঁ এই সভাৰ সভাপতি পদ গ্ৰহণ কৰিবলৈ বাধ্য হয়। এই সভাৰ প্ৰথম সম্পাদক আছিল শ্ৰীৰামেশ্বৰ শৰ্ম্মা (বৰ্ত্তমান অৱসৰ প্ৰাপ্ত শিক্ষক)। এই জ্ঞানদায়িনী সভাৰ বাৰ্ষিক অধিবেশন সমূহ বৰ আড়ম্বৰেৰে পতা হৈছিল আৰু অসমৰ কৃতী সন্তান ৺ৰোহিণী কুমাৰ চৌধুৰী, শ্ৰীবিষ্ণুৰাম মেধি, শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী প্ৰভৃতিয়ে এই সভাৰ বিভিন্ন বাৰ্ষিক অধিবেশনত সভাপতিত্ব কৰিছিল।

তিনিবছৰ পিছত শৰ্ম্মাই এই অনুষ্ঠান উদীয়মান ছাত্ৰসকলৰ হাতত শোধাই দি আজীৱন কাল ইয়াৰ পৃষ্ঠপোষক হিচাপে থাকে। এই অনুষ্ঠান গঠনত শৰ্ম্মাৰ প্ৰধান সহায়ক আছিল এই গাঁৱৰে অধিবাসী আৰু মঙ্গলদৈ চৰকাৰী হাই স্কুলৰ শিক্ষক ৺জানকী প্ৰসাদ দাস বি. এচ. চি.। দুয়োজনেই বৃদ্ধসকলক নাম ঘৰত আবেলি শাস্ত্ৰ চৰ্চ্চা কৰাৰ পৰামৰ্শ দিছিল। সেইমতেই পিপলিবাৰী নাম ঘৰৰ সমুখত আজিও 'পিপলিবাৰী ভাগৱতী সমাজে' জাৰে-জহে নিতৌ শাস্ত্ৰালোচনা কৰে। দাস আৰু শৰ্ম্মাৰ অন্তৰঙ্গতা অতুলনীয় আছিল। দুৰ্ভাগ্যৰ বিষয় যে দাসে ভৰ বয়সতে সংসাৰৰ পৰা বিদায় লব লগা হ'ল। বন্ধুৰ অকাল মৃত্যুত শৰ্ম্মাই হুকুহুকুকৈ কান্দিছিল।

১৯৩৪ চনত শৰ্ম্মাদেৱে খেতিয়কসকলৰ মঙ্গলাৰ্থে নিজৰ মৌজা ক্ষেত্ৰীধৰ্ম্মপুৰত 'ক্ষেত্ৰীধৰ্ম্মপুৰ ৰায়ত সন্মিলন' স্থাপন কৰে আৰু ইয়াতো ৰাইজৰ একান্ত আগ্ৰহত সন্থাৰ সভাপতি পদ বহন কৰিব লগীয়া হয়। শ্ৰীবিষ্ণুৰাম মেধি, ৺সিদ্ধিনাথ শৰ্ম্মা, শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী প্ৰভৃতি বিশিষ্ট নেতা সকলে এই বিভিন্ন সন্থাৰ অধিবেশনত পৌৰোহিত্য কৰিছিল। শৰ্ম্মাদেৱৰ আপ্ৰাণ চেষ্টাৰ ফলতেই ১৯২৮ চনত মথুৰাপুৰ গাঁৱত (টিহুৰ ওচৰৰ) মথুৰাপুৰ জ্ঞানদায়িনী চতুষ্পাঠী স্থাপিত হয়। সংস্কৃত আৰু জ্যোতিষ বিদ্যাৰ প্ৰচাৰত এই চতুষ্পাঠীৰ অবিহণা

লেখত লবলগীয়া। এই অনুষ্ঠানটি আজিকোপতি চলি আছে।

জ্যোতিষত শৰ্ম্মাৰ অগাধ বিশ্বাস আছিল। আমাৰ পূজ্যপাদ পিতৃ দেৱ ৺বংশীধৰ শৰ্ম্মা অধ্যাপকৰ (তেওঁ নিজা চতুষ্পাঠীত অধ্যাপনা কৰিছিল) লগত বহুবাৰ, বহু সময়লৈকে শৰ্ম্মাই জ্যোতিষৰ গণনা কৰোৱা আৰু আলোচনা কৰা মই দেখিছোঁ। হিন্দুৰ আচাৰ নীতি আৰু অনুষ্ঠানৰ প্ৰতিও তেওঁ একান্ত অনুৰাগী আছিল।

শৰ্ম্মাদেৱ অতিশয় সদালাপী পুৰুষ আছিল। আমি কোনো দিনেই কোনো কথাতেই তেওঁৰ খং উঠা দেখা নাছিলোঁ। তেওঁৰ আন এটা গুণ আছিল অনৰ্গল ৰসাল অথচ তত্বপূৰ্ণ বক্তৃতা দিব পৰাটো। তেওঁৰ দৰে উপস্থিত বুদ্ধি সম্পন্ন, নিৰ্ভুল সমাধান দিব পৰা মানুহ বৰ কম।

১৯৫১ ইং চনত, বিজয়াদশমীৰ দিনা, পিপলিবাৰী গাঁৱৰ নিজা ঘৰত এই শিক্ষাব্ৰতী, সাহিত্যিক, নাট্যকাৰ, সমাজকৰ্মী, সৰবৰহী, শৰ্মাই জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰে। শৰ্মাদেৱে জন্মভূমি পিপলি-বাৰী তথা ক্ষেত্ৰীধৰ্মপুৰৰ সকলো গঠন মূলক কামত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছিল, কৰ্মভূমি নলবাৰীৰ সকলো অনুষ্ঠানতে জড়িত আছিল। তেওঁ আছিল আমাৰ বাবে আদৰ্শৰ মূৰ্ত্ত প্ৰতীক।

—শ্ৰীসুবোধ চন্দ্ৰ শৰ্ম্মা

সাহিত্যানুৰাগী

কাশীনাথ বৰ্ম্মণ

১৮১৭ শকৰ আহাৰ মাহৰ ২৪ তাৰিখে নলবাৰীৰ ধৰ্ম্মপুৰ মৌজাৰ অন্তৰ্গত আমনি গাঁৱত স্বৰ্গীয় কাশীনাথ বৰ্মণৰ জন্ম হয়। শেষ বয়সত লিখি থৈ যোৱা এটা আত্মজীৱনীমূলক টোকাৰ পৰা তেওঁৰ বংশাৱলীৰ কিছু আভাস পোৱা যায়। এই টোকাটোত তেওঁ পিতামহৰ বৰ্ণনা এইদৰে দিছে, "আমাৰ আতা বিক্রমত বাঘৰ দৰে আছিল বাবে মানুহে তেওঁক 'বাঘাবুঢ়া' বুলি মাতিছিল। তেওঁ গাঁৱৰ বাটেৰে গলে গাঁৱৰ দন্দুৰী তিৰোতাই তেওঁক নেদেখা হয় মানে দন্দ এৰিছিল। গাঁৱৰ মানুহৰ সীমা আতাই গচকি দিলেই হৈছিল,—মণ্ডল কাননগু অনাৰ দৰকাৰ নাছিল। ১৯৩১ চনৰ মাৰ্চ মাহত ৮২ বছৰ বয়সত আতাৰ মৃত্যু হয়।··· আমাৰ ঘৰৰ দুশ গজ আঁতৰত নদলাৰ হাট বহিছিল। হাটত যেয়ে যি বস্তু বিকিবলৈ নিয়ে, প্রথমে আতাক দিয়াৰ দস্তুৰ আছিল। হাটৰ পৰা দুশ গজ দূৰৈত বুঢ়াদিয়া নদীৰ সিপাৰে জীউৰাম সত্ৰীয়া বৰুৱাৰ ঘৰ। আতা জীউৰাম বৰুৱাৰ সৌহাত আছিল,······'লছিমাৰ ধাৱা'ৰ আতা প্রধান পাণ্ডা আছিল।" উল্লেখ-যোগ্য যে বৰ্মণদেৱৰ পৈতৃক অঞ্চলটো বাঘাবুঢ়াৰ নামেৰে 'আজিও 'বাঘাথেৰ চুপা' বুলি জনাজাত। বৰ্মণ দেৱৰ পিতৃৰ নাম আছিল ছুতিৰাম বৰ্মণ আৰু মাতৃৰ নাম আছিল কেতেকী দেৱী। ছুতিৰাম বৰ্মণ এজন সৎ আৰু শান্ত প্রকৃতিৰ লোক আছিল। তেওঁ আমনি

স্কুলত প্ৰায় ত্ৰিছ বছৰ কাম কৰি অৱসৰ লয়। তুতিৰাম পণ্ডিতৰ চাৰিজন পুত্ৰ আৰু এগৰাকী কন্যা আছিল। কাশী বৰ্মণ তেওঁৰ প্ৰথম সন্তান। বৰ্মণৰ স্বাস্থ্য সৰুৰে পৰা দুৰ্বল আছিল। পিতৃৰ স্কুলতে বিদ্যাৰম্ভ কৰি দহবছৰ বয়সত তেওঁ প্ৰাইমেৰী পৰীক্ষা পাচ কৰে। সেইসময়ত নলবাৰী মাইনৰ স্কুলৰ বাহিৰে ওচৰে পাঁজৰে আন কোনো স্কুল নাছিল। নলবাৰী আমনি অঞ্চলৰ পৰা দহ মাইল দূৰৈত। ইমান কম বয়সতে আতৰলৈ পঠিয়াবলৈ ইচ্ছা নকৰি পিতৃয়ে তেওঁক এবছৰমান ঘৰতে বহুৱাই ৰাখে। এঘাৰ বছৰ বয়সত নলবাৰী মাইনৰ স্কুলত নাম লগাই দিয়া হয়। স্কুলৰ পৰা এমাইল মান দূৰৈৰ খাৰজৰা গাঁৱত তেওঁ বহা কৰি আছিল। ঘৰৰ পৰা চাউল-পাতি আনি দিয়া, খৰি-খেৰ যোগান ধৰা হৈছিল। কম বয়সতে যথেষ্ট টকা পইচা খৰছ কৰিবলৈ পাই বৰ্মণৰ স্বভাৱ কিছু উৎপতীয়া হৈ পৰে যদিও পঢ়া-শুনাত তেওঁ চোকা আছিল। তেওঁ সদায় পৰীক্ষাত প্ৰথম হৈ উত্তীৰ্ণ হৈছিল। কিন্তু শিক্ষক-সকলৰ মুখত পুতেকৰ চৰিত্ৰৰ অৱনতিৰ কথা শুনি খণ্ডাল দেউতাকে তেওঁক স্কুলৰ পৰা একৰাই আনিলে। তেখেতৰ নিজৰ ভাষাত —"মোৰ কীৰ্ত্তি-কাহিনী শুনি পিতাই মোক ঘৰলৈ লৈ আনিলে। মই ঘৰত পিতাৰ চকুৰ কূটাস্বৰূপ হৈ পৰিলো। আয়ে মোৰ হৈ কেতিয়াবা মাতে দেখি আইৰ লগতো পিতাৰ দন্দ। অৱশেষত তেওঁলোকৰ কাজিয়া এদিন ইমান বিৰক্তিকৰ হৈছিল যে আয়ে খুৰাৰ হাতত টকা দহোটা দি মোক টিহু ষ্টেচনত পিতাই নেদেখাকৈ থৈ আহিবলৈ অনুৰোধ কৰিলে। সেইমতে খুৰাই মোক টিহুত টকা দহোটা দি থৈ আহিল। সেই টকা দহটাই মোৰ সম্বল। মই কলৈ যাম কি কৰিম ভাবি নেপাও।" অনাদৰ পণ্ডিত নামে তেওঁৰ পিতৃৰ এজন প্ৰিয় বন্ধুৱে গোলাঘাটৰ স্কুলত হেড পণ্ডিতৰ কাম কৰিছিল। অনেক ভাবি-গুণি বাৰ

তেৰ বছৰীয়া ল'ৰা বৰ্মণে হাতত মাথোন টকা দহোটাকে সম্বল হিচাবে লৈ অনাদৰ পণ্ডিতৰ স্কুললৈ বুলি ৰাওনা হয়। পিচত পিতৃৰ পৰামৰ্শ অনুযায়ী অনাদৰ পণ্ডিতে তেওঁক গোলাঘাট মাইনৰ স্কুলত নাম লগাই দিয়ে। গোলাঘাটৰ পৰাই তেওঁ স্কুল লিভিং চাৰ্টিফিকেট লাভ কৰে। তাৰ পিছত দেউতাকে তেওঁক গুৱাহাটীৰ কলেজিয়েট স্কুলত পঢ়ুৱাব বুলি মাতি আনি অৱশেষত তেওঁৰ কামটোতে পুতেকক জোৰ কৰি সুমুৱাই দিয়ে। এইদৰেই বৰ্মণৰ উচ্চ শিক্ষাৰ সপোন অস্ত পৰিল। ১৯১২ চনত তেওঁ স্কুল ট্ৰেইনিং পৰীক্ষাত প্ৰথম হৈ উত্তীৰ্ণ হয় আৰু তিনি-চুকীয়া মাইনৰ স্কুলত প্ৰধান শিক্ষক হিচাবে যোগদান কৰে। ১৯১৬ চনত তেওঁ নৰ্মাল পঢ়িবলৈ যোৰহাটলৈ যায়। সেই সময়ৰ অসমৰ বিখ্যাত সাহিত্যিক আৰু শিক্ষাবিদ শৰৎ চন্দ্ৰ গোস্বামী নৰ্মাল স্কুলৰ চুপাৰিন্‌টেণ্ডেণ্ট আছিল। শৰৎ গোস্বামীৰ সম্পৰ্ক বৰ্মণৰ এটা উল্লেখযোগ্য ঘটনা। আত্মজীৱনীমূলক টোকাটোত তেওঁ লিখিছে,—"ইয়াৰ (গোস্বামীদেৱক লগ পোৱাৰ) পৰা মোৰ জীৱনৰ বাট আনফালে ঢাল লয়। যোৰহাট নৰ্মাল স্কুলত মই বৃত্তিৰ টকাৰ বাহিৰে মাহে গড়ে দহটকাকৈ খৰছ কৰিছিলো। মোৰ •চিঠি পালে পিতাই টকা দিবলৈ কোনো সন্দেহ কৰা নাছিল। নৰ্মাল স্কুলতো মই প্ৰথম ছাত্ৰ আছিলো। ১৯১৮ চনৰ শেষ পৰীক্ষাত মই প্ৰথম বিভাগ পাইছিলো। তেতিয়ালৈকে কোনো ছাত্ৰই প্ৰথম বিভাগ পোৱা নাছিল। গতিকে মোৰ বৰ নাম। মোৰ কৃতিত্বত সন্তুষ্ট হৈ তুৰ্গাধৰ বৰকটকীয়ে শৰৎ গোস্বামীৰ লগত পৰামৰ্শ কৰি মাহিলি চল্লিশ টকা দৰ্মহাত তুই নম্বৰ প্ৰেক্টি-চিং স্কুলত মোক হেড পণ্ডিত পদত নিয়োগ কৰে। নষ্ট হৈ যাব খোজা ল'ৰা এটা মানুহ হোৱা দেখি শৰৎ গোস্বামী ডাঙৰীয়াই মোক বৰ ভাল পাইছিল। পাছ কৰি উঠাৰ পিচত তেওঁ মোক

গোৱালপাৰা সাহিত্য সভালৈ লৈ যায়।” মাজতে পুঠিমাৰী আৰু ৰৰপেটা এম-ভি স্কুলত কেইমাহমান কাম কৰাৰ পিছত বৰ্ম্মণ পুনৰ যোৰহাটলৈ উভতি যায় আৰু প্ৰেক্টিচিং স্কুলৰ কামত ভৰ্ত্তি হয়। ১৯২০ চনৰ পৰা ১৯৪১ চনৰ মে মাহ পৰ্য্যন্ত যোৰহাট নৰ্মাল স্কুলৰ লগত তেওঁৰ সম্পৰ্ক নাছিল। মাজতে ১৯৩০ চনৰ পৰা ১৯৩৯ চনলৈকে ন-বছৰ কাল তেওঁ কমলপুৰ এম-ভি স্কুলৰ প্ৰধান শিক্ষকৰূপে বদলি হৈ গৈছিল।

যোৰহাটত থকা কালছোৱা বৰ্মণদেৱৰ সাহিত্যিক জীৱনৰ স্মৰণীয় কাল। শৰৎ গোস্বামী তেওঁৰ সাহিত্য-চৰ্চ্চাৰ পথ-প্ৰদৰ্শক আছিল। হৰিনাৰায়ণ দত্তবৰুৱা, ভৈৰৱ চন্দ্ৰ খাটনিয়াৰ, শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস প্ৰভৃতি লোকৰ সান্নিধ্যয়ো তেওঁৰ সাহিত্য-প্ৰীতি বঢ়োৱাত সহায় কৰে। নৰ্মাল স্কুলত পঢ়ি থকা কালতেই তেওঁ স্কুলখনৰ মুখপত্ৰ ‘প্ৰভাত’ত নিয়মীয়াকৈ লিখিবলৈ লয়। এই আলোচনীখনৰ কেইবাটাও সংখ্যাৰ সম্পাদনাৰ দায়িত্বও তেওঁ বহন কৰিছিল। ইয়াত প্ৰকাশ পোৱা তেওঁৰ বেছিভাগ প্ৰবন্ধই আছিল শিক্ষা আৰু শিক্ষক সম্পৰ্কীয়। যোৰ-হাটত থকা কালতেই বৰ্মণে তেওঁৰ জীৱনৰ প্ৰথম আৰু প্ৰধান গ্ৰন্থ ‘নাৰীৰত্ন’ লিখি উলিয়ায়। ১৯২৯ চনত প্ৰকাশ পোৱা এই গ্ৰন্থখন ৫৪ গৰাকী ভাৰতীয় নাৰীৰ জীৱন-সঙ্কলন আছিল। বৰ্মণ যোৰহাটত থকাৰ শেষৰ ফালে অসম সাহিত্য সভাই ‘চন্দ্ৰকান্ত অভিধান’ উলিয়াবলৈ দিহা কৰে। শব্দ গোটোৱা, সিহঁতৰ ব্যুৎপত্তি নিৰ্ণয় কৰা ইত্যাদি কামবিলাকত তেওঁ স্বৰ্গীয় কুঁহিৰাম দাসক যথেষ্ট সহায় কৰি দিছিল।

১৯৪২ চনত দ্বিতীয় মহাসমৰৰ গণ্ডগোলীয়া কালছোৱাৰ মাজত বৰ্মণে যোৰহাট ত্যাগ কৰে আৰু শিৱসাগৰ চৰকাৰী স্কুলৰ সহ-কাৰী শিক্ষকৰ কামত ভৰ্ত্তি হয়। কিন্তু তেওঁ বাস কৰিছিল

শিৱসাগৰৰ পৰা দহমাইল আঁতৰৰ নাজিৰা চহৰত। নাজিৰাত তেওঁৰ প্ৰিয় ভাতৃ শ্ৰীগোবিন্দৰাম বৰ্মণে কিতাপৰ ব্যৱসায় কৰিছিল। তেওঁ ভায়েকৰ লগতে সপৰিয়ালে থাকিবলৈ লয়। পিছলৈ নাজিৰাতে স্থকীয়াকৈ ঘৰবাৰী কৰে। ১৯৪২ চনৰ পৰা ১৯৫২ চনলৈকে দহবছৰ কাল তেওঁ শিৱসাগৰ স্কুলত আছিল। এই কালছোৱাত তেওঁৰ কেইবাখনো কিতাপ প্ৰকাশ পায়। ১৯৪৯ চনত 'অমৰ-কাহিনী' আৰু 'গল্প-লহৰি' নামে দুখন কিতাপ প্ৰায় একেলগে প্ৰকাশ হৈ ওলায়। 'অমৰ-কাহিনী' পৃথিবীৰ এঘাৰজন ধৰ্ম্মগুৰুৰ জীৱনীৰ সমষ্টি আছিল। কিতাপখনৰ ভূমিকা লিখি দিছিল অসমৰ খ্যাতনামা বুৰঞ্জীবিদ্ সূৰ্য্যকুমাৰ ভূঞাদেৱে। 'গল্প—লহৰি' আছিল বৰ্ম্মণদেৱে ডেকা কালত লিখা ছটা বিভিন্ন ধৰণৰ গল্পৰ সমষ্টি। গল্প কেইটাই বৰ্মণৰ শব্দ-চয়ন ক্ষমতা আৰু প্ৰকাশ ভঙ্গীৰ নৈপুণ্যৰ পৰিচয় দিয়ে। ১৯৫০ চনত তেওঁৰ জীৱনৰ আদৰ্শ-ব্যক্তি মহাত্মা গান্ধীৰ এখন দীঘলীয়া জীৱন চৰিত প্ৰকাশ কৰে। 'শান্তি—দূত' নামৰ এই জীৱনীখনিত তেওঁ আধ্যাত্মিক দৃষ্টিকোণৰ পৰা মহাত্মা গান্ধীৰ জীৱন বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছিল।

১৯৫২ চনত বৰ্মণে চৰকাৰী চাকৰিৰ পৰা অৱসৰ লয়। কিন্তু ইয়াৰ পিচত আৰু এবছৰকাল তেওঁ নামতি হাইস্কুলত শিক্ষকতা কৰিছিল। অৱশেষত সেই চাকৰিও ত্যাগ কৰি তেওঁ নাজিৰাতে স্থায়ী ভাবে বাস কৰিবলৈ লয়। নাজিৰাত থকা কালত তেওঁৰ আৰু তিনিখন কিতাপ প্ৰকাশ পায়, কিতাপ কেইখন হ'ল, 'কথা-কলি', 'পুৰুষ-ৰত্ন' আৰু 'দেশ-বিদেশৰ সাধু সংগ্ৰহ'। 'কথাকলি' কিতাপখন ছপা হৈ ওলায় ১৯৫৮ চনত। কিতাপখন পাঁচিছটা সৰু সৰু উপদেশমূলক কাহিনীৰ সমষ্টি আছিল। ১৯৬১ চনত তেওঁৰ আন এখন প্ৰধান পুথি 'পুৰুষ-ৰত্ন' ছপা হৈ ওলায়। 'নাৰী-ৰত্নৰ' পিছত কবলৈ গলে এইখনেই তেওঁৰ বিশেষ

উল্লেখযোগ্য পুথি। পৃথিবীৰ বিভিন্ন দেশৰ ৪২ গৰাকী পুৰুষক লৈ লিখা এই পুথিখনে 'নাৰী-বত্ন'ৰ নিচিনাকৈ সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। ১৯৬৪ চনত কিছুমান নৈতিক কাহিনীৰে ভৰপুৰ 'দেশ-বিদেশৰ সাধু-সংগ্ৰহ' নামৰ কিতাপখন প্ৰকাশ পায়। এইখনেই বৰ্মণৰ জীৱনৰ শেষ পুথি আছিল। প্ৰকাশিত গ্ৰন্থসমূহৰ উপৰিও 'অসমৰ বৈষ্ণৱ ধৰ্ম্ম আৰু বৈষ্ণবাচাৰ্য্যসকলৰ চমু-জীৱনী' নামৰ এখন কিতাপ, 'কিৰাট-অৰ্জ্জুন' নামৰ এখন পঞ্চাঙ্ক নাটক, স্কুলীয়া ল'ৰাছোৱালীৰ কাৰণে লিখা এখন 'ভাৰত বুৰঞ্জী' আৰু তেওঁৰ ভালেমান ৰচনা অপ্ৰকাশিত অৱস্থাত এৰি থৈ গৈছে।

শিশু সাহিত্যৰ উপৰিও বৰ্মণদেৱে এলানি পঢ়াশলীয়া পাঠ্য-পুথিও লিখিছিল। পাঠ্য-পুথিলানিটোৰ প্ৰথম নাম আছিল 'অতুল-পাঠ' আৰু ইয়াক প্ৰকাশ কৰিছিল গুৱাহাটীৰ বৰুৱা এজেঞ্চী'য়ে। পিছলৈ ১৯৫২ চনত তেখেতে 'অতুল-পাঠমালা' নাম দি কিতাপকেইখন নতুনকৈ লিখি উলিয়ায়। কিতাপকেইখনৰ প্ৰকাশৰ দায়িত্ব বহন কৰিছিল বিখ্যাত 'মেকমিলান কোম্পানী'য়ে। তেওঁৰ দুই এখন পাঠ্য-পুথিয়ে আজিও অসমৰ স্কুলবিলাকত জ্ঞানৰ পোহৰ বিলাই আছে।

সাহিত্য চৰ্চ্চাৰ কথা বাদ দিলেও এগৰাকী আদৰ্শ শিক্ষক হিচাপেও স্বৰ্গীয় বৰ্মণৰ সুনাম আছিল। আজিও যোৰহাট, শিৱসাগৰ আৰু কমলপুৰ অঞ্চলৰ মানুহে তেওঁৰ শিক্ষকতাৰ গুণানুকীৰ্ত্তন কৰা শুনা যায়। তেওঁ আজীৱন শিক্ষকতা কৰিয়েই কটাইছিল। তেখেতৰ প্ৰবন্ধ বিলাকৰো সৰহ ভাগেই আছিল হয় ছাত্ৰৰ প্ৰতি, নহয় শিক্ষকৰ প্ৰতি উদ্দেশ্য কৰি লিখা। তাহানিতে 'প্ৰভাত' নামৰ আলোচনীখনৰ এটা সংখ্যাত তেওঁ লিখিছিল, 'শিক্ষকতা কৰ্ম্ম ইমান ভাবমূলক আৰু শিক্ষকৰ কাৰ্য্য

ইমান মহৎ যে ইয়াৰ একাগ্ৰতা আৰু ঐকান্তিকতাৰ দ্বাৰা স্বভাব-গত কবি নহলে ইয়াক ধাৰণ কৰাই বিৰাট ব্যাপাৰ।" বৰ্মণৰ এই উক্তি শিক্ষকতা কৰ্মৰ প্ৰতি থকা তেওঁৰ প্ৰেম আৰু কৰ্ত্তব্যনিষ্ঠাৰ পৰিচায়ক।

বৰ্মণৰ নৈতিক চেতনা আছিল তীক্ষ্ণ। তেওঁ অত্যন্ত স্পষ্টবাদী লোক আছিল আৰু যিকোনো অন্যায় কৰ্মৰে তেওঁ প্ৰতি-বাদ কৰিছিল। ব্যক্তিগত লাভ লোকচানৰ লগত তেওঁ অন্যায়ৰ আপোচ কাহানিও কৰা নাছিল, যাৰ ফলত তেওঁ বহুতো লোকৰ অপ্ৰিয়ভাজন হোৱাৰ কথাও আমি গম পাওঁ। বৰ্মণ কৰ্মযোগী আছিল। শেষবয়সত শয্যাশায়ী নোহোৱা পৰ্য্যন্ত আমি তেওঁক অবাবত বহি সময় কটোৱা কাহানিও দেখা নাছিলো, হয় খৰি-ফলা, নহয় কোৰমৰা, নহয় শাকনি-ফুলনি বাৰী পৰিষ্কাৰ কৰা, নহয় পঢ়া, নহয় লিখা যিকোনো এটা নহয় এটা কামত তেওঁ অনবৰতে লাগি আছিল। তেওঁ শ্ৰমৰ মৰ্য্যাদা জানিছিল আৰু ল'ৰাছোৱালী বিলাককো সেই শিক্ষা দিছিল।

স্বৰ্গীয় বৰ্মণৰ সাহিত্য-প্ৰীতি আছিল অতুলনীয়। এটা সৰু ঘৰৰ ভিতৰত ল'ৰাছোৱালীৰ হুলস্থুলৰ মাজতো তেওঁৰ একাণপতীয়াকৈ পঢ়া-শুনা কৰিব পৰা ক্ষমতা দেখা পাই বন্ধু-বান্ধৱ আৰু সম্পৰ্কীয় লোকসকলে বিস্ময় মানিছিল। এজন আদৰ্শ শিক্ষকৰ দৰে সদায় ভাল কথাৰে আলোচনা কৰি তেওঁ সময় কটাইছিল। নাজিৰাত থকা কালত তেৱেঁই তাত আলোচনা-চক্ৰৰ সূচনা কৰে, আৰু তাৰ প্ৰথম অধিবেশন বহুৱাইছিল তেওঁৰ নিজৰ ঘৰতে। তেওঁ তাত 'সীতাৰ অগ্নিপৰীক্ষা, বনবাস আৰু পাতাললৈ যোৱা কথা' শীৰ্ষক এটা মনোৰঞ্জক প্ৰবন্ধ পাঠ কৰাৰ কথা এতিয়াও আমাৰ ৰিণিকি ৰিণিকি মনত পৰে। নাজিৰাৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠানত তেওঁ সদায় আগভাগ লৈছিল। ১৯৫৮ চনৰ অসম সাহিত্য

সভাৰ নাজিৰা শাখাটোৰ তেওঁ সভাপতি আছিল। ১৯৬৩ চনত নাজিৰাত যেতিয়া অসম সাহিত্য সভাৰ ত্ৰিংশ অধিবেশন বহে তেতিয়া তেওঁ শয্যাশায়ী। বাগ্মীবৰ নীলমনি ফুকন প্ৰভৃতি লোকসকলে তেওঁক ঘৰতে দেখা দি আহিছিলগৈ। জীৱনৰ শেষৰ প্ৰায় তিনি-চাৰিটা বছৰ তেওঁ সম্পূৰ্ণ শয্যাগত হৈ আছিল বুলিব পাৰি। ১৯৬৩ চনৰ ১৫ মেৰ দিনা দুপৰীয়া ভাত খাই উঠি জিৰণি লওঁতে বহি থকা চকীখনতে তেওঁৰ হঠাতে মৃত্যু ঘটে। মৃত্যুৰ সময়ত বিধবা পত্নীৰ সৈতে পাঁচজনী ছোৱালী, চাৰিটা ল'ৰা আৰু গুণমুগ্ধ অসংখ্য ব্যক্তি তেওঁ এৰি থৈ যায়।

—শ্ৰীশিবনাথ বৰ্মণ

'প্ৰতিধ্বনি'ৰ কবি

উমেশ চন্দ্ৰ চৌধাৰী

সুদূৰ অতীতত কনৌজৰ পৰা আহি নিগাজীকৈ হাড়ে-হিমজুৱে অসমীয়া হৈ কামৰূপ জিলাৰ হাজো অঞ্চলৰ ক্ষেত্ৰি হাবদিয়া গাৱঁত থিতাপি লোৱা আৰু পিচত ব্ৰহ্মপুত্ৰৰ পাৰৰ হালো গাওঁলৈ অহা বিখ্যাত চৌধাৰী বংশৰ উমেশ চন্দ্ৰৰ পিতৃ গৰ্গৰাম চৌধাৰীয়ে গুৱাহাটীত নাজিৰৰ পদ লাভ কৰি উজান বজাৰত বসবাস কৰিবলৈ লয়। এৱেঁই লাওপাৰাৰ সম্বন্ধীয় ভায়েক ৰঘুনাথক (বিহগী কবি) আশ্ৰয় দি গুৱাহাটীলৈ লৈ আহিছিল। প্ৰথমা ভাৰ্য্যাৰ বহুদিনলৈকে কোনো সতি-সন্ততি নোহোৱা কাৰণে গৰ্গৰাম চৌধাৰীয়ে গুৱাহাটীৰ সেই সময়ৰ বিখ্যাত নাগৰিক দুলালচন্দ্ৰ চৌধাৰী ডাঙৰীয়াৰ কন্যা স্বৰ্ণময়ী চৌধাৰীক বিয়া কৰায়। গৰ্গ নাজিৰৰ আৰ্থিক অৱস্থা বেছ সুচল আছিল। তেতিয়াৰ দিনত নাজিৰ বুলিলে বুলিবলৈ নাই। তেওঁৰ ঘৰখন চাকৰে-নাকৰে, আত্মীয়-কুটুম্বই, আৰু পিয়ন পিয়াদাৰে ৰবৈয়া আছিল।

গৰ্গ নাজিৰৰ প্ৰথমা ভাৰ্য্যাৰ ইতিমধ্যে পৰলোক হোৱাত আৰু দ্বিতীয়া ভাৰ্য্যাৰো বহুদিন ধৰি সন্তান-সন্ততি নোহোৱাত ঘৰখনত স্বাভাৱিকতে সন্তানৰ কাৰণে চিন্তা হৈছিল। গৰ্গ নাজিৰে নীলাচল আৰু শুক্ৰেশ্বৰত অধ্যাপনা কৰি থকা তেওঁৰ বন্ধু মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য্যদেৱৰ পৰামৰ্শ মতে বালমুকুন্দ ঝা নামৰ এজন ঋষিতুল্য বিদগ্ধ পণ্ডিত অনাই তেওঁৰ হতুৱাই পুত্ৰেষ্টি যজ্ঞ কৰায়।

তাৰে ফল স্বৰূপে ১৮৯৮ চনৰ ২৩ জানুৱাৰীৰ দিনা নাজিৰৰ ঘৰত পুত্ৰ সন্তান এটিৰ জন্ম হ'ল। এৱেঁই অসমৰ অন্যতম গীতিকবি উমেশ চন্দ্ৰ চৌধাৰী। যোগ বা যাগৰ ফলত জন্ম হোৱাৰ বাবে উমেশচন্দ্ৰৰ এটা ঘৰুৱা নাম আছিল 'যোগী'।

পুত্ৰেক উমেশচন্দ্ৰৰ জন্মৰ লগে লগে নাজিৰৰ ঘৰখন স্বভাৱতে উৎসৱমুখৰ হৈ পৰিছিল। দুখৰ বিষয় উমেশচন্দ্ৰৰ পাঁচ বছৰ বয়সত পিতৃবিয়োগ হয়। এনে অৱস্থাত তেওঁৰ সুযোগ্যা মাতৃ স্বৰ্ণময়ী চৌধাৰিণীয়ে দেওৰেক ৰঘুনাথ চৌধাৰীক হাততলৈ ঘৰখন চলাই নিছিল আৰু লৰাটিৰ শিক্ষাৰ সুব্যৱস্থা কৰিছিল। খুৰাক ৰঘুনাথ চৌধাৰী-দেৱৰ তত্বাবধানত ভতিজাক উমেশচন্দ্ৰই হাতত কলি পুথি লৈছিল আৰু তেওঁৰ ভবিষ্যত সুশিক্ষা লাভৰ ক্ষেত্ৰত নিপুণ শিশুশিক্ষক সেই বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱে মূল্যবান অৰিহণা যোগাই-ছিল বুলি কব পাৰি।

উমেশ চন্দ্ৰই নিচেই সৰু কালৰে পৰা তীক্ষ্ণ বুদ্ধি আৰু প্ৰখৰ স্মৃতিশক্তিৰ পৰিচয় দিছিল। তেওঁ ঘৰত সৰহ সময় কিতাপত লাগি নাথাকিও স্কুলৰ পাঠ-প্ৰস্তুতি সম্পূৰ্ণ কৰিব পাৰিছিল। তেওঁ ঘৰত যি অলপ সময় পঢ়াশুনা কৰিছিল, সেইখিনি সময় নিৰলে পঢ়াটোকে তেওঁৰ অভ্যাস আছিল। তেওঁ যিহকে পঢ়িছিল, তাকে থৰচি মাৰি শিকি লৈছিল আৰু কৰবাত খোকোজা লাগিলেই আনক সুধি বুজি লোৱাত সমূলি সঙ্কোচবোধ নকৰিছিল। তদুপৰি উমেশ চন্দ্ৰৰ গুণ আছিল, কিন্তু ধুন নাছিল। অজস্ৰ ভূসম্পদৰ উত্তৰাধিকাৰী হলেও তেওঁ বিলাসী নহল; আদৰ্শ ছাত্ৰ হৈ ভবিষ্যতে আদৰ্শ নাগৰিক হোৱাটোৱেই যেন তেওঁৰ লক্ষ্য আছিল।

সময়ত তেওঁ বাহিৰা কিতাপ আৰু বাতৰি কাকত আনি পঢ়িছিল। তেতিয়া আজিকালিৰ দৰে বাতৰি কাকত, আলোচনী

আদিৰ প্ৰাচুৰ্য্য নাছিল যদিও ঘৰতে বিহগী কবি চৌধাৰীদেৱে বঙলা, অসমীয়া আদি দুই তিনিখন কাকত ৰখাত উমেশ চন্দ্ৰই তাৰ সদ্ব্যৱহাৰ কৰিছিল।

গুৱাহাটী কটন কলেজিয়েট স্কুলৰ পৰা ১৯১৩ চনত ১৪ বছৰ বয়সত তেওঁ প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজৰ বিজ্ঞান শ্ৰেণীত প্ৰবেশ কৰে। স্কুলৰ এই শেষ পৰীক্ষাত তেওঁ গণিতৰ দুখন প্ৰশ্ন, আৰু সংস্কৃতত 'লেটাৰ মাৰ্ক' (শতকৰা ৮০ তকৈও অধিক নম্বৰ) লাভ কৰি অসমৰ পৰীক্ষাৰ্থীসকলৰ ভিতৰত প্ৰথম স্থান লৈ কুৰিটকীয়া জলপানী পাইছিল আৰু সোণৰ পদক লাভ কৰিছিল। আই-এছ্-ছি পৰীক্ষাতো তেওঁ অসমৰ ভিতৰত প্ৰথম হৈ জলপানি পায় আৰু লগতে "দিপৰু মেধি" পদক লাভ কৰে। এইখন পদকত লিখা আছে :—"Diparu Medhi Medal, Presented by his son Bhuban Ram Das (পিচত ৰায়বাহাদুৰ) from the Cotton College, Gauhati in 1915 Awarded to Umesh chandra Chowdhari an Assamese youth who stood first at the first attempt among the successful Assamese candidates of the Intermediate Examination of the Calcutta University." কলেজীয় অধ্যয়নত গণিত, পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন তেওঁৰ প্ৰিয় বিষয় আছিল আৰু এইকেইটা বিষয়ৰ অধ্যাপকসকলেও তেওঁক পুত্ৰবৎ স্নেহ কৰিছিল। ডিগ্ৰী পৰীক্ষাতো তেওঁ অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰি ৰসায়ন বিজ্ঞানৰ অনাৰ্ছত কলিকতা বিশ্ববিদ্যালয়ত দ্বিতীয় শ্ৰেণীৰ তৃতীয় স্থান অধিকাৰ কৰে।

কলেজত বিজ্ঞানৰ ছাত্ৰ হলেও উমেশ চৌধাৰীয়ে জতুৱা ঠাচৰ সাবলীল ইংৰাজী আৰু অসমীয়া লিখিছিল আৰু পঢ়াশলীয়া জীৱনতে কেইবাখনো ৰচনা প্ৰতিযোগিতাত প্ৰথম হৈ বঁটা পাইছিল। তেওঁৰ

স্কুল-কলেজীয়া জীৱনৰ সহপাঠী আছিল গুৱাহাটীৰ আব্রাম বছুল (জজ), অম্বৰাম বৰুৱা, শিশিৰ কুমাৰ বৰুৱা, মোহিনী বৰকাকতী, বৰপেটাৰ সদানন্দ দাস, ৰাধাকান্ত দাস, যোৰহাটৰ কৃষ্ণকান্ত সন্দিকৈ আৰু শিৱসাগৰৰ যাদব প্রসাদ চলিহা প্রভৃতি। সামাজিক জীৱনৰ চৌধাৰীৰ অন্তৰঙ্গ বন্ধু আছিল দৈবচন্দ্র তালুকদাৰ, মহিবুদ্দিন আহমদ্ অম্বিকা প্রসাদ গোস্বামী (তাৰাৰ নাট্যকাৰ) কালিপ্রসাদ বৰুৱা, ৰাজেদ আলি আৰু মহেন্দ্র নাথ ডেকা ফুকন। উমেশ চৌধাৰীৰ আন এজন নলেগলে লগা বন্ধু আছিল কবি ভোলানাথ দাসৰ পুত্র লক্ষ্মীনাথ দাস এম্-এছ্-ছি।

১৯১৭ চনত বি, এছ্, ছি, ডিগ্রী লাভ কৰি উমেশ চন্দ্রই কলিকতাত ৰসায়ন বিষয়ৰ এম্, এছ্, ছি, পঢ়িবলৈ যায়। কিন্তু কলিকতাত কেইমাহমান মাত্র প্রেচিডেন্সি কলেজত অধ্যয়ন কৰি অতি দুখেৰে তেওঁ ঘৰলৈ উলটি আহিবলগীয়া হ'ল। তাৰ পিছত স্থানীয় এম্ ছি এম্-ই স্কুলতে শিক্ষকৰ পদ লৈ গুৱাহাটীৰ আৰ্ল-ল কলেজত আইন অধ্যয়ন কৰিবলৈ ধৰিলে। প্রথমে সহকাৰী শিক্ষকৰ পদত নিযুক্ত হৈ পিছত প্রধান শিক্ষকৰ পদলৈ উন্নীত হোৱাৰ ভিতৰত শিক্ষক আৰু পৰিচালক হিচাপে উমেশ চৌধাৰীয়ে যথেষ্ট সুনাম অৰ্জন কৰিব পাৰিছিল। ১৯২৩ চনত তেওঁ আইনৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হৈ স্কুলৰ চাকৰি এৰিলে আৰু লগে লগে গুৱাহাটীৰ আদালতত ওকালতি আৰম্ভ কৰিলে। সেই বছৰতে তেওঁ উত্তৰ গুৱাহাটীৰ মজিন্দাৰ বৰুৱা বংশৰ ৺নবীনচন্দ্র বৰুৱাৰ কনিষ্ঠা কন্যা বসুন্ধৰা বৰুৱাৰ লগত বৈবাহিক সূত্রত আবদ্ধ হয়।

আধ্যয়নৰ কালছোৱাতে ভাৰতজুৰি হোৱা স্বাধীনতা আন্দোলনৰ হেন্দোলনিত পৰি চৌধাৰী দেৱে বিপ্লবী মনোভাব গ্রহণ কৰিছিল। সেয়ে তেওঁৰ মোমায়েক ৰায়বাহাদুৰ কৃষ্ণচন্দ্র চৌধাৰীয়ে যোগাৰ কৰি দিব খোজা উপপ্রতিসমাহৰ্তাৰ (এছ-ডি-ছি) লোভনীয় বিষয়বাবো

প্ৰত্যাখ্যান কৰি তেওঁ আনকি মোমায়েকৰ অপ্ৰিয় হবলৈকো কুণ্ঠাবোধ কৰা নাছিল। সময়ে সময়ে কঠিন আৰ্থিক সমস্যাৰ সন্মুখিন হবলগীয়া সত্বেও জীৱনত এবাৰ বাছি লোৱা স্বাধীনতা আৰু ত্যাগৰ পথ তেওঁ শেষলৈকে পৰিত্যাগ কৰা নাছিল।

ছাত্ৰাৱস্থাৰে পৰা চৌধাৰীদেৱ একতা সভা, অসম ছাত্ৰ সন্মিলন কামৰূপ নাট্য সমিতি আদি বিবিধ সাংস্কৃতিক অনুষ্ঠানৰ লগত সক্ৰিয় ভাবে জৰিত আছিল। পিছত কংগ্ৰেছৰ একাণপতীয়া কৰ্ম্মী হৈয়ো কেইবাটাও ৰাজহুৱা অনুষ্ঠানৰ যোগেদি জনসাধাৰণৰ লগত সংযোগ ৰক্ষা কৰিছিল। বামুন্দি-হালোগাঁও, হাৰদিয়া, ৰামদিয়া, দামপুৰ, টোক্ৰাদিয়া আদি গাঁৱত চৌধাৰীদেৱ ৰাইজৰ প্ৰিয় নেতা অছিল আৰু এই অঞ্চলৰ প্ৰতিটো ৰাজহুৱা অনুষ্ঠানতেই তেওঁ পাৰ্য্যমানে সহযোগ কৰিছিল। কংগ্ৰেছে যেতিয়া লোকেলবোৰ্ড, মিউনিচিপালিটি আদিত যোগ দিয়াৰ সিদ্ধান্ত ললে, তেতিয়া চৌধাৰীদেৱে উত্তৰ-পশ্চিম বংশৰ মৌজা অঞ্চলৰ পৰা দুবাৰো গুৱাহাটী লোকেলবোৰ্ডৰ সদস্য নিৰ্বাচিত হয়। প্ৰথম বাৰত তেওঁ বোৰ্ডৰ চেয়াৰমেন হিচাপে পাইছিল পুৰুষসিংহ কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱক। চৌধাৰীৰ নিস্বাৰ্থ আৰু অক্লান্ত দেশসেৱাৰ মনোবৃত্তিৰ পৰিচয় পাই পিতৃস্থানীয় বৰদলৈদেৱে তেওঁক লগৰ পৰা নেৰিছিল। সেই দিনত হাজো, গুৱালকুছি, ৰামদিয়া আদি গাঁৱৰ পৰা গুৱাহাটীলৈ অহা-যোৱা কৰিবলৈ আজিৰদৰে পোনপতীয়া আলিবাট নাছিল। এতিয়াৰ অগিয়াথুৰি পৰ্ব্বতৰ পশ্চিম মূৰেদি থকা চৰকাৰী বাটটো তেতিয়া নাছিল। চৌধাৰীদেৱে লোকেলবোৰ্ডৰ সদস্য নিৰ্বাচিত হৈ, সেই অঞ্চলৰ ৰাইজৰ গুৱাহাটীৰ লগত যোগাযোগ উন্নত কৰিবৰ কাৰণে চিন্তা কৰিলে আৰু অদম্য উৎসাহী নবীনচন্দ্ৰ বৰদলৈদেৱৰ লগত সহযোগ কৰি বৰ কষ্টেৰে আগিয়াথুৰিৰ শিল ভঙাই নৈৰ পাৰে পাৰে এই চমু ৰাজআলিবাটটো মোকলাই দিলে। আজিৰ যান্ত্ৰিক যুগত

অৱশ্যে এইটো এক ডাঙৰ কাম নহলহেতেনে, কিন্তু সেইকালত সি একপ্ৰকাৰ অসাধ্য সাধন আছিল। সি সম্ভৱ হৈছিল মাত্ৰ বৰদলৈ-চৌধাৰীৰ দুৰ্বাৰ আত্মবল আৰু অক্লান্ত শ্ৰমৰ গুণত।

দ্বিতীয় মহাসমৰৰ আগে আগে চৌধাৰীদেৱ পুনৰ গুৱাহাটী লোকেলবোৰ্ডৰ সদস্য হৈ তাৰ ভাইচ্ চেয়াৰমেন নিৰ্বাচিত হয়। এই-বাৰ বোৰ্ডৰ চেয়াৰমেন আছিল শ্ৰীবিষ্ণুৰাম মেধী ডাঙৰীয়া। চৌধাৰীক ভাইচ্ চেয়াৰমেন হিচাপে পাই মেধী ডাঙৰীয়াই সুকলমে বোৰ্ড পৰি-চালনা কৰিবলৈ সুযোগ পাইছিল ; কিন্তু ইংৰাজৰ যুদ্ধত অসহযোগ কৰিবলৈ মহাত্মাৰ নেতৃত্বত ভাৰতীয় জাতীয় কংগ্ৰেছে সত্যাগ্ৰহ আন্দোলন আৰম্ভ কৰিলত মেধি ডাঙৰীয়াই কাৰাবৰণ কৰিবলগীয়া হল আৰু বোৰ্ডত তেওঁৰ ঠাই পূৰালে উমেশচন্দ্ৰ চৌধাৰীদেৱে। সত্যাগ্ৰহত যোগ দিছিল যদিও চৌধাৰীদেৱে কাৰাৰুদ্ধ হবলগীয়া হোৱা নাছিল কিন্তু কেইমাহমানৰ পিছতে কংগ্ৰেছ উৰ্দ্ধতন কৰ্তৃপক্ষৰ পৰা নিৰ্দ্দেশ অহাত আন সকলো কংগ্ৰেছ কৰ্মীৰ লগতে উমেশ চৌধাৰীদেৱে লোকেলবোৰ্ডৰ বাব বৰ্জন কৰিলে। গুৱাহাটী মিউনিচিপালিটীৰ সদস্য হিচাপে থকা কালছোৱাত চৌধাৰীদেৱ বোৰ্ডৰ চেয়াৰমেন দেশভক্ত ফুকন ডাঙৰীয়া আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱৰ সোঁ-হাত স্বৰূপ আছিল। তেওঁৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত উল্লেখ-যোগ্য আৰু অনেক কাম আছে। সেইবোৰ বিবৰি নকৈ এতিয়া আমি তেওঁৰ সাহিত্যিক আৰু শিল্পীজীৱনৰ চমু আভাস এটা দিম।

চৌধাৰী দেৱৰ কঠোৰ ৰাজনৈতিক আৰু সংঘাতপূৰ্ণ আৰ্থিক জীৱনটোকো ৰসাল কৰি তুলিছিল তেওঁৰ শিল্প-সাহিত্যৰ সাধনাই। তেওঁ কলেজীয়া জীৱনত ১৯১৫ চন মানতে গীত লিখিবলৈ আৰম্ভ কৰে। একতা সভা, অসম–ছাত্ৰ-সন্মিলন আৰু কামৰূপ নাট্য সমিতিৰ অনুষ্ঠানৰ বিবিধ উপলক্ষৰ খাপখোৱাকৈ তেওঁ গীত ৰচনা কৰিছিল। সৰুৰে পৰা সঙ্গীতৰ অনুৰাগ জন্মিছিল তেওঁৰ নিজৰ ঘৰখনৰ কাৰণে।

সেই কালত সাধাৰণতে ভাল মানুহৰ ঘৰৰ লৰাছোৱালীবোৰে অভি-ভাবকৰ পৰা সঙ্গীত শিক্ষা বিষয়ত প্ৰবল বাধা পাইছিল। উমেশ-চন্দ্ৰই কিন্তু ঘৰত সাহিত্য-সঙ্গীত চৰ্চ্চাৰ কাৰণে অনুকূল বাতা-বৰণহে লাভ কৰিছিল। খুৰাক ৰঘুনাথ চৌধাৰীদেৱ কবি হোৱাৰ উপৰিও বৰ সঙ্গীতপ্ৰেমী আছিল। উমেশচন্দ্ৰৰ মাতৃ স্বৰ্ণময়ী চৌধাৰিণীও গুৱাহাটীত সেই সময়ত এগৰাকী প্ৰখ্যাত নামতী আছিল। তেওঁ নিজেই মুখে মুখে নানা গীত পদ ৰচনা কৰি আন নামতীসকলৰ লগতে গাইছিল আৰু এইবোৰে বাল্যকালৰে পৰা উমেশচন্দ্ৰক স্বভাৱতে কবিতা আৰু গীতৰ অনুৰাগী কৰি তুলিছিল। মাতৃদেৱীৰ প্ৰতি উমেশচন্দ্ৰ কেনে ভাবে চিৰকৃতজ্ঞ আছিল, তাৰ পৰিচয় তেওঁ নিজহাতে লিখি থৈ যোৱা 'প্ৰতিধ্বনিৰ' পাতনিতে পোৱা যায় এইদৰে—"

"যাৰ স্নেহমন্দাকিনীৰ অমৃতলহৰীয়ে মোৰ অসহায় শৈশৱ সঞ্জীবিত কৰি ৰাখিছিল, যাৰ ললিত কণ্ঠ নানাসুৰে, নানা তৰঙ্গে মোৰ কোমল হিয়াত প্ৰতিধ্বনিত হৈছিল, সেই পৰমাৰাধ্যা মাতৃ-দেৱী স্বৰ্ণময়ী চৌধাৰিণীৰ উদ্দেশ্যে সন্তানৰ ভক্তি পুষ্পাঞ্জলি।"

বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱৰ কবিত্ব আৰু ব্যক্তিত্বৰ পৰা বিস্তৰ অনুপ্ৰেৰণা পালেও উমেশ চৌধাৰীৰ ৰচনা-শৈলীত স্বকীয়তা সুস্পষ্ট। বিশেষকৈ এওঁৰ গীতবোৰ সেই যুগত ৰচিত হোৱা আন কবি সকলৰ তুলনাত ভাব প্ৰকাশৰ ক্ষেত্ৰত যেনে স্পষ্ট, ভাষা আৰু ৰচনা নীতিও তেনে উচ্চ মৌলিকতা-সম্পন্ন। স্বাধীনতা আন্দোলনৰ ঢৌৱে তেতিয়া ভাৰতীয় ডেকাচামৰ চিন্তাধাৰাত যি থৌকি-বাথৌকিৰ সৃষ্টি কৰিছিল, তাৰে ফলত বঙ্গত মুকুন্দ দাস প্ৰভৃতি গীতিকাৰ-গায়কৰ সৃষ্টি হোৱাৰ দৰে অসমতো কবি গীতিকাৰ আৰু গীতৰ সৃষ্টি হৈছিল। উমেশ চৌধাৰী তেনে গীতি কবি সকলৰ অন্যতম। উমেশ চন্দ্ৰ প্ৰমুখ্যে সেই সময়ৰ গীতি কবি সকলে চিৰচেনেহী মাতৃভাষা অসমীয়াত

ৰচিত গীতপদবোৰক মঞ্চ আৰু মজ্‌লিছৰ যোগ্যস্থানত স্থাপন কৰিবলৈ উঠি পৰি লাগিছিল আৰু বিশেষকৈ চৌধাৰীৰ লিখনীত সেই ভাব সমূহে ৰূপে-ৰসে-মাধুৰ্য্যই লালিত্যত মূৰ্ত্ত হৈ প্ৰকাশ পাইছিল।

উমেশ চৌধাৰীদেৱৰ "নিজৰ উল্লাস আৰু তৃপ্তিৰ কাৰণে" ৰচিত বহুতো গীত পুথিত সন্নিবিষ্ট হৈ প্ৰকাশ হোৱাৰ পূৰ্ব্বে বাঁহী আৱাহন আদি বিভিন্ন আলোচনীত প্ৰকাশ হৈছিল আৰু কোনো কোনো অনুষ্ঠানত সফলতাৰে পৰিবেশিতো হৈছিল। তেওঁৰ বিশেষকৈ জনপ্ৰিয় গীত "অসমা নিৰুপমা জননী", "বহাগী লুইতৰ বিছুৱালী সুঁতিত", "নুপুৱাবি এ মাধবী জোনোৱালী ৰাতি", "জলক লাগে লুইতৰে পাৰ", "কাহানিখন আই কাহানিখন" আদি সুৱলা গীত "হিজ্‌ মাষ্টাৰ্চ ভইচ্‌" কোম্পানীয়ে ৰেকৰ্ড কৰিছিল। ইয়াৰ বাহিৰে অসম সাহিত্য সভাৰ ১৯২৪ আৰু ১৯৩৭ চনৰ গুৱাহাটী অধিবেশনত ১৯২৬ চনৰ ধুবুৰী অধিবেশনত আৰু সেই বছৰতে পাণ্ডুত বহা সদৌ ভাৰত কংগ্ৰেছ মহাসভাৰ অধিবেশনত চৌধাৰীদেৱৰ ৰচিত গীত বিশেষ সমাদৰেৰে পৰিবেশন কৰা হৈছিল। মুঠতে ১৯১৯ চনৰ পৰা আৰম্ভ কৰি ১৯৩৭-৩৮ চনলৈকে অসমৰ বিভিন্ন সভা-সমিতিত উমেশ চৌধাৰীৰ গীতে প্ৰাধান্য লাভ কৰিছিল। অকল সিমানেই নহয়, পৰিস্থিতিৰ লগত খাপ-খুৱাই ধুনীয়া গীত ৰচি দিব পৰা কাৰণে তেওঁৰ কনিষ্ঠ প্ৰিয়বন্ধু নাট্যকাৰ অতুল-চন্দ্ৰ হাজৰিকা আৰু দৈবচন্দ্ৰ তালুকদাৰৰ নাটবোৰতো চৌধাৰী-দেৱেই গীতৰ যোগান ধৰিবলগীয়া হৈছিল। তেওঁৰ সুৱলা গীত সংযোজন কৰিলেহে এই দুগৰাকী নাট্যকাৰে পৰিতৃপ্তি লাভ কৰিব পাৰিছিল।

উমেশ চৌধাৰী ৰচিত গীতৰ পুথি তিনিখন—প্ৰতিধ্বনি, দেৱধ্বনি, মন্দাকিনী আৰু কবিতাৰ পুথিও তিনিখন—অমৃত মন্থন, ত্ৰিবেণী

আৰু পঞ্চামৃত। ইয়াৰে শেষৰখনত বাদে বাকী পাঁচখনে ১৯৪০-৪১ চনতে ছপাৰ মুখ দেখিলে, মাত্ৰ 'পঞ্চামৃত' এতিয়াও হাতেলিখা অৱস্থাতে থাকিল।

বিজ্ঞানৰ ছাত্ৰ চৌধাৰীৰ প্ৰত্যেকখন পুথিয়েই বৈজ্ঞানিক দৃষ্টিৰে সজোৱা। তেওঁৰ প্ৰথম প্ৰকাশিত গীতৰ পুথি 'প্ৰতিধ্বনি'ক তিনিটা তৰঙ্গত বিভক্ত কৰা হৈছে—উজ্জ্বল তৰঙ্গ, সেৱা তৰঙ্গ আৰু জাতীয় তৰঙ্গ। প্ৰথম তৰঙ্গত প্ৰকৃতিৰ বিভিন্ন চিত্ৰ, সেৱা তৰঙ্গত ঐশ্বৰিক ভাৱৰ গীত সমূহ আৰু শেষৰটো তৰঙ্গত জাতীয় ভাবৰ গীত কেতবোৰ সন্নিবিষ্ট কৰা হৈছে। পুথিখনত মুঠতে বিৰাল্লৈবেটা গীত আছে। কবিয়ে প্ৰতিধ্বনিৰ মূল উৎসৰ সম্বেদ নিজে এইদৰে ব্যক্ত কৰিছে—

"অন্তহীন সুৰব্ৰহ্ম
ব্যাকুল স্পন্দন,
তৰঙ্গিত সুৰসিন্ধু,
অমৃত মন্থন।
সঙ্গীতৰ স্নিগ্ধজ্বালা
সুৰৰ প্ৰদাঘ,
অনাবিল স্ৰজে মৃত্যু
মধুৰ নিদাঘ।
বিশ্বব্যাপি থৰে বেঢ়ি
ছন্দৰ লহৰী,
ৰিণি ৰিণি যায় ধ্বনি
ভেদি মৰ্মপুৰী। ইত্যাদি

এওঁৰ প্ৰত্যেকটি গীতেই একোটা সুন্দৰ কবিতা। গীতবোৰত

সুপ্তভাবে থকা সুৰৰ লহৰীৰ লগতে কবিত্বৰ মধুৰিমাও প্ৰচুৰ। প্ৰথম তৰঙ্গৰ নৈসৰ্গিক বৰ্ণনাৰ প্ৰতিটি গীতেই যেন একোটি পূৰ্ণ চিত্ৰ। দ্বিতীয় তৰঙ্গৰ গীতবোৰতো "(তুমি) সুন্দৰ-সত্য শিৱ সনাতন"ৰ "ৰাতুল চৰণ" শিৰত আদৰি লওঁ" বুলি কবিয়ে অনন্ত শক্তিৰ আধাৰ পৰমাৰাধ্য ভগবানৰ ওচৰত শক্তি আৰু শান্তি মাগিছে। সেৱা তৰঙ্গত ভালেমান গীত ধৰা হৈছে যদিও এই ঐশ্বৰিক গীতকেতবোৰৰ অন্তৰালেদি জাতীয়তাবাদৰ প্ৰতিধ্বনি সোমাই পৰিছে। সম্পূৰ্ণ আধ্যাত্মিক ভাৱৰ গীত আমাৰ বিচাৰ মতে মাত্ৰ বাৰচৈদ্ধ্যটা মানহে হব।

জাতীয় তৰঙ্গত আমি আগেয়ে উল্লেখ কৰা "অসমা নিৰুপমা" "মাৰিবি বঠা মাৰিবি ডাৰ," আদি জনপ্ৰিয় জাতীয় গীতবোৰে ঠাই পাইছে। কটন কলেজৰ খেল-ধেমালিৰ ভিতৰত যেতিয়া নাওখেল অন্তভূৰ্ক্ত আছিল, তেতিয়া এই "মাৰিবি বঠা··· ···" গীতটো ব্ৰহ্মপুত্ৰ আৰু দীঘলী পুখুৰীৰ বুকুত হোৱা নাওখেলত সদায় ব্যৱহাৰ কৰা হৈছিল।

চৌধাৰীদেৱৰ ৰচিত দ্বিতীয়খন গীতৰ পুথি দেৱধ্বনিত নানা তৰহৰ গহীন ভাবৰ চাৰিকুৰি চাৰিটা গীতৰ সমাবেশ ঘটিছে। এই গীতবোৰতে চেনেহী মাতৃভাষা আৰু জননী জন্মভূমিৰ প্ৰতি কবিৰ অন্তৰ ভৰা ভক্তি আৰু স্বাধীনতাকামী মনোভাৱৰ বিকাশ হৈছে। এইখনি শৰাইত সাতভাগ নৈবেদ্য আগ বঢ়োৱা হৈছে। ইয়াৰ গীতবোৰে বহন কৰা ঘাই ভাবলৈ আঙুলিয়াই কবিয়ে পাতনিত লিখিছে—

"প্ৰকৃতিৰ পাৰিপাৰ্শ্বিকতাই হেনো আমাৰ অনুভূতিৰ ওপৰত সূক্ষ্ম প্ৰভাব বিস্তাৰ কৰে আৰু হৃদয়ৰ সুৰতন্ত্ৰীবিলাক পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত এনেকৈ সমতালে জোৰ বান্ধা, যে সিবিলাক প্ৰকৃতিৰ সহানুভূতিত সমস্বৰে ধ্বনিত হয়। সেইবাবেই বেছি ভাগ ৰস সাহিত্য

নৈসৰ্গিক লীলাৰ চিত্ৰপটৰ সমুখত উদ্ভাসিত হবলৈ প্ৰয়াস কৰে আৰু প্ৰকৃতিৰ দাপোণতহে তাৰ অন্তৰ্নিহিত ভাববিলাক বিশেষকৈ জিলিকি উঠে।” ইত্যাদি

উমেশ চন্দ্ৰৰ কবিতাৰ পুথি ‘অমৃত-মন্থন’ত দুটা দীঘলীয়া কবিতা আছে—এটা মন্ত্ৰ সাধন আৰু আনটো মায়াপুৰী। মন্ত্ৰ সাধন কবিতাটিত কবিয়ে দেশৰ ডেকাদলক এলাহ নিহালি আঁতৰাই থৈ জীৱনযুদ্ধত সাহসেৰে অৱতীৰ্ণ হবলৈ উদাত্ত আহ্বান জনাইছে। এই আহ্বানৰ অন্তৰ্নিহিত লক্ষ্য যে দেশৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতি সকলোকে সচেতন কৰাটো, সেই কথা কবিতাটিৰ স্থান বিশেষত ওলাই পৰিছে।

‘ত্ৰিবেণী’ নামৰ এশ পিঠীয়া কবিতাৰ পুথিখনি তিনিটা দীঘলীয়া কবিতাৰ সমষ্টি—‘তন্দ্ৰাবিহাৰ’, ‘প্ৰত্যাবৰ্ত্তন’ আৰু ‘কবিৰ কাৰেং’। প্ৰথম কবিতাটিৰ ৰচনাত মহাকবি টেনিচনৰ “ড্ৰিম্ অব্ ফেয়াৰ উইমেন” কবিতাৰ ভাবৰ ছাঁ পৰা বুলি কবিয়ে কিতাপখনিৰ পাতনিত উল্লেখ কৰিছে। পুথিখনিৰ বহুতো উপচ্ছেদে চৌধাৰীৰ কবিত্ব প্ৰতিভাৰ লক্ষ্য বহন কৰিছে। এওঁৰ প্ৰত্যেকখনি পুথিৰ আলোচনাই একোটি প্ৰবন্ধৰ আকাৰ লবগৈ। সেই কাৰণে অতি চমুকৈ তাৰ আভাস মাথোন ইয়াত দিব পৰা হ’ল। চৌধাৰীদেৱৰ মৃত্যু হয় ১৯৫৩ চনৰ ১১ আগষ্টত, কলিকতা মহানগৰীত, দুৰাৰোগ্য কৰ্কত ৰোগত। সামৰণিত আমি কবিৰ নিজৰ ভাষাৰেই কওঁ—

“মোৰ যোৱা নাই এতিয়াও তোৰ জীৰ্ণ বীণাৰ গীত,
প্ৰতিধ্বনি তাৰ শিখৰে শিখৰে আজিও উচ্ছ্বসিত।”

—শ্ৰীহৰিনাথ শৰ্ম্মা

সাহিত্য-সাধক

দৈৱচন্দ্ৰ তালুকদাৰ

জীৱনৰ সোণালী পুৱাৰে পৰা মেঘালী আবেলিলৈকে দৈৱচন্দ্ৰ তালুকদাৰ মোৰ অগ্ৰজ লগৰীয়া আছিল। ১৯৬৭ চনৰ কালী-পূজাৰ পিছদিনা (ইং ৩ নৱেম্বৰ) অপ্ৰত্যাশিত ভাৱে তালুকদাৰৰ বিয়োগ-বাতৰি পাই মৰ্ম্মাহত হৈছিলোঁ। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৭ বছৰ। তালুকদাৰে বাহিৰত বিকশিত হবলৈ সুযোগ নেপালে বুলিয়েই কব লাগিব। নেওগৰ সভাপতিত্বত নলবাৰীত বহা অসম সাহিত্যসভাৰ অধিবেশনৰ কবি সন্মিলনীত দৈৱচন্দ্ৰ তালুকদাৰে সভাপতিত্ব কৰিছিল। মৃত্যুৰ আগৰ দুবছৰে তেওঁৰ নাম অসম সাহিত্য-সভাৰ বাবে প্ৰস্তাৱিত সভাপতিৰ তালিকাৰ শীৰ্ষস্থানৰ কাষ চাপিছিল আৰু দুই এবছৰৰ পিছতে তেওঁ সভাপতি হব বুলি সেই দিনলৈ আমি আগ্ৰহেৰে বাট চাই আছিলোঁ। বয়সত কেইবছৰমান ডাঙৰ হলেও এই লিখকৰ লগত তালুকদাৰৰ ঘনিষ্ঠ বন্ধুত্ব স্থাপিত হৈছিল। তেওঁৰ বহু কথাই মই জানিছিলো তাৰ অলেখ স্মৃতি মোৰ মনত সেউজীয়া হৈ আছে।

দৈৱচন্দ্ৰ তালুকদাৰৰ জন্ম হৈছিল দুটা শতিকাৰ দোমোজাত ১৯০০ চনত—নলবাৰীৰ ওচৰৰ উলাববী নামেৰে এখন গাঁৱত। জন্মৰ কাহিনী তেওঁ মোৰ আগত এদিন সাধু-কথাৰ দৰে বৰ্ণাইছিল। সোণ ৰূপৰ চৰুত হাত দি তেওঁ ওপজা নাছিল। কংসৰ কাৰাগাৰত

শ্ৰীকৃষ্ণৰ জন্ম হোৱাৰ নিচিনাকৈ তেওঁৰো হেনো জন্ম হৈছিল এক গঞা পোতাশালত। ন-পুৰুষৰ শৰাধৰ আগতে তেওঁৰ জন্ম হলে ভাগীৰ এখন বিয়া পৰিব বুলি আশঙ্কা কৰি তেওঁৰ মাকক দুৱাৰ মাৰি সুমাই থোৱা হৈছিল এটা বন্ধ ঘৰত। সেই কদ্ধ চোৰাশালিত তালুকদাৰৰ জন্ম হোৱাৰ সময়ত হেনো বিয়াৰ ঢোল-কালি বাজি উঠিছিল। অৱশ্যে শৰাধৰ আগতে নে পিছতে দৈবচন্দ্ৰৰ জন্ম হৈছিল সেইকথা হলে নিৰাকৰণ নহল।

দৈবচন্দ্ৰৰ দেউতাক জগৎ চন্দ্ৰ তালুকদাৰ আছিল এজন ব্যৱসায়ী মানুহ। তেওঁ পিছত সপৰিয়ালে গুৱাহাটীতে থিতাপিভাবে থাকিবলৈ লয় আৰু সেইকাৰণে পুতেক দৈবচন্দ্ৰৰ শিক্ষা-জীৱন গুৱাহাটী লতাশিল প্ৰাথমিক পঢ়াশালিতে আৰম্ভ হয়। আমাৰ সৰুকালত মিঠাই বেচোঁতা হিচাপে জগৎচন্দ্ৰৰ বৰ নাম আছিল। সেই সময়ত অসমীয়া মানুহৰ এনেবোৰ স্বতন্ত্ৰীয়া বৃত্তিলৈ অনুৰাগ নাছিল বুলি-লেই হয়। ৰায়বাহাদুৰ ভুবন ৰাম দাসৰ গোসাঁই-ঘৰৰ বিপৰীত ফালে বৰদলৈৰ হাউলিৰ এটা চুকত জগৎচন্দ্ৰই ঘৰ সজাই থাকিবলৈ লৈছিল। কেইবছৰমানৰ পিছতে তালুকদাৰ তাৰপৰা যোৰপুখুৰীৰ দক্ষিণে কনকলাল বৰুৱাৰ ডাঙৰীয়াৰ হাউলিৰ পাছফালৰ মাটিত থাকিবলৈ লৈছিল আৰু সেই ঠাইতে দৈবচন্দ্ৰৰ স্কুলীয়া আৰু কলে-জীয়া অৰ্থাৎ সম্পূৰ্ণ শিক্ষা-জীৱন সমাপ্ত হয়।

সেইকালত অৰ্থাৎ এই শতিকাৰ প্ৰথম দুই তিনি দশকত একতা সভা নামেৰে গুৱাহাটীত এখন নামজ্বলা ছাত্ৰসভা আছিল। একতা সভাই এদিন গুৱাহাটী এ-এচ-এল ক্লাব আৰু কলিকতা এ-এছ-এল ক্লাবৰ লগ লাগি অসম ছাত্ৰ সম্মিলনক জন্ম দিছিল। সি যি নহওক সেই একতা সভা দৈবচন্দ্ৰ তালুকদাৰ, এই লিখক আৰু অনেকৰে সাহিত্য-সাধনাৰ কঠিয়াতলী আছিল। এতিয়া মাণিক চন্দ্ৰ মধ্য ইংৰাজী স্কুল থকা ঠাইতে তেতিয়া পদ্ম পণ্ডিতৰ স্কুলত

প্ৰতি দেওবাৰে একতা সভাৰ অধিবেশনবোৰ বহিছিল। তাৰ আগতে সত্যনাথ বৰা ডাঙৰীয়াৰ চ'ৰাঘৰত এই সভাৰ জন্ম হোৱা বুলি শুনিছিলো। পাঠশালাত পঢ়া অৱস্থাতে আমি সকবিলাকে বাহিৰৰ পৰা খিৰিকীৰে জুমি জুমি সেই সভা চাইছিলো আৰু নানাজনে তাত ৰচনা পাঠ কৰা, কৱিতা পাঠ কৰা শুনি সেই-বোৰৰ প্ৰতি আকৃষ্ট হৈছিলোঁ। দৈবচন্দ্ৰ তালুকদাৰেও তাত কিবা-কিবি পঢ়া দেখা পোৱা মোৰ মনত পৰে।

একতা সভাৰ খেল বিভাগটোৰ নাম 'যুনিয়ন ক্লাব' আছিল। দৈবচন্দ্ৰ সৰুৰে পৰা যুনিয়ন ক্লাববো নামকৰা ফুটবল খেলুৱৈ আছিল। পিছৰ জীৱনত সাহিত্যিকৰূপে নাম কৰাৰ পূৰ্ব্বে ভাল খেলুৱৈ বুলিহে গুৱাহাটীৰ সকলোৰে মাজত তেওঁ জনাজাত হৈ পৰিছিল। 'কলেজিয়েট স্কুল আৰু কটন কলেজত তালুকদাৰৰ খেল দেখা ভালকৈ মোৰ মনত আছে। তালুকদাৰে সদায় 'চেণ্টাৰ'ত খেলি-ছিল আৰু তিৎপখিলাৰ দৰে বাগি দি বলটো লৈ গৈ গোলৰ খুটাৰ মাজত সুমুৱাই দিব পাৰিছিল। চুটিচাপৰ হোৱাৰ বাবে তেওঁ কোনফালে সৰকি যায় লগৰীয়া খেলুৱৈবিলাকে টলকিবকে নোৱাৰিছিল। কলেজিয়েটত তেওঁৰ জোৰ হৈ 'আউট'ত খেলিছিল দেৰগাৱঁৰ ডাঃ শ্ৰীপ্ৰিয় চন্দ্ৰ দত্তই। তেতিয়া প্ৰবল প্ৰতাপী কটন কলেজৰ খেলুৱৈ দলটোৰ বাবে সময়ে সময়ে কোনো খেলত দত্ত তালুকদাৰে ত্ৰাসৰ সঞ্চাৰ কৰিছিল। অনুৰূপভাৱে কলেজৰ চেণ্টাৰত শ্ৰীকামাখ্যা নাথ ঠাকুৰ আৰু আউটত ৺ মঃ জিয়াউদ্দিন ইউচুফে মোৰ হৈ খেলি বিপক্ষ দলৰ ৰক্ষণ বিভাগক তামাকাহঁা দেখুৱাইছিল। কটন কলেজ আৰু কলেজিয়েটৰ উঠানামা খেল দৰ্শকৰ বাবে উপভোগ্য হৈছিল। কোমল বয়সীয়া তালুকদাৰে বল লৈ আগুৱাই যাওঁতে দৰ্শকৰ পৰা জাউৰিয়ে জাউৰিয়ে হাতচাপৰি পাইছিল। জলপানি লৈ মেট্ৰিক মহলাত উঠি তালুকদাৰে কটনত নাম লগালে

আৰু দত্ত ডিবুৰুৰ বেৰি হোৱাইটলৈ গল।

স্কুল আৰু কলেজত চোকা ছাত্ৰ আছিল যদিও তালুকদাৰে কলেজীয়া জীৱনৰ শেষ ভূপনাখন পাৰ হব নোৱাৰিলে অসম ছাত্ৰ সম্মিলন আৰু 'জন্মভূমি' কাকতত বেছিকৈ লগাৰ বাবে। তিনি-মহীয়া জন্মভূমিৰ তিনি সম্পাদক, তিনিবন্ধু দৈব তালুকদাৰ, ডিম্বেশ্বৰ নেওগ আৰু শুকদেৱ গোস্বামীয়ে সেইবছৰ একেলগে বি-এছ-ছি আৰু বি-এ মহলাত অকৃতকাৰ্য্য হৈছিল। পিছৰ বছৰ নেওগ বি-এছ-ছি পৰীক্ষাত উত্তীৰ্ণ হল, গোস্বামীয়ে জন্মভূমি এৰি বিলাত পালেগৈ আৰু দৈবচন্দ্ৰই দুনাই পৰীক্ষা নিদি কামৰূপ জিলাৰ বৰচাহাবৰ অফিচত আমোলাৰ কামত মূৰ সুমুৱাই লৈ সংসাৰী জীৱনৰ মেৰপাকত সোমাই পৰিল। সেইকালত জিলাধিপতি বিলাক নামে কামে বৰচাহাব আছিল আৰু কদাচিৎ ক'লা ছালৰ মানুহ দুই এজনহে সেই পদত নিযুক্ত হৈছিল। কেইবাজনো চাহাবক দৈবচন্দ্ৰই অসমীয়া ভাষা শিক্ষা দিছিল। সাহিত্যিক আৰু সৰল প্ৰকৃতিৰ হোৱাৰ বাবে তেওঁ চাহাববিলাকৰ প্ৰিয়পাত্ৰ হব পাৰিছিল। চৰকাৰী ফাইলৰ ওপৰত তেওঁ লিখিবলগীয়া মন্তব্য-বোৰ হেনো একোটা সাহিত্য টোকা সদৃশ হৈছিল আৰু তেনেভাবে সাহিত্য নিলিখি কামৰ কথা লিখিবলৈ তেওঁ বৰমূৰীয়াৰ পৰা নিৰ্দ্দেশ পাবলগীয়া হৈছিল।

দৈবচন্দ্ৰৰ চাকৰি জীৱনৰ বেছিভাগ গুৱাহাটীতেই অতিবাহিত হৈছিল। মাজতে অলপদিন বৰপেটালৈ যাবলগীয়া হৈছিল যদিও তাতো প্ৰবসুৱা হৈয়ে আকৌ গুৱাহাটীলৈ আহিবলৈ চল বিচাৰি আছিল। হেন সময়তে বৰচাহাব বেন্টিংক বৰপেটালৈ মফছলত যোৱাত তালুকদাৰে তাতে ডাকবঙলাত লগ ধৰি তেওঁৰ হাতত বদলিৰ বাবে দৰ্খাস্ত এখন দিলে—কাৰণ দেখুৱালে তাত থকাঘৰৰ অভাৱ। চাহাবে দৰ্খাস্তৰ কোনো উত্তৰ দিবলৈ নৌপাওঁতেই

তালুকদাৰে চাহাবক চেলাম দি কলে—'মই এতিয়া গুৱাহাটীলৈ যাওঁৱেই। সোৱা আঠিয়াবাৰী বাছত মোৰ বিছনা তুলি দি আহিছোঁ।" বেণ্টিংক চাহাবে দৈবচন্দ্ৰক বিশেষভাবে ভাল পাইছিল—সেইবাবে তেওঁ আহি গুৱাহাটীৰ অফিচত হাজিৰ হবলৈ অনুমতি দিলে। এই কামত থাকোঁতে এবাৰ তেওঁ পুৰণি ৰেকৰ্ডবিভাগৰ দায়িত্বত আছিল। এইছোৱা কালতে তালুকদাৰে চৰ্কাৰী কামখিনি কৰাৰ উপৰিও ৰেকৰ্ড বিভাগত জমা হৈ থকা পুৰণি আপুৰুগীয়া কাকত-কিতাপ, টোকা, দলিল আদি মনোযোগেৰে পঢ়িবলৈ আৰু তাৰ-পৰা আৱশ্যকীয় সমল আহৰণ কৰিবলৈ সোণালী সুযোগ লাভ কৰিলে আৰু তাৰ সম্পুৰ্ণ সদ্ব্যৱহাৰ কৰিলে। এই কামেই তেওঁৰ মূল্যবান বিৰাট গ্ৰন্থ 'কাম্য কামৰূপ' প্ৰণয়ণ কৰিবলৈ প্ৰেৰণা যোগাইছিল বুলি আমাৰ আগত কৈছিল। সি যি নহওক গুৱা-হাটীত জিলাধিপতিৰ বৰকেৰাণী হৈ আজি ৬।৭ বছৰমান আগতে দৈবচন্দ্ৰই চৰ্কাৰী কামৰ পৰা অৱসৰ লৈছিল আৰু ১৯৬৪ চনৰ পৰা তেওঁ এশটকীয়া চৰ্কাৰী সাহিত্যিক পেঞ্চন এটা লাভ কৰিছিল।

কাছাৰীৰ কামত সোমোৱাৰ পিছতে দৈবচন্দ্ৰই উজানবজাৰৰ পৰা শান্তিপুৰলৈ উঠি যায়। তাত তেওঁ নিজাকৈ মাটি কিনি ঘৰ সজাই লৈছিল। সেই সময়ত শান্তিপুৰত আজিৰ নিচিনা মানুহৰ ঘন বসতি নাছিল। অ'ত ত'ত দুই এঘৰ মানুহহে আছিল। দৈবচন্দ্ৰই ঠাইখনৰ নাম দিছিল 'ৰম্যস্থান'। তালুকদাৰৰ 'ৰম্যস্থান' পিছতহে 'শান্তিপুৰ' বুলি জনাজাত হৈ পৰে। তালুকদাৰৰ ঘৰৰ মুখতে আছিল এটা পুখুৰী আৰু এখন ধাননি পথাৰ। সেই পথাৰৰ এতিয়া চিনচাবেই নাই। তেতিয়া সেই অঞ্চলটো বৰ দ আছিল আৰু আলিবাটতো একাঁঠু পানী হৈছিল। এবাৰ বাৰিষা তালুকদাৰৰ ঘৰ বাৰী কেবাদিনো পানীৰ তলত বুৰ গৈ আছিল। পানী শুকুৱাত তেওঁ ঘৰৰ খিড়িকীৰ বাটামলৈকে মাটি তুলি ভেটিটো

ওখ কৰি লৈছিল আৰু তাৰ ফলত ঘৰটো বৰ চাপৰ হৈছিল। ঘৰৰ মুখত এজোপা জাহাজী কলৰ ঠোক পৰিছিল। কলৰ ঠোকটো মাটিত লাগোঁ লাগোঁ হৈছিল। তেতিয়াৰ এটা আমোদজনক সাধু দৈৱচন্দ্ৰই আমাৰ আগত কৈছিল। এদিন ৰাতিপুৱা হেনো জে, বৰুৱা চাহাব প্ৰাতঃ ভ্ৰমণ কৰি তালুকদাৰৰ ঘৰ ওলাইছিলগৈ। চাপৰ কলগছজোপা আৰু এডোখৰলৈ পোত খোৱা চাপৰ ঘৰটো দেখি ভলভলীয়া বৰুৱা চাহাবে হেনো সুধিছিল—Hallo Daiba! What is this? The man is dwarf, the house is dwarf, the plaintain is also dwarf অৰ্থাৎ এইখন বাওনাৰ দেশ নেকি? শান্তিপুৰৰ এই ঘৰতেই দৈৱচন্দ্ৰৰ বৈচিত্ৰ্যময় জীৱন-নাটৰ আঁৰকাপোৰ পৰে।

দৈৱচন্দ্ৰ কলেজত থাকোঁতেই প্ৰবল বেগেৰে অসহযোগ-আন্দোলনৰ ধুমুহা গোটেই ভাৰততে আৰম্ভ হৈছিল। সেই আন্দোলনত যোগ দি ভালেমান ছাত্ৰই স্কুল-কলেজৰ পৰা ওলাই আহি মাতৃ-মন্ত্ৰত দীক্ষিত হৈছিল। বহুতে কাৰাগাৰত ৰাজআলহী হৈ জীয়াতু ভুগিছিল। দৈৱচন্দ্ৰই আন্দোলনত বিদেশী বৰ্জ্জন অংশত সঁহাৰি জনাইছিল যদিও কলেজ এৰা নাছিল। তেওঁ আমাক কৈছিল— ছাত্ৰসকলে কলেজ বৰ্জ্জন কৰিব লাগে নে নেলাগে সেই সম্পৰ্কে সিদ্ধান্ত লবলৈ হেনো নাগপুৰত এখন সদৌ ভাৰত ছাত্ৰ কংগ্ৰেছ পতা হৈছিল। তাত যোগ দিবলৈ অসমৰ পৰা শ্ৰীতৰুণ চন্দ্ৰ ভট্টাচাৰ্য্য প্ৰমুখ্যে এটা দল নাগপুৰলৈ গৈছিল। সেই দলত দৈৱচন্দ্ৰও আছিল। ছাত্ৰবিলাকৰ সৰহভাগেই উগ্ৰপন্থী আৰু কলেজ বৰ্জ্জনৰ পক্ষপাতী আছিল। তেওঁলোকৰেই কোনোবাই কলেজ বৰ্জ্জন বিৰো-ধিতা কৰি বক্তৃতা দিলেই তেওঁক কবলৈ সুবিধা নিদি চিঞৰ-বাখৰ লগাই তেওঁক বহিবলৈ বাধ্য কৰিছিল। দৈৱচন্দ্ৰ কিন্তু বক্তৃতা দিবলৈ দৃঢ় প্ৰতিজ্ঞ। তেওঁ থিয় হৈ কলেজ বৰ্জ্জনৰ সপক্ষে

যুক্তি দেখুৱাই বক্তৃতা আৰম্ভ কৰি দিলে। ছাত্ৰ প্ৰতিনিধিসকলে গোলমাল নকৰাকৈ তেওঁৰ বক্তৃতা শুনিবলৈ ধৰিলে। কিন্তু বক্তৃতাৰ মোখনি মৰাৰ আগে আগে তেওঁ তথাপি বুলি কাৰণ দৰ্শাই অসমৰ ছাত্ৰ প্ৰতিনিধি দল কলেজ বৰ্জ্জনৰ বিৰোধী বুলি ঘোষণা কৰি অলপ কৈয়েই বহি থাকিল। মিতিৰো ৰল, চাউলো সিজিল। বক্তৃতাও দিয়া হ'ল, কলেজ বৰ্জ্জনৰ বিৰোধিতা কৰাও হ'ল। অৱশ্যে অসমৰ ছাত্ৰ সমাজৰ বুজন অংশ এটায়ো কলেজ ত্যাগ কৰি আন্দোলনত সক্ৰিয়ভাবে যোগ দিছিল। সেই সকলৰ ভিতৰত অসম ছাত্ৰ সম্মিলনৰ প্ৰধান সম্পাদক ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, সহকাৰী সম্পাদক তিলক শৰ্ম্মা প্ৰভৃতিও আছিল আৰু ছাত্ৰ সম্মিলনৰ বহুত কৰ্ম্মীয়েই পঢ়া-শুনা এৰি অসহযোগ আন্দোলনত গা-ঢালি দিছিল। মুঠতে সেই সময়ত দোপত দোপে বাঢ়ি অহা অসম ছাত্ৰ সম্মিলনক অসহযোগ আন্দোলনে একেবাৰে মুজুৰা পেলাই থৈছিল। প্ৰধান সম্পাদক ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা প্ৰমুখ্যে ছাত্ৰ নেতাসকলে জেল খাটিব লগীয়া হোৱাত ছাত্ৰ সম্মিলনৰ কোনোমতে হাড়ৰ মাজত জীউটোহে আছিল, সেই অৱস্থাতে তালুকদাৰে জোৰা-তাপলি মাৰি গুৱাহাটী সনাতন ধৰ্ম্মসভা মণ্ডপত সম্মিলনৰ বিশেষ অধিবেশন বহুৱাইছিল। এদল ছাত্ৰই সেই অধিবেশনৰ তীব্ৰ বিৰোধিতা কৰিছিল আৰু অধিবেশনৰ আগৰাতি নিৰ্ব্বাচিত সভাপতি অধ্যাপক আৰ, আৰ, টমাছক সম্মিলনৰ লগত সহযোগ নকৰিবলৈ খাটনি ধৰিছিলগৈ। অৱশ্যে টমাছ চাহাবক তেওঁলোকে টলাব নোৱাৰিলে। নিৰ্দ্দিষ্ট দিনত অধিবেশন সুকলমে সম্পন্ন হ'ল। সেই অধিবেশনত আগৰ সহকাৰী সম্পাদক দৈবচন্দ্ৰ তালুকদাৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হ'ল। কলেজীয়া জীৱনতে দৈবচন্দ্ৰৰ সাহিত্যিক জীৱনৰ ভৰপক হৈছিল। ছাত্ৰ সম্মিলনৰ মুখপত্ৰ স্বৰূপে নেওগ গোস্বামী—তালুকদাৰে তিনিমহীয়া জন্মভূমিৰ তিনিসংখ্যা উলিয়াৰ

পিছত সেই কাকত বন্ধ হ'ল। পিছত ছাত্ৰ সম্মিলনে জন্মভূমিৰ স্বীকৃতি নিদি 'মিলন' উলিয়ালে। নেওগ 'মিলন'ৰ সম্পাদক হ'ল। দৈৱচন্দ্ৰই গাইগুটীয়াভাবে সাহিত্য-চৰ্চ্চাত মনোনিবেশ কৰি থাকিল—জীৱনৰ শেষ দিনলৈকে। তৰহে তৰহে তেওঁ যে কিমান কিতাপ লিখি থৈ গৈছে তাৰ অন্ত নাই। তেওঁৰ ঘৰলৈ আমি গলেই সেই হাতেলিখা পুথিবোৰৰ একোটা অংশ পঢ়ি শুনোৱাকৈ আহিবলৈ নিদিছিল। বেছিভাগ পুথিয়েই কাঠপেন্সিলেৰে লিখিছিল আৰু তেনেভাবেই খণ্ড খণ্ডকৈ সেই পুঠিবোৰ বন্ধাই থৈছিল। তেওঁৰ মেজত সেই পুথিবোৰৰ কেবাটাও পাণ্ডুলিপিৰ 'পিৰামিড' হৈছিল। কিতাপ লিখাটো তেওঁৰ নিয়মীয়া অভ্যাসৰ নিচিনা হৈছিল; কিন্তু সেইবোৰ ছপাৰ বিষয়ে কোনো দিনে তেওঁ চিন্তা কৰা নাছিল। পিছত কোনোবাই ছপাই যদি ছপাব,—নছপালেও নাই—এই ভাব মনত লৈ অনাসক্ত ভাবে তেওঁ নানাতৰহৰ কিতাপ লিখিছিল। আমাৰ আগত তেওঁ এশখন কিতাপ লিখিবলৈ সঙ্কল্প লোৱা বুলি কৈছিল আৰু পিছত সেই সংখ্যা ইমান বেছি হৈছিল যে তেওঁ নিজেই তাৰ লেখ লবলৈ টান পাইছিল।

ওপৰত উল্লেখ কৰা একতা সভাতেই দৈৱচন্দ্ৰৰ সাহিত্যিক জীৱন অঙ্কুৰিত হৈছিল। একতা সভাৰ সভ্যসকলে 'অৰুন্ধতী' নাম দি হাতেলিখা আলোচনী এখন উলিয়াইছিল। সেই কাকতৰ দৈৱচন্দ্ৰ নিয়মিত লিখক আছিল। কলেজীয়া জীৱনত কটনৰ হাতেলিখা আলোচনী 'সেউতী'ৰ লগত ফেৰ মাৰি তেওঁ নিজৰ সম্পাদনাত 'ধূমকেতু' নামৰ আন এখনি হাতেলিখা আলোচনী উলিয়াইছিল আৰু তাত 'সেউতী'ৰ কোনো কোনো লিখকক সমলোচনাৰে থকাসৰকা কৰিছিল। 'সেউতি'ৰ প্ৰবন্ধবোৰৰ দাঁতিত হেনো তেওঁ একোটা যুক্তিপূৰ্ণ চোকা টোকা মনে মনে লিখি থৈছিল।

তালুকদাৰে ঘাইকৈ ৰচনা কৰিছিল কৱিতা, নাটক আৰু উপন্যাস।

তদুপৰি কেইটামান চুটিগল্প 'শান্তিদূত' কাকতত, 'বা-মাৰলী' নামৰ এলানি বিদ্রূপাত্মক ব্যঙ্গৰচনা আৰু 'আগলতি পাত' নামৰ এখন শিশুপাঠ্য তেওঁ লিখিছিল। বঙালী প্ৰকাশকে কিবা কাৰণত এখন মাত্ৰ 'আগলতি পাত'হে ছপাই তেওঁক দিছিল। এই শতিকাৰ দ্বিতীয় দশকৰ পৰা মূল অসমীয়া নাটৰ অভাৱ অনুভৱ কৰি দৈৱচন্দ্ৰই নাট ৰচনাত হাত দিছিল। ১৯২০ চনত হাতেলিখা অৱস্থাতে তেওঁৰ 'ৰাধা-ৰুক্মিণী' নামৰ প্ৰথম নাটখন বৰদাকান্ত শৰ্ম্মা প্ৰমুখ্যে বন্ধুসকলে গুৱাহাটীৰ নাটশালত তুলিছিল। তাৰপিছত তেওঁৰ নাট শত্ৰুদমন, মগলো বিপ্লৱ, বামুণী কোঁৱৰ আৰু লহঙা গুৱাহাটীত মঞ্চস্থ হয়। ছপা হোৱাত বামুণী কোঁৱৰে অসমৰ সকলো ৰঙ্গ-মঞ্চতে সমাদৰ পায়। ৰাধাৰুক্মিণীৰ উপৰিও দৈবচন্দ্ৰৰ ছপা হোৱা নাটৰ ভিতৰত 'অসম প্ৰতিভা' 'বামুণীকোঁৱৰ' আৰু 'লহঙা' বিশেষ ভাবে উল্লেখযোগ্য। অসম-প্ৰতিভাত মহাপুৰুষ শ্ৰীশঙ্কৰদেৱক ৰঙ্গ-মঞ্চত অৱতৰণ কৰাব খোজা দেখি সাহিত্যৰথী বেজবৰুৱা ডাঙৰীয়াই 'বাঁহী'ত টানকৈ লিখিছিল। দৈবচন্দ্ৰই সেই সমালোচনাৰ উত্তৰ পঠাই দি বেজবৰুৱাৰ লগতো ফেৰ পাতিছিল। বেজবৰুৱাই কিন্তু অলপো কাটকুট নকৰাকৈ সেই সমালোচনা 'বাঁহী'ত ছপাই দি তলত মাথোন সৰুকৈ এটা পাদ-টোকা দিছিল এইদৰে—"আমিও মনে মনে থাকিলোঁ, কিয়নো লিখকে সোঁৱৰাই দিছে, এইটো ১৯২৮ চন।" বেজবৰুৱাৰ প্ৰতি তেওঁৰ অসীম শ্ৰদ্ধা আছিল আৰু তেৱেঁই বোধকৰোঁ পোন প্ৰথমে 'কদমকলি'ৰ কাব্যিক মূল্যাঙ্কন কৰি 'চেতনা'ত এটা প্ৰবন্ধ লিখিছিল। তালুকদাৰৰ প্ৰকাশিত আৰু অপ্ৰকাশিত আৰু খনচেৰেক নাটক হৈছে শত্ৰুদমন, মগলো বিজয়, শ্ৰীৰামচন্দ্ৰ, ভাস্কৰ বৰ্মণ, হৰদত্ত আৰু বহুতো।

তালুকদাৰৰ প্ৰথম প্ৰকাশিত কবিতাৰ পুথি প্ৰেমপট' পাই বেজবৰুৱাই বাঁহীত উচ্চ প্ৰশংসা কৰিছিল। সেই পুথিৰ বৰুৱা

অসমীয়া চিত্ৰবোৰত মুগ্ধ হৈ বেজবৰুৱাই মন্তব্য কৰিছিল বোলে দেশৰ জাতীয় আন্দোলনত যেনেকৈ খাদৰ আৰু দেশীসূতা অপৰিহাৰ্য্য সাহিত্যতো তেনেভাবে প্ৰেমপটৰ নিচিনা ভাব আৰু ভাষাত জ্বাতে পাতে অসমীয়া কৱিতাৰ পুথিহে ওলোৱাটো বাঞ্চনীয়। প্ৰেমপটৰ পিছতে দৈবচন্দ্ৰই 'কুঁহিমলা', 'সৌন্দৰ্য্য' আৰু 'অন্তৰ্ব্যথা' নামৰ তিনিখনি কবিতাৰ পুথি উলিয়ায়। ইয়াৰ উপৰিও আৰু বহুকেইখন কৱিতাৰ পুথি তেওঁ হাতেলিখা অৱস্থাতে এৰি থৈ গৈছে। সেইবোৰৰ খনচেৰেক হৈছে—সোণ-লতা, মণি-কাঞ্চন, শোকসুৰ, উমেশ স্মৃতি, কেতেকীবন, কাঁইটবন, পীৰিতি পূজাৰী, খাৰলি, বীৰ-আত্মা, সপোনপুৰী, জাতীয় পতাকা, গান্ধীৰ চকুলো, কনকলতা, কৱিতা-লিগিৰী, ৰোগ-শয্যাত ইত্যাদি ইত্যাদি।

ছপাহোৱা উপন্যাসৰ ভিতৰত উল্লেখযোগ্য হৈছে 'ধুঁৱলি কুঁৱলি' অপূৰ্ণ, বিদ্ৰোহী, আগ্নেয়গিৰি, ৰাজপথে ৰিঙিয়ায়। 'তৰুণ অসম' 'মিলন'ত আৰু 'আদৰ্শপীঠ' ছোৱা ছোৱাকৈ 'আৱাহন'ত প্ৰকাশ হৈছিল। এম-এ মহলাৰ পাঠ্য 'অপূৰ্ণ'কে তালুকদাৰৰ শ্ৰেষ্ঠ উপন্যাস আখ্যা দিব পাৰি। এই উপন্যাসখনিৰ প্ৰথম নাম আছিল 'আঁউসী'—পুথিৰ শেষত নায়িকা বিধবা হোৱাৰ বাবে লিখকে মন্তব্য দিছিল "পূৰ্ণিমা' (নায়িকা) তেতিয়া আঁউসীত।" সেই নামেৰেই উপন্যাসখনি অসম সাহিত্য সভাৰ এক প্ৰতিযোগিতালৈ আগবঢ়োৱা হৈছিল। তালুকদাৰৰ 'আঁউসীয়ে সাহিত্য সভাৰ বঁটা নেপালে, পালে দণ্ডিনাথ কলিতাৰ 'সাধনা'ই। দৈবচন্দ্ৰই নিজৰ বঁটা পোৱাৰ আকাঙ্খা অপূৰ্ণ হোৱাৰ বাবে আৰু গ্ৰন্থৰ নায়ক প্ৰেমধৰৰ জীৱনৰ আদৰ্শ অপূৰ্ণ হৈ থকা বাবে 'আঁউসী'ক নতুনকৈ নামকৰণ কৰা হল 'অপূৰ্ণ' বুলি। কেইবছৰমানৰ পিছত অপূৰ্ণ যেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ এম-এ মহলাৰ পাঠ্যত অন্তৰ্ভুক্ত হ'ল, তেতিয়া দৈবচন্দ্ৰই আনন্দ প্ৰকাশ কৰি কৈছিল—"সাহিত্য সভাই নেওচিলে যদিও

বিশ্ববিদ্যালয়ে মোৰ কিতাপ আদৰি লৈছে। সন্দিকৈয়ে মোৰ অপূৰ্ণক পূৰ্ণ কৰিলে। লিখকে 'তৰুণ অসম' অপূৰ্ণৰ পাছৰ ছোৱা বুলি আমাৰ আগত কৈছিল। দৈবচন্দ্ৰই সামাজিক, ৰাজনৈতিক আদি বিষয়ৰ তেওঁৰ নিজা মতবাদ উপন্যাসবোৰৰ যোগেদি প্ৰকাশ কৰিছিল। দেশৰ বিভিন্ন সম্পদৰাজীও তেওঁ উপন্যাসত উপস্থাপন কৰিছিল। 'সৰস্বতী' নামৰ হাতেলিখা উপন্যাসখনত সাহিত্যৰ সমালোচনা থকা বুলি আমাৰ আগত কৈছিল। তেওঁৰ হাতেলিখা উপন্যাসবোৰ হৈছে— কাঁচন মতী, সৰস্বতী, সোনপাহী, নিস্পৃহপন্থী, শ্ৰীনাথ, দুখু, কেৰ্কেটুৱা, তৰুণ-অসম, ভঙা-গঢ়া আদি। ইয়াৰ ভিতৰত কেইখনমানৰ কলেবৰ বৃহৎ। কেৰ্কেটুৱাত দৈবচন্দ্ৰই হেনো তেওঁৰ নিজৰ জীৱনৰ ঘুণ্টালিবোৰ লিপিবদ্ধ কৰিছিল।

কামৰ পৰা অৱসৰ লোৱাৰ পিছত তেওঁ নিজে নিজৰ ঘৰৰ মুখত পাতি লোৱা ছপাশাল 'অশোক প্ৰেছ'ৰ পৰা এখন 'গাণ্ডীব' নামৰ চোক থকা সাদিনীয়া কাকত উলিয়াইছিল। গাণ্ডীবৰ সম্পাদক, লিখক আৰু প্ৰকাশক দৈবচন্দ্ৰ নিজেই আছিল। এই কাকত অৱশ্যে বেছিদিন নচলিল। ইয়াৰ কাৰণ তেওঁৰ কাকত পৰিচালনাৰ অভাৱ আৰু ভাবৰ আতিশয্য বুলিব পাৰি। দৈবচন্দ্ৰই তেওঁৰ একমাত্ৰ পুতেক অশোক তালুকদাৰৰ নামেৰেই ছপাশালৰ নামকৰণ কৰিছিল আৰু ইয়াৰ পৰা এলানি চুটিগল্পও উলিয়াইছিল। প্ৰতিখন পুস্তিকাতে তেওঁ নিজে লিখা 'ফটা চোলা' 'খৰম' আদি একোটা চুটিগল্প আছিল আৰু তাৰ মূল্য আছিল এক চৰতীয়া। তেওঁৰ এই ধাৰাবাহিক চুটিগল্পৰ পৰিকল্পনাও ফলৱতী নহল।

ভাটীবয়সত দৈবচন্দ্ৰই গৱেষণা আৰু বুৰঞ্জী-সাহিত্যৰ প্ৰতি বিশেষ ভাবে মনোনিবেশ কৰিছিল। অসমত এখন আহল-বহল গৱেষণাৰ পথাৰ যে এতিয়াও অনাবাদী হৈ পৰি আছে সেই

কথা স্বীকাৰ নকৰি উপায় নাই। যাদুঘৰ, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অনুসন্ধান সমিতি আৰু দুখনকৈ বিশ্ববিদ্যালয় থকা সত্বেও এই বিষয়ে বৰ্ত্তমান কোনেও গভীৰ দৃষ্টি নিক্ষেপ কৰা নাই বুলি দৈবচন্দ্ৰই সততে দুখ কৰিছিল আৰু পণ্ডিতসকলে আচল কামতকৈ নিজ নিজ পদবীত অধিক মনোযোগী হোৱা বুলি মন্তব্য দিছিল। তেওঁ নিজে অনাবাদী হাজো অঞ্চল আৰু তাৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ প্ৰাচীন ঐতিহ্য চাই-চিন্তি এই সিদ্ধান্তত উপনীত হৈছিল যে বুদ্ধদেৱৰ মহানিৰ্ব্বাণৰ স্থান অসমৰ হাজোৰ বাহিৰে আন-ঠাইত হব নোৱাৰে। এই সম্পৰ্কে যুক্তি দৰ্শাই তেওঁ 'বুদ্ধ হাজো' নামৰ এখন সৰু পুস্তিকা ইংৰাজী ভাষাত লিখি ছপাই উলিয়াইছিল।

তেওঁ নিজৰ গাঁৱৰ ওজা তিনিজনৰ মুখত শুনা পদবোৰ আৰু কেইখনমান পুথিৰ (?) পদ সংগ্ৰহ কৰি আৰু তাত নিজেও কিছু যোগ দি 'সুকনানি পদ্মাৱতী' গ্ৰন্থখন যুগুত কৰে আৰু ছপাই উলিয়ায়। নাৰায়ণ দেৱৰ এই পুথি এখন বৃহৎ মূল্যবান অসমীয়া গ্ৰন্থ। তালুকদাৰৰ ছপা পুথিখন সুসঙ্কলিত আৰু সুসম্পাদিত হোৱা বুলি আমি নকওঁ তথাপি ই যে এক কঠোৰ শ্ৰম আৰু প্ৰশংসনীয় প্ৰচেষ্টাৰ ফল সেই কথা মানি লব লাগিব।

আগতে উল্লেখ কৰি অহা 'কাম্য কামৰূপ' নামৰ বিৰাট অসমৰ বুৰঞ্জী গ্ৰন্থখন হাতত তুলি ললেই তালুকদাৰে ইয়াৰ বাবে কেনে-দৰে কঠোৰ শ্ৰম আৰু অধ্যয়ন কৰিব লগা হৈছিল তাৰ প্ৰমাণ পোৱা যায়। নিঃসন্দেহে ই তেওঁৰ জীৱনৰ শ্ৰেষ্ঠ কীৰ্ত্তি। হয়তো ই বৈজ্ঞানিক পদ্ধতিৰে লিখা হোৱা নাই, হয়তো লিখকৰ কোনো কোনো সিদ্ধান্ত আৰু দৃষ্টিভঙ্গীৰ লগত বিশেষজ্ঞসকলৰ মতভেদ হব পাৰে, তথাপি ইয়াৰ ভিতৰত প্ৰচুৰ পৰিমাণে থকা বুৰঞ্জীৰ আহিলাপাতিবোৰৰ মূল্য কোনেও অস্বীকাৰ কৰিব নোৱাৰে আৰু তাৰ ভিতৰত উল্লেখযোগ্য আপুৰুগীয়া সম্ভেদো আছে। দুখৰ বিষয়

লিখকে জীৱনকালত মূল গ্ৰন্থৰ এটা মাথোন খণ্ডকে অহোপুৰুষাৰ্থ কৰিও ছপাই উলিয়াব নোৱাৰিলে। সমগ্ৰ গ্ৰন্থ ছপাই দিবলৈ ধনৰ নাটনি বুলি কোৱাত তালুকদাৰে এটা খণ্ড ছপাবৰ বাবে সহায় বিচাৰি প্ৰথমতে অসম প্ৰকাশন পৰিষদৰ ওচৰত হাত পাতিছিল। পৰিষদে যথাবিধি গ্ৰন্থখন পৰীক্ষা কৰালে, পৰীক্ষকক ধন দিলে আৰু ছপা হৈ ওলালে ই এখন লাগতিয়াল গ্ৰন্থ হব বুলি পৰীক্ষকৰ পৰা অনুকূল মন্তব্যও পালে; কিন্তু সিমানতে সেই অধ্যায় অন্ত পৰিল। তাৰপিছত পাঁচ হেজাৰ টকাৰ অনুদান বিচাৰি সেই খণ্ডটো অসমৰ শিক্ষা সঞ্চালকলৈ পঠোৱা হৈছিল। সেই ঠাইৰ পৰাও চেঁচাপানী ঢলা উত্তৰ আহিল আৰু দৈবচন্দ্ৰৰ কাম্য কামৰূপ চেচুকৰ ডেমডেউকা হৈ ফেকুৰি থাকিবলগীয়া হল।

দৈবচন্দ্ৰৰ পাৰিবাৰিক জীৱন মজলীয়া বিধৰ আছিল। তেওঁৰ কোনো দিনে লৰা-তিৰোতাৰ কথা চিন্তা নাছিল, নিজৰ বিষয়েও চিন্তা নকৰিছিল। অভাৱ অনাটনৰ বৃশ্চিক দংশন অকাতৰে তেওঁ গ্ৰহণ কৰিছিল। কাৰো ওচৰত কোনোদিনে হাত পতা নাছিল, কাৰো আগত সৰু হৈ তললৈ মূৰ নমোৱা নাছিল। কোনোবাই ভাল পাওক বা বেয়াই পাওক তালৈ কেৰেপ নকৰি নিজে যিদৰে ভাবিছিল তাকে কৈ দিছিল আৰু লিখিছিল। বিহগী কবি চৌধাৰীদেৱক তেওঁ নিজৰ পিতৃতুল্য শ্ৰদ্ধা কৰিছিল কিন্তু তেওঁৰ আগতো তেওঁ নিজৰ দৃষ্টি-ভঙ্গীৰে লিখা 'কেতেকী'ৰ বিৰূপ সমালোচনা কৰিবলৈ সঙ্কোচ বোধ কৰা নাছিল। এই লিখকৰ আৰু সাহিত্য সভাৰ অভি-ভাষণো তেওঁ 'গাণ্ডীব'ৰ শৰেৰে হানিছিল—তাত চৰ্কাৰী ভাষা সম্পৰ্কে একো কথা নথকাৰ বাবে। আমাৰ ভাষণখন 'অসমবাণী'ৰ কেবা সংখ্যাতো ধাৰাবাহিক ভাবে প্ৰকাশ হৈছিল। তালুকদাৰে গোটেইখন ভাষণ নেদেখাকৈয়ে 'অসমবাণী'ত ওলোৱা প্ৰথম ছোৱা দেখিয়েই 'গাণ্ডীব'ত টঙ্কাৰ দিছিল। ইয়াত তেওঁৰ প্ৰতি বিদ্বেষ

ভাব অলপো নাছিল—আছিল মাথোন অসম-প্ৰীতিৰ আতিশয্যত হোৱা অধৈৰ্য্য। পিছত তেওঁ মোৰ আগত এইকথা কৈ হাঁহিছিল আৰু আমিও হাঁহিছিলো। এইজনেই আছিল হোলগোজ প্ৰকৃতিৰ সৰলচিতীয়া দৈৱচন্দ্ৰ তালুকদাৰ। তেওঁৰ সৰল অনাড়ম্বৰ জীৱন দেখি আমি মুগ্ধ হৈছিলোঁ। ভৱিয়ে তেওঁৰ কোনোদিনে জোতা দেখা নেপালে। ডিঙিত ভৰিলৈকে ওলোমাই লোৱা চেলেংখন আৰু লাখুটি এডাল হাতত থাকিবই। সেই সৰলতা সনা সাজপাৰ আৰু চলন-ফুৰণতে তেওঁৰ গাম্ভীৰ্য্য আৰু ব্যক্তিত্ব ফুটি ওলাইছিল। সেইভাবেই তেওঁ খোজকাঢ়ি পশ্চিম প্ৰান্ত শান্তিপুৰৰ পৰা পূৱ-প্ৰান্তৰ উজানবজাৰলৈ সততে আহিছিল। লগত থাকে একোচা বিড়ি। তেওঁ আমাৰ ঘৰলৈ আহিলেই এটা জুইশলা বিচাৰে। এটা বিড়ি জ্বলাই লয়। এবাৰ যি জ্বলিল সেই জুইৰেই এটাৰ পিছত আনটো বিড়ি পুৰি তেওঁৰ মুখত ছাই হৈ যায়। কথা কিন্তু শেষ নহয়। লগত আছে এটা কলা ভলুকা কুকুৰ। এই লিখকৰো মানুহ কামুৰি নাম কৰা 'ব্লেকি' নামৰ এটা খঙাল কুকুৰ আছিল। দুইটা কুকুৰৰ মাজত এখন কুৰুক্ষেত্ৰ ৰণ লাগিবৰ উপক্ৰম হয়। তালুকদাৰে মাচিয়াৰ ওপৰত থিয় হৈ হাতৰ টাঙোনডাল লৈ জোকাৰি কুকুৰ-যুদ্ধৰ মধ্যস্থতা কৰে। আমি সেই দৃশ্য উপভোগ কৰোঁ। এইদৰে ৰং-ৰহইচ আলাপ-আলোচনা আদিৰ মাজেদি বহুদিন পাৰ হৈছিল। তালুকদাৰক সদায় সবল, সুস্থ অৱস্থাতে দেখা পাইছিলোঁ। বেমাৰ আজাৰে সহজে তেওঁক বলে পৰা নাছিল। মৃত্যুৰ আগদিনাও তেওঁ চিটিবাছুত কাছাৰীলৈ আহি পেন্সন লৈ গৈছিল। ইমান সোনকালে আৰু অকালতে যে এনে এটা অমূল্য জীৱনৰ অৱসান ঘটিব সেইকথা আমি কোনেও ভাবিবকে পৰা নাছিলোঁ।

—শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা

কথা সাহিত্যিক

হলীৰাম ডেকা

যিসকল কৃতী সন্তানে অসম আইৰ মুখ উজ্জলাই গৈছে, সেই-সকলৰ অন্যতম ৺হলীৰাম ডেকা। তীক্ষ্ণধীসম্পন্ন, বাকচতুৰ, মিষ্টভাষী, কৰ্ম্মযোগী হলীৰামে জীৱনত নানা ঘাত-প্ৰতিঘাত, দুখযন্ত্ৰণা অতিক্ৰম কৰি শেষত প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হৈছিল তেওঁৰ কৰ্ত্তব্য নিষ্ঠা, দৃঢ়-প্ৰতিজ্ঞা আৰু কষ্ট সহিষ্ণুতাৰ বলেৰে।

ইং ১৯০১ চনৰ জুন মাহত কামৰূপ জিলাৰ প্ৰাচীন ঐতিহ্য-পূৰ্ণ সৰ্থেবাৰী গাওঁত হলীৰাম ডেকাৰ জন্ম হয়। তেওঁৰ পিতৃ ৺জয়ৰাম ডেকা প্ৰাইমাৰী স্কুলৰ শিক্ষক আছিল যদিও সেই অঞ্চলৰ এজন বিশিষ্ট সমাজসেৱীও আছিল। গতিকে ওচৰচুবুৰীয়া লোকৰ পৰা তেওঁ যথেষ্ট সন্মান আৰু শ্ৰদ্ধা লাভ কৰিছিল। তেওঁৰ মাতৃ আছিল ৺মাইপ্ৰিয়া ডেকা। এই ডেকা দম্পতীৰ ছয়জন পুত্ৰ আৰু এজনী কন্যাৰ ভিতৰত হলীৰাম আছিল জ্যেষ্ঠ।

প্ৰাইমাৰী স্কুলৰ শিক্ষকতা কৰি পোৱা সামান্য ধনেৰে পিতৃ জয়ৰামে পৰিয়ালটিৰ ভৰণ পোষণ কোনোমতেহে চলাইছিল। গতিকেই জীৱনৰ আৰম্ভণিৰে পৰাই হলীৰামে অৰ্থাভাৱৰ সন্মুখীন হবলগীয়াত পৰিছিল, আৰু নিজৰ জীৱনৰ লক্ষ্য অনুসৰি আগুৱাই যোৱাৰ বাটত নানা অসুবিধাৰ পৰা বাধা পাইছিল।

উচ্চ শিক্ষাৰ বাবে স্থানীয় কোনো অনুষ্ঠান নথকাত প্ৰাইমাৰী স্কুলৰ শিক্ষা সাং কৰি পাঠশালা অঞ্চলৰ চৌখুটি মধ্য ইংৰাজী

স্কুলত পঢ়িবলগীয়া হয়। তাৰ পৰা বৰপেটাৰ গৱৰ্ণমেণ্ট্ হাইস্কুলত দুবছৰ পঢ়ি গুৱাহাটীৰ কলেজিয়েট্ হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ পিছত কটন কলেজৰ পৰা গণিত শাস্ত্ৰৰ সম্মানসহ সংস্কৃত ভাষাৰে সৈতে দ্বিতীয় শ্ৰেণীত বি, এ, পাচ কৰে। সেইবেলি অসমৰ কোনো ল'ৰাই কোনো বিষয়তে প্ৰথম শ্ৰেণীত বি, এ, পাচ কৰিব পৰা নাছিল আৰু দ্বিতীয় শ্ৰেণী পোৱা সকলৰ ভিতৰত হলীৰামে সৰ্ব্বোচ্চ নম্বৰ লাভ কৰিছিল। আই, এ, মহলাত ৰসায়ন বিজ্ঞান বিষয়টো তেওঁৰ পাঠ্য আছিল আৰু সেইবাবেই অসম চৰকাৰে জলপানি দি তেওঁক শিৱপুৰৰ ইঞ্জিনিয়াৰিং কলেজত পঢ়িবলৈ সুবিধা দিয়ে। অৰ্থাভাৱৰ কাৰণেই অনিচ্ছা সত্বেও তেওঁ শিৱপুৰ ইঞ্জিনিয়াৰিং কলেজত ভৰ্ত্তি হয়। কিন্তু দুৰ্ভাগ্যবশতঃ (সৌভাগ্যবশতেই কিজানি!) ক'লাজ্বৰত আক্ৰান্ত হৈ তাৰ পৰা উভতি আহে।

শিৱপুৰৰ পৰা উভতি আহি গুৱাহাটীৰ আৰ্ল ল' কলেজত ভৰ্ত্তি হয়। ইংৰাজী সাহিত্যৰ বাহিৰে অইন বিষয়ত এম, এ, পঢ়াৰ সুবিধা অসমত তেতিয়া নাছিল আৰু সেইবাবে উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যোৱাৰ হেঁপাহ তেওঁৰ অন্তৰত দুৰ্নিবাৰ আছিল। অদম্য উৎসাহ আৰু সাধু ভৰষাৰ ওপৰত ভিত্তি কৰি এবছৰ পিছতেই কলিকতালৈ যায় আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰাই এম, এ, আৰু বি, এল, পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ গুৱাহাটীত ওকালতি আৰম্ভ কৰে। ডেকাই বঙালী ভাষা সাহিত্যত অতি সুখ্যাতিৰে প্ৰথম শ্ৰেণীৰ পঞ্চম স্থান অধিকাৰ কৰি এম, এ, পাছ কৰিছিল।

প্ৰায় ন বছৰ বয়সৰ পৰাই শিক্ষা লাভৰ হেঁপাহেৰে মাক-পিতাকৰ পৰা আঁতৰত থাকি অনাই বনাই ঘূৰি ফুৰি আৰ্থিক অনাটন আৰু শাৰীৰিক কষ্ট স্বীকাৰৰ মাজেৰে ডেকাই দিন কটাবলগীয়া হৈছিল।

কলিকতাত থকা কাল ছোৱাত কি ভয়ানক কষ্টেৰে তেওঁ দিন কটাবলগীয়াত পৰিছিল তাক তেওঁৰ ডায়েৰীত নিজৰ ভাষাৰেই এইদৰে বৰ্ণনা কৰিছিল—গুৱাহাটীত 'ল'ৰ প্ৰাথমিক পৰীক্ষাটো দি কলিকতালৈ যাবলৈ মন মেলিলোঁ। কথা প্ৰসঙ্গত মোৰ সহপাঠী শ্ৰীদীননাথ শৰ্মা ডাঙৰীয়াক (পিছত S. D. C.) মোৰ অভীষ্টৰ কথা কলোঁ আৰু তেখেতে হৃদ্যতাৰে সৈতে সুধিলে—"খৰছ পত্ৰৰ কি ব্যৱস্থা হব"? মই কলোঁ যে তাতে উপায় কৰাৰ চেষ্টা কৰিম। তেখেতে কলে—"যদি নোৱাৰে ?" মোৰ কোৱা মনত পৰে—'নোৱাৰিলে গঙ্গাৰ ইপাৰ নহওঁ'—অৰ্থাৎ লাগিলে গঙ্গাত বুৰিয়ে মৰিম তথাপি ব্যৰ্থ মনোৰথ হৈ ইবেলি কলিকতা নেৰোঁ। মোৰ দুজন ভায়ে সামান্য ৰোজকাৰ কৰিছিল। তেওঁলোকৰ পৰা একশ টকা লৈ ল' কলেজত transfer Certificate ৰ খৰছ আদি দি লগত দুকুৰি টকা সম্বলেৰে কলিকতা পালোগৈ। হলীৰামৰ জীৱনত এটা নতুন পৰ্ব্বৰ-সূচনা হল। নিজৰ জীৱিকা আৰ্জনৰ সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰোঁতে নানা তিক্ততা ভোগ কৰিলে।

যিসকলৰ পৰা সহায় সহানুভূতি পাব বুলি আশা কৰি হলীৰামে উচ্চাভিলাষ মনতলৈ কলিকতা মহানগৰীলৈ উচ্চ শিক্ষাৰ কাৰণে গৈছিল সেইসকলৰ পৰা উৎসাহজনক কোনো সহাঁৰি নাপালে বৰং তেওঁলোকৰ অবহেলাসূচক আৰু উদাস সন্নিধানে হলীৰামৰ অন্তৰত মৰ্মান্তিক আঘাত দিলে। কিন্তু পিতৃ-মাতৃৰ পৰা লাভ কৰা মনৰ দৃঢ়তা আৰু সৎসাহসৰ কাৰণেই তেওঁ নিজৰ সঙ্কল্পৰপৰা বিচলিত নোহোৱাকৈ আছিল। তেওঁৰ বন্ধু শ্ৰীদীননাথ শৰ্মাৰ পৰামৰ্শমতে ছপাশালৰ কাম বিচাৰি গ'ল আৰু ছপাশালৰ কামৰ পৰিবৰ্ত্তে কাকতৰ বিজ্ঞাপন গোটোৱা কাম এটাহে পালে। জুলাই আগষ্ট মাহৰ ব'দ আৰু গৰমত কেবাদিনো দোকানে দোকানে ঘূৰি নানা

কষ্ট কৰিও কোনো বিজ্ঞাপন যোগাৰ কৰিব নোৱাৰিলে। হাতত যিখিনি টকা আছিল সিও শেষ হ'ল।

কোনো উপায় নাপাই শেষত গৃহ শিক্ষকতা কৰি জীৱিকা উপাৰ্জন কৰাৰ চেষ্টা কৰিলে। গৃহশিক্ষকৰ নিযুক্তি পোৱা আৰু নিযুক্তি পালেও তাৰদ্বাৰা নিশ্চিত জীৱিকা উপাৰ্জন হোৱাটো অতি কঠিন। অশেষ যত্ন কৰি কেইবা ঠাইতো গৃহশিক্ষকতা কৰিলে, জীৱিকাৰ পথ কিন্তু মুকলি নহল, বৰং 'কিস্তি কিস্তি কৰি টকা আদায় কৰি' আৰু গৃহশিক্ষকতাৰ নানা হতাশপূৰ্ণ অভিজ্ঞতাই তেওঁক অশান্তিহে দিলে। তথাপি হলীৰামৰ মনৰ পৰা দৃঢ় প্ৰতিজ্ঞা নাতৰিল। নিজৰ উদ্দেশ্য সাধনব্ৰতত থাকি তেওঁ সকলো কষ্টকে হাঁহি মুখে বৰণ কৰিলে।

হলীৰামৰ পৰম শ্ৰদ্ধেয় বন্ধু ৺তুলসী নাৰায়ণ শৰ্মা, ৺ৰুদ্ৰকান্ত শৰ্মা আৰু ৺দীননাথ শৰ্মাৰ সৌহাৰ্দ্য আৰু আন্তৰিকতা ব্যতিৰেকে, অদম্য মনোবল আৰু অশেষ কষ্ট স্বীকাৰৰ পিছতো কলিকতাত উচ্চ শিক্ষা লাভ সম্ভৱপৰ হৈ নুঠিলহেঁতেন। কেবা গৰাকীও বিশিষ্ট বন্ধুৱে তেওঁৰ জীৱনৰ এই দুৰ্যোগ পূৰ্ণ কালছোৱাত সহায়-সহানুভূতি দেখুৱাইছিল আৰু সেইবাবেই বোধহয় প্ৰতিষ্ঠিত জীৱনত তেওঁ যেতিয়া কলিকতা উচ্চন্যায়লয়ত ওকালতি কৰিছিল, কলিকতালৈ পঢ়িব যোৱা সকলো লৰা-ছোৱালীৰে সদায় খা-খবৰ কৰিছিল। তেওঁ এঠাইত লিখিছে—"তিনিজন বামুণৰ সঙ্গ আপদীয়া বুলি যদিও বহুত বামুণেও বিশ্বাস কৰে, ই মোৰ পক্ষে শুভ লক্ষণহে আছিল— ৰুদ্ৰ শৰ্মা, দীন শৰ্মা আৰু তুলসী শৰ্মা—তিনিজন বন্ধুৰ স্নেহ আৰু শুভেচ্ছা।

গুৱাহাটীত ৫।৬ বছৰ ওকালতি কৰাৰ পাছত কোনো মোকৰ্দ্দমা সংক্ৰান্তত কলিকতা উচ্চন্যায়ালয়ৰ খ্যাতনামা উকিল ডঃ ৰাধাবিনোদ পালৰ সান্নিধ্যলৈ আহে ঘটনা চক্ৰৰ মাজেৰে। ডঃ পালৰ চকুত

হলীৰামৰ প্ৰতিভা ধৰা পৰিল। ডঃ পালৰ পৰামৰ্শমতে তেওঁ কলিকতা উচ্চ ন্যায়ালয়ত প্ৰায় পোন্ধৰ বছৰ সুখ্যাতিৰে ওকালতি কৰে। ইং ১৯৪৬ চনত অসম চৰকাৰৰ অনুৰোধত Revenue Tribunal ৰ মেম্বাৰ হৈ অসমলৈ আহে। ১৯৪৮ চনত অসমত উচ্চ ন্যায়ালয় স্থাপিত হোৱাত তেৱেঁই প্ৰথম পঞ্জীয়ক নিযুক্ত হয়। ১৯৪৯ চনত যোৰহাটত জিলা ন্যায়াধীশ নিযুক্ত হয়। ১৯৫০ চনত অসমৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ নিযুক্ত হৈ ১৯৬০ চনলৈকে সেই পদত অধিষ্ঠিত থাকে। ১৯৬১ চনত তেওঁ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ পদত অধিষ্ঠিত হয় আৰু সেই বছৰতে কৰ্ম জীৱনৰ পৰা অৱসৰ লয়।

ন্যায়াধীশ পদত নিযুক্ত হোৱাৰ সময়ত ডেকাৰ পিতৃ জয়ৰাম জীৱিত আছিল। ডেকা ঘৰলৈ গৈ পিতৃদেৱক সেৱা কৰিলত পিতৃদেৱে যি আশীৰ্ব্বাদ দিলে সেয়ে ডেকাক বিচাৰক হিচাপে কাম-কৰিবলৈ যথেষ্ট মনোবল দিছিল। পিতৃয়ে কলে—'তোমাক চৰকাৰে বিচাৰক পাতিছে' আমাক সমাজে বিচাৰক পাতিছিল। আমিও জীৱনত বহু বিচাৰ কৰিছিলো। বিচাৰক হিচাবে এইকথা সদায় মনত ৰাখিবা যাতে যদি কেতিয়াবা দোষীয়ে কোনো কাৰণত শাস্তি লাভ নকৰে—নকৰক, কিন্তু কোনো নিৰ্দোষী লোকে যেন তোমাৰ হাতত কেতিয়াও কোনো শাস্তি ভোগ নকৰে।' এই কথাষাৰিতে ডেকাৰ পিতৃদেৱ আৰু লগতে তেওঁৰ বংশ পৰম্পৰাৰ কথা সুন্দৰকৈ ফুটি ওলাইছে। পিতাকৰ এই আশীৰ্ব্বাদকে শিৰো-ধাৰ্য্যকৰি ডেকাই সুদীৰ্ঘ এঘাৰ বছৰ কাল ন্যায়াধীশৰ কাম সুখ্যাতিৰে কৰিলে। স্বৰ্গীয় জয়ৰাম ডেকাৰ পৰিমাৰ্জ্জিত আচাৰ-ব্যৱহাৰ, সৰলতা, মানৱতা আৰু বিচাৰক্ষমতা পুত্ৰ হলীৰামৰ ওপৰত সম্পূৰ্ণৰূপে প্ৰতিফলিত হৈছিল।

অসমীয়া সাহিত্যত হলীৰামৰ যশস্যা সুপ্ৰতিষ্ঠিত। গভীৰ

অন্তৰ্দৃষ্টি, উদাৰ মনোভাব আৰু লালিত্যপূৰ্ণ সাৱলীল ৰচনা শৈলীয়ে ডেকাৰ ছুটি গল্পসমূহক অকল উপভোগ্যই কৰা নাই, অসমীয়া গল্প সাহিত্যৰ উজ্জ্বল সম্ভাৱনাসমূহক সাহিত্য সেৱীসকলৰ সমুখত দাঙি ধৰিছে।

'অলকালৈ চিঠি', 'অকণালৈ চিঠি' 'যৎকিঞ্চিৎ' আৰু 'আৱাহন' প্ৰমুখ্যে বিভিন্ন সমসাময়িক আলোচনীত প্ৰকাশিত গল্প সমূহে ডেকাক আগশাৰীৰ কথা-সাহিত্যিক ৰূপে প্ৰতিষ্ঠা কৰিছে। 'বিয়া বিভ্ৰাট' 'দ্বিতীয় পক্ষ', 'ফুটুকা' 'যোদ্ধাৰ' 'সহজ সম্বন্ধ' 'মৰা ঘোঁৰা', 'উদ্দীপনা' 'ভেশছন' 'ভ্ৰষ্টলিপি', 'পৰ্ব্বতৰ টিঙৰ বঙলা ঘৰ' আদি নানা আলোচনীৰ পাতত সিচৰিত হৈ থকা ডেকাৰ গল্পবোৰে অসমীয়া গল্প সাহিত্যৰ ভেটি দৃঢ় কৰিছে। ডেকাৰ গল্পৰ মাজত প্ৰকাশ পোৱা হাস্যৰস সংযত ধৰণৰ হলেও পঢ়ুৱৈৰ মনত ই য়ে বিপুল আনন্দৰ সৃষ্টি কৰে। অসমীয়া জীৱন আৰু সমাজৰ প্ৰতিচ্ছবিও ডেকাৰ গল্পৰ মাজেৰে প্ৰকাশ পাইছে আৰু সেইকাৰণেই তেওঁৰ গল্পবোৰ পঢ়ি সৰ্ব্বসাধাৰণে আনন্দ লাভ কৰে। কিছুমান চৰিত্ৰৰ মাজেৰে জীৱনৰ নানা ঘাত প্ৰতিঘাত দেখুৱাই করুণ ৰসৰ সৃষ্টিও কৰিছে। ডেকাৰ এই সুন্দৰ গল্পবোৰ আজিলৈকেও কিতাপ আকাৰে প্ৰকাশ নোহোৱাটো পৰিতাপৰ কথা।

স্বাধীনতাই দেশবাসীৰ ব্যক্তিগত আৰু জাতীয় জীৱন বিকাশৰ পথ সুচল কৰিব—তেওঁ এই কথা উপলব্ধি কৰিছিল; কিন্তু নিজৰ নিজৰ ক্ষেত্ৰত নিষ্ঠাৰে কাম কৰি থাকিও দেশ সেৱা কৰিব পাৰি এনেকুৱা মনোভাৱেৰে কোনো ৰাজনৈতিক দলত সক্ৰিয় অংশ গ্ৰহণ কৰা নাছিল। তেওঁ যে এজন বিচক্ষণ আইনজ্ঞ আছিল, সেইকথা বিশ্ববিখ্যাত আইনবিদ্ ডঃ ৰাধাবিনোদ পালেও স্বীকাৰ কৰিছিল।

ডেকাৰ মাৰ্জ্জিত আচাৰ-ব্যৱহাৰ, সৰলতা আৰু যুক্তিৰ ওপৰত দৃঢ় আস্থাই সমাজত ওখ আসন দিছিল। তেওঁ নানা সামাজিক

কামতো শেষ বয়সত নিজক নিয়োগ কৰিছিল। গুৱাহাটীৰ প্ৰাগ-জ্যোতিষ কলেজ স্থাপন ক্ষেত্ৰতো ডেকাই অৰিহণা যোগাইছিল। তেওঁ শিক্ষকতা ভাল পাইছিল আৰু সেয়ে এই প্ৰাগজ্যোতিষ কলেজতে কিছু দিন অবৈতনিক অধ্যাপকৰ কামো কৰিছিল।

মুখ্য ন্যায়ধীশ পদৰ পৰা অৱসৰ পোৱাৰ এবছৰ পাৰ হওতেই ১৯৬২ চনৰ ২০ ডিচেম্বৰ তাৰিখে ডেকাই ইহলীলা পৰিত্যাগ কৰে।

—শ্ৰীগিৰিধৰ শৰ্ম্মা